● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩

# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**

সাহিত্যত সৰ্বশেষত সবাতোকৈ গুৰুত্বপূৰ্ণ হৈ উঠে ব্যক্তিৰ চাৰিত্ৰিক বৈশিষ্ট্য, ব্যক্তিজন, বিশেষ কোনো লোকৰ দুখ-দুৰ্দশাৰ স্বাদ বা বৰ্ণৰ কথা।

হেৰল্ড ব্লুম
*মাৰ্কিন সাহিত্য সমালোচক*



www.dainikagradoot.in
৭ দেশত আৰ্থিক উদাৰীকৰণৰ তিনি দশক সম্পূৰ্ণ হ'ল
১১ ভাৰতীয় প্ৰত্যাশা অনুসৰি মেৰী-সিন্ধুৰ আৰম্ভণি
৪ অসম বানমুক্ত কেতিয়া? অসমত আছে প্ৰচুৰ সম্পদ, নাই সদ্ব্যৱহাৰ

RNI-Regd No. 62953/96 ■ ষড়বিংশতিতম বছৰ ● ২৮৬তম সংখ্যা ● গুৱাহাটী ● সোমবাৰ ৯ শাওণ ১৪২৮ ভাস্কৰাব্দ ২৬ জুলাই ২০২১ চন ■ DAINIK AGRADOOT ● Guwahati ● Monday 26 July 2021 মূল্য ঃ ৭.০০ টকা

## স্খলিত সমাজৰ নগ্ন প্ৰতিচ্ছবি

■ প্ৰাঞ্জলসেন ডেকা

৯০ দশকৰ মাজভাগত এদিন গুৱাহাটীৰ এজন গড়কাপ্তানী বিভাগৰ আগশাৰীৰ ঠিকাদাৰে কোৱা কাহিনী এটা প্ৰায়ে মনত পৰে। তেতিয়াই মনটো আৱেগিক হৈ উঠে আৰু দুখতো ভৰি পৰে। ঠিকাদাৰজনে তাৰ কেই বছৰমান পূৰ্বে ভাড়াঘৰ বিচাৰি ভৰলুমুখ অঞ্চলৰ এটি সম্ভ্ৰান্ত অসমীয়া পৰিয়ালৰ গৃহস্থীক সাক্ষাৎ কৰিলে। মাৰোৱাৰী সম্প্ৰদায়ৰ ঠিকাদাৰজনৰ ঘৰটো বৰ পছন্দ হ'ল যদিও খিৰিকীত লোৰ গ্ৰীল অথবা ৰেলিং আঠ পৃষ্ঠাত চাওক

কৰ'না কালত স্মাৰ্টফোনে গ্ৰাস কৰিছে শৈশৱক ঃ স্পষ্ট হ'ল ৰাষ্ট্ৰীয় শিশু অধিকাৰ সুৰক্ষা আয়োগৰ সমীক্ষাত

## অধ্যয়নত নহয়, মেছেজিঙতহে ব্যস্ত ৯০ শতাংশ



■ নিউজ ব্যুৰ'

**নতুন দিল্লী, ২৫ জুলাই ঃ** দেশত ক'ভিড-১৯ৰ সংক্ৰমণ আৰম্ভ হোৱাৰ পূৰ্বে সৰহসংখ্যক ভাৰতীয় অভিভাৱকে শিশু সন্তানক স্মাৰ্টফোন ব্যৱহাৰৰ অনুমতি দিয়া নাছিল। একাংশ অভিভাৱকে কিছু সময়ৰ বাবে শিশুক ম'বাইলত গে'ম খেলিবলৈ দিছিল যদিও ঘণ্টাৰ পাছত ঘণ্টা ধৰি সন্তানক স্মাৰ্টফোন হাতত ৰাখিবলৈ দিবলৈ শংকাবোধ কৰিছিল; কিন্তু কৰ'না কালত আন বহু সামগ্ৰীৰ দৰে স্মাৰ্টফোনো শিশুসকলৰ বাবে প্ৰাথমিক চাহিদাত পৰিণত হ'ল। 'অনলাইন' অধ্যয়নৰ বাবে অপৰিহাৰ্য সঁজুলিত পৰিণত হ'ল স্মাৰ্টফোন। কৰ'না কালত দেশৰ বিদ্যালয়সমূহ বন্ধ হৈ থকাত শিক্ষাৰ্থীসকলে সম্প্ৰতি অনলাইনত শিক্ষা গ্ৰহণ কৰিব লগা হৈছে। ফলত অভিভাৱককেও কণমানি সন্তানৰ হাতত একোটা স্মাৰ্টফোন তুলি দিবলৈ বাধ্য হৈছে। কিন্তু শিশুসকলে অধ্যয়নৰ কামত স্মাৰ্টফোন যিমান ব্যৱহাৰ কৰিছে, তাতোকৈ আঠ পৃষ্ঠাত চাওক

১০ বছৰীয়া শিশুও সক্ৰিয় ফে'চবুকত

## দেশত প্ৰথম ঃ ভোটাৰক উৎকোচ দিয়াৰ অপৰাধত কাৰাদণ্ড সাংসদক



■ নিউজ ব্যুৰ'

**হায়দৰাবাদ, ২৫ জুলাই ঃ** দেশত প্ৰথমবাৰলৈ নিৰ্বাচনত ভোটাৰক উৎকোচ দিয়াৰ অপৰাধত দোষী সাব্যস্ত হৈ কাৰাদণ্ডৰ সন্মুখীন হ'ল তেলেংগানা ৰাষ্ট্ৰ সমিতি (টি আৰ এছ)ৰ এগৰাকী সাংসদ। ২০১৯ৰ সাধাৰণ নিৰ্বাচনত ভোটাৰক উৎকোচ দিয়াৰ অপৰাধত দোষী সাব্যস্ত হোৱা আঠ পৃষ্ঠাত চাওক

■ তামুলপুৰ চিকিৎসা মহাবিদ্যালয়ৰ আধাৰশিলা স্থাপন-ক'ভিডত মৃত লোকৰ আত্মীয়ক সাহায্য প্ৰদান আঁচনি মুকলি কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্বাহৰ ■ উত্তৰ-পূৰ্বৰ বৈচিত্ৰ্যতা ভাৰতৰ সম্পদ

# আন্দোলনেৰে দাবী পূৰণৰ ধাৰণা আঁতৰিল

### আজি অসমত সম্পূৰ্ণ হ'ব ক'ভিডৰ এক কোটি প্ৰতিষেধক প্ৰদান ঃ মুখ্যমন্ত্ৰী ড° শৰ্মা

ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ২৫ জুলাই ঃ** 'অসম আৰু উত্তৰ-পূৰ্বাঞ্চলে আন্দোলন কৰিলেহে দাবী পূৰণ হয় বুলি চলি অহা ধাৰণা সলনি কৰি দিলে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। প্ৰধানমন্ত্ৰী মোদীৰ বাবেই এই অঞ্চলটোৰ ৰাইজৰ উপলব্ধি হৈছে যে বিকাশৰ বাবে আন্দোলনৰ প্ৰয়োজন নাই, প্ৰয়োজন সহযোগৰহে। অসমেও আন্দোলন, হিংসা ত্যাগ কৰি নিজকে বিকাশৰ পথত চামিল কৰিছে। আন্দোলন, আতংকই অসমৰ বিকাশ নকৰে, কৰিব মোদীৰ বিকাশৰ ৰাজনীতিয়ে।' আজি ইয়াত তামুলপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ আধাৰশিলা স্থাপন আৰু অসমত ক'ভিডত মৃত্যু হোৱা লোকৰ পৰিয়ালক আৰ্থিক সাহায্য প্ৰদানৰ এক আঁচনি মুকলি কৰি এইদৰে কয় কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে। তেওঁ কয় যে প্ৰধানমন্ত্ৰী মোদীয়ে উত্তৰ-পূৰ্বাঞ্চলক কিমান অগ্ৰাধিকাৰ দিয়ে তাৰ এক উদাহৰণ কেন্দ্ৰীয় মন্ত্ৰীসভাত স্বাধীনতাৰ পাছত অঞ্চলটোৰ পৰা একেলগে পাঁচজনক দুই পৃষ্ঠাত চাওক



*কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহক আদৰণি অসম চৰকাৰৰ, মহানগৰীত দেওবাৰে।*

## বৈঠকলৈ আহি কৰ'নাত আক্ৰান্ত মুইভা

■ নিউজ ব্যুৰ'

**ডিমাপুৰ, ২৫ জুলাই ঃ** নগালেণ্ডৰ সশস্ত্ৰ সংগঠন এনএছচিএন (আই এম)ৰ মুৰব্বী থুইংলেং মুইভা দুদিন পূৰ্বে ক'ভিড আক্ৰান্ত হৈছে। সম্প্ৰতি তেওঁ ডিমাপুৰত চিকিৎসাধীন হৈ আছে। অৱশ্যে ক'ভিড আক্ৰান্ত হোৱাৰ বিষয়ে নগালেণ্ডৰ স্বাস্থ্য আঠ পৃষ্ঠাত চাওক

■ উৎপাদনৰ বিপৰীতে মুকলি বজাৰৰ পৰা ক্ৰয়তহে গুৰুত্ব ■ সক্ষমতাৰ আধাতকৈও কম উৎপাদন ৰাজ্যৰ নিজা প্ৰকল্পৰ ■ ম্যাদ উকলা যন্ত্ৰ, গেছৰ যোগানো নিয়মীয়া কৰাত ব্যৰ্থতা

## বিদ্যুতৰ সঘন লুকভাকুত যন্ত্ৰণা ৰাইজৰ

ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ২৫ জুলাই ঃ** নিজা উৎপাদনৰ পৰিৱৰ্তে বাহিৰৰ পৰা বিদ্যুৎ ক্ৰয়ত গুৰুত্ব দিয়া অসমত গ্ৰাহকক যোগান ব্যৱস্থা বাৰে বাৰে ব্যাহত হৈছে। অথচ শক্তিমন্ত্ৰী বিমল বৰাই দাবী কৰিছে যে চাহিদাৰ বিপৰীতে অসমত যোগান ঠিকেই আছে। তাৰ পাছতো উত্তাপ বৃদ্ধিৰ ফলত গুৱাহাটীকে ধৰি সমগ্ৰ ৰাজ্যত সম্প্ৰতি বাৰে বাৰে ব্যাহত হৈছে বিদ্যুৎ যোগান। ইয়াৰ মূলতে হ'ল আন্তঃগাঁথনিত চূড়ান্ত দুৰ্বলতা আৰু মুকলি বজাৰত বৃদ্ধি হোৱা বিদ্যুতৰ চাহিদা। চাহিদা বৃদ্ধিৰ ফলত এনে বজাৰত প্ৰতি ইউনিট বিদ্যুতৰ মূল্যও ক্ৰমে ঊৰ্ধ্বগামী হৈছে। তাৰ ফলত ৰাজ্যবোৰে অধিক মূল্য ভৰি মুকলি বজাৰৰ পৰা বিদ্যুৎ ক্ৰয় কৰিবলগীয়া হৈছে। ইয়াৰ পৰিপ্ৰেক্ষিতত ব্যাপক সম্ভাৱনা বহন কৰা ৰাজ্যবোৰে নিজা উৎপাদন ব্যৱস্থাত গুৰুত্ব দিয়াৰ বিপৰীতে অসমে উপেক্ষাহে কৰিছে। অসম বিতৰণ কোম্পানী লিমিটেড (এপিডিচিএল)ৰ হিচাপ অনুসৰি ৰাজ্যত সৰ্বোচ্চ চাহিদাৰ সময়ত আঠ পৃষ্ঠাত চাওক

## মা কামাখ্যাৰ আশিস লৈ জিএমচিএইছত মুকলি কৰিলে নতুন ব্লক

ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ২৫ জুলাই ঃ** দুদিনীয়া ভ্ৰমণসূচীৰে উত্তৰ-পূৰলৈ অহা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি গুৱাহাটীত উপস্থিত হৈ কে'বাটাও চৰকাৰী কাৰ্যসূচীত অংশগ্ৰহণ কৰে। কালি শ্বিলঙত উপস্থিত হৈ গৃহমন্ত্ৰী শ্বাহে উত্তৰ-পূৰ্বৰ ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰী, মুখ্য সচিব আৰু আৰক্ষী সঞ্চালকপ্ৰধানৰ সন্মিলনত অংশগ্ৰহণ কৰাৰ উপৰি মেঘালয় চৰকাৰৰ কে'বাটাও কাৰ্যসূচীত অংশ লৈ আজি বিয়লি লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় দুই পৃষ্ঠাত চাওক

## ক'ভিড আক্ৰান্ত হৈ বিশিষ্ট শিক্ষাবিদ ড° নিৰু হাজৰিকাৰ দেহাৱসান

ডি-লিট লাভ কৰা উত্তৰ-পূৰ্বৰ প্ৰথম মহিলা



ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ২৫ জুলাই ঃ** উত্তৰ-পূব ভাৰতৰ বিদ্যায়তনিক ক্ষেত্ৰৰ এক উজ্জ্বল নক্ষত্ৰ তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অন্যতম খনিকৰ ড° নিৰু হাজৰিকা (৭৩)ৰ আজি পুৱতি নিশা গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত দেহাৱসান ঘটে। কে'বামাহ ধৰি ষ্ট্ৰ'কত আক্ৰান্ত আঠ পৃষ্ঠাত চাওক

## ৰাজ্যত ক'ভিডত মৃত্যু হ'ল ২২ জনৰ

সংক্ৰমণৰ হাৰ সামান্য বৃদ্ধি, আক্ৰান্ত ১০৫৪জন

ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ২৫ জুলাই ঃ** ৰাজ্যত আজি ২২জন ক'ভিড আক্ৰান্তৰ মৃত্যু হয়। আনহাতে, আজি দৈনিক সংক্ৰমণ সামান্যৰূপে বৃদ্ধি পোৱা পৰিলক্ষিত হয়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই টুইটযোগে জনোৱা মতে, আজি ৰাজ্যত ৭৩ হেজাৰ ৫০৭জনৰ ক'ভিড পৰীক্ষা সম্পন্ন হয়। দুই পৃষ্ঠাত চাওক

## দেশত দৈনিক সংক্ৰমণৰ ৬২ শতাংশ দুখন ৰাজ্যত, মৃত্যুও পাঁচশৰ উৰ্ধ্বত

■ নিউজ ব্যুৰ'

**নতুন দিল্লী, ২৫ জুলাই ঃ** দেশত পুনৰ সামান্য বৃদ্ধি পালে দৈনিক আক্ৰান্তৰ সংখ্যা। বিগত ২৪ ঘণ্টাত ভাৰতত নতুনকৈ কৰ'নাত আক্ৰান্ত হ'ল ৩৯ হেজাৰ ৭৪২ জন লোক। অৱশ্যে সংক্ৰমণ বৃদ্ধি পালেও দৈনিক মৃত্যুৰ সংখ্যা সামান্য অৱনমিত হ'ল। বিগত এদিনত ভাৰতত কৰ'নাই প্ৰাণ কাঢ়িলে পুনৰ ৫৩৫ আঠ পৃষ্ঠাত চাওক

■ নিশা সন্দেহজনকভাৱে ঘূৰি ফুৰা তিনিজনক গণপ্ৰহাৰ ■ নেতৃস্থানীয় লোকৰে সজাগতা সভা উপায়ুক্তৰ ■ আৰক্ষীৰ টহলৰ পোষকতা

## 'ক'লা মানুহ'ৰ আতংকত ত্ৰস্তমান বঙাইগাঁৱত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি



অগ্ৰদূত ব্যুৰ'

**বঙাইগাঁও, ২৫ জুলাই ঃ** 'ক'লা মানুহ'ৰ ভুৱা বাতৰিয়ে বিগত কিছুদিন ধৰি বঙাইগাঁও চহৰৰ লগতে জিলাখনৰ বিভিন্ন স্থানৰ সাধাৰণ লোকক ত্ৰস্তমান কৰি ৰাখিছে। এই উৰা বাতৰিক কেন্দ্ৰ কৰিয়ে যোৱা নিশা বঙাইগাঁও চহৰত এক চৰম উত্তেজনাপূৰ্ণ পৰিস্থিতিৰ উদ্ভৱ হয়। নিশা সন্দেহজনক অৱস্থাত ঘূৰি ফুৰা তিনিজন যুৱক উত্তেজিত ৰাইজৰ গণ প্ৰহাৰৰ সন্মুখীন হয়। 'ক'লা মানুহ'ৰ উৰা বাতৰিয়ে জিলাখনত আগন্তুক দিনত পৰিস্থিতিৰ অৱনতি ঘটোৱাৰ আশংকা কৰিয়ে আজি বঙাইগাঁৱৰ উপায়ুক্তৰ তৎপৰতাত আঠ পৃষ্ঠাত চাওক

## প্ৰথম লাচিত বৰফুকনৰ প্ৰতিমূৰ্তি নিৰ্মাণ কৰিছিল বিশিষ্ট চিত্ৰ-ভাস্কৰ্য শিল্পী জয়চন্দ্ৰ দাসৰ বিয়োগ



■ অৰূপ কলিতা

**তেজপুৰ, ২৫ জুলাই ঃ** খ্যাতনামা চিত্ৰ তথা ভাস্কৰ্য শিল্পী তেজপুৰৰ তল কলিবাৰী নিবাসী জয়চন্দ্ৰ দাস (৬৮)ৰ আজি পুৱা মৃত্যু হয়। দীৰ্ঘদিন ধৰি হৃদৰোগত আক্ৰান্ত হৈ থকা শিল্পীজনে আজি পুৱা আঠ বজাত গাধোৱা ঘৰত পৰাত তত্তাতৈয়াকৈ দুই পৃষ্ঠাত চাওক

ভাৰতত ৪০ লাখ আক্ৰান্ত ঃ সজাগতা অনুষ্ঠানত ডাঃ ভৱ দেৱ গোস্বামী

## হেপাটাইটিছ 'বি' এইছআইভিতকৈ এশ গুণ অধিক সংক্ৰামক ৰোগ



ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ২৫ জুলাই ঃ** অহা ২৮ জুলাইত বিশ্ব হেপাটাইটিছ দিৱস উপলক্ষে নৰ্থ-ইষ্ট ডাইজেষ্টিভ আৰু লিভাৰ ফাউণ্ডেছন, গুৱাহাটীয়ে আজি সপ্তাহজোৱা হেপাটাইটিছ সজাগতা কাৰ্যসূচী মুকলি কৰে। নৰ্থ-ইষ্ট ডাইজেষ্টিভ আৰু লিভাৰ ফাউণ্ডেছনৰ সম্পাদক তথা ইনষ্টিটিউট অৱ ডাইজেষ্টিভ এণ্ড লিভাৰ ডিজিজৰ জ্যেষ্ঠ গেষ্ট্ৰ' এন্টাৰোল'জি আৰু হেপাটোলজিষ্ট ডাঃ ভৱ দেৱ গোস্বামীয়ে সজাগতা কাৰ্যসূচী মুকলি কৰে কয়, 'সজাগতা কাৰ্যসূচীৰ অংশৰূপে আমি চিকিৎসকসকলৰ বাবে নিতৌ মেডিকেল শিক্ষাৰ কাৰ্যসূচী আৰু বিভিন্ন ঠাইত ৰাজহুৱা সজাগতা কাৰ্যসূচীৰ আয়োজন কৰিছো। আঠ পৃষ্ঠাত চাওক

■ উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ ৫০ লাখটকীয়া গোলাঘাট কাণ্ডৰ অভিযুক্ত

ৰাইজৰ প্ৰশ্ন ঃ অবৈধ ছিণ্ডিকেটৰ পৃষ্ঠপোষকসকল জালত পৰিবনে?

## আগতীয়া জামিনৰ আবেদন দুই সুৰা মাফিয়াৰ লগতে বিতৰ্কিত আৰক্ষীৰ

বিশেষ সংবাদদাতা

**গোলাঘাট, ২৫ জুলাই ঃ** আগতীয়া জামিনৰ বাবে সম্প্ৰতি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হৈছে গোলাঘাটত নগদ ৫০ লাখ টকাসহ ধৰা পৰা ঘটনাৰ মূল অভিযুক্ত ৰঘুবীৰ সিং আৰু তেওঁৰ সহযোগী বীৰ চান্দ। সেইদৰে ৰহস্যজনক কাৰণত অভিযুক্তদ্বয়ক এৰি দি বিতৰ্কত সাঙোৰ খাই পৰা গোলাঘাট সদৰ আৰক্ষী থানাৰ তৎকালীন ভাৰপ্ৰাপ্ত বিষয়া দীপক বৰায়ো আগতীয়া জামিন বিচাৰি উচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হৈছে। উক্ত ঘটনাত তদন্তৰ সন্মুখীন হোৱা আৰক্ষী বিষয়াজনে গ্ৰেপ্তাৰ হোৱাৰ আশংকাতে আগতীয়া জামিন বিচাৰি আদালতত আবেদন জনাইছে। উল্লেখ্য যে কোনো ধৰণৰ বৈধ নথি-পত্ৰ নথকাকৈ দুই অভিযুক্ত সুৰা মাফিয়াৰ পৰা ৫০ লাখ টকা জব্দ কৰাৰ পাছতো বিতৰ্কিত আৰক্ষী বিষয়াজনে কোনো গোচৰ পঞ্জীয়ন নকৰি দুয়োকে মুকলি কৰি দিছিল। আঠ পৃষ্ঠাত চাওক



| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩৪° | ২৬° |
| ডিব্ৰুগড় | ৩৬° | ২৬° |
| দিল্লী | ৩৫° | ২৮° |
| কলকাতা | ৩৪° | ২৮° |
| মুম্বাই | ৩০° | ২৭° |
| চেন্নাই | ৩৭° | ২৮° |
| বাংগালুৰু | ২৬° | ২০° |
| শ্বিলং | ২৩° | ১৯° |

*২৫ জুলাই, ২০২১*

**চেঙা তেল**




*দাবী যি চলে চলি থাকক, কেৱল আমাৰ আঁচনি বাধাগ্ৰস্ত হ'ব নালাগে!*

২,১৫,২৮৫.৭৭ কোটি টকাত জড়িত থকা অনিয়মৰ ২০১৯ পৰ্যন্ত কোনো শুংসূত্ৰ নাই

## দুই লাখ কোটিৰো অধিক টকাৰ অনিয়মৰ সন্দৰ্ভত উত্তৰ নাই অসম চৰকাৰৰ ঃ কেগ

ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ২৫ জুলাই ঃ** দেশৰ মহাগাণনিকেই (কেগ) অসম চৰকাৰৰ পৰা লাভ কৰা নাই বহু কোটিটকীয়া গুৰুতৰ অনিয়মৰ সন্দৰ্ভত কোনো উত্তৰ। সম্প্ৰতি অব্যাহত থকা অসম বিধানসভাৰ বৰ্ষাকালীন অধিবেশনৰ সময়ত সদনত কেগে দাখিল কৰা সামাজিক, অৰ্থনৈতিক (অনা-ৰাজহুৱা খণ্ড প্ৰতিষ্ঠানসমূহ) আৰু সাধাৰণ খণ্ডৰ ২০১৯ৰ ৩১ মাৰ্চত সমাপ্ত বছৰৰ বাবে দাখিল কৰা প্ৰতিবেদনতে এই কথা স্পষ্ট হৈছে। ১৯৯৪-৯৫ৰ পৰা ২০১৮-১৯ৰ সময়ছোৱাত মুঠ ২৫ বছৰত কেগে বিভিন্ন বিভাগত কৰা প্ৰশ্নৰ উত্তৰ লাভ নকৰাৰ ফলত দুই লাখ ১৫ হেজাৰ ২৮৫ কোটি টকাৰ গুৰুতৰ অনিয়মৰ ২০১৯ৰ জুন পৰ্যন্ত কোনো শুংসূত্ৰ নাই। অৰ্থাৎ এই অভিযোগসমূহ নিষ্পত্তি নোহোৱাকৈ পৰি আছে। '১৯৯৪-৯৫ৰ আৰু ২০১৮-১৯ৰ সময়ছোৱাৰ ভিতৰত জাৰি কৰা ২০,৫৭৫টা দফা সম্বলিত ২,৭৩৪টা দুই পৃষ্ঠাত চাওক



## এইবাৰ গুৱাহাটী ৰেল ষ্টেছনতে শিশু-মহিলাসহ ন ৰোহিংগীয়াক আটক



ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ২৫ জুলাই ঃ** গুৱাহাটী ৰেল আৰক্ষীয়ে আজি নজন ৰোহিংগীয়া লোকক আটক কৰে। এই লোককেইজনক কৰিমগঞ্জ জিলাৰ বদৰপুৰৰ পৰা দিল্লীলৈ নিবলৈ চেষ্টা কৰিছিল আমান উল্লাহ নামৰ কাশ্মীৰৰ এজন লোকে। সম্প্ৰতি আৰক্ষীয়ে আটক কৰি উল্লাহসহ ১০ জনকে জেৰা অব্যাহত ৰাখিছে। উল্লেখ্য যে ৰেল আৰক্ষীয়ে আটক আঠ পৃষ্ঠাত চাওক

## এক আগষ্টৰ পৰা মহানগৰীত নচলে অ'লা, উবেৰৰ টেক্সী

এইবাৰ কেব চলিব 'পে-ইণ্ডিয়া'ৰ অধীনত

ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ২৫ জুলাই ঃ** ৰাজধানী মহানগৰীৰ প্ৰায় ছহেজাৰ কেবচালকে অহা এক আগষ্টৰ পৰা বৰ্জন কৰিব অ'লা আৰু উবেৰ সেৱা। ফলত এক আগষ্টৰ পৰা মহানগৰীৰ ৰাজপথত দেখা নাযাব দুয়োটা প্ৰতিষ্ঠানৰ ষ্টিকাৰ লগোৱা বাহন। সেই দিনৰ পৰাই গাড়ীসমূহত জিলিকিব 'পে-ইণ্ডিয়া'ৰ ল'গ'। আঠ পৃষ্ঠাত চাওক

# সমাজকৰ্মী চন্দ্ৰধৰ মহন্তৰ মৃত্যুত শোক

**অগ্ৰদূত বাৰ্তা**
**বৰভাগ, ২৫ জুলাই ঃ** নলবাৰী জিলাৰ বৰভাগৰ মৰোৱা সত্ৰ নিবাসী সমাজকৰ্মী, আৰিকুছি মিলন হাইস্কুলৰ অন্যতম প্ৰতিষ্ঠাপক, মৰোৱা শংকৰদেৱ জন্মোৎসৱ পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি চন্দ্ৰধৰ মহন্তৰ মৃত্যুত বৃহত্তৰ বৰভাগত গভীৰ শোকৰ ছাঁ পৰিছে। হৃদৰোগত আক্ৰান্ত হৈ গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত শুকুৰবাৰে নিশা ১২-০৫ বজাত তেওঁৰ পৰলোক ঘটে। উল্লেখ্য যে গৰকাপ্টানী বিভাগৰ মুখ্য সহায়কৰূপে অৱসৰ গ্ৰহণ কৰা মহন্তই আৰিকুছি দুৰ্গা পূজা পৰিচালনা সমিতিৰো সভাপতিৰ পদ অলংকৃত কৰিছিল। তেওঁৰ মৃত্যুত মৰোৱা গাঁও উন্নয়ন সমিতি, পশ্চিম ওপৰ বৰভাগ আঞ্চলিক ছাত্ৰ সন্থা, আৰিকুছি দুৰ্গা পূজা সমিতি, মৰোৱা শংকৰদেৱ জন্মোৎসৱ পৰিচালনা সমিতি আদিকে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰিছে। ৯৩ বছৰত মৃত্যু হোৱা মহন্তই মৃত্যুৰ সময়ত তিনিগৰাকী জী-জোঁৱাই, নাতি-নাতিনীক এৰি যায়।

# বিশিষ্ট চিত্ৰ-ভাস্কৰ্য শিল্পী জয়চন্দ্ৰ দাসৰ বিয়োগ

*এক পৃষ্ঠাৰ পৰা* তেওঁক তেজপুৰৰ ব্যাপ্তিষ্ট মিছন হাস্পতাললৈ অনা হয় যদিও ইয়াতে পুৱা ৯-৪৫ বজাত তেওঁ শেষ নিশ্বাস ত্যাগ কৰে। ১৯৫৩ত জন্মগ্ৰহণ কৰা এইজন শিল্পীয়ে আৰ্থিক সংকটৰ সন্মুখীন হৈয়ে মেলানি মাগিলে। এজন চিত্ৰশিল্পী তথা ভাস্কৰ্য শিল্পীৰূপে প্ৰখ্যাত হ'লেও তেওঁ এসময়ত ভাওনা আৰু শিশু সাহিত্যৰ স'তেও জড়িত আছিল। স্থানীয় শিশুসকলক লৈ তেওঁ বহু শিশুনাট কৰাৰ লগতে চিত্ৰ অংকনো শিকাইছিল। শিশু অৱস্থাত ডাঠ কাগজত ছবি আঁকা আৰু পাছত তেওঁৰ প্ৰতিবেশী তথা এজন সংস্কৃতিবান আঢ্যৱন্ত ব্যৱসায়ী প্ৰয়াত গংগাৰাম দাসে শিল্পীজনক এই ক্ষেত্ৰত অনুপ্ৰেৰণা যোগাইছিল। তেজপুৰ চৰকাৰী উচ্চতৰ মাধ্যমিকত নৱম শ্ৰেণীত পঢ়ি থাকোতে বিদ্যালয়ৰ বাবে সৰস্বতী প্ৰতিমা নিৰ্মাণ কৰি সকলোকে বিমুগ্ধ কৰা শিল্পীজনে ১৯৭০ত তেজপুৰত অনুষ্ঠিত অসম সাহিত্য সভাৰ অধিবেশনৰ বাবে আনন্দ চন্দ্ৰ বৰুৱাৰ প্ৰতিমূৰ্তি নিৰ্মাণ কৰিছিল। ইয়াৰ পাছতে কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মাৰ তৈলচিত্ৰ অংকন কৰে। কলাগুৰু, ৰূপকোঁৱৰ, নটসূৰ্যৰ বহুসংখ্যক আৱক্ষ মূৰ্তি নিৰ্মাণ কৰা শিল্পীজনে ৰাজ্যৰ কে'বাখনো জিলাৰ লগতে তেজপুৰত বহুসংখ্যক ছহিদ বেদী নিৰ্মাণ কৰিছে।

উল্লেখ্য যে ১৯৮৭ত তেওঁ ৰাজ্যৰ ভিতৰতে প্ৰথমবাৰলৈ লাচিত বৰফুকনৰ প্ৰতিমূৰ্তি তেজপুৰত আৰু ধুবুৰীত মহাবীৰ চিলাৰায় আৰু নেতাজী সুভাষ চন্দ্ৰ বসুৰ মূৰ্তি নিৰ্মাণ কৰিছিল। আনহাতে, সৰুপথাৰ ৰাজহুৱা ভৱনৰ সন্মুখত তেওঁ ছহিদ কুশল কোঁৱৰৰ প্ৰতিমূৰ্তি নিৰ্মাণ কৰাৰ লগতে তেজপুৰৰ বাসগৃহত শেহতীয়াকৈ নিৰ্মাণ কৰি উলিয়াই বীৰছা মুণ্ডাৰ এক দৃষ্টিনন্দন প্ৰতিমূৰ্তি। নিজস্ব প্ৰতিভাৰ বলতেই শিল্প ভাস্কৰ্যৰ জগতখনত ভৰি দিয়া শিল্পীজনে এই ক্ষেত্ৰত কোনো আনুষ্ঠানিক প্ৰশিক্ষণ নতুবা শিক্ষা গ্ৰহণ কৰা নাছিল। ভাস্কৰ্য শিল্পৰ বাবে থকা প্ৰবল অনুৰাগৰ বাবে তেওঁ তেজপুৰৰ তথা ৰাজ্যৰ আন এজন বৰেণ্য শিল্পী প্ৰয়াত লম্বোদৰ হাজৰিকাৰ কাম কৰা চাবৰ বাবে ঢাপলি মেলিছিল। কে'বাদিনো তেনেকৈ দেখাৰ পাছত এইগৰাকী প্ৰথিতযশা শিল্পীয়ে দাসক সহায়কাৰী হিচাপে লৈ বিভিন্ন সৃষ্টিত জড়িত কৰালে। তেতিয়াৰ পৰাই প্ৰয়াত শিল্পী হাজৰিকাক গুৰু হিচাপে জ্ঞান কৰি ভাস্কৰ্য নিৰ্মাণত পাকৈত হৈ উঠা শিল্পী দাসে তেওঁৰ মনৰ গুৰুৰ বিয়োগৰ পাছতো বিহুৰে বা তেনে সময়ত তেজপুৰৰ ঔগুৰিস্থিত গুৰুগৃহত এবাৰ দেখা দিয়াটো নিয়ম কৰি লৈছিল। উল্লেখ্য যে গুৱাহাটীৰ শংকৰদেৱ কলাক্ষেত্ৰ, শুৱালকুছিৰ শংকৰ মন্দিৰ, মদন কামদেৱ দেৱালয়, তেজপুৰৰ মহাভৈৰৱ মন্দিৰৰ তোৰণ আদি নিৰ্মাণ কৰাৰ লগতে তেজপুৰৰ গণেশঘাটৰ বিশাল আৰু দৃষ্টিনন্দন তোৰণ, অগ্নিগড়ৰ হৰিহৰ যুদ্ধৰ আৰ্হিত নিৰ্মাণ কৰা প্ৰতিমূৰ্তি তথা প্ৰৱেশদ্বাৰ, কলীয়াভোমোৰা দলঙৰ তেজপুৰৰ দিশে সাতভনীৰ ভাস্কৰ্যই এইজন শিল্পীৰ ব্যক্তিত্ব আৰু দক্ষতা প্ৰতিফলিত কৰিছে।

উল্লেখ্য যে প্ৰতিটো সৃষ্টিৰ পটভূমি আৰু এই ক্ষেত্ৰত প্ৰয়োজনীয় অধ্যয়নক গুৰুত্ব দিয়া শিল্পীজনে নিৰ্মাণ কৰা দুৰ্গা প্ৰতিমাৰ দৰ্শন কৰাসকলে বাৰম্বাৰ সেই প্ৰতিমা চাবলৈ আহে। ৯০ৰ দশকত এটা ভক্তিমূলক গীতৰ শ্ৰব্য সঁফুৰাও মুক্তি দিয়া শিল্পীজনে দেশপ্ৰেমৰ গীতৰ আন এটা শ্ৰব্য সঁফুৰাৰো নিৰ্মাণৰ কাম হাতত লৈছিল। শাৰীৰিক অসুস্থতাৰ বাবে পূৰ্বৰ দৰে কাম কৰিব নোৱৰা হোৱা তথা কৰ'নাকালীন সময়ত সম্পূৰ্ণৰূপে উপাৰ্জনহীন হৈ পৰা শিল্পীগৰাকীৰ আৰ্থিক অৱস্থা শোচনীয় হৈ পৰিছিল। নিজা বাসগৃহৰ নিৰ্মাণ সম্পূৰ্ণ কৰিব নোৱৰাত ইয়াত তেওঁৰ সৃষ্টিৰাজিৰ চানেকি সংৰক্ষণৰ আন্তৰিক হাবিয়াসো অসম্পূৰ্ণ হৈ থাকিল শিল্পীজনৰ।

উল্লেখ্য যে তেওঁৰ হৃদৰোগৰ চিকিৎসাৰ ব্যৱস্থা তেজপুৰৰ আন দুজন প্ৰবীণ শিল্পী মোহিনী হাজৰিকা আৰু সপোন নেওগে কৰোৱাৰ কথাও প্ৰয়াত শিল্পীজনে প্ৰকাশ কৰিছিল। তেজপুৰক এখন পৌৰাণিক চহৰৰ ৰূপত নতুনকৈ সজাই তুলি চহৰখনকেই এক পৰ্যটন কেন্দ্ৰৰ ৰূপ দিয়াৰ পৰিকল্পনা কৰা এইজন শিল্পীয়ে হৰিহৰ যুদ্ধ তথা বাণৰজাৰ পৌৰাণিক কাহিনীৰ আঁত ধৰিয়েই তেজপুৰক অমৰাৱতীৰ দৰে সজোৱাৰ এক পৰিকল্পনা শোণিতপুৰৰ প্ৰাক্তন উপায়ুক্ত ৰাজেশ প্ৰসাদক অৱগত কৰিছিল যদিও ইয়াৰ বাবে প্ৰয়োজন হোৱা বৃহৎ পুঁজিৰ অভাৱতে সেয়া হৈ নুঠিল। জাতীয়তাবাদী আদৰ্শৰে জীৱন অতিবাহিত কৰা প্ৰথিতযশা শিল্পীজন বিয়োগৰ বাতৰি বিয়পি পৰাৰ লগে লগে তেওঁৰ কলিবাৰীস্থিত বাসগৃহত বহুসংখ্যক গুণমুগ্ধই ভিৰ কৰে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, উপায়ুক্ত ভূপেশ চন্দ্ৰ দাস, তেজপুৰৰ প্ৰাক্তন বিধায়ক বৃন্দাবন গোস্বামী, শিল্পী তথা প্ৰয়াত দাসৰ প্ৰথম ছাত্ৰ জ্ঞান বড়া, বাণ থিয়েটাৰ, তেজপুৰ সাহিত্য সভা, তেজপুৰ জিলা ক্ৰীড়া সন্থাৰ সাধাৰণ সম্পাদক মৃদুল শৰ্মা, জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, আছু, তৰুণ অসম সংঘ, অনুসূচিত জাতি পৰিষদ, নটৰাজম কলা মন্দিৰ, শোণিতপুৰ জাৰ্ণেলিষ্ট ইউনিয়ন, সদৌ অসম সাংবাদিক সন্থা, ড্ৰেগন নৌকা ক্ৰীড়া সন্থা, তেজপুৰ তথা শোণিতপুৰ বিজেপিকে ধৰি বহু ব্যক্তি আৰু অনুষ্ঠানে শোক প্ৰকাশ কৰিছে।

# সৰুক্ষেত্ৰীত বৰপেটা জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়াৰ আকস্মিক পৰিদৰ্শন

**অগ্ৰদূত বাৰ্তা**
**সৰ্থেবাৰী, ২৫ জুলাই ঃ** পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অধীনত গ্ৰামাঞ্চলত বিভিন্ন আঁচনি ৰূপায়িত হৈ থকাৰ সময়তে আজি বন্ধৰ দিনটোত হঠাৎ সৰুক্ষেত্ৰী উন্নয়ন খণ্ডৰ অন্তৰ্গত পশ্চিম সৰুক্ষেত্ৰী গাঁও পঞ্চায়তত উপস্থিত হয় বৰপেটা জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া মনোজ কুমাৰ চিকাৰীয়ো। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অধীনত গ্ৰামাঞ্চলত ৰূপায়িত আঁচনিসমূহ সঠিক ৰূপত ৰূপায়িত হৈ আছে নে নাই তাৰ তদাৰক কৰিবলৈ আজি দেওবাৰ বন্ধৰ দিন হোৱা সত্বেও জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়াজনে পঞ্চায়তখনত ৰূপায়িত হৈ থকা আঁচনিসমূহ পৰিদৰ্শন কৰে। বিষয়াজনে সৰুক্ষেত্ৰী উন্নয়ন খণ্ডৰ অন্তৰ্গত পশ্চিম সৰুক্ষেত্ৰী গাঁও পঞ্চায়তত এম জি এনৰেগা আঁচনি আৰু চতুৰ্দশ বিত্তীয় আয়োগৰ অধীনত নিৰ্মাণ হৈ থকা গহিয়া, বেছিমাৰী গাঁৱৰ লগতে আন আন গাঁৱৰ কে'বাখনো আঁচনিৰ কাম পৰিদৰ্শন কৰে।

# মা কামাখ্যাৰ আশিস লৈ জিএমচিএইছত

*এক পৃষ্ঠাৰ পৰা* বিমানকোঠত উপস্থিতি হয়। তাত তেওঁ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতাই আদৰণি জনোৱাৰ পাছতে গৃহমন্ত্ৰী শ্বাহ কামাখ্যা মন্দিৰত উপস্থিত হৈ দেৱীৰ আশিস লয়। কামাখ্যা দেৱালয়ৰ পৰা কেন্দ্ৰীয় গৃহমন্ত্ৰী পোনে পোনে গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত উপস্থিতি হয় আৰু হাস্পতালখনৰ কৰ্কট প্ৰতিষ্ঠানৰ নতুন বিকিৰণ চিকিৎসা বিভাগ অৰ্থাৎ ৰেডিয়েশ্যন থেৰাপী ব্লক মুকলি কৰে। লগতে গৃহমন্ত্ৰী শ্বাহে নতুনকৈ মুকলি কৰা এই ব্লকতে উন্নত প্ৰযুক্তিৰে স্থাপন কৰা অত্যাধুনিক লিনিয়াৰ এক্সেলেৰেটৰ মেচিন ৰাইজৰ বাবে মুকলি কৰে। এই কাৰ্যসূচীত কেন্দ্ৰীয় গৃহমন্ত্ৰীক মুখ্যমন্ত্ৰী ড° শৰ্মা আৰু স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তই সংগ দিয়ে। উল্লেখ্য যে ৰাজ্যখনৰ চিকিৎসা আন্তঃগাঁথনি সংবৰ্দ্ধনেৰে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ মূল ব্লকৰ সন্মুখ ভাগত অৰ্থাৎ ৰাজ্যিক কৰ্কট প্ৰতিষ্ঠানত আজি শ্বাহে মুকলি কৰা ব্লকটো অত্যাধুনিক প্ৰযুক্তিৰে নিৰ্মাণ কৰা হৈছে আৰু উন্নত প্ৰযুক্তিৰ যন্ত্ৰ-পাতি স্থাপন কৰা হৈছে বুলি স্বাস্থ্যমন্ত্ৰী মহন্তই সদৰী কৰে। উক্ত স্থানতে চিকিৎসকৰ স'তে কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে কিছু সময় মত-বিনিময় কৰাৰ পাছতে কলাক্ষেত্ৰলৈ ৰাওনা হয়।

ইফালে, কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্বাহে নতুন ব্লকটো মুকলি কৰাৰ প্ৰাকক্ষণত সাংবাদিকৰ প্ৰৱেশত প্ৰথমে অনুমতি প্ৰদান কৰা হোৱা নাছিল যদিও সাংবাদিকৰ প্ৰতিবাদত স্বাস্থ্যমন্ত্ৰী মহন্তই শেষত সকলোকে অনুমতিৰ সুবিধা প্ৰদান কৰি দিয়ে।

# দুই লাখ কোটিৰো অধিক টকাৰ

*এক পৃষ্ঠাৰ পৰা* পৰিদৰ্শন প্ৰতিবেদনৰ ক্ষেত্ৰত জাৰি কৰা তাৰিখৰ পৰা প্ৰাৰম্ভিকভাৱে লাভ কৰিবলগীয়া উত্তৰটো চাৰি সপ্তাহৰ ভিতৰত পাবলগীয়া আছিল; কিন্তু ৫৫টা বিভাগৰ পৰা পোৱা হোৱা নাছিল। ফলস্বৰূপে ২০১৯ৰ জুন পৰ্যন্ত ৩৯,৫৯১টা দফাৰ জৰিয়তে মন্তব্য কৰা ২,১৫,২৮৫.৭৭ কোটি টকা জড়িত হৈ থকা গুৰুতৰ অনিয়মৰ কোনো নিষ্পত্তি নোহোৱাকৈ আছে।'

তদুপৰি কেগে কয়, 'আমি ২০১৮ পৰ্যন্ত জাৰি কৰা ৩৯,৪৭৯টা দফাযুক্ত ৬,৩৮৫টা পৰিদৰ্শন প্ৰতিবেদন সন্দৰ্ভত ২০১৯ৰ জুনৰ শেষলৈকে নিষ্পত্তিৰ বাবে বাকী থাকিল।' এই পৰিদৰ্শন প্ৰতিবেদনসমূহ অসামৰিক বিভাগ, জনস্বাস্থ্য কাৰিকৰী বিভাগ, গড়কাপ্টানী বিভাগ, জলসম্পদ বিভাগ, জলসিঞ্চন আৰু আভ্যন্তৰীণ জল পৰিবহণ বিভাগ সম্পৰ্কিত। কেগৰ প্ৰতিবেদনত উল্লেখ যে এইসমূহৰ ৫,২৬২টা দফাযুক্ত ১,২০৮টা পৰিদৰ্শন প্ৰতিবেদনৰ ১০ বছৰৰ অধিক কাল উত্তৰ নিদিয়াকৈ অথবা মীমাংসা নোহোৱাকৈ আছে। আনকি জাৰি কৰাৰ চাৰি সপ্তাহৰ ভিতৰত কাৰ্যালয়ৰ মুৰব্বীয়ে উত্তৰ দিবলগীয়া প্ৰাৰম্ভিক উত্তৰো ৫৫টা বিভাগৰ ক্ষেত্ৰত দিয়া নাই। ১৯৯৪-৯৫ৰ পৰা ২০১৮-১৯ৰ ভিতৰত জাৰি কৰা ২,৭৩৪টা (৫৫টা বিভাগ) পৰিদৰ্শন প্ৰতিবেদনত উত্তৰ নিদিয়াকৈ আছে অসম চৰকাৰ।

প্ৰতিবেদনত উল্লেখ যে প্ৰধান মহাগাণনিকে নিৰ্ধাৰিত বিধি আৰু প্ৰক্ৰিয়া অনুসৰি, চৰকাৰী বিভাগবোৰৰ বিভিন্ন নথি আৰু লেনদেনসমূহৰ পৰীক্ষা-নিৰীক্ষাৰ বাবে পৰিদৰ্শন কৰে। এই পৰিদৰ্শন কালত ধৰা পৰা অনিয়মসমূহ সেই সময়ত নিষ্পত্তি কৰা নহ'লে উৰ্দ্ধতন কৰ্তৃপক্ষলৈ এক প্ৰতিলিপিৰ স'তে সংশ্লিষ্ট কাৰ্যালয়ৰ মুৰব্বীসকললৈ পৰিদৰ্শন প্ৰতিবেদন (আই আৰ) জাৰি কৰা হয়। ১৯৮৬ৰ মাৰ্চত ৰাজ্য চৰকাৰে পৰামৰ্শ দিছিল যে প্ৰধান মহাগাণনিকৰ দ্বাৰা প্ৰেৰণ কৰা আই আৰসমূহলৈ দ্ৰুত সঁহাৰি দিব লাগে বিভাগসমূহে। তদুপৰি শুধৰণিমূলক কাৰ্য নিশ্চিত কৰিবলৈ ব্যৱস্থাৰ বাবে কাৰ্যালয়ৰ কৰ্তৃপক্ষ আৰু সংশ্লিষ্ট বিভাগে এই আই আৰৰ দফাসমূহৰ পৰীক্ষা কৰাৰ প্ৰয়োজন। বিভাগসমূহে ক্ৰুটিৰ শুধৰণি আৰু অসম্পূৰ্ণ কাম দ্ৰুত সমাধা কৰি তেওঁলোকৰ প্ৰতিবেদন প্ৰধান মহাগাণনিকক দাখিল কৰিব লাগে। প্ৰধান মহাগাণনিকে বাকী থকা আই আৰৰ অৰ্ধ বাৰ্ষিক প্ৰতিবেদন সময়ে সময়ে সংশ্লিষ্ট বিভাগৰ আয়ুক্ত আৰু সচিবলৈ প্ৰেৰণ কৰে। এই প্ৰতিবেদন বাকী থকা আই আৰত সন্নিবিষ্ট হিচাপ পৰীক্ষা পৰ্যবেক্ষণ তদাৰকীক সুবিধাৰ বাবে প্ৰেৰণ কৰা হয়।

কেগে দাঙি ধৰা তথ্য অনুসৰি, ২৪,২৪০.৬১ কোটি টকাৰ অনিয়ম সংঘটিত হোৱাৰ কাৰণ আছিল নগদ ধনৰ জমা আৰু লেনদেন আদি সন্দৰ্ভত বিধি মানি নচলা, কেছ বুক আৰু মাষ্টাৰ ৰোল আদিৰ বিধি মানি নচলা। ইয়াৰে ভিতৰত ৯৩৮.৬১ কোটি টকা সম্ভাব্য অনিয়ম সংঘটিত হৈছিল সহায়ক অনুদানৰ ব্যৱহাৰিক প্ৰমাণ আৰু ব্যৱহাৰ প্ৰমাণপত্ৰ তথা হিচাপ পৰীক্ষাৰ অভাৱত। আনহাতে, ৮৮২১.৩৫ কোটি টকাৰ অনিয়মৰ অভিযোগৰ কাৰণ হৈছে প্ৰাপ্তিৰ ৰছিদ, আগধন আৰু অন্যান্য ব্যয়ৰ পুনৰুদ্ধাৰত পলম। কেগে উল্লেখ কৰা মতে, প্ৰকৃত প্ৰাপ্তিৰ ৰছিদৰ আৱশ্যকৰ বিনিময়ত মূল্যৰ পৰিমাণ ৭৩০৯.১২ কোটি। নগদ ধন আৰু ভঁৰালৰ গৰাকীৰ পৰা ছিকিউৰিটিৰ ধন লাভ নকৰাৰ ফলত সংঘটিত অনিয়মৰ পৰিমাণ হ'ব ১,০৫৬.২৯ কোটি আৰু অতিৰিক্ত পৰিশোধৰ পুনৰুদ্ধাৰ নোহোৱা ধনৰ পৰিমাণ হ'ব ৬৭৩.৬২ কোটি। আনহাতে, অন্যান্য শিতানত অনিয়মৰ অভিযোগৰ বাবদ ধনৰ পৰিমাণ হ'ব ১,৬৩,০৪৫.৩৬ কোটি। কেগে স্পষ্ট কৰি কয়, '৫৫টা বিভাগৰ ক্ষেত্ৰত আই আৰবোৰৰ কোনো উত্তৰ লাভ নকৰাটোৱে বিভাগীয় মুৰব্বী অৰ্থাৎ সঞ্চালক-কাৰ্যবাহী অভিযন্তাসকলৰ ফালৰ পৰা হিচাপ পৰীক্ষাৰ দ্বাৰা আঙুলিয়াই দিয়া ক্ৰুটি-অনিয়মসমূহৰ বিপৰীতে কাৰ্যব্যৱস্থা গ্ৰহণৰ ব্যৰ্থতাকে সূচায়।'

'দোষী বিষয়াসকলৰ বিৰুদ্ধে কাৰ্যব্যৱস্থা গ্ৰহণ নকৰাৰ ফলত গুৰুতৰ বিত্তীয় অনিয়মৰ ধাৰাবাহিকতা অব্যাহত ৰখাত সুবিধা দিয়াটোকে উপৰোক্ত তথ্যসমূহে সূচাইছে।' কেগে কয় যে হিচাপ পৰীক্ষাত এনে অনিয়ম আঙুলিয়াই দিয়াৰ পাছতো চৰকাৰৰ সম্ভাব্য ক্ষতিসাধনত সুবিধা দিয়া হৈছে। প্ৰতিবেদনৰ তথ্য অনুসৰি, অসামৰিক আৰু গড়কাপ্টানী বিভাগসমূহত নিষ্পত্তি হ'বলৈ বাকী থকা হিচাপ পৰীক্ষা পৰ্যবেক্ষণৰ বিবেচনা আৰু নিষ্পত্তিৰ বাবে চৰকাৰে প্ৰতি বছৰে পৰীক্ষা আপত্তি সমিতি (এ অ' চি) গঠন কৰে। ২০১৭-১৮ পৰ্যন্ত বাকী থকা হিচাপ পৰীক্ষাৰ আপত্তিসমূহ আলোচনাৰ বাবে চৰকাৰে এখন এ অ' চি গঠন কৰিছিল ২০১৮ৰ মে'ত। এ অ' চিয়ে মোক ১,১০২টা আই আৰ আৰু ৫,৫১২টা দফাৰ আলোচনা কৰিছিল যাৰ পৰা মাত্ৰ ৯১টা আই আৰ আৰু ৯৮১টা দফা নিষ্পত্তি কৰা হয়। কেগে পৰামৰ্শ দিয়ে যে ৰাজ্য চৰকাৰে বিষয়বোৰ পৰীক্ষণ কৰিব লাগে আৰু নিৰ্ধাৰিত সময়ছোৱা অনুসৰি আই আৰ-দফাৰ উত্তৰ প্ৰেৰণত ব্যৰ্থ হোৱা বিষয়াৰ গাফিলতিৰ বিৰুদ্ধে কাৰ্যব্যৱস্থা গ্ৰহণ নিশ্চিত কৰিব লাগে। একেদৰে সময় সাপেক্ষে ক্ষতি বাকী থকা আগধন, ওপৰঞ্চি আদায় দিয়া ধনৰ পুনৰুদ্ধাৰৰ বাবে কাৰ্য ব্যৱস্থা নিশ্চিত কৰাৰ লগতে হিচাপ পৰ্যবেক্ষণলৈ খৰতকীয়া আৰু সময়োচিত সঁহাৰি নিশ্চিত কৰিবলৈ সম্পূৰ্ণ ব্যৱস্থাৱলী নতুনকৈ গঢ়িব লাগে।

# ৰাজ্যত ক'ভিডত মৃত্যু হ'ল ২২ জনৰ

*এক পৃষ্ঠাৰ পৰা* ইয়াৰে এহেজাৰ ৫৪জন লোকৰ শৰীৰত সংক্ৰমণ ধৰা পৰে। আজিৰ সংক্ৰমণৰ হাৰ হৈছে ১.৪৩ শতাংশ। আনহাতে, সুস্থতাৰ হাৰ হৈছে ৯৬.৩৫ শতাংশ। উল্লেখ্য যে আজি কামৰূপ মহানগৰীত ১৫০জন ক'ভিড ৰোগী চিনাক্ত হয়।

## ডিগবৈত আদ্যশ্ৰাদ্ধৰ পৰা গণ সংক্ৰমণ

**তিনিচুকীয়াৰ অগ্ৰদূত বাৰ্তা ঃ** তিনিচুকীয়া জিলাৰ ডিগবৈত সম্প্ৰতি ক'ভিডৰ সংক্ৰমণ পুনৰ বৃদ্ধি পাইছে। এক আদ্যশ্ৰাদ্ধৰ অনুষ্ঠানৰ পৰা চহৰখনৰ এটা অঞ্চলত গণ সংক্ৰমণ হোৱা পৰিলক্ষিত হৈছে। কালি ডিগবৈ চহৰ আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত ৩৩জন লোকৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰে। ইয়াৰে ২৭জনেই গোলাই অঞ্চলৰ বাসিন্দা। প্ৰাপ্ত তথ্য অনুসৰি, গোলাইৰ এগৰাকী মৃত মহিলাৰ আদ্যশ্ৰাদ্ধ দুদিনমানৰ পূৰ্বে সম্পন্ন হৈছিল। এই সকামত বহু লোকৰ আগমন ঘটিছিল আৰু সকামৰ পাছতে ইয়াৰে একাংশ অসুস্থ হৈ পৰে। ইয়াৰ পৰিপ্ৰেক্ষিততে কালি সম্পন্ন কৰা পৰীক্ষাত সকামত উপস্থিত থকা ২৭জনৰ ফলাফল পজিটিভ আহে। আজি মাৰ্ঘেৰিটা মহকুমা প্ৰশাসনে অঞ্চলটোক কণ্টেইনমেণ্ট জ'ন ঘোষণা কৰাৰ লগতে গোলাইৰ সকলো ব্যৱসায়িক প্ৰতিষ্ঠান তিনিদিনলৈ বন্ধ ৰখাৰ নিৰ্দেশ দিয়ে।

## কোকৰাঝাৰত পুনৰ দুজনৰ মৃত্যু

**গোসাঁইগাঁৱৰ অগ্ৰদূত বাৰ্তা ঃ** কোকৰাঝাৰ জিলাত বিগত ২৪ ঘণ্টাত পুনৰ দুজন ক'ভিড ৰোগীৰ মৃত্যু হয়। মৃত ৰোগীদ্বয় হৈছে দোতমা বৰশীঝাৰৰ সুমিত্ৰা বসুমতাৰী (৪৫) আৰু হল্টুগাঁৱৰ হাইজিৰাগুৰিৰ ৰাম বাহাদুৰ ৰাই (৭৫)। আনহাতে, আজি জিলাখনত ২১জন লোক নতুনকৈ আক্ৰান্ত হয়। সম্প্ৰতি জিলাখনত ১৩২জন সক্ৰিয় ৰোগী আছে। আজি কোকৰাঝাৰৰ ২৯জন ৰোগীক সুস্থ ঘোষণা কৰা হয়।

## নগাঁৱৰ জ্যেষ্ঠ বিজেপি নেতাৰ ক'ভিডত মৃত্যু

**নগাঁৱৰ বিশেষ সংবাদদাতা ঃ** ক'ভিডত আক্ৰান্ত হৈ আজি মৃত্যু হ'ল বিজেপিৰ নগাঁও জিলা সমিতিৰ জ্যেষ্ঠ নেতা, খাগৰিজান মণ্ডলৰ প্ৰাক্তন সভাপতি ডিমৰুগুৰি আনন্দ নগৰ নিবাসী বকুল শইকীয়া (৭২)ৰ। জলসিঞ্চন বিভাগৰ প্ৰাক্তন কৰ্মচাৰী শইকীয়াই আজি পুৱতি নিশা প্ৰায় ৩-৪৫ বজাত নগাঁও ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়ৰ ক'ভিড হাস্পতালত শেষ নিশ্বাস ত্যাগ কৰে। মৃদুভাষী শইকীয়াৰ মৃত্যুত নগাঁও সদৰ সমষ্টিৰ বিধায়ক ৰূপক শৰ্মা, প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী ৰাজেন গোহাঁই, বঢ়মপুৰৰ বিধায়ক জিতু গোস্বামীৰ লগতে জিলা বিজেপিৰ কাৰ্যকৰ্তাসকলে শোক প্ৰকাশ কৰে। তেওঁ পত্নীৰ লগতে এজন পুত্ৰ, এগৰাকী কন্যাৰ লগতে বোৱাৰী, জোঁৱাই আৰু একাধিক নাতি-নাতিনীক এৰি গৈছে। ইপিনে, শেহতীয়াকৈ পৰিস্থিতিৰ উন্নতি ঘটা নগাঁও জিলাত আজি ২৬জন ক'ভিড আক্ৰান্ত চিনাক্ত হয়। ফলত জিলাখনত আক্ৰান্তৰ সংখ্যা ১৮ হেজাৰ ৫৬৪জনলৈ বৃদ্ধি পালে। ইয়াৰে ১৭ হেজাৰ ৫৫৯জন ইতিমধ্যে সুস্থ হৈছে। সম্প্ৰতি ৯০৪জন সক্ৰিয় ৰোগী জিলাখনত আছে। জিলাখনত এই পৰ্যন্ত ১০১জন ৰোগীৰ মৃত্যু হৈছে।

## শোণিতপুৰত এজনৰ মৃত্যু ঃ আক্ৰান্ত ৩৯

**তেজপুৰৰ অগ্ৰদূত বাৰ্তা ঃ** শোণিতপুৰ জিলাত আজি এজন ক'ভিড ৰোগীৰ মৃত্যু হয়। মৃত লোকজন হৈছে ঢেকিয়াজুলি মাজ ৰৌমাৰীৰ সোমেশ্বৰ নাথ (৫২)। আনহাতে, জিলাখনত আজি ৩৯জন লোকৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰে। ইফালে, তিনি সপ্তাহ ধৰি সম্পূৰ্ণ কণ্টেইনমেণ্ট জিলাত পৰিণত হৈ থকা আৰু ২৪ ঘণ্টাই সান্ধ্য আইন বাহাল থকাত জিলাখনত সম্প্ৰতি সাধাৰণ মানুহৰ মাজত হাহাকাৰ সৃষ্টি হৈছে। সেয়ে সান্ধ্য আইন কিছু শিথিল কৰিবলৈ জিলাখনৰ ক্ষুদ্ৰ ব্যৱসায়ী তথা বেচৰকাৰী পৰিবহন সংস্থাসমূহে আহ্বান জনাইছে।

## নলবাৰীত ৫৩জন আক্ৰান্ত

**নলবাৰীৰ অগ্ৰদূত বাৰ্তা ঃ** নলবাৰী জিলাত আজি ৫৩জন ক'ভিড ৰোগী চিনাক্ত হয়। ফলত জিলাখনত আক্ৰান্তৰ সংখ্যা আঠ হেজৰ ৩৪০জনলৈ বৃদ্ধি পালে। আনহাতে, আজি নলবাৰী জিলাত ৬৪জন ৰোগী ক'ভিডমুক্ত হয়।

## গোৱালপাৰাত ২৯জন ক'ভিডমুক্ত

**মাটিয়াৰ অগ্ৰদূত বাৰ্তা ঃ** গোৱালপাৰা জিলাত আজি ২৯জন ক'ভিড ৰোগীক সুস্থ ঘোষণা কৰা হয়। ইয়াৰ বিপৰীতে আজি জিলাখনত ২০জন লোকৰ শৰীৰত সংক্ৰমণ ধৰা পৰে। সম্প্ৰতি গোৱালপাৰাত ২২৪জন সক্ৰিয় ৰোগী আছে।

## চিৰাঙত চাৰিজন আক্ৰান্ত

**গৰুভাষাৰ অগ্ৰদূত বাৰ্তা ঃ** চিৰাং জিলাত আজি চাৰিজন লোকৰ শৰীৰত ক'ভিডৰ উপস্থিতি ধৰা পৰে। ফলত জিলাখনত আক্ৰান্ত লোকৰ সংখ্যা দুহেজাৰ ১৮৯জনলৈ বৃদ্ধি পালে। সম্প্ৰতি জিলাখনত ১১৯জন সক্ৰিয় ৰোগী আছে। আজি চিৰাঙৰ ১৬জন ৰোগী সুস্থ হয়।


**জ্যোতিষ**

**১০০% গেৰাণ্টিসহ আপোনাৰ সমস্যা যিমান কঠিন নহওক কিয় বা যিমান জটিল নহওক সমাধান পাবই। মায়ং প্ৰশিক্ষিত জ্যোতিষী।**
**D. Sarma**
**M : 80993 36044**

**ASTROLOGY/জ্যোতিষী**

**ত্ৰিকাল মহাভৈৰৱৰ তন্ত্ৰ কেন্দ্ৰ ও আচল ৰত্নৰ ৰাজভাণ্ডাৰ ৰত্নসাগৰ অসমত সৰ্বপ্ৰথম একমাত্ৰ ১৮টা বিদ্যাৰ দ্বাৰা একেলগে, একে ঠাইত সংমিশ্ৰিত, বিশ্লেষিত সকলো সমস্যাৰ গেৰাণ্টীযুক্ত সমাধান। সৰ্বমনোকামনা পূৰণকাৰী মহাকাল ভৈৰৱ কৱচত সকলো সমস্যা তিনি ঘণ্টাৰ পৰা সমাধান। জ্যোতিষ, বাস্তু, তান্ত্ৰিক সম্ৰাট.... ত্ৰিকাল ৰাজগুৰু, কুঁৱৰীটোল, কলিয়াবৰ, নগাঁও- 9954021556, 9947066469.**


## আজিৰ দিনটো




**কিৰো ইয়ং,** ৰত্ন কুবেৰ জেমছ এণ্ড জুয়েলাৰী
জি. এছ. ৰোড, মণিপুৰী বস্তী, গুৱাহাটী-৭
☎ ঃ ২৫১২১০২, ৯৯৫৭১-১১১৭১


### ৮ শাওণ সোমবাৰ ২৬ জুলাই

**সূৰ্যোদয় ঃ** ঘঃ ৪।৫২।৮, **সূৰ্যাস্ত ঃ** ঘঃ ৬।৬।৩২। **তিথি ঃ** কৃষ্ণা দ্বিতীয়া, দং ০।৫৮।৪৬ প্ৰাতঃঘঃ, ৫।১৬।৮। কৃষ্ণা তৃতীয়া, দং তৃতীয়া, দং ৫৯। ১০।৩১ শেষ ৰাঘঃ ৪।৩২।২০। **নক্ষত্ৰ ঃ** ধনিষ্ঠা, দং ১৯।১৬।৩০ ঘঃ ১২।৩৪।৪৪। **যোগ ঃ** সৌভাগ্য, দং ৫২।১৭।৮ ৰাঘঃ ১।৪৬।৫৯। **কৰণ ঃ** গৰ। **জন্মত ঃ** কুম্ভৰাশি, বৈশ্যবৰ্ণ মতান্তৰে শূদ্ৰবৰ্ণ, দেৱাৰিগণ কুম্ভীৰৰ অস্থি, অগ্নিযোগ, অষ্টোত্তৰী ৰাহু, বিংশোত্তৰী মঙ্গলৰ দশা, ঘঃ ১২।৩৪।৪৪ যোৱাত মনুষ্যৰ অস্থি, বিংশোত্তৰী ৰাহুৰ দশা। **আদ্যঋতু হ'লে ঃ** সাতদিনীয়া সুভগা যোগ, ঘঃ ১২।৩৪।৪৪ যোৱাত ১২ দিনীয়া দুৰ্ভগা যোগ। **মৰণত দোষ ঃ** এপদ, প্ৰাতঃঘঃ ৫।১৬।৮ যোৱাত নাই। **যোগিনী ঃ** উত্তৰত, প্ৰাতঃঘঃ ৫।১৬।৮ যোৱাত অগ্নিকোনত, শেষ ৰাঘঃ ৪।৩২।২০ যোৱাত পশ্চিমত। **যাত্ৰা ঃ** নাই, ত্ৰ্যহস্পৰ্শ দোষ। **শুভকৰ্ম ঃ** নাই। **ভক্ষাভক্ষ্য ঃ** তিতাভেকুৰী, প্ৰাতঃঘঃ ৫।১৬।৮ যোৱাত পটল, শেষ ৰাঘঃ ৪।৩২।২০ যোৱাত মূলা নিষেধ।

***দিনটোৰ ৰাশিফল***

**মেষ ঃ** কৰ্মক্ষেত্ৰত আৰ্থিক লেন-দেনত সাৱধান থাকিব। স্বামী-স্ত্ৰীৰ মাজত মতানৈক্যৰ সম্ভাৱনা। উচ্চ শিক্ষাৰ্থে বিদেশ যাত্ৰাৰ সম্ভাৱনা। শুভ ৰং ৰঙা।

**বৃষ ঃ** আয়-উপাৰ্জনৰ ক্ষেত্ৰত বাধা আঁতৰিব। বিদ্যাত বেয়া দেখা নাযায়। ব্যৱসায়ত মধ্যম উন্নতি। প্ৰেম প্ৰণয়ত সুখ বৃদ্ধি পাব। শুভ ৰং গোলপীয়া।

**মিথুন ঃ** চাকৰি পৰিৱৰ্তনৰ পৰিকল্পনা স্থগিত ৰাখক। ব্যৱসায়ত সফলতা অৰ্জন কৰিব। দূৰ ভ্ৰমণৰ সম্ভাৱনা। প্ৰেমত আন্তৰিকতা। শুভ ৰং নীলা।

**কৰ্কট ঃ** বিবাহৰ যোগাযোগত শুভ। বিদ্যাৰ্থীৰ বাবে শুভ দিন। যানবাহন ক্ৰয় কৰিব পাৰে। সন্তানৰ কৃতিত্বই আনন্দিত হ'ব। শুভ ৰং সেউজীয়া।

**সিংহ ঃ** বিদ্যাৰ্থীৰ আশা পূৰণ হ'ব পাৰে। যৌথ ব্যৱসায়ত আশানুৰূপ ফল নাপাব। আৰ্থিক সমস্যাই বিব্ৰত কৰিব। নিবনুৱাৰ কৰ্ম লাভ। শুভ ৰং হালধীয়া।

**কন্যা ঃ** কৰ্মক্ষেত্ৰত দায়িত্ব বৃদ্ধি পাব। ভূমিৰ বিবাদৰ সন্তোষজনক সমাধান হ'ব পাৰে। প্ৰেমত অশান্ত। আৰ্থিক আশানুৰূপ ফল পাব। শুভ ৰং গোলপীয়া।

**তুলা ঃ** শাৰীৰিক দিশত অথন্তৰ অনুভৱ কৰিব। নতুন ব্যৱসায় সফলতা লাভ। গতানুগতিক কামত বেছি বাধা নাই। বিবাহৰ ক্ষেত্ৰত বাধা আঁতৰিব। শুভ ৰং পাতল হালধীয়া।

**বৃশ্চিক ঃ** ব্যৱসায়ত উন্নতিৰ যোগ। বিদ্যাৰ্থীৰ আশা পূৰণ হ'ব পাৰে। ভ্ৰমণত দ্ৰব্য লাভ। প্ৰেমত ঘৰুৱা বাধা। কৰ্মক্ষেত্ৰত শুভ ফল পাব। শুভ ৰং মেৰুণ।

**ধনু ঃ** আৰ্থিকত পোৱা কষ্টৰ কিছু হ'লেও লাঘৱ হ'ব। বিদ্যাত মধ্যম। দাম্পত্যত চিন্তা থাকিব। ব্যৱসায়ত আয় বৃদ্ধি পাব। শুভ ৰং কমলা।

**মকৰ ঃ** বিদ্যাৰ্থীৰ বাবে তেনে বাধা দেখা নাযায়। কৰ্মক্ষেত্ৰত সুপুৰীয়াৰ পৰা সাৱধান থাকিব। দৈহিক ক্ষেত্ৰত শুভ ফল পাব। ঘৰুৱা মধ্যম। শুভ ৰং সেউজীয়া।

**কুম্ভ ঃ** আৰ্থিকত উন্নতিত বাধা। বিদ্যাত যত্নৰ ক্ৰুটি নকৰিব। শাৰীৰিক দিশত দুৰ্বলতা অনুভৱ হ'ব। চাকৰিয়ালৰ বাবে শুভ দিন। শুভ ৰং হালধীয়া।

**মীন ঃ** ব্যৱসায়ত মধ্যম ফল পাব। কৰ্মক্ষেত্ৰত জটিলতা কমিব। বিদ্যাত আশা দেখিলেও বাধা পাব। সন্তানৰ বাবে চিন্তা থাকিব। প্ৰেমত শুভ। শুভ ৰং ৰঙা।

## শব্দ-বেহু ঃ ২৬ জুলাই ২০২১



@ সব্যসাচী

**পথালিয়ে ঃ**
১। ভিত্তিহীন, মূল উৎসৰ নহৈ উপৰুৱা (৫)
৪। বামুণ, পূজা-উপাসনা আদিত মূখ্য দায়িত্ব লোৱা হিন্দুধৰ্মৰ এটা সম্প্ৰদায় (২)
৫। চিঠি-পত্ৰৰ আদান-প্ৰদান কৰা ব্যৱস্থা (২)
৬। জাহাজৰ খালাচী, সৈন্য, ৰণুৱা (৩)
৮। লঘুত্ব গুণ, যোগৰ বলত শৰীৰক লঘু কৰা (৩)
১১। ওচৰা-উচৰিকৈ থকা কেইবাঘৰো মানুহৰ সমষ্টি, চুবুৰি (২)
১২। আকৰত পোৱা এবিধ হালধীয়া বস্তু, কাঠৰ আচবাবত দিয়া ৰং বিশেষ (৪)
১৪। উদ্দেশ্য,অভিপ্ৰায় (৪)
১৬। ভুৰ, মৃতদেহ, শ (২)
১৭। নল ৰজাৰ শহুৰেক বিদৰ্ভৰাজৰ নগৰ, শদিয়া (৩)
১৯। পুৰুষ, মতা মানুহ (৩)
২২। কথা ৰূপত লিখা ৰচনা, লিখনীত ছন্দ নখতা (২)
২৩। কোনো বিষয়ৰ আলোচনাৰ বাবে হোৱা সমাৱেশ, সংঘ (২)
২৪। খোৱা-বোৱাৰ আছুতীয়া ঘৰ, বহুজনে বহি আহাৰ গ্ৰহণ কৰিব পৰা কোঠা (৫)

**থিয়কৈ ঃ**
১। হুবহু, আচলৰ লগত পাৰ্থক্য নথকা, সম্পূৰ্ণ একেই (৪)
২। শিলৰ দৰে কঠিন, অতি নিষ্ঠুৰ (৩ )
৩। চাউল (৩)
৭। আল্লাই পঠিওৱা দূত, পয়গম্বৰ (৩)
৯। এবিধ দীঘলীয়া ডাঙৰ ঢোল (৩)
১০। বেপাৰ, বস্তু বেচা-কিনা কৰা কাৰ্য্য (২)
১৩। সূৰ্য্য বংশৰ প্ৰথমজন ৰজা (৩)
১৪। প্ৰলেপ ৰূপে লগাব পৰা ঔষধ (৩)
১৫। বন্দৰস্তমতে গা খাটি দিয়া ভৃত্য (২)
১৮। মাঘৰ বিহুৰ উৰুকাত সকলো মিলি খোৱা ভোজ (৪)
২০। বড়ো মহিলাৰ জাতীয় সাজ (৩)
২১। ব্যাপকভাৱে হোৱা ধ্বংস-কাৰ্য্য (৩)

**উত্তৰ অহা সংখ্যাত**

**২৫ জুলাই সংখ্যাৰ উত্তৰ ঃ**
**পথালিয়ে ঃ** ২। অকালপক্ক ৪। কমাৰ ৫। ৰিচপাত ৭। ৰজত ১০। পুৰাতন ১২। বদনাম ১৪। হৰেক ১৬। কাৰাবাস ১৯। চিকৰা ২০। চৰজমিন
**থিয়কৈ ঃ** ১ । সমাদৰ ২। অমৰা ৩। লকৰি ৬। পাতন ৮। তপিনা ৯। বাপু ১১। ৰাজহ ১২। বজৰা ১৩। মস্ত ১৫। কথাকলি ১৭। সৰোজ ১৮। বাহন

# আন্দোলনেৰে দাবী পূৰণৰ ধাৰণা আঁতৰিল

*এক পৃষ্ঠাৰ পৰা* কেন্দ্ৰীয় মন্ত্ৰীসভাত অন্তৰ্ভুক্ত কৰাৰ কথা উল্লেখ কৰে। মোদীয়েও যোৱা চাৰে ছবছৰত ৩৫ বাৰ উত্তৰ-পূৰ্বাঞ্চল ভ্ৰমণ কৰিছে। মন্ত্ৰীসকলেও নিৰ্ধাৰিত সময়ত উত্তৰ-পূৰ্বাঞ্চল ভ্ৰমণ কৰিবলৈ বাধ্য। উত্তৰ-পূৰ্বাঞ্চলৰ আন্তঃগাঁথনি উন্নয়নৰ গতিৰে মোদীৰ কাৰ্যকালতে নতুন ৰূপ আৰু ক্ষিপ্ৰ গতি লাভ কৰা বুলি শ্বাহে মন্তব্য কৰে। এই প্ৰসংগতে কংগ্ৰেছক সমালোচনা কৰি তেওঁ কয়, 'কংগ্ৰেছে উত্তৰ-পূৰ্বাঞ্চলক কেৱল প্ৰতিশ্ৰুতি দিয়াৰ বাদে একো নকৰিলে। স্বাধীনতাৰ পাছত প্ৰধানমন্ত্ৰী মোদী আৰু ভাজপা চৰকাৰৰ দিনতে উত্তৰ-পূৰ্বাঞ্চলে বিকাশৰ পথ দেখিছে। বিকাশৰ লগতে অসমৰ ভাষা-সংস্কৃতি, কলা-কৃষ্টিও আমাৰ চৰকাৰৰ দিনত সুৰক্ষিত থাকিব। আমি অসমৰ ভাষা-সংস্কৃতিক অধিক আগবঢ়াই নিম। উত্তৰ-পূৰ্বাঞ্চলত থকা বিভিন্নতা কেৱল এই অঞ্চলৰে নহয় সমগ্ৰ ভাৰতৰে সম্পদ। সেয়েহে ইয়াক সংৰক্ষণ কৰিব লাগিব। আজিৰ পৰা পাঁচ বছৰ আগতে প্ৰথমবাৰৰ বাবে অসমত ভাজপা চৰকাৰ হৈছিল। সৰ্বানন্দ সোণোৱাল মুখ্যমন্ত্ৰী হৈছিল। সোণোৱাল আৰু হিমন্ত বিশ্ব শৰ্মাই সেই চৰকাৰৰ দায়িত্ব লৈ বিকাশৰ বাট মোকলাইছিল। সোণোৱাল চৰকাৰৰ পাঁচ বছৰত অসমত বিকাশে নতুন গতি লাভ কৰাটো ইয়াৰ জনতাই উপলব্ধি কৰাত পুনৰ পাঁচ বছৰৰ বাবে আমাৰ সপক্ষে জনমত দিয়ে। আমাৰ ভোটৰ অংশও ২৮ৰ পৰা ৩৩ শতাংশলৈ বৃদ্ধি হয়। বিজেপিৰ বিৰুদ্ধে বহু নতুন নতুন দল গঠন হ'ল। সেইবোৰে আমাৰ বিৰুদ্ধে বহু শ্ল'গান দিলে; কিন্তু অসমৰ জনতাই বিকাশ বিচাৰি পুনৰ পাঁচ বছৰৰ শাসনৰ দায়িত্ব বিজেপিক দিলে। বিজেপি এনে এটা দল য'ত এজন সফল মুখ্যমন্ত্ৰী থকাৰ পাছতো সলনি কৰি নতুন কৌশলেৰে বিকাশৰ কাম আগবঢ়াই নিব বিচাৰিছে। সৰ্বানন্দ সোণোৱাল সফল মুখ্যমন্ত্ৰী আছিল। তেওঁ এতিয়া কেন্দ্ৰীয় কেবিনেটৰ সদস্য। ইয়াত সোণোৱালৰ স্থানত নতুন মুখ্যমন্ত্ৰী হৈছে হিমন্ত বিশ্ব শৰ্মা। এতিয়াৰে পৰা এজনে দিল্লীৰ পৰা আৰু এজনে অসমৰ নেতৃত্ব লৈ ৰাজ্যখনৰ বিকাশৰ ওপৰত দৃষ্টি ৰাখিব পাৰিব। আমি বিচাৰিছো স্বাধীনতাৰ আগৰ মুঠ ঘৰুৱা উৎপাদনৰ পৰিমাণ অসমলৈ আহিব লাগে।' শ্বাহে কয় যে বিজেপি চৰকাৰ নিজৰ প্ৰতিশ্ৰুতি ৰক্ষাত সম্পূৰ্ণ দায়বদ্ধ। সেই দায়বদ্ধতাৰে বড়ো শান্তি চুক্তি কৰাৰ সময়ত যি প্ৰতিশ্ৰুতি দিছিল তাক অহা দুবছৰৰ ভিতৰত ৰূপায়ণ কৰিব। ২০২৪ৰ পূৰ্বে প্ৰতিশ্ৰুতি পূৰণ কৰি বিজেপিয়ে বিটিএডিলৈ ভোট বিচাৰি আহিব বুলি শ্বাহে ভাষণত কয়। উল্লেখ্য যে ২০২৪ত দেশত লোকসভা নিৰ্বাচন অনুষ্ঠিত হ'ব। প্ৰসংগক্ৰমে গৃহমন্ত্ৰীয়ে উল্লেখ কৰে যে বড়ো চুক্তিত প্ৰথমতে তামুলপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ কথা উল্লেখ নাছিল। চৰকাৰেহে ইয়াৰ প্ৰস্তাৱ আগবঢ়োৱাত চুক্তিৰ অন্তৰ্ভুক্ত হয়। শ্বাহে এইদৰেও কয় যে কংগ্ৰেছ চৰকাৰৰ দিনত প্ৰতিশ্ৰুতিৰ ফাইল ইমানেই জমা হৈ আছে যে তাত পৰা ধূলিৰ ওজনেই বহু বেছি হ'ব। মোদী চৰকাৰেহে শাসনলৈ আহি ফাইলবোৰ খুলিবলৈ আৰম্ভ কৰিছে। অসম চুক্তিৰ ফাইলো প্ৰধানমন্ত্ৰী মোদীয়ে খুলিলে বুলি তেওঁ দাবী কৰে। কংগ্ৰেছে প্ৰতিশ্ৰুতিৰ ফাইল নোখোলে বুলিও কটাক্ষ কৰে শ্বাহে। তেওঁ উল্লেখ কৰে যে শান্তিয়েহে প্ৰগতি আনে। গতিকে অসম আৰু উত্তৰ-পূৰ্বাঞ্চলত শান্তি প্ৰতিষ্ঠাৰ বাবে তেওঁ গৃহমন্ত্ৰীৰ দায়িত্ব লোৱাৰ পৰাই অতি সূক্ষ্মভাৱে কাম কৰি আহিছে। তাৰ ফলাফল সকলোৱে দেখিবলৈ পাইছে বুলি উল্লেখ কৰি গৃহমন্ত্ৰীজনে কয়, 'আচলতে সদিচ্ছা থাকিলে সকলো সম্ভৱ হ'ব পাৰে। ২০২৪ৰ পূৰ্বে উত্তৰ-পূৰ্বাঞ্চলৰ পৰা আন্দোলন আৰু উগ্ৰপন্থীৰ সমস্যা সম্পূৰ্ণভাৱে নোহোৱা হ'ব। যি মণিপুৰত মাহৰ পাছত মাহ বন্ধ চলিছিল তাত এতিয়া এদিনো বন্ধ নাই। ত্ৰিপুৰাৰ দুটা উগ্ৰপন্থী সংগঠনেও অলপতে অস্ত্ৰ সম্বৰণ কৰিছে। কাৰ্বি শান্তি চুক্তিখনত কেৱল চহী কৰিবলৈ বাকী আছে। ব্ৰু বুজাবুজি চুক্তিও ২০২২ৰ পূৰ্বে সম্পূৰ্ণ ৰূপায়ণ হ'ব।'

অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে বড়ো শান্তিত থকা প্ৰতিশ্ৰুতিসমূহ অহা দুবছৰৰ পূৰ্বে ৰূপায়ণ কৰা হ'ব। প্ৰথম বছৰতে চুক্তিৰ অধিকাংশ প্ৰতিশ্ৰুতি পূৰণ কৰাৰ দাবী কৰি ড° শৰ্মাই কয়, 'মাত্ৰ কেইদিনমানৰ ভিতৰতে তামুলপুৰে তিনিটা বিশেষ উপহাৰ লাভ কৰিলে। প্ৰথমতে তামুলপুৰক জিলা ঘোষণা কৰা হয়, তাৰ পাছত আজি চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ আধাৰশিলা স্থাপন হয় আৰু অতি কম দিনৰ ভিতৰত বাগ্সা আৰু তামুলপুৰৰ মাজত যোগাযোগ ব্যৱস্থা উন্নত কৰাৰ বাবে পাগলাদিয়া নদীৰ ওপৰত এখন বৃহৎ দলং নিৰ্মাণৰ কাম আৰম্ভ হ'ব।' প্ৰধানমন্ত্ৰী মোদীয়ে সকলো জিলাতে এখনকৈ চিকিৎসা মহাবিদ্যালয় হ'ব লাগে বুলি কৰা মন্তব্যক আগত ৰাখি অসমত সেই মতে আগবঢ়া হৈছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। সেয়েহে অসমত বৰ্তমান ২৩ খন নতুন চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ নিৰ্মাণ কাৰ্য কিবা নহয় কিবা পৰ্যায়ত চলি থকাৰ তথ্য মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰি কয় যে সম্প্ৰতি সাতখনৰ নিৰ্মাণ কাৰ্য অব্যাহত আছে আৰু পাঁচখন নতুন চিকিৎসা মহাবিদ্যালয় প্ৰস্তাৱ কৰা হৈছে। সেই পাঁচখনৰে এখন তামুলপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ আধাৰশিলা আজি স্থাপন কৰা হয়। অসম চৰকাৰে প্ৰতি বছৰে এখনকৈ চিকিৎসা মহাবিদ্যালয় উদ্বোধনৰ লক্ষ্য লৈছে বুলি তেওঁ সদৰী কৰে। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে অসমত কাইলৈ ক'ভিডৰ এক কোটি প্ৰতিষেধক প্ৰদান সম্পূৰ্ণ হ'ব বুলি জনায়। অহা আগষ্ট-ছেপ্টেম্বৰত অসমে অধিক প্ৰতিষেধক কেন্দ্ৰৰ পৰা লাভ কৰিব। ইপিনে, আজি আৰম্ভ কৰা ক'ভিডত মৃত্যু হোৱা লোকৰ পৰিয়ালক এক লাখ টকাকৈ সাহায্য প্ৰদান আঁচনিখন বৰ্তমানলৈ প্ৰাণ হেৰুওৱা ৫,১১৪ জনৰ নিকট আত্মীয়ক অহা ১৫ আগষ্টৰ ভিতৰত প্ৰদান কৰা হ'ব বুলি জনায়। আনহাতে, অনুষ্ঠানত ভাষণ দি স্বাস্থ্যমন্ত্ৰী কেশৱ মহন্তই কয় যে ১৯৪৭ত অসমত প্ৰথমখন চিকিৎসা মহাবিদ্যালয় ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় স্থাপন হৈছিল। তাৰ পাছত সুদীৰ্ঘ ৬০ বছৰ শিলচৰ আৰু গুৱাহাটীতহে চিকিৎসা মহাবিদ্যালয় স্থাপন হৈছিল; কিন্তু ২০০৬ৰ পৰা বৰ্তমানলৈ যোৱা ১৫ বছৰত ২০ খন চিকিৎসা মহাবিদ্যালয় স্থাপন হয়। বৰ্তমান পাঠদান চলি থকা ৰাজ্যৰ চিকিৎসা মহাবিদ্যালয়কেইখনৰ পৰা বছৰি এহেজাৰ এমবিবিএছ আৰু ৭৫৩ স্নাতকোত্তৰ ডিগ্ৰীধাৰী চিকিৎসক ওলায়। নিৰ্মীয়মান আৰু প্ৰস্তাৱিত চিকিৎসা মহাবিদ্যালয়কেইখন হৈ উঠিলে বছৰি দুহেজাৰ চিকিৎসক অসমে পাব। ৰাজ্যত ১৮ খন কেঞ্চাৰ চিকিৎসা প্ৰতিষ্ঠানো নিৰ্মাণ হৈ আছে আৰু তাৰে নখন অহা ডিচেম্বৰত মুকলি কৰা হ'ব। স্বাস্থ্যমন্ত্ৰীয়ে ক'ভিডৰ চিকিৎসাত অসমে যথেষ্ট সফলতা লাভ কৰা বুলি উল্লেখ কৰে। আজিলৈকে ৰাজ্যখনত ৯৭ লাখ লোকে ক'ভিডৰ প্ৰতিষেধক লোৱা বুলিও মহন্তই সদৰী কৰে। ইপিনে, বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে কয় যে বড়োভূমিত স্থায়ী শান্তি প্ৰতিষ্ঠা হৈছে আৰু তাৰ ফলত বিকাশৰ পথো আৰম্ভ হৈছে। শান্তিয়েহে সকলো দিশত প্ৰগতি অনাৰ কথা উল্লেখ কৰি বড়োৱে কয়, 'তামুলপুৰত চিকিৎসা মহাবিদ্যালয়ৰ আধাৰশিলা স্থাপনৰ আজিৰ দিনটো আমাৰ বাবে বহু উল্লেখযোগ্য দিন। আমি বিচাৰিছো বড়ো শান্তি চুক্তিখন ক্ষিপ্ৰগতিত আৰু স্থায়ীভাৱে সম্পূৰ্ণ ৰূপায়ণ হওঁক। বিগত ৩০-৪০ বছৰত বড়োভূমিৰ বিকাশ সম্পূৰ্ণ স্তব্ধ হৈছিল। সেই পৰিৱেশৰ পৰা আমি ওলাই বিকাশৰ পথত খোজ লৈছো।' বড়োৱে অঞ্চলটোৰ বিকাশৰ বাবে উদ্যোগ স্থাপনত গুৰুত্ব দিবলৈ কেন্দ্ৰীয় গৃহমন্ত্ৰীক আহ্বান জনায়। অসম চৰকাৰৰ মুখ্য সচিব জিষ্ণু বৰুৱাই আদৰণি ভাষণত ৰাজ্যৰ ক'ভিড পৰিস্থিতি সম্পূৰ্ণ নিয়ন্ত্ৰণাধীন বুলি উল্লেখ কৰে।

### উৎফুল্লিত তামুলপুৰবাসী

**তামুলপুৰৰ অগ্ৰদূত বাৰ্তা ঃ** গৃহমন্ত্ৰী শ্বাহে গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত তামুলপুৰ চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ আধাৰশিলা স্থাপন অনুষ্ঠান ভাচুৰ্বেল পদ্ধতিৰে তামুলপুৰত বৃহৎ সংখ্যক লোকে প্ৰত্যক্ষ কৰে। আধাৰশিলা স্থাপন কৰা কচুবাৰীত ডিজিটেল পৰ্দাত গুৱাহাটীৰ অনুষ্ঠানটো পোনপটীয়াকৈ প্ৰদৰ্শন কৰা হয়। গৃহমন্ত্ৰী শ্বাহে আধাৰশিলা স্থাপনৰ লগে লগে হৰ্ষোল্লাসত ফাটি পৰে উপস্থিত ৰাইজ। আৰতৰীয়া দীপাৱলীৰে সকলোৱে মনৰ আনন্দ প্ৰকাশ কৰে। এই উপলক্ষে কচুবাৰীত বিটিচি প্ৰশাসনৰ উদ্যোগত এক বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়। ইয়াত বিটিচিৰ সচিব প্ৰধান শান্তনু পি গোটমাৰে, বিটিচিৰ স্বাস্থ্য বিভাগৰ সচিব যতীন বৰা, স্বাস্থ্য বিভাগৰ কাৰ্যবাহী সদস্য অৰূপ কুমাৰ দেসহ কে'বাজনো কাৰ্যবাহী সদস্য, এমচিএলএ, বিটিচিৰ মুখ্যকাৰ্যবাহী সদস্য প্ৰমোদ বড়োৰ সহধৰ্মিণী পাৰুল ভৰালী বড়ো, তামুলপুৰৰ প্ৰাক্তন বিধায়কদ্বয় ইমানুৱেল মুছাহাৰী আৰু চণ্ডী বসুমতাৰীৰ উপৰি প্ৰশাসনৰ বিভিন্ন পৰ্যায়ৰ বিষয়া আৰু বিভিন্ন দল-সংগঠনৰ নেতা-কৰ্মী, বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

দৈনিক অগ্ৰদূত
গুৱাহাটী, ২৬ জুলাই, ২০২১ সোমবাৰ পৃষ্ঠা তিনি

## ৰাষ্ট্ৰীয় স্বাস্থ্য মিছনৰ ঠিকাভিত্তিক কৰ্মচাৰীৰ চাকৰি নিয়মীয়াকৰণৰ দাবী

**আমাৰ চাকৰি স্থায়ী কৰক, অন্যথা আন্দোলন কৰিবলৈ বাধ্য হম**

ষ্টাফ ৰিপ'ৰ্টাৰ

**গুৱাহাটী, ২৫ জুলাই ঃ** ৰাষ্ট্ৰীয় স্বাস্থ্য মিছনৰ অধীনত সমগ্ৰ ৰাজ্যত কৰ্মৰত প্ৰায় ২১ হেজাৰ ঠিকাভিত্তিক স্বাস্থ্য কৰ্মীৰ উমৈহতীয়া মঞ্চ 'সদৌ অসম এন এইছ এম পেৰামেডিকেল কৰ্মচাৰী ইউনিয়নে' অসম চৰকাৰক অগ্ৰাধিকাৰ ভিত্তিত স্থায়ী নিযুক্তিৰ প্ৰক্ৰিয়া আৰম্ভ কৰিবলৈ দাবী জনাইছে। আজি ছয় পৃষ্ঠাত চাওক

## সংক্ৰমণৰ হাৰ নামিল ০.২৯ শতাংশ
## জামুগুৰিহাটত হ্ৰাস পাইছে ক'ভিডৰ সংক্ৰমণ

অগ্ৰদূত বাৰ্তা



**নদুৱাৰ, ২৫ জুলাই ঃ** কৰ'নাৰ ৰেড ডিষ্ট্ৰিক্ট হিচাপে চিহ্নিত শোণিতপুৰ জিলাক সম্পূৰ্ণ কণ্টেইনমেণ্ট জ'ন হিচাপে ঘোষণা কৰাৰ পাছত জিলাখনত সংক্ৰমণ হ্ৰাস পাইছিল যদিও জিলাখনৰ সীমামূৰীয়া অঞ্চল জামুগুৰিহাটত আন স্থানৰ তুলনাত তুলনামূলকভাৱে কৰ'নাৰ সংক্ৰমণ বৃদ্ধি পাইছিল। ইয়াৰ পাছতে শোণিতপুৰ জিলাৰ উপায়ুক্ত ভূপেশ চন্দ্ৰ দাসৰ নিৰ্দেশ অনুসৰি জিলা প্ৰশাসনে জামুগুৰিহাটত ক'ভিড বিধি উলংঘাকাৰীসকলৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ গ্ৰহণ কৰাৰ লগতে গ্ৰামাঞ্চলৰ ভিতৰুৱা স্থানত আৰক্ষী-অৰ্ধসামৰিক বাহিনীৰ জোৱানে পথ সঞ্চালনা কৰাৰ ব্যৱস্থা হাতত লয়। জিলা প্ৰশাসনৰ কঠোৰ পদক্ষেপৰ ফলত বৰ্তমান জামুগুৰিহাটত কৰ'নাৰ সংক্ৰমণ হ্ৰাস পাইছে। পূৰ্বৰ সংক্ৰমণ বহু পৰিমাণে হ্ৰাস পাই বৰ্তমান জামুগুৰিহাটত সংক্ৰমণৰ হাৰ হৈছেগৈ ০.২৯ শতাংশ। উত্তৰ জামুগুৰি চিকিৎসালয়ৰ অন্তৰ্গত জামুগুৰি পৰিপূৰক স্বাস্থ্য কেন্দ্ৰ আৰু ৰঙাচকুৱা স্বাস্থ্য ছয় পৃষ্ঠাত চাওক

## বাঘজানত প্ৰতিবাদকাৰীক আক্ৰমণক গৰিহণা কে'বাটাও সংগঠনৰ
# আজি ২৪ ঘণ্টীয়া অইল অৱৰোধ মৰাণ ছাত্ৰাৰ



*কৃষ্ণাইত সমূহীয়াভাৱে ভূঁই ৰোৱা পৰ্ব, দেওবাৰে।*

অগ্ৰদূত বাৰ্তা

**তিনিচুকীয়া, ২৫ জুলাই ঃ** কালি বাঘজানত উপযুক্ত ক্ষতিপূৰণৰ দাবীত বাঘজানবাসীয়ে আন্দোলন কৰা সময়তে অইল ইণ্ডিয়াই তিনিচুকীয়া জিলা প্ৰশাসনৰ জৰিয়তে বুলেট নিক্ষেপ, লাঠিচালনাৰে আন্দোলনকাৰীৰ ওপৰত যি আক্ৰমণ চলালে সেই আক্ৰমণক মৰাণ জনজাতিৰ আটাইকেইটা সংগঠনে গৰিহণা দিছে। উক্ত ঘটনাৰ বাবে ভুৱা গোচৰত গ্ৰেপ্তাৰ কৰা লোককেইজনক বিনাচৰ্তে মুক্তি দিয়াৰ লগতে উক্ত কাণ্ডত আঘাতপ্ৰাপ্ত সকলো প্ৰতিবাদকাৰীক উপযুক্ত চিকিৎসা সেৱা প্ৰদানৰ লগতে সমগ্ৰ মৰাণ জনজাতিক অইল ইণ্ডিয়াই চৰম প্ৰতাৰণা তথা প্ৰৱঞ্চনা কৰা আৰু সংগঠনসমূহৰ দাবীসমূহ পূৰণ নকৰাৰ প্ৰতিবাদত আজি বৰগুৰিত এক সংবাদমেল অনুষ্ঠিত কৰে। বড়ৌচা ভৱনত অসম মৰাণ সভাৰ সভাপতি ৰাজীৱ বড়া আৰু সদৌ মৰাণ ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি হেম বৰুৱাৰ যৌথ সভাপতিত্বত অনুষ্ঠিত এখন সংবাদমেলত পুৱা পাঁচ বজাৰ পৰা ২৪ ঘণ্টীয়া অইল বন্ধ কাৰ্যসূচী ঘোষণা কৰিছে। সংগঠনকেইটাৰ নেতৃবৰ্গই পুনৰ কয় যে বাঘজান বিজিআৰ পাঁচ নম্বৰ খাদত সংঘটিত অগ্নিকাণ্ডৰ এটা বছৰ অতিক্ৰম কৰাৰ পাছতো ক্ষতিগ্ৰস্তই আজি পৰ্যন্ত সম্পূৰ্ণ ক্ষতিপূৰণ নাপালে। অইল ইণ্ডিয়াৰ গাফিলতিৰ বাবে সংঘটিত এই অগ্নিকাণ্ডই সমগ্ৰ অঞ্চলটোৰ জীৱ-জন্তু, পশু-পক্ষীৰ লগতে দাঁতি কাষৰীয়া ডিব্ৰু-ছৈখোৱা ৰাষ্ট্ৰীয় উদ্যান, মাগুৰি মটাপুং বিলৰ ছয় পৃষ্ঠাত চাওক

## অংগ ব্যৱসায়ীৰ কবলত পৰাৰ সন্দেহ নিৰ্মল ৰাজবংশী
# মুছলপুৰৰ যুৱকক বহিঃৰাজ্যত হত্যা

অগ্ৰদূত বাৰ্তা



**মুছলপুৰ, ২৫ জুলাই ঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তত মানৱ সৰবৰাহকাৰীয়ে ছানি ধৰাৰ সময়তে বাগ্‌সা জিলাৰ মুছলপুৰৰ এজন যুৱক বহিঃৰাজ্যত নিৰ্মমভাৱে হত্যাৰ বলি হোৱাৰ ঘটনা পোহৰলৈ আহিছে। মুছলপুৰৰ নিৰ্মল ৰাজবংশী (২৭) নামৰ যুৱকজনে আন পাঁচজন স্থানীয় চিনাকি লোকৰ স'তে কৰ্মৰ সন্ধানত মহাৰাষ্ট্ৰলৈ গৈ থকা অৱস্থাত আদবাটতে অংগ ব্যৱসায়ীৰ কবলত পৰাৰ সন্দেহ হৈছে পৰিয়ালৰ লগতে গাঁওবাসীৰ। মুছলপুৰ আৰক্ষী থানাৰ অন্তৰ্গত আমবাৰীৰ যুৱক নিৰ্মলে যোৱা মঙলবাৰে কৰ্মৰ সন্ধানত মহাৰাষ্ট্ৰলৈ গৈছিল। পিছে শুকুৰবাৰে পুৱা অম্বাৰ ষ্টেছনৰ ওচৰত ৰক্তাক্ত অৱস্থাত তেওঁৰ মৃতদেহ উদ্ধাৰ হয়। ফটোত প্ৰত্যক্ষ কৰা মতে শৰীৰৰ কে'বাঠাইতো চোকা অস্ত্ৰৰ আঘাতৰ চিন মৃতদেহত স্পষ্ট হৈ আছে। মৃত যুৱকজনৰ পিতৃ ৰাজেন ৰাজবংশী তথা পৰিয়ালে দাবী কৰা মতে, অচিনাক্ত দুৰ্বৃত্তই যোৱা বৃহস্পতিবাৰে দুপৰ নিশা চলন্ত ৰেলৰ পৰা তেওঁক পেলাই দি নিৰ্মমভাৱে হত্যা কৰিছে। কিন্তু কি কাৰণত একে ঠাইৰ পৰা যোৱা লগৰীয়াকেইজনে ঘটনা সন্দৰ্ভত নীৰৱতা অৱলম্বন কৰিছে তাৰ উৱাদিহ পোৱা নাই। নিৰ্মলক মহাৰাষ্ট্ৰলৈ নিয়া ৰাতুল দাসে মাত্ৰ ফোন কৰি অম্বাৰ ষ্টেছনৰ পৰা নোহোৱা হোৱা বুলিহে জনাইছে। নিৰ্মলে ব্যৱহাৰ কৰি থকা ৮৮২২৫২১৫৪৫ নম্বৰৰ ম'বাইলটো বৃহস্পতিবাৰে নিশাৰ পৰা ছুইচ অফ হৈ আছে। ৰহস্যজনক কথা এয়ে যে শুকুৰবাৰৰ পৰা নিৰ্মলক লৈ যোৱা ছয় পৃষ্ঠাত চাওক

## গোসাঁইগাঁৱত ভিনিহিয়েকৰ অস্ত্ৰৰ আক্ৰমণত কিশোৰী আহত

অগ্ৰদূত বাৰ্তা

**শ্ৰীৰামপুৰ/গোসাঁইগাঁও/দোতমা/ফকিৰাগ্ৰাম, ২৫ জুলাই ঃ** এফালে কৰ'নাসৃষ্ট পৰিস্থিতিৰ ফলত তলাবন্ধ, সান্ধ্য আইনৰ উপৰি চৌদিশে ক'লা মানুহৰ আতংক তথা উৰা বাতৰিত ৰাইজ আশংকাত ভুগি থকাৰ সময়ত গোসাঁইগাঁও মহকুমাৰ ঘগুঝোৰাত সংঘটিত হৈছে এক হিংসাত্মক ঘটনা। মহকুমাটোৰ আদিবাসী জনজাতি প্ৰধান তথা ভিতৰুৱা অঞ্চল ঘুগুঝোৰাত যোৱা নিশা এজন উদণ্ড যুৱকৰ চোকা অস্ত্ৰৰ আক্ৰমণত এগৰাকী কিশোৰী গুৰুতৰভাৱে আহত হৈ চিকিৎসাধীন হ'বলগীয়া হৈছে। উক্ত ঘটনাই অঞ্চলটোত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। আহত কিশোৰীগৰাকী গাঁওখনৰ নিবাসী বাংলা হাছদাৰ কন্যা ৰাণী হাছদা (১৩) আৰু আক্ৰমণকাৰী যুৱকজন কিশোৰীগৰাকীৰ ভিনিহিয়েক দিলীপ চৰেণ। কালি উক্ত আক্ৰমণৰ ঘটনা সংঘটিত হোৱাৰ পাছতে স্থানীয় ৰাইজে কাষৰীয়া গাঁৱৰ দিলীপ চৰেণক আটক কৰি গোসাঁইগাঁও থানাৰ আৰক্ষীক গতাই দিয়ে। ধৃত যুৱকজনে ঘটনাৰ কথা স্বীকাৰ কৰি অকপটে কয় যে তেওঁৰ পত্নীক হত্যা কৰাৰ পৰিকল্পনাৰে কালি শহুৰেকৰ ঘৰলৈ আহি পত্নী বাহিৰ লৈ অহাৰ অপেক্ষাত খাপপিটি আছিল; কিন্তু নিশা তেওঁৰ পত্নীৰ সলনি খুলশালীয়েক ঘৰৰ পৰা কিবা কামত বাহিৰলৈ ওলাই আহে। তেতিয়াই দিলীপে চোকা অস্ত্ৰৰে আক্ৰমণ কৰে। নিশাৰ অন্ধকাৰত চিনিব নোৱাৰি পত্নী বুলি ভাবি নিজৰ খুলশালীয়েককে আক্ৰমণ কৰি আহত কৰি পলাই যায়। স্থানীয় ৰাইজে জনোৱা মতে, প্ৰায় চাৰি বছৰ পূৰ্বে দিলীপৰ লগত ৰাণীৰ বায়েকৰ বিবাহ হৈছিল কিন্তু বিগত চাৰিমাহ ধৰি পতি-পত্নীৰ মাজত ছয় পৃষ্ঠাত চাওক

## অব্যৱহৃত হৈ ৰ'ল সমষ্টি উন্নয়ন পুঁজিৰ এক কোটি ২০ লাখ টকা

**মঙলদৈ সমষ্টিত বিচাৰি নাপালে জটিল ৰোগত আক্ৰান্ত-মেধাৱী শিক্ষাৰ্থী**

অগ্ৰদূত বাৰ্তা

**মঙলদৈ, ২৫ জুলাই ঃ** উন্নয়নৰ ঢাক-ঢোল বজোৱা বিজেপি নেতৃত্বাধীন ৰাজ্য চৰকাৰৰ মঙলদৈ বিধানসভা সমষ্টিৰ পূৰ্বৰ কৰ্মোদ্যমী বুলি দাবী কৰা বিধায়ক গুৰুজ্যোতি দাসে সমষ্টি উন্নয়ন পুঁজি ব্যৱহাৰত দেখুওৱা নমুনাই উদঙাই দিছে চৰকাৰখনৰ ব্যৰ্থতা। তথ্য মতে, প্ৰাক্তন বিধায়ক গুৰুজ্যোতিৰ কাৰ্যকালৰ ২০২০-২১ৰ সমষ্টি উন্নয়ন পুঁজিৰ এক কোটি টকাৰ ভিতৰত ব্যৱহৃত হৈছে মাত্ৰ পাঁচ লাখ টকাৰ এখন আঁচনি। তাৰ বাদে অৱশিষ্ট ৯৫ লাখে অব্যৱহৃত হৈ ৰয়। বিগত বিধানসভা নিৰ্বাচনৰ আগমুহূৰ্তত ফেব্ৰুৱাৰীত খৰধৰকৈ কেইখনমান আঁচনিৰ নাম জমা দিছিল যদিও কোনো নিৰ্মাণ সমিতিৰ নাম উল্লেখ কৰা নাছিল। ইয়াৰ পাছতে নিৰ্বাচনী অধিসূচনা জাৰি হোৱাত প্ৰাক্তন বিধায়কজনৰ কাৰ্যকালৰ ৯৫ শতাংশ ধনে অব্যৱহৃত হৈ ৰয়। এই তথ্য সমষ্টি উন্নয়ন পুঁজিৰ ধন তদাৰক কৰা মঙলদৈ জলসিঞ্চন বিভাগৰ এখন চৰকাৰী ছয় পৃষ্ঠাত চাওক

## সফলতাৰ বাবে শৃংখলাবদ্ধ কষ্টৰ প্ৰয়োজন ঃ বৰা

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ২৫ জুলাই ঃ** যোৱা ২৪ জুলাইত শিৱসাগৰ জিলাৰ আগশাৰীৰ উচ্চ শিক্ষাৰ অনুষ্ঠান গড়গাঁও মহাবিদ্যালয়ত ভাৰতীয় ৰাজহ সেৱাৰ বিষয়া, লেখক পদ্মপাণি বৰাৰ স'তে এটি মনোজ্ঞ মত বিনিময় অনুষ্ঠান অনুষ্ঠিত হয়। মহাবিদ্যালয়খনৰ আভ্যন্তৰীণ মান নিৰূপণ কোষৰ উদ্যোগত অনুষ্ঠিত অনুষ্ঠান উদ্বোধন কৰে গড়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সব্যসাচী মহন্তই। ড° মহন্তই সমল ব্যক্তি পদ্মপাণি বৰাক আন্তৰিক আদৰণি জনোৱাৰ লগতে ক'ভিডকালীন পৰিস্থিতিত ছাত্ৰ কল্যাণৰ বাবে মহাবিদ্যালয়খনে লোৱা ধাৰাবাহিক প্ৰচেষ্টাবোৰৰ বিষয়ে সদৰী কৰে। ইয়াৰ পাছতে অনুষ্ঠানত পদ্মপাণি বৰাই অংশগ্ৰহণকাৰীৰ স'তে নিজৰ বিদ্যায়তনিক যাত্ৰাৰ ভিন্ন দিশৰ অভিজ্ঞতাসমূহৰ বিষয়ে কয়। তেওঁ পোনতে সাম্প্ৰতিক বিশ্বত ক'ভিড মহামাৰীয়ে সকলো দিশতে সৃষ্টি কৰা জটিলতা আৰু সম্ভাৱনাৰ বিষয়ে ক'বলৈ গৈ কয় যে বিকল্প পথৰ চিন্তা আজিৰ শিক্ষা, জীৱন যাত্ৰাৰ এৰাব নোৱৰা বিষয় হৈ পৰিছে। তেওঁ বৰ্তমানৰ শিক্ষা ব্যৱস্থাৰ ছয় পৃষ্ঠাত চাওক

## লাভলীনা বৰগোহাঁইলৈ হাতীখোক ক্ৰীড়া সংস্থাৰ শুভেচ্ছা

বিশেষ সংবাদদাতা

**শিৱসাগৰ, ২৫ জুলাই ঃ** শিৱসাগৰৰ অন্যতম পুৰণি ক্ৰীড়া সংগঠন হাতীখোক ক্ৰীড়া সন্থাই অসমৰ সুযোগ্য সন্তান লাভলীনা বৰগোহাঁইৰ টকিঅ' অলিম্পিকত সফলতা কামনা কৰি শুভেচ্ছা জ্ঞাপন কৰিছে। এই উপলক্ষে হাতীখোক ক্ৰীড়া সন্থাৰ কাৰ্যালয়ত আজি অনুষ্ঠিত এক সভাত সন্থাৰ সভাপতি ইমদাত উল্লা আৰু সম্পাদক ৰিতু ছয় পৃষ্ঠাত চাওক

## লাইকা-দধিয়াত বান সাহায্য সামগ্ৰী বিতৰণ
# দধিয়াবাসীৰ সমস্যা সমাধান নোহোৱাত ক্ষোভ

বিশেষ সংবাদদাতা

**ডিব্ৰুগড়, ২৫ জুলাই ঃ** অসম জাতীয়তাবাদী যুৱ পৰিষদৰ বিংশতিতম প্ৰতিষ্ঠা দিৱস উপলক্ষে জাতীয়তাবাদী যুৱ পৰিষদ আৰু ডিব্ৰুগড় প্ৰেছ ক্লাবৰ উদ্যোগত ডিব্ৰুগড় আৰু তিনিচুকীয়া জিলাৰ বানবিধ্বস্ত অঞ্চল লাইকা-দধিয়াত বিভিন্ন অত্যাৱশ্যকীয় খাদ্য সামগ্ৰী বিতৰণ কৰে। এশ এবুৰি সমস্যাৰে ভাৰাক্ৰান্ত লাইকা-দধিয়াত উপস্থিত হৈ বান-বিধ্বস্ত অঞ্চলটোৰ ১২০০ টা পৰিয়াললৈ বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাব আৰু অসম জাতয়ীতাবাদী যুৱ পৰিষদে চাউল, দাইল, মিঠাতেল, আলু, পিয়াঁজ, চাবোন, কলগেট, বিস্কুট, মাস্ক আদি বিতৰণ কৰে। এই উপলক্ষে দধিয়াৰ প্ৰাথমিক বিদ্যালয়ৰ প্ৰাংগণত জাতীয়তাবাদী যুৱ পৰিষদৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক উদয়ন কুমাৰ গগৈয়ে আঁত ধৰা এক কাৰ্যসূচীত উপস্থিত থাকে দধিয়াৰ গাঁওবুঢ়া বিৰাট নৰহ, দধিয়াৰ সমাজকৰ্মী মিঠন পামে, বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাবৰ সাধাৰণ সম্পাদক ৰাতুল গোঁহাই, ডিব্ৰুগড়ৰ জ্যেষ্ঠ সাংবাদিক বিভাস দুৱৰা, চন্দন ফুকন, সঞ্জীৱ নন্দী, মুক্তামণি হাজৰিকা, মৰাণ প্ৰেছ ক্লাবৰ কৰুণা ফুকন, চাবুৱা প্ৰেছ ক্লাবৰ দিব্যজ্যোতি লাহন, ৰাজু সিং, সাংবাদিক সুৰক্ষা মঞ্চৰ সম্পাদক জ্যোতিষ কুমাৰ পাতিৰ, আছুৰ তিনিচুকীয়া জিলা সভাপতি ৰাজা বলিমৰাকে প্ৰমুখ্যে কৰি ডিব্ৰুগড় সদৰ আৰু চাবুৱাৰ সাংবাদিকসকল। লাইকা দধিয়াৰ বিভিন্ন সমস্যাৰ সন্দৰ্ভত স্থানীয় সচেতন ব্যক্তি মিঠন পামে বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাব আৰু জাতীয়তাবাদী যুৱ পৰিষদৰ দ্বাৰা পিছপৰা অঞ্চলটোত খাদ্য সামগ্ৰীৰ যোগান ধৰাৰ লগতে অভাৱ-অভিযোগ, সমস্যাৰ সন্দৰ্ভত বুজ লোৱা বাবে ধন্যবাদ জ্ঞাপন কৰে। ভাষণ প্ৰসংগত জাতীয়তাবাদী যুৱ পৰিষদৰ সম্পাদক উদয়ন কুমাৰ গগৈয়ে কয়, 'চৰকাৰ গ'ল, চৰকাৰ আকৌ আহিল। তথাপি লাইকা-দধিয়াবাসীৰ কোনো সমস্যাই সমাধান নহ'ল। নহ'ল পুনঃসংস্থাপনো। চৰকাৰৰ, নেতা-পালিনেতাৰ আশ্বাসবোৰ আশ্বাস হৈয়ে আছে বছৰ বছৰ ধৰি। লাইকা-দধিয়াবাসীৰ আশাবোৰ আশা হৈয়ে ৰৈছে।' অতিমাৰী কৰ'নাৰ দ্বিতীয়টো লহৰে সমগ্ৰ দেশখনৰ লগতে অসমটো ভয়ংকৰ ৰূপ ধাৰণ কৰাৰ সময়তে বছৰটোৰ তৃতীয়টো বানত সম্পূৰ্ণকৈ ডুব যোৱা ডিব্ৰু-ছৈখোৱা ৰাষ্ট্ৰীয় উদ্যানৰ কাষৰ বনগাঁও লাইকা-দধিয়াৰ এক বৃহৎ অঞ্চলত বসবাস কৰা লোকসকলক চৰকাৰে জীৱ-জন্তুৰ দৰে ব্যৱহাৰ কৰা বুলি কয়।

বাৰিষা ব্ৰহ্মপুত্ৰৰ পানী উফন্দি উঠিলেই লাইকা-দধিয়াবাসীৰ অৱস্থা ছয় পৃষ্ঠাত চাওক

## ৰূপহীহাটত পানীত পৰি দুই শিশুৰ মৃত্যু

বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা

**নগাঁও/ৰূপহীহাট, ২৫ জুলাই ঃ** নগাঁও জিলাৰ ৰূপহীহাটৰ পশ্চিম শিঙিমাৰীত আজি পানীত পৰি দুই শিশুৰ মৃত্যু হয়। উল্লেখ্য যে ঈদ উপলক্ষে নগাঁও চহৰৰ সমীপৱৰ্তী কেন্দুগুৰি গাঁৱৰ চাৰি বছৰীয়া এটি শিশুৱে পিতৃৰ স'তে ফুৰিবলৈ গৈছিল ৰূপহীহাটৰ শিঙিমাৰীত থকা মাহীয়েকৰ ঘৰলৈ। মাহীয়েকৰ ঘৰৰ কাষতে থকা পুখুৰীৰ ওচৰত মাহীয়েকৰ ঘৰৰ তিনি বছৰীয়া আন এটি ছয় পৃষ্ঠাত চাওক

## প্ৰধানমন্ত্ৰীৰ বিৰুদ্ধে সামাজিক মাধ্যমত আপত্তিজনক প'ষ্ট

**আৰক্ষীৰ জালত যোৰহাট জিলা উপায়ুক্ত কাৰ্যালয়ৰ কৰ্মচাৰী**

ষ্টাফ ৰিপ'ৰ্টাৰ

**যোৰহাট, ২৫ জুলাই ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বিৰুদ্ধে সামাজিক মাধ্যমত আপত্তিজনক প'ষ্ট দি গ্ৰেপ্তাৰ হ'ল যোৰহাট জিলাৰ উপায়ুক্ত কাৰ্যালয়ৰ এজন কৰ্মচাৰী। উপায়ুক্ত কাৰ্যালয়ৰ কৰ্মচাৰী অভিলাষ দত্তই কালি নিজৰ ফেচবুক একাউণ্টত প্ৰধানমন্ত্ৰী মোদীৰ বিৰুদ্ধে আপত্তিজনক শব্দ প্ৰয়োগ কৰি এটা প'ষ্ট দিছিল। ইয়াৰ পাছতে সামাজিক মাধ্যমত বিষয়টোক লৈ ব্যাপক চৰ্চা আৰম্ভ হয়। পাছত বিজেপিৰ অ' বি চি মৰ্চাৰ যোৰহাট গ্ৰাম্য মণ্ডলৰ সাধাৰণ সম্পাদক তথা অধিবক্তা বিনয় কুমাৰ লিখকে যোৰহাট সদৰ থানাত এখন এজাহাৰ দাখিল কৰে। এজাহাৰত বিজেপি নেতাজনে উল্লেখ কৰা মতে, এই প'ষ্টটোৰ জৰিয়তে ভাৰতীয় গণতান্ত্ৰিক ব্যৱস্থাৰ বিৰুদ্ধাচৰণ কৰা হৈছে। কৰ্মচাৰী অভিলাষ দত্তক প'ষ্টটো পেজৰ পৰা ডিলিট কৰি দিবলৈ তেওঁ মেচেঞ্জাৰত অনুৰোধ জনাইছিল। কিন্তু কৰ্মচাৰীজনে প'ষ্টটো ডিলিট কৰি দিয়াৰ নামতো এহেজাৰ টকা বিচাৰি ওলোটাই ছয় পৃষ্ঠাত চাওক

## গোৰেশ্বৰত আফ্ৰিকান ছোৱাইন ফ্লু'ৰ প্ৰাদুৰ্ভাৱ

অগ্ৰদূত বাৰ্তা

**গোৰেশ্বৰ, ২৫ জুলাই ঃ** বাগ্‌সা জিলাৰ গোৰেশ্বৰৰ কাড়িপাৰা গাঁৱত আফ্ৰিকান ছোৱাইন ফ্লে ধৰা পৰাৰ পাছত ২৪ জুলাইত চলে গাহৰি নিধন প্ৰক্ৰিয়া। বাগ্‌সা জিলাত ছানি ধৰিছে গাহৰিৰ দেহত আফ্ৰিকান ছোৱাইন ফ্লু'। ইয়াৰ পাছত তৎপৰ হৈ পৰিছে বাগ্‌সা জিলা প্ৰসাসনৰ লগতে পশু চিকিৎসা বিভাগ। গোৰেশ্বৰৰ কাড়িপাৰা গাঁৱত উপস্থিত হয় ৰেপিড ৰেছপন্স টীম। (আৰআৰটি)। ছয় পৃষ্ঠাত চাওক

## ২৯-৩০ জুলাইত সত্ৰাধিকাৰ হৰেকৃষ্ণ মহন্ত আতাৰ ৰাজহুৱা শুদ্ধিকৰণ অনুষ্ঠান

অগ্ৰদূত বাৰ্তা

**টংলা, ২৫ জুলাই ঃ** ১৯ জুলাইৰ নিশা ইহলীলা সম্বৰণ কৰা বৰঙাজুলি সত্ৰৰ প্ৰতিষ্ঠাপক সত্ৰাধিকাৰ ভকত শিৰোমণি হৰেকৃষ্ণ মহন্ত আতাৰ আত্মাৰ সদগতিৰ অৰ্থে ২৯ আৰু ৩০ জুলাইত সত্ৰ প্ৰাংগণত ৰাজহুৱা শুদ্ধিকৰণ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। সত্ৰীয়া পৰম্পৰা, নীতি-নিয়মেৰে হ'বলগীয়া এই শুদ্ধিকৰণ উপলক্ষে দুয়ো দিনাই নাম-কীৰ্তন, ভাগৱত পাঠৰ কাৰ্যসূচী অন্তৰ্ভুক্ত কৰা হৈছে। প্ৰথম দিনা বাপ-বান্ধৱসকলে বৰগীত, ভটিমা গাই দিনটোৰ কাৰ্যসূচী মুকলি কৰিব। নাম-প্ৰসংগত ভাগ ল'ব অনিৰুদ্ধ ভৰালীয়ে। শুদ্ধিকৰণ পৰ্বত কীৰ্তন পাঠ কৰিব লোকৰঞ্জন ৰাভাই। শুদ্ধিকৰণৰ নাম-প্ৰসংগত ভাগ ল'ব ৰবীন্দ্ৰ নাথ দাসে (গুৱাহাটী)। ভাগৱত পাঠৰ অনুষ্ঠানত অংশ ল'ব হৰেণ ৰাভা, দধি ৰাভাই। বিয়লি আই-মাতৃ, বাপ-বান্ধৱসকলে পৰিৱেশন কৰিব দিহা নাম, ঘোষা নাম আৰু থিয় নাম। সন্ধিয়া পুনৰ থিয় নাম। দ্বিতীয় দিনা পুৱাৰ ভাগত প্ৰসংগ সমাপন হোৱাৰ পাছত আৰম্ভ হ'ব প্ৰয়াত সত্ৰাধিকাৰ হৰেকৃষ্ণ মহন্তলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন অনুষ্ঠান। এই কাৰ্যসূচী ৰূপায়ণ কৰিব বিশিষ্ট লেখক তথা ওদালগুৰিৰ প্ৰাক্তন উপায়ুক্ত থানেশ্বৰ মালাকাৰে। ভাগৱত পাঠ অনুষ্ঠানত ভাগ ল'ব সত্ৰাধিকাৰ, ভাগৱত সিন্ধু ৰিজু পাঠকে। পাছত সমূহীয়া সাত্বিক আহাৰ গ্ৰহণ। উল্লেখ্য যে দ্বিতীয় দিনাৰ কাৰ্যসূচীত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা উপস্থিত থকাৰ সম্ভাৱনা আছে।

## তলাবন্ধতো ভূৰাগাঁও থানাৰ সন্মুখেৰে পাৰ হয় চুলাইৰ ফেৰীৱালা

অগ্ৰদূত বাৰ্তা

**ভূৰাগাঁও, ২৫ জুলাই ঃ** মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই মৰিগাঁৱত কৰ'না মহামাৰী সংক্ৰমণৰ হাৰ আশানুৰূপভাৱে নকমাৰ অন্তৰালত চুলাই মদৰ ঘাটিবোৰে বহু পৰিমাণে জগৰীয়া বুলি মন্তব্য কৰাৰ পাছতে জিলা প্ৰশাসনেও এই চুলাই মদৰ ঘাটিবোৰ উচ্ছেদৰ বাবে কঠোৰ নিৰ্দেশনা জাৰি কৰিছিল। কিন্তু দুৰ্ভাগ্যৰ কথা যে জিলাখনৰ ভূৰাগাঁও থানাৰ অন্তৰ্গত অঞ্চলসমূহত সম্প্ৰতি ১০ টাতকৈ অধিক চুলাই মদৰ ঘাটিত ৰমৰমীয়া ব্যৱসায় চলি আছে। চুকে কোণে চলি থকাৰ কথা বাদেই চাৰিআলি-তিনি আলিতো অবাধে চলি আছে চুলাই মদৰ বেহা। এনে একাংশ ঘাটিৰ পৰা মটৰ চাইকেল-চাইকেলেৰে ভূৰাগাঁও থানাৰ সন্মুখেদি পিপিত পেকেটিং কৰি দৈনিক কঢ়িয়াই নিয়ে মোনাই মোনাই চুলাই মদ। ভূৰাগাঁও আৰক্ষীৰ প্ৰত্যক্ষ সঁহাৰি নহ'লে এনে সৰবৰাহ কেনেকৈ সম্ভৱ হৈছে বুলি প্ৰশ্ন উত্থাপন হৈছে সচেতন মহলৰ মাজতো অভিযোগ মতে মৰিগাঁও জিলা আৱকাৰী বিভাগ আৰু স্থানীয় থানাৰ আৰক্ষীৰ সেউজ সংকেততে চলি আছে এই মদৰ ঘাটিবোৰৰ লগতে চুলাই মদৰ সৰবৰাহ। আৱকাৰী বিভাগ আৰু স্থানীয় থানাক মেনেজ কৰি মদৰ ঘাটিৰ মালিক পক্ষই কৰ'না কালতো অবাধে চলাই গৈছে এই চুলাই মদৰ ঘাটিবোৰ। এই সন্দৰ্ভত ভূৰাগাঁও থানা আৰক্ষীক সচেতন মহলে পূৰ্বে অভিযোগ দিছে যদিও বৰ্তমানলৈ কোনো ফল ধৰা নাই। উদাহৰণ স্বৰূপে গেৰুৱা সাপ্তাহিক বজাৰ প্ৰাংগণত থকা দুটা মদৰ ঘাটিৰ পৰা দৈনিক এশ লিটাৰতকৈ অধিক চুলাই মদ ৰপ্তানি হয়। একেদৰে গেৰুৱা মৰিগাঁও গড়কাপ্তানী পথৰ দাঁতিত গেৰুৱা চাৰিআলিৰ পৰা দুশ মিটাৰ নিলগত টিকেন হাজোৱাৰীৰ ঘৰতো চলি আছে এটা বৃহৎ মদৰ ঘাটি। তেনেদৰে বৰশীবন্ধা, বাঘউঠা, চেংমৰা, জামাদাৰী, বানমুৰী আদি অঞ্চলত বহুকেইটা চুলাই মদৰ ঘাটিৰ মালিকে চলাই আছ অবৈধ চুলাই মদৰ ব্যৱসায়। অৱশ্যে তাৰ মাজতে তিৰা ছয় পৃষ্ঠাত চাওক

## সেনাই প্ৰহাৰক কেন্দ্ৰ কৰি লিডু থানাত উত্তপ্ত পৰিস্থিতি

**মানৱ শৃংখল কাৰ্যসূচীৰে প্ৰতিবাদ ঃ গোচৰ**

অগ্ৰদূত বাৰ্তা

**মাৰ্ঘেৰিটা, ২৫ জুলাই ঃ** সেনা বাহিনীৰ লোকে এজন লোকক প্ৰহাৰক লৈ আজি তিনিচুকীয়া জিলাৰ ডিব্ৰু আৰক্ষী চকীত এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰে ৰাইজে। আনকি সেনা বাহিনীৰ বিৰুদ্ধে এজাহাৰো দাখিল কৰে। তথ্যমতে, যোৱা ২৩ জুলাইত জাগুনস্থিত ৰাজপুতনা ৰাইফলৰ এটা দলে লিডু মালৌ বস্তিৰ ৰংমেৰ হাখুন (৫০) এজন লোকক লিডু বজাৰৰ পৰা উঠাই নি জাগুন সেনা ছাউনিত বিনা কাৰণতে বেয়াকৈ মাৰধৰ কৰে। কালি পুনৰ উক্ত লোকজনক জাগুনৰ পৰা মাৰ্ঘেৰিটালৈ চকু বান্ধি নি মাৰ্ঘেৰিটাত সেনা বাহিনীৰ ছয় পৃষ্ঠাত চাওক

## তৰমথাত দুটাকৈ উন্মুক্ত ট্ৰেঞ্চফৰ্মাৰে কঢ়িয়াইছে ভাবুকি

**বেৰিকেড স্থাপনৰ দাবী আছুৰ**

অগ্ৰদূত বাৰ্তা

**বৰভাগ, ২৫ জুলাই ঃ** নলবাৰী জিলাৰ বৰভাগৰ তৰমথাত থকা দুটাকৈ ১১ হেজাৰ ভল্টৰ উন্মুক্ত ট্ৰেঞ্চফৰ্মাৰে জনজীৱনলৈ ভাবুকি কঢ়িয়াই আনিছে। অসম শক্তি বিতৰণ কোম্পানী লিমিটেডৰ অধীনত থকা তৰমথা গাঁৱৰ গৰিয়াবাৰী চুবুৰীত থকা এটা ট্ৰেঞ্চফৰ্মাৰ আৰু পাঠক চুবুৰীত থকা আন এটা ট্ৰেঞ্চফৰ্মাৰৰ চাৰিওফালে কোনো ধৰণৰ বেৰিকেড নিদিয়াৰ ফলত উন্মুক্ত ট্ৰেঞ্চফৰ্মাৰে জনজীৱনলৈ তীব্ৰ ভাবুকি কঢ়িয়াই আনিছে। পশ্চিম ওপৰ বৰভাগ আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি অভিজিৎ বৈশ্য আৰু উপদেষ্টা তথা নলবাৰী জিলা ছাত্ৰ সন্থাৰ উপ-সভাপতি ফণীধৰ ছয় পৃষ্ঠাত চাওক

## কালদিয়া নদীৰ খহনীয়াত সৰ্বস্বান্ত অৰ্ণিবিলৰ কে'বাটাও পৰিয়াল
# নৈপৰীয়া ৰাইজৰ বিনিদ্ৰ ৰজনী



অগ্ৰদূত বাৰ্তা

**মুছলপুৰ, ২৫ জুলাই ঃ** ভূটান পাহাৰৰ পাদদেশৰ পৰা বৈ অহা কালদিয়া নদীৰ খহনীয়াই সম্প্ৰতি কালৰূপ ধাৰণ কৰিছে মুছলপুৰ মহকুমাৰ অন্তৰ্গত অৰ্ণিবিলত। বিগত কে'বা বছৰ ধৰি ভূটানৰ পৰা বৈ অহা কালদিয়া নৈৰ খহনীয়াই বিস্তৰ ক্ষতিসাধন কৰি আহিছে বৃহত্তৰ অঞ্চলটোত। বছৰ বছৰ ধৰি হৈ থকা খহনীয়াৰ ফলত গাঁওখনৰ অনিল মুৰ্মু, আল্লিয়াচ তিৰ্কী, ৰাম চোৰেন, বিমল চোৰেন, বিভু মাৰ্দি আদিকে ধৰি বহু পৰিয়ালে নিজৰ কৃষিভূমি, তামোল বাৰী হেৰুৱাই সৰ্বস্বান্ত হৈছে। বাৰিষা আহিলেই খহনীয়াৰ আতংকই খেদি ফুৰে গাঁওখনৰ ৰাইজক। ইতিমধ্যে খহনীয়াই কে'বাটাও পৰিয়ালৰ চোতাল পোৱাত নৈপৰীয়া বহু পৰিয়াল ভৰ বাৰিষা নিশা উজাগৰে থাকিবলগীয়া পৰিস্থিতিৰ সৃষ্টি হৈছে। কিয়নো যিকোনো মুহূৰ্ততে ভেটি-মাটি নৈৰ বুকুত জাহ যোৱাৰ আশংকা ঘনীভূত হৈছে। অৰ্ণিবিলৰ বিভু মাৰ্দিয়ে কয়, 'আমাক প্ৰতিখন চৰকাৰে খহনীয়া প্ৰতিৰোধ কৰিব বুলি আশ্বাস দিয়ে। আমাৰো ভাল লাগে। পিছে একো কাম নহয়। সমস্যাটো বছৰৰ পাছত বছৰ বেছিহে হয়।' আদিবাসী ছয় পৃষ্ঠাত চাওক

## ক্ৰমান্বয়ে সম্পৰ্কৰ এনাজৰী ছিঙিব ধৰিছে ঃ আহমেদ

**বালাগাঁৱত অসম সম্প্ৰীতি মঞ্চৰ সভা**



**কলগাছিয়া, ২৫ জুলাই ঃ** আজি অসম সম্প্ৰীতি মঞ্চৰ এখন সভা কলগাছিয়াৰ বালাগাৱত অনুষ্ঠিত হয়। অসম সম্প্ৰীতি মঞ্চৰ সভাপতি হজৰত আলী আহমেদৰ সভাপতিত্বত অনুষ্ঠিত সভাত উদ্দেশ্যে ব্যাখ্যা কৰে প্ৰচাৰ সম্পাদক আবুল হুছেইনে। মঞ্চৰ মুখ্য সম্পাদক আব্দুল কদ্দুছ শিকদাৰে প্ৰতিযোগিতামূলক পৰীক্ষা, ড্ৰাগছ, নিচাজাতীয় দ্ৰব্য সেৱন প্ৰতিৰোধ, পৰৱৰ্তী কাৰ্যপন্থা প্ৰস্তুত কৰা সম্পৰ্কে ব্যাখ্যা কৰে। অৱসৰপ্ৰাপ্ত শিক্ষা সঞ্চালক তথা কবি খবিৰ আহমেদে কয়, 'ক্ৰমান্বয়ে আমাৰ সম্পৰ্কৰ এনাজৰি ছিঙি গৈছে।' ইয়াৰ মূল কাৰণ আমাৰ মাজত থকা সামাজিক ব্যৱধান বুলি কয়। নামনিৰ মানুহে উজনিৰ মানুহক আৰু উজনি অসমৰ মানুহে নামনি অসমৰ মানুহৰ মনৰ কথা বুজি নাপায় ছয় পৃষ্ঠাত চাওক

দৈনিক অগ্রদূত

গুৱাহাটী, সোমবাৰ ৯ শাওণ ১৪২৮ ভাস্কৰাব্দ ২৬ জুলাই ২০২১



# আইনৰ অপপ্ৰয়োগ ?

**উচ্চতম** ন্যায়ালয়ৰ চাৰিগৰাকী ভূতপূৰ্ব ন্যায়াধীশে সন্ত্ৰাসবাদ বিৰোধী আইনৰ দেশত হোৱা ধাৰাবাহিক অপপ্ৰয়োগত গভীৰ উদ্বেগ প্ৰকাশ কৰিছে। ভূতপূৰ্ব ন্যায়াধীশ আফতাব আলম, মদন বি লকুৰ, গোপালা গৌড়া আৰু দীপক গুপ্তাই শনিবাৰে এই সন্ত্ৰাসবিৰোধী আইনৰ ব্যাপক ব্যৱহাৰত অসন্তোষ প্ৰকাশ কৰি দিয়া বিবৃতি গুৰুত্বপূৰ্ণ। ইয়াৰ পূৰ্বে দেশৰ মুখ্য ন্যায়াধীশ নেতৃত্বাধীন বিচাৰপীঠে ভাৰতত ব্ৰিটিছ কালৰে দেশদ্ৰোহিতাৰ আইন আজিও প্ৰচলিত হৈ থকাক লৈ গভীৰ অসন্তুষ্টি ব্যক্ত কৰিছিল আৰু ইয়াৰ বাতিলৰ পোষকতা কৰিছিল।

ইতিমধ্যে অবৈধ কাৰ্যকলাপ প্ৰতিৰোধ আইন (ইউ এ পি এ)ৰ বিৰুদ্ধে বহুতেই উচ্চতম ন্যায়ালয়ৰ দ্বাৰস্থ হৈছে। এই চাৰিগৰাকী উচ্চতম ন্যায়ালয়ৰ ভূতপূৰ্ব ন্যায়াধীশৰ এগৰাকী দীপক গুপ্তাই কৈছে যে আদালতে এই আইনৰ অপপ্ৰয়োগৰ ক্ষেত্ৰত হস্তক্ষেপ কৰিব লাগে আৰু এই আইন কি কি ক্ষেত্ৰত ব্যৱহৃত হ'ব পাৰে তাৰ নিৰ্দেশনা চৰকাৰক দিব লাগে। কেম্পেইন ফ'ৰ জুডিচিয়েল একাউণ্টেবিলিটী এণ্ড ৰিফৰ্ম নামৰ বেচৰকাৰী সংস্থা এটাই আয়োজন কৰা 'গণতন্ত্ৰ, ভিন্নমত প্ৰকাশ আৰু জনবিৰোধী আইন— ইউ এ পি এ আৰু দেশদ্ৰোহিতাৰ আইনৰ স্থান আমাৰ সংবিধানত থকা উচিত নে?' শীৰ্ষক এক অনলাইন সন্মিলনত দেশত দেশদ্ৰোহিতা আৰু সন্ত্ৰাসবাদ বিৰোধী আইনৰ ব্যাপক অপপ্ৰয়োগ হোৱাত উদ্বেগ প্ৰকাশ কৰিছে বক্তাসকলে।

মণিপুৰৰ সমাজকৰ্মী এৰেন্দ্ৰো লৈইচোমবামে ক'ভিড-১৯ৰ প্ৰতিষেধক হিচাপে গোমূত্ৰ দাণ্ডি ধৰা কাৰ্যৰ বিৰুদ্ধে মত প্ৰকাশ কৰা বাবেই তেওঁক দেশদ্ৰোহিতা আইনত গ্ৰেপ্তাৰ কৰা হৈছিল। একেদৰেই এৰেন্দ্ৰোৰ স'তে মণিপুৰৰ সাংবাদিক কিশোৰ চন্দ্ৰ ৱাংখেমক দেশদ্ৰোহিতাৰ অভিযোগত গ্ৰেপ্তাৰ কৰা হৈছিল। আদালতে এওঁলোকক জামিন মঞ্জুৰ কৰিছিল; কিন্তু এওঁলোকক মুকলি কৰি দিয়াৰ আগে আগে এওঁলোকৰ বিৰুদ্ধে পুনৰ ৰাষ্ট্ৰীয় নিৰাপত্তা আইনৰ অধীনত পুলিচে গোচৰ তৰে আৰু পুনৰ গ্ৰেপ্তাৰ কৰে। সম্প্ৰতি আদালতে দুয়োৰে জামিন মঞ্জুৰ কৰিছে। আদালতে কৈছে যে এনেদৰে বাৰে বাৰে গ্ৰেপ্তাৰ কৰি জেলত নিক্ষেপ কৰা ঘটনাই ভাৰতীয় সংবিধানৰ ২১ নম্বৰ ধাৰা ভংগ কৰিছে। উল্লেখ্য যে ভাৰতীয় সংবিধানৰ ২১ নম্বৰ ধাৰাত জীৱনৰ অধিকাৰ নিশ্চিত কৰাৰ বিষয়ে কোৱা হৈছে।

৮৪ বছৰীয়া জনজাতীয় অধিকাৰ কৰ্মী ষ্টেন স্বামীৰ বন্দী অৱস্থাত হোৱা মৃত্যুৰ ঘটনাই ইতিমধ্যে দেশ-বিদেশ জোকাৰি গৈছে। ভীমা কোৰেগাঁও গোচৰত গ্ৰেপ্তাৰ কৰা ষ্টেন স্বামীক তেওঁৰ অসুস্থতা সত্ত্বেও জামিন নিদি নমাহ কাল কাৰাগাৰত ৰাখিছিল।

সি যি কি নহওক, এই আটাইবোৰ ঘটনাই দেশত উল্লেখিত আইনৰ অপপ্ৰয়োগৰ ইংগিত বহন কৰিছে বুলি উল্লেখ কৰি উচ্চতম ন্যায়ালয়ৰ ভূতপূৰ্ব আৰু বৰ্তমানৰ কাৰ্যৰত ন্যায়াধীশসকলে আজি প্ৰতিবাদ কৰিবলৈ আগবাঢ়ি আহিছে। এনে পৰিপ্ৰেক্ষিতত চৰকাৰে বিভিন্ন ব্যক্তিৰ বিৰুদ্ধে এনেবোৰ আইন প্ৰয়োগৰ ক্ষেত্ৰত অধিক সাৱধানতা অৱলম্বন কৰাৰ প্ৰয়োজন আছে। লগতে দীৰ্ঘদিন ধৰি অসন্তুষ্টিৰ সৃষ্টি হৈ অহা জনসাধাৰণৰ বাক্-স্বাধীনতাৰ অধিকাৰ খৰ্ব কৰাৰ অভিযোগৰ পৰা নিজকে মুক্ত কৰিব।

# অসম বানমুক্ত কেতিয়া ?



## চিন্তা-শক্তিহীন অভিযন্তা, ৰাজনীতিবিদ আৰু আমোলাসকলৰ কথা মতে মথাউৰি বান্ধি থাকিলে বান-গৰাখহনীয়া নিয়ন্ত্ৰণ কেতিয়াও নহয়



দৃষ্টিপাত

অনন্ত কলিতা

**২০২১ৰ** অসম বিধানসভাৰ নিৰ্বাচনত আগতে বিজেপিয়ে নিৰ্বাচনী ইস্তাহাৰ হিচাপে '১০ সংকল্প' শিৰোনামাৰে বিকশিত অসমৰ বাবে অংগীকাৰ-পত্ৰ প্ৰচাৰ কৰিছিল। এই ১০ সংকল্পৰ প্ৰথমটো প্ৰতিশ্ৰুতি আছিল 'বানমুক্ত অসম গঢ়া'। বান-গৰাখহনীয়া সমস্যাই অসমৰ অৰ্থনৈতিক উন্নয়নৰ মুখ্য অন্তৰায়। অসমৰ বান-গৰাখহনীয়া নিয়ন্ত্ৰণ কৰিবলৈ ১৯৫৬ তে নদীৰ দুয়োপাৰে মথাউৰি বন্ধাৰ কাম আৰম্ভ কৰিছিল। আজি পায় ৬৫ বছৰ ধৰি অসমত বানৰ নিয়ন্ত্ৰণ কৰিবলৈ বা বানক প্ৰতিৰোধ কৰিবলৈ মথাউৰি ব্যৱস্থাই চলি আছে। যোৱা ৬৫ বছৰৰ অভিজ্ঞতা হ'ল মথাউৰিৰ দ্বাৰা বান নিয়ন্ত্ৰণৰ বিপৰীতে বানৰ তাণ্ডৱ বৃদ্ধিহে কৰিছে। আনফালে গৰাখহনীয়াৰ প্ৰকোপ বৃদ্ধি পাইছে। প্ৰকৃত সমস্যা হ'ল অসমৰ বান-গৰাখহনীয়া সমস্যাক ভাৰত স্বাধীন হোৱা দিন ধৰি আজিলৈকে বৈজ্ঞানিকভাৱে পৰ্যালোচনা কৰি বান-গৰাখহনীয়া প্ৰতিৰোধী ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাই। কংগ্ৰেছ চৰকাৰকে ধৰি কোনো চৰকাৰে অসমৰ বান-গৰাখহনীয়া সমস্যাৰ ওপৰত গুৰুত্ব প্ৰদান কৰি বিজ্ঞানভিত্তিক অধ্যয়ন কৰিবলৈ এটা উচ্চ পৰ্যায়ৰ অধ্যয়ন গোট বা কমিটী গঠন কৰি দিয়া নাই। প্ৰতি বছৰে বহু হেজাৰ কোটি টকা খৰচ কৰে মথাউৰি বন্ধাত, মেৰামতি কৰাত আৰু গৰাখহনীয়া ৰোধিবলৈ ডাইক আদি বন্ধাত। এইবোৰ ব্যৱস্থাই বান গৰাখহনীয়া নিয়ন্ত্ৰণ কৰাটো দূৰৰ কথা সমস্যাটো বৃদ্ধিহে পাইছে। জল সম্পদ বা বান-খহনীয়া নিয়ন্ত্ৰণ বিভাগটো দুৰ্নীতিৰ স্বৰ্গ হৈ পৰিছে। এই ক্ষেত্ৰত দেশৰ যোজনা আয়োগ ২০১২ত অসমৰ অৰ্থনৈতিক উন্নয়ন আৰু বান সমস্যা অধ্যয়ন কৰি লিখিছিল এইদৰে— The Government must ban further construction of embankments by unthinking engineers, supported by politicians and officials,, who do not understand the hydrology of the river. It should also include social scientist, environmentalists and geographers in developing strategies to deal with the situation. Otherwise both flood relif and fund meant for 'embankments' are likely to go only to the corrupt and well connected and death and devastation in the Assam Valley will continue.' (Assam Development Report 2002. Planning Commission. Government of India, Page XI, Para 34) (ৰাজনীতিবিদ আৰু আমোলাসকলৰ সহযোগত নদী জলাশয় বিজ্ঞান বুজি নোপোৱা চিন্তাশক্তিহীন অভিযন্তাসকলে আৰু অধিক মথাউৰি নিৰ্মাণ কাৰ্য সম্পূৰ্ণ বন্ধ কৰিব লাগিব। সমস্যাটো সমাধানৰ বাবে পৰিকল্পনা গ্ৰহণৰ কাৰণে সমাজবিজ্ঞানী, পৰিৱেশ বিজ্ঞানী আৰু ভূগোল বিশাৰদসকলক অন্তৰ্ভুক্ত কৰিব লাগিব, অন্যথা বান সাহায্যৰ ধন আৰু মথাউৰি নিৰ্মাণৰ ধন দুয়োটাই দুৰ্নীতিপৰায়ণ আৰু এই প্ৰকল্পৰ লগত জড়িত দুষ্ট চক্ৰই আত্মসাৎ কৰিব, অসম উপত্যকাত বানপানীৰ বাবে মৃত্যু আৰু প্ৰলয় চলি থাকিব।) প্ৰতিবেদনখন তদানীন্তন মুখ্যমন্ত্ৰী তৰুণ গগৈৰ হাতত অৰ্পণ কৰিছিল। ইয়াৰ ওপৰত গগৈ চৰকাৰে কোনো ব্যৱস্থা গ্ৰহণ কৰাৰ নজিৰ নাই।

অসমৰ বান-গৰাখহনীয়া নিয়ন্ত্ৰণ কৰিবলৈ পৰম্পৰাগতভাৱে লৈ থকা ব্যৱস্থাৰ দ্বাৰা নিয়ন্ত্ৰণ নহ'ব যে সেইটো যোৱা ৬৫ বছৰে প্ৰমাণিত হৈছে। অসম বিজেপিয়ে প্ৰকাশ কৰা সংকল্প-পত্ৰত লিখিছে ধুবুৰীৰ পৰা শদিয়ালৈ য'ত প্ৰয়োজন হয় নদী খনন আৰু উপনৈসমূহৰ অতিৰিক্ত জলৰাশি সংৰক্ষণৰ বাবে নিৰ্মাণ কৰা হ'ব বিশাল জলাধাৰ। ডাঙৰ প্ৰশ্নটো হ'ল অসমৰ নদীবোৰক পৰিকল্পনা আয়োগে পৰামৰ্শ দিয়া ধৰণে এই বিষয়ৰ বিশেষজ্ঞসকলক লৈ অধ্যয়ন নকৰাকৈ মথাউৰি বন্ধাৰ নিচিনা কিছুমান ব্যৱস্থাৰ কথা ক'লে বা ব্যৱস্থা গ্ৰহণ কৰিলেই বান-গৰাখহনীয়া নিয়ন্ত্ৰণ হৈ নাযায়।

অসমৰ বান-গৰাখহনীয়া নিয়ন্ত্ৰণকাৰী ব্যৱস্থা আৱিষ্কাৰ কৰিবলৈ পৰিকল্পনা আয়োগে ছুপাৰিছ কৰা ধৰণে বিভিন্ন বিশেষজ্ঞসকলক লৈ এটা উচ্চ পৰ্যায়ৰ কমিটী গঠন কৰিব লাগিব। এই কমিটীত অকল ভাৰতীয় বিশেষজ্ঞই নহয়, বিদেশৰ যেনে— হোৱাংহো, আমাজান নদী নিয়ন্ত্ৰণৰ লগত জড়িত থকা বা সেই পৰ্যায়ৰ বিদেশী বিশেষজ্ঞকো অন্তৰ্ভুক্ত কৰি এটা মেগা প্ৰকল্পৰ পৰিকল্পনা তৈয়াৰ কৰিব লাগিব। আৰু সেই প্ৰকল্পটো বাস্তৱায়িত কৰাৰ বাবে কিমান ধনৰ প্ৰয়োজন, সেইটো কেন্দ্ৰীয় চৰকাৰ তথা বিভিন্ন আন্তৰ্জাতিক বিত্তীয় প্ৰতিষ্ঠানক জড়িত কৰি সংগ্ৰহ কৰিব লাগিব।

অসমৰ নদীবোৰৰ চৰিত্ৰ ভাৰতৰ বা বিশ্বৰ বিভিন্ন নদীৰ লগত ভিন্নতা আছে। ব্ৰহ্মপুত্ৰকে ধৰি অসমৰ সকলো নদীয়ে পানীৰ লগত যথেষ্ট গেদীয় সামগ্ৰী কঢ়িয়াই আনে। গেদীয় সামগ্ৰী কঢ়িয়াই অনা বিশ্বৰ নদীবোৰৰ ভিতৰত ব্ৰহ্মপুত্ৰ অন্যতম মুখ্য নদী।

> অসমৰ নদীবোৰৰ চৰিত্ৰ ভাৰতৰ বা বিশ্বৰ বিভিন্ন নদীৰ লগত ভিন্নতা আছে। ব্ৰহ্মপুত্ৰকে ধৰি অসমৰ সকলো নদীয়ে পানীৰ লগত যথেষ্ট গেদীয় সামগ্ৰী কঢ়িয়াই আনে। গেদীয় সামগ্ৰী কঢ়িয়াই অনা বিশ্বৰ নদীবোৰৰ ভিতৰত ব্ৰহ্মপুত্ৰ অন্যতম মুখ্য নদী।

ব্ৰহ্মপুত্ৰই প্ৰতি বছৰে প্ৰতি কিলোমিটাৰত ১৫১৩ টনলৈ গেদীয় সামগ্ৰী কঢ়িয়াই লৈ আহে। বিশেষজ্ঞসকলৰ মতে ১৯৭৮ ৰ পৰা ১৯৯১ৰ ভিতৰত অকল পঞ্চৰত্নত ৫২৭ নিযুত টন আৰু পাণ্ডুত ৪০২ নিযুত টন গেদীয় সামগ্ৰী জমা হৈছে। সেইদৰে ব্ৰহ্মপুত্ৰৰ প্ৰত্যেকখন উপনদীয়ে গেদীয় সামগ্ৰী কঢ়িয়াই আনে। উপনদীবোৰৰ দুয়োকাষে মথাউৰি বন্ধা বাবে গেদীয় সামগ্ৰীবোৰ (শিল, মাটি, বালি, পলস আদি) নদীবোৰৰ বুকুত আৰু দুয়ো মথাউৰিৰ মাজত জমা হৈ গৈছে। বৰ্তমান এই মথাউৰি বন্ধা নদীবোৰৰ তলিখন আৰু দুয়ো মথাউৰিৰ মাজৰ ঠাইখিনি গাঁওবোৰৰ সমতলতলৈ বহু ফুট ওখ, অতি কমেও দহ ফুট ওখ হ'ব। মোৰ গাঁওখন পাগলাদিয়া নৈৰ পাৰত। মথাউৰিত থিয় হৈ গাঁৱৰ ফালে চালে মথাউৰিটো ২০ ফুট ওখ যেন লাগে আৰু নদীৰ ফালৰ ঠাইখিনিৰ ফালে চালে মথাউৰিটো মাত্ৰ পাঁচ বা সাত ফুট ওখ যেন লাগে। এনে পৰিস্থিতিত পানীৰ সাধাৰণ ধৰ্ম ওখ ঠাইৰ পৰা দ ঠাইলৈ বাগৰি যায়। গতিকে গাঁওবোৰতকৈ ওখ ঠাইত পানী বান্ধি ৰোৱাই নিয়া সম্ভৱ নহয়। মথাউৰি ভাঙিবই, এইটো বৈজ্ঞানিকভাৱে সত্য কথা। সেই বাবেই পৰিকল্পনা আয়োগে কৈছে চিন্তা-শক্তিহীন অভিযন্তা, ৰাজনীতিবিদ আৰু আমোলাসকলৰ কথা মতে মথাউৰি বান্ধি থাকিলে বান-গৰাখহনীয়া নিয়ন্ত্ৰণ কেতিয়াও নহয়। যিটো সত্য কথা সেই বাবেই যোৱা ৬৫ বছৰে বান-গৰাখহনীয়া নিয়ন্ত্ৰণ হোৱা নাই। যোৱা ৬৫ বছৰে পৰিকল্পনা আয়োগে কোৱা ধৰণে দুৰ্নীতিৰাজ অভিযন্তা, ৰাজনীতিবিদ, ঠিকাদাৰ, আমোলাসকলৰ দুষ্ট চক্ৰটোহে ধনী হৈছে বান নিয়ন্ত্ৰণৰ কাৰ্যসূচীৰ দ্বাৰা।

অসম বিজেপিৰ সংকল্প-পত্ৰত কৈছে— য'ত প্ৰয়োজন নদী খনন আৰু অতিৰিক্ত জলৰাশি সংৰক্ষণ। প্ৰকৃততে অসমৰ বান-গৰাখহনীয়া সমস্যা সমাধান কৰিবলৈ সামগ্ৰিকভাৱে এটা মেগা প্ৰকল্প গ্ৰহণহে কৰিব লাগিব হোৱাংহো নদী বা আমাজান নদীৰ আৰ্হিত। প্ৰকল্পটো কেনেধৰণৰ হ'ব বিশেষজ্ঞসকলে অধ্যয়ন কৰি তৈয়াৰ কৰিব পাৰিব। অসম বিশ্বৰ ভিতৰতে অধিক নদীৰ ঠাই, গতিকে ইমানখন জলাধাৰ নিৰ্মাণ সম্ভৱ নহয়। জৱাহৰলাল নেহৰু চৰকাৰে ভাক্ৰানাংগাল, হিৰাকুড ডাম আদি তৈয়াৰ কৰিছিল। ভাক্ৰানাংগালত ৯৬২১ নিযুত কিউব মিটাৰ পানী জমা কৰিব পাৰে। হিৰাকুড হেনো বিশ্বৰ ভিতৰতে দীঘল ডাম, ৫৫ কিলোমিটাৰ দীঘল ডাম।

তদুপৰি অসমৰ নদীবোৰৰ চৰিত্ৰ বিভিন্ন ধৰণৰ। প্ৰত্যেকটো নদীয়ে গেদীয় কঢ়িয়াই আনে। লখিমপুৰ, ধেমাজি জিলাত পানীতকৈও প্ৰধান বিপদ খেতিপথাৰবোৰ তিনি-চাৰি ফুট বালিয়ে পুতি পেলায়। প্ৰতি বছৰে নদীবোৰে নিজৰ ইচ্ছামতে গাঁৱৰ উপৰি গাঁও খহাই লৈ গৈ আছে। বছৰি হেনো গড়ে আঠ হেজাৰ হেক্টৰ মাটি খহাই নিয়ে। যোৱা বছৰবোৰত চৰকাৰী গৰাখহনীয়া প্ৰতিৰোধী ব্যৱস্থাই গৰাখহনীয়া অকণো হ্ৰাস কৰিব পৰা নাই।

অসমৰ অৰ্থনৈতিক উন্নয়নৰ মুখ্য অন্তৰায় বান-গৰাখহনীয়া সমস্যা। বিজেপিয়ে সঠিকভাৱেই কৈছে বানমুক্ত অসম কৰিব লাগিব; কিন্তু এইটো নিৰ্বাচনৰ শ্ল'গানতে থাকিব যদি বানমুক্ত অসম কৰিবলৈ উপযুক্ত ব্যৱস্থা গ্ৰহণ নকৰে। প্ৰথম পদক্ষেপ হ'ব পৰিকল্পনা আয়োগে কোৱা ধৰণে উচ্চপৰ্যায়ৰ বিশেষজ্ঞ কমিটী এখন গঠন আৰু এটা মেগা প্ৰকল্প তৈয়াৰ। ইয়াৰ পাছত সেই মেগা প্ৰকল্প বাস্তৱায়িত কৰাৰ বিভিন্ন পদক্ষেপবোৰ গ্ৰহণ। অসমৰ নদী নিয়ন্ত্ৰণৰ বাবে বিজ্ঞানভিত্তিক ব্যৱস্থাৰ ওপৰত নিৰ্ভৰ নকৰাকৈ কিছুমান অবৈজ্ঞানিক ব্যৱস্থা গ্ৰহণ কৰিলে মথাউৰি বন্ধাৰ নিচিনাই হ'ব। মথাউৰি বান্ধোতে অসম চৰকাৰৰ ধাৰণা আছিল যে নদীৰ দুয়োপাৰে বান্ধ দিলে নদীৰ পানী এই দুই বান্ধৰ মাজেদি বৈ যাব, গাঁওবোৰত সোমাব নোৱাৰে। ১৯৫৭ত মই তৃতীয় শ্ৰেণীৰ ছাত্ৰ। খেতিৰ মাটি অনেক মথাউৰিৰ ভিতৰত পৰাৰ বাবে গাঁৱৰ লোকসকলে আপত্তি কৰিছিল মথাউৰি বন্ধাৰ। বিষ্ণুৰাম মেধি তদানীন্তন মুখ্যমন্ত্ৰীয়ে আমাৰ গাঁৱলৈ গৈ বহুকেইখন গাঁৱৰ মানুহ গোট খুৱাই সভা অনুষ্ঠিত কৰি কৈছিল নদীৰ দুয়োপাৰে বান্ধ দিলে বানপানীৰ সমস্যা স্থায়ী সমাধান হ'ব। আমি সৰু ল'ৰা হিচাপে সভাখন চাবলৈ গৈ এই কথা শুনিছিলো। বিষ্ণুৰাম মেধীয়ে তেওঁৰ সহজ অন্তৰ্দৃষ্টিৰ দ্বাৰা উক্ত ধাৰণাটো জনসাধাৰণক দিছিল। কিন্তু বিজ্ঞানসন্মত নাছিল। নদীবোৰে যে গেদীয়ে সামগ্ৰী কঢ়িয়াই লৈ আহে আৰু দুই মথাউৰি মাজভাগ পুতি গাঁওবোৰতকৈ দহ ফুট ওখ কৰি পেলাব সেইটো ধাৰণা নাছিল তেওঁৰ; কিন্তু মথাউৰি বন্ধাৰ আগতে বিশেষজ্ঞৰ দ্বাৰা অধ্যয়ন কৰিলে এই কথাটো ওলাই পৰিলেহেঁতেন। মথাউৰি বন্ধা অভিযন্তাসকলে এই কথাটো জানিব লাগিছিল। সেই কাৰণেই পৰিকল্পনা আয়োগে অসমৰ বান নিয়ন্ত্ৰণৰ লগত জড়িত অভিযন্তাসকলক 'unthinking Engineer' চিন্তাশক্তিহীন অভিযন্তা বুলি কৈছে। পৰিকল্পনা আয়োগে মথাউৰি দুৰ্নীতিৰ উৎস বুলি কৈছে।

এই পটভূমিত বিজেপিৰ সংকল্প পত্ৰৰ বানমুক্ত অসম প্ৰস্তাৱটো অতি আদৰণীয়। বান গৰাখহনীয়া নিয়ন্ত্ৰণ অবিহনে অসমৰ অৰ্থনৈতিক উন্নয়ন সম্ভৱ নহয়। দেশৰ গড়ে ৬৮.৮৪ শতাংশ গাঁৱলীয়া লোকৰ বিপৰীতে অসমৰ ৮৫.৯২ শতাংশ লোক গাঁৱলীয়া। এই গাঁৱলীয়া লোকসকলে জীৱন-জীৱিকাৰ বাবে মুখ্যতঃ নিৰ্ভৰ কৰে কৃষি অৰ্থনীতিৰ ওপৰত। এই প্ৰেক্ষাপটত অসমৰ বান-গৰাখহনীয়া সমস্যা সমাধান কৰিব নোৱাৰিলে কৃষি অৰ্থনীতিৰ উন্নয়ন কেতিয়াও কৰিব পৰা নাযাব। ফলত ৰাজ্যৰ গৰিষ্ঠসংখ্যক লোকৰ জীৱন-জীৱিকাৰ পথ সৃষ্টি নহ'ব আৰু ৰাজ্যখনৰ অধিকাংশ লোকেই দৰিদ্ৰ হৈ থাকিব। অসম চৰকাৰে সংকল্প-পত্ৰৰ প্ৰতিশ্ৰুতি বাস্তৱায়িত কৰিবলৈ অতি শীঘ্ৰে বান-গৰাখহনীয়া নিয়ন্ত্ৰণৰ বাবে যোজনা আয়োগে ছুপাৰিছ কৰা ধৰণে এটা বিশেষজ্ঞ কমিটী গঠন কৰক। অস্থায়ীভাৱে মথাউৰি মেৰামতি আদি কাম কৰি থাকক; কিন্তু বান-গৰাখহনীয়া নিয়ন্ত্ৰণৰ স্থায়ী সমাধানৰ বাবে উক্ত ব্যৱস্থা গ্ৰহণ কৰক। এই বিষয়ত মুখ্যমন্ত্ৰীয়ে নেতৃত্ব লওক। বান-গৰাখহনীয়া নিয়ন্ত্ৰণৰ বিষয়টোত হুৰমূৰকৈ কোনো ধৰণৰ সিদ্ধান্ত ন'লৈ বিশেষকৈ আমাৰ ডাইনামিক মুখ্যমন্ত্ৰীয়ে ব্যক্তিগতভাৱে উদ্যোগ লৈ যোজনা আয়োগৰ ছুপাৰিছ অনুযায়ী সমস্যাটোৰ স্থায়ী সমাধানৰ বাবে এক বিজ্ঞানসন্মত ব্যৱস্থা গ্ৰহণৰ প্ৰক্ৰিয়া আৰম্ভ কৰাৰ দ্বাৰাহে 'বানমুক্ত অসম' গঢ়িব পৰা যাব।

ফোন ঃ ৯৪৩৫০৪১২০৩

# অসমত আছে প্ৰচুৰ সম্পদ, নাই সদ্ব্যৱহাৰ

## ১৯৩৯-৪৫ৰ বিশ্ব যুদ্ধ আছিল অসম তথা অসমবাসীৰ কাৰণে এক চৰম আশীৰ্বাদ






অৱলোকন

মৃণালকান্তি চক্ৰৱৰ্তী

**ভাৰতৰ** অন্যতম অংগৰাজ্য অসম বিভিন্ন প্ৰাকৃতিক সম্পদেৰে পৰিপূৰ্ণ। তাৰে কিছু সম্পদ হৈছে গতিশীল, কিছু সম্পদ সুপ্ত অৱস্থাত আছে। সেইবোৰে যথাযথভাৱে উদ্ঘাটন হোৱা নাই। কিছুমান সম্পদ উদ্ঘাটন হৈছে যদিও সেইবোৰে যথাযথ গতিশীলতা লাভ কৰিব পৰা নাই। দেশ বা ৰাজ্য এখনৰ উন্নয়ন আন আন বিষয়ৰ উপৰি সম্পদসমূহৰ গতিশীলতা যথাৰ্থভাৱে নিৰ্ভৰশীল। ১৯৪৭ত ভাৰতৰ স্বাধীনতা লাভৰ পূৰ্বে অসম আছিল এখন অতি পশ্চাদগামী ৰাজ্য। ইয়াৰ পথ-ঘাট আছিল অতি অনুন্নত। নৈ, উপনৈসমূহ আছিল সীমাহীন জল ৰাশিৰে ভৰা। কোনো দলং নাছিল। পাৰাপাৰ কৰা হৈছিল নাৱেৰে। ৰাজ্যৰ একো একোটা অঞ্চল আছিল বিস্তৃত হাবি আৰু পাহাৰ পৰ্বতেৰে আৱৰি থকা একো একোখন ভয়াৱহ অঞ্চল। সেইবোৰত বসবাস কৰিছিল বাঘ, ভালুক, হাতী আৰু আন আন জীৱ-জন্তু। সৰীসৃপ প্ৰাণীৰ আছিল অবাধ বিচৰণ। নৈবোৰ আছিল কুম্ভীৰ, ঘঁৰিয়াল আদি হিংস্ৰ-প্ৰাণীৰে পৰিপূৰ্ণ।

১৯৩৯-৪৫ৰ বিশ্ব যুদ্ধ আছিল অসম তথা অসমবাসীৰ কাৰণে এক চৰম আশীৰ্বাদ। যেতিয়া ইংৰাজ আৰু মিত্ৰ গোষ্ঠীয়ে ভাৰতৰ পশ্চিম দিশৰ পৰা পূৰ্ব দেশৰ ব্ৰহ্মদেশ তথা বৰ্তমান ম্যানমাৰলৈ যান-বাহন সমন্বিতে অসংখ্য সেনা বাহিনীক অস্ত্ৰ-শস্ত্ৰেৰে প্ৰতি আক্ৰমণৰ কাৰণে প্ৰেৰণ কৰিবলগীয়া হ'ল সেই সময়ত অতি ক্ষিপ্ৰতাৰে বাট-ঘাটবোৰৰ সংস্কাৰ কৰিবলগীয়া হৈছিল— নতুন নতুন দলং নিৰ্মাণ কৰিবলগীয়া হৈছিল, তেতিয়া প্ৰগতিৰ এক নতুন অধ্যায় ৰচিত হৈছিল। ব্ৰহ্মপুত্ৰ নৈৰ ওপৰত কোনো দলং নিৰ্মাণ নহ'ল যদিও, মূলপথটোৰ উপনৈ সুঁতি আৰু জলাশয়সমূহৰ ওপৰত দলং নিৰ্মাণ হ'ল। আনকি ডিগবৈ অঞ্চলৰ পৰা ম্যানমাৰলৈ 'ষ্টীল-ৰেল' নামৰ এটি পথ নিৰ্মাণ হ'ল। যি কি নহওক অসম প্ৰগতিৰ পথলৈ বহুখিনি আগবাঢ়িল। অৱশ্যে ইতিপূৰ্বে ১৮ শতিকাৰ শেষ ভাগত অসমৰ উত্তৰ-পূৰ্বাঞ্চলত তথা ডিগবৈ-মাৰ্ঘেৰিটা অঞ্চলত ক্ৰমে খাৰুৱা তেলৰ পুং আৰু কয়লাখনি আৱিষ্কাৰ হৈছিল। ১৯০১ত প্ৰথমতে ডিগবৈ তৈল শোধনাগাৰ কাৰ্যকৰী হ'ল।

ভাৰতবৰ্ষৰ স্বাধীনতা লাভৰ পাছত অসম ক্ৰমান্বয়ে বিভিন্ন দিশত প্ৰগতিৰ পথলৈ আগবাঢ়ি যাবলৈ ধৰিলে; কিন্তু এই প্ৰগতিৰ গতি আছিল অতি লেহেম। আন আন ৰাজ্যই প্ৰগতিৰ দিশত যি গুৰুত্ব লাভ কৰিলে সেই তুলনাত অসমৰ উন্নয়ন আছিল অতি নগণ্য; কিন্তু ১৯৬২ত চীনৰ ভাৰত তথা উত্তৰ-পূব-নেফা (বৰ্তমানৰ অৰুণাচল প্ৰদেশ) আক্ৰমণ আৰু সামৰিক পতনে ভাৰতবৰ্ষৰ শাসন যন্ত্ৰৰ অৰ্ধমুদিত চকু যথেষ্টখিনি খোল খুৱালে। অৰুণাচল-অসম ভৱিষ্যতে চীন ৰাজ্যৰ দখললৈ গ'লে ভাৰত উপমহাদেশৰ পূৰ্বাঞ্চল অধিক বিপদাপন্ন হ'ব আৰু সমগ্ৰ ভাৰত নিৰাপত্তাৰ ক্ষেত্ৰত এক ভয়াৱহ পৰিস্থিতিৰ সন্মুখীন হ'ব, এই সত্য উপলব্ধি কৰি এই ৰাজ্য দুখনৰ সামূহিক উন্নয়নৰ কাৰণে বিশেষ গুৰুত্ব আৰোপ কৰিলে; কিন্তু এই ক্ষেত্ৰত আশানুৰূপ উন্নয়ন নহ'ল। ইতিমধ্যে ১৯৬৫ত আৰু ১৯৭১ত পাকিস্তানে দুবাৰকৈ ভাৰত আক্ৰমণ কৰিলে। আন দিশত বিশেষ ক্ষতি সাধন কৰিব নোৱাৰিলে যদিও ভাৰত তথা অসমৰ অৰ্থনৈতিক দিশত বহুতো ক্ষতি সাধন কৰিলে। পূৰ্ববংগ (পূব পাকিস্তান)ৰ এক বৃহৎ সংখ্যক আশ্ৰিত লোকৰ বোজা অসমে ল'বলগীয়া হ'ল— যি আজিও এক সংক্ৰামক ব্যাধিৰূপে ভাৰতে বহন কৰিবলগীয়া হৈছে।

যি কি নহওক, ইংৰাজ শাসন কালতে উত্তৰ-পশ্চিম অসমৰ অবিভক্ত গোৱালপাৰা জিলাৰ ধুবুৰীত এটি জুইশলাৰ কাৰখানা নিৰ্মাণ হৈছিল। পৰৱৰ্তী যুগত এই কাৰখানা অসম তথা ভাৰতৰ এক অমূল্য সম্পদৰূপে পৰিগণিত হৈছিল; কিন্তু ১৯৮৫ত ৰাজ্যখনত কংগ্ৰেছ দলৰ পৰাজয় আৰু অসম গণ-পৰিষদ দল শাসনত অধিষ্ঠিত হোৱাৰ পাছত গোৱালপাৰা জিলাৰ উত্তৰাঞ্চলৰ বড়োসকলে সুকীয়া ৰাজ্যৰ দাবীত আন্দোলন আৰম্ভ কৰিলে। বিভিন্ন ধ্বংস কাৰ্যৰ উপৰি তেওঁলোক বনাঞ্চলসমূহ ধ্বংস কাৰ্যত ব্ৰতী হ'ল। অৱশ্যে সেয়া অকল বড়ো অঞ্চলতে সীমাবদ্ধ নাথাকিল। কালত সমগ্ৰ অসমতে এই বনাঞ্চল ধ্বংস কাৰ্যৰ গতি বিস্তৃত হ'ল। ৰাজ্যখনৰ সুস্থিৰ-পাৰিপাৰ্শ্বিক অৱস্থা ৰক্ষাৰ স্বাৰ্থত ভাৰতৰ উচ্চতম ন্যায়ালয়ে হস্তক্ষেপ কৰি বনাঞ্চল ধ্বংস কাৰ্য বন্ধ কৰিলে। ইতিমধ্যে যি ক্ষতি সাধন হ'ল তাৰ কোনো পৰিপূৰক ব্যৱস্থা নাথাকিল। ইয়াৰ ফলত কাঠ যোগানৰ অভাৱত ভাৰতৰ আপুৰুগীয়া সম্পদ ধুবুৰী জুইশলা কাৰখানা বন্ধ হ'ল। সেয়া আৰু জীৱন্ত নহ'ল। এটা আপুৰুগীয়া প্ৰতিষ্ঠান এনেদৰে বিনষ্ট হ'ল। ভাৰত চৰকাৰে এই উদ্যোগটোৰ পুনৰ্জীৱনৰ কাৰণে কোনো গুৰুত্ব নিদিলে।

সেয়া আছিল ১৯৭৫ৰ সমৰৱৰ্তী সময়ৰ কথা। ভাৰতৰ প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীয়ে অবিভক্ত গোৱালপাৰা জিলাৰ যোগীঘোপা অঞ্চলত এটি কাগজ কল প্ৰতিষ্ঠা কৰাৰ কথা ঘোষণা কৰিলে। অশোক পেপাৰ মিল নামৰ এটি উচ্চ পৰ্যায়ৰ কাগজ কল নিৰ্মাণ হ'ল; কিন্তু এই কাগজ কলৰ আয়ুস দীৰ্ঘস্থায়ী নহ'ল। এক বৃহৎ পৰিমাণৰ ঋণৰ বোজা এৰি থৈ তিনি-চাৰি বছৰৰ পাছত এই কাগজ কল ঔদ্যোগিক মঞ্চৰ পৰা চিৰবিদায় ল'লে। কাগজ কল প্ৰতিষ্ঠানৰ ভূমি-সম্পত্তি, কল-কাৰখানা আৰু আন আন আন্তঃগাঁথনি ধ্বংসৰ গৰাহত উপনীত হ'ল। চৰকাৰ নীৰৱ আৰু নিৰ্বিকাৰ হৈ থাকিল।

ইয়াৰ পাছত যোৱা শতাব্দীৰ অষ্টম দশকত জাগীৰোড আৰু কাছাৰ অঞ্চলত পুনৰ দুটা কাগজ কল স্থাপন হ'ল। অতি দুৰ্ভাগ্যৰ কথা যে সেই দুটা কাগজ কল সম্পূৰ্ণভাৱে বন্ধ হৈ গ'ল। অসম চৰকাৰে এইবোৰৰ সঞ্জীৱনী ব্যৱস্থা লোৱাৰ পৰিৱৰ্তে নিলাম বিক্ৰী কৰিব বুলি প্ৰকাশ পাইছে। ইয়াৰ অৰ্থ হৈছে অসমত কাগজৰ কাৰখানা কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত কোনো চৰকাৰৰ আন্তৰিক ইচ্ছা নাই। কিন্তু কিয়?

অসমত জুইশলা কাৰখানা পৰিচালনাৰ কাৰণে শিমলু কাঠ বা অনুৰূপ কাঠৰ অভাৱ নাই। যদি প্ৰকৃততে অভাৱ অনুভৱ কৰে দক্ষিণ-পশ্চিম এছিয়াৰ পৰা জলপথেদি তেনে কাঠ আমদানি কৰি উক্ত কাৰখানাটোক পুনৰ জীৱন দান কৰা সম্ভৱ; কিন্তু কি অদৃশ্য কাৰণত ইয়াৰ বিনাশ ঘটিছে সেয়া এক সাঁথৰ হৈ আছে।

অনুৰূপভাৱে কাগজৰ কাৰখানা দুটাৰ ধ্বংসমুখী কাৰ্যক্ৰমৰ কাৰণ সম্বন্ধে কোনো সদুত্তৰ নাই।

অসমত প্ৰচুৰ পৰিমাণে বাঁহ, বেত, কাঠ আৰু কাগজ নিৰ্মাণৰ কাৰণে আন আনুষংগিক কেঁচা সামগ্ৰীৰ অভাৱ নাই। এনেবোৰ উদ্যোগৰ অপমৃত্যুই অসমৰ অৰ্থনীতি কোঙা কৰি পেলাইছে। নিবনুৱা সমস্যা এক চৰম সীমাত উপনীত হৈছে।

বৰ্তমানৰ অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এই চাৰিটা ধ্বংসমুখী উদ্যোগ সক্ৰিয় কৰাৰ ক্ষেত্ৰত যথাযোগ্য ব্যৱস্থা ল'ব বুলি আশা কৰিলো।

ফোন ঃ ৯৮৬৪২০১৬৯৪

খোলা মঞ্চ

# অসমৰ নতুন চৰকাৰখনে কিবোৰ বিষয়ৰ ওপৰত গুৰুত্ব দিয়া উচিত



দীপালী ভৰালী, লেখিকা

**আমি** নতুন চৰকাৰখনলৈ আন্তৰিক অভিনন্দন জনাইছো। অসমৰ ৰাজনীতিত অতি পৰিশ্ৰমী কৰ্মঠ আৰু দক্ষ ৰাজনীতিজ্ঞ হিচাপে ডং শৰ্মা সৰ্বজনবিদিত। সেয়েহে অসমৰ সমূহ জনগণে জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে দীৰ্ঘদিনীয়া অভাৱ-অভিযোগসমূহৰ নিৰাময় হোৱাৰ ক্ষেত্ৰত আশাৰ কিৰণ দেখা পাইছে।

বহু সমস্যাৰে ভাৰাক্ৰান্ত অসমৰ সমস্যা সমাধান হ'ব বুলি বিগত সময়ছোৱাৰ নেতৃত্বই কেৱল ভাষণ আৰু প্ৰতিশ্ৰুতিৰ ফুলজাৰি মাৰিয়েই থাকিল, মূৰকত একোৱেই নহ'লগে। তথাপি বৰ্তমান কৰ্মপটু আৰু বিচক্ষণ মুখ্যমন্ত্ৰীজনৰ বলিষ্ঠ আৰু সাহসী পদক্ষেপে হয়তো অসমক বহুদূৰ আগুৱাই নিব বুলি ধাৰণা হয়। এই সময়ত সকলো স্তৰৰ মানুহৰ মাজত স্বাস্থ্য বিধি প্ৰচাৰ হোৱাটো প্ৰধান বিষয় হিচাপে নৱ নিৰ্বাচিত চৰকাৰখনে গ্ৰহণ কৰা উচিত। অতিমাৰী ক'ভিডৰ ভয়ংকৰ আতিশয্যই প্ৰতিজনকে জোকাৰি গৈছে। বৰ্তমান বিশ্বায়নৰ যুগত বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ সহায়ত শিক্ষা-দীক্ষাৰ ক্ষেত্ৰত আমূল পৰিৱৰ্তন আহিছে। সেই হেতু ছাত্ৰ-ছাত্ৰীসকলক মানৱ সম্পদ হিচাপে গঢ় দিয়াটোও চৰকাৰখনৰ দায়িত্ব। বিশেষতঃ চৰকাৰী মাধ্যমৰ স্কুল-কলেজসমূহৰ আভ্যন্তৰীণ ত্ৰুটি-বিচ্যুতিসমূহ আঁতৰাই উন্নতিকৰণৰ ব্যৱস্থা গ্ৰহণ কৰাটো উচিত। শিক্ষাৰ্থীসকলৰ ভৱিষ্যৎ সুৰক্ষা কৰাৰ বাবে পৰীক্ষা আৰু পৰীক্ষাৰ ফলাফলসমূহ সময়মতে অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ দিয়াটো বাঞ্ছনীয়।

অসম প্ৰাকৃতিক সম্পদত চহকী; কিন্তু কে'বাদশক ধৰি অসমৰ হাবি-বননি, অভয়াৰণ্যবিলাক প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। লগতে চোৰাংচিকাৰীৰ প্ৰকোপত বন্য জীৱ-জন্তুসমূহৰো আলাই আথানি হোৱা দেখিবলৈ পোৱা গৈছে। গছ-বন কাটি তহিলং কৰাৰ বাবে হাতী আৰু মানুহৰ সংঘাত তুংগত উঠিছে। সেয়ে নতুন চৰকাৰখনৰ বিভাগীয় নেতৃত্বই এই ক্ষেত্ৰত বিশেষ মনোযোগ দিয়াটো উচিত। বহুতো মেধাৱী ছাত্ৰ-ছাত্ৰীয়ে শিক্ষাৰ অন্ত পেলাই কৰ্ম-সংস্থাপন নাপাই হতাশাত ভুগিব লগা হৈছে। গতিকে যদিহে কাগজ-কল, মৰাপাট কল, সাৰ কাৰখানা আদি উদ্যোগসমূহ নকৈ কাৰ্যক্ষম কৰিব পৰা যায় তেনেহ'লে কিছুসংখ্যক নিবনুৱা সমস্যা সমাধান হ'ব। এই ক্ষেত্ৰত চিন্তা-চৰ্চা কৰাটো দৰকাৰ। উল্লেখনীয় যে যিসকল উদ্যমী ডেকা-গাভৰু কৃষিকাৰ্যৰ প্ৰতি অনুৰক্ত তেওঁলোকেও চৰকাৰৰ পৰা সহায়-সহযোগিতা পোৱাটো উচিত।

সমাজৰ এটা ভয়ংকৰ সমস্যা হৈছে ড্ৰাগছ, মদ, ভাং, জুৱা আদিৰ দৰে মানৱ ধ্বংসকাৰী চোৰাং ব্যৱসায়। উঠি অহা নতুন প্ৰজন্মই এই নিচাযুক্ত হাতোৰাৰ মাজত বন্দী হৈ নিজকে নিঃশেষ কৰাৰ উপক্ৰম ঘটিছে। সেয়ে কঠোৰ হাতেৰে চৰকাৰখনে এই অৱক্ষয়মূলক ব্যাধি নিৰ্মূল কৰিব লাগে। চৰকাৰৰ অজ্ঞাতে সৃষ্টি হোৱা চুবুৰীয়া ৰাজ্যসমূহে অসমৰ মাটি বেদখল কৰি সীমামূৰীয়া সমস্যাৰ যি জটিলতা সৃষ্টি কৰিছে, সেয়া কোনো কাৰণতেই বাঞ্ছনীয় হ'ব নোৱাৰে। ইয়াক সম্পূৰ্ণৰূপে নিবাৰণ কৰিব লাগে।

ফোন ঃ ৮৮৭৬০২২৯৬৯

# বদ অভ্যাসে জীৱনলৈ বিপদ মাতে

**অভ্যাসে** মানুহৰ চৰিত্ৰ গঠনত সহায় কৰে। অভ্যাসক নিজৰ আৰু দহৰ ভালৰ নিমিত্তে কামত লগাব পাৰিলেহে নিজকে জীৱশ্ৰেষ্ঠ বুলি কোৱাৰ অধিকাৰ থাকে। অভ্যাস গঢ়ি উঠে পিতৃ-মাতৃ, ভাই-ভনী, আত্মীয়-স্বজনেৰে আগুৰা ঘৰ এখনত। পঢ়াশালিত সমনীয়াৰ লগত, সমাজখনত আৰু আমাৰ পাৰিপাৰ্শ্বিক অৱস্থাৰ ওপৰত নিৰ্ভৰ কৰি। ৰাতিপুৱা শুই উঠি ঘৰ-চোতাল সাৰি-মুচি গা-পা ধুই পৰিষ্কাৰ হোৱা ভাল অভ্যাস। ভগৱানৰ চৰণত ধূপ--চাকিৰে এটা সুন্দৰ পৰিৱেশ ৰচনা কৰা, শৰীৰ চৰ্চাৰে শৰীৰ মন সুন্দৰ কৰা, পঢ়া-শুনাৰে জ্ঞান আহৰণ কৰা ভাল অভ্যাস। বাৰী ঘৰ চিকুণাই ৰখা, টাবতেই হওক বা বাৰীখনৰ অলপীয়া জাগাতেই হওক ফুলপুলি ৰোৱা, গছ-গছনি ৰোৱা, ফল-মূলৰ পুলি ৰোৱা, শাক-পাচলিৰ বাগান বনোৱা ভাল অভ্যাস। ল'ৰা-ছোৱালীয়ে এনে পৰিৱেশ পাই সুন্দৰ মন এটা লৈ পঢ়া-শুনা কৰিলে কৃতকাৰ্যৰ পথ সুগম হয়। এনেকুৱা কিছুমান ভাল অভ্যাসেৰে অসমীয়া সমাজখন চলি আহিছে।

এনেকুৱা ভাল অভ্যাসবিলাকৰ মাজত থকা কিছুমান বেয়া অভ্যাসৰ বাবে সমাজৰ পৰিৱেশ লেতেৰা হয়। আমাৰ সমাজত আহাৰ খাই উঠি মুখ শুদ্ধিৰ বাবে তামোল-পাণ খোৱাৰ অভ্যাস; কিন্তু মুখত পাণ-চুণ চাধাৰে তামোল পাগুলাৰ পাছত ইয়াৰ পৰা বাহিৰ হোৱা পিক্ য'তে-ত'তে পেলোৱাৰ ফলত ঘৰখন-সমাজখনৰ পৰিৱেশ দূষিত হয়। বিশেষকৈ ঘৰত কিবা সমজুৱা অনুষ্ঠান হৈ যোৱাৰ পাছত ঘৰৰ বাহিৰে-ভিতৰে, চোতালে পদূলিয়ে পেলোৱা পিকে কদৰ্যময় অৱস্থা এটা সৃষ্টি কৰে। তিৰংগা জাতীয় মুখ ৰোচকৰ পিক্ আৰু সাংঘাতিক। আজি কালি নৱপ্ৰজন্মৰ প্ৰায় প্ৰতিজনৰ হাততে শিখৰ, তিৰংগা আদি মুখৰোচকৰ পেকেট থাকে। সিহঁতে এইবোৰ খাই য'তে-ত'তে পিক্ পেলাই ৰাস্তাই-ঘাটে এইবোৰ বিদ্যমান হোৱাৰ লগতে কাৰোবাৰ পদুলিমুখত, কাৰোবাৰ গেটৰ পোষ্টত পিক্ পেলায়ো সিহঁতে অনামী আনন্দ লভা যেন লাগে। আগৰ কথা নক'লোৱেই বা কৰ'না অতিমাৰীৰ সংক্ৰমণৰ বাহক হোৱাৰ পাছতো পিক্ পেলোৱা, থুই-খেকাৰ পেলোৱা অভ্যাস কমা নাই।

অভিমত

চৰকাৰৰ অনাময় আঁচনিৰ জৰিয়তে সমাজৰ সৰহসংখ্যক মানুহকে পায়খানাত শৌচ কৰাৰ যি অভ্যাস গঢ়ি তোলা হৈছে, এই পদক্ষেপে সু-স্বাস্থ্যৰে মানুহ জীয়াই থকাত সহায় কৰিছে; কিন্তু ৰাস্তাৰ কাষত পথচাৰীয়ে য'তে-ত'তে প্ৰস্ৰাৱ কৰা অভ্যাস নোহোৱা কৰিব পৰা ব্যৱস্থা আমাৰ ৰাজ্যত এতিয়াও হোৱা নাই। এনে কাৰ্য ৰোধ কৰিবলৈ পথৰ কাষত একোটা নিৰ্দিষ্ট দূৰত্বত উন্নত প্ৰযুক্তিৰ ৰাজহুৱা প্ৰস্ৰাৱাগাৰৰ বৰ প্ৰয়োজন। এখন জিলাৰ পৰা আন এখন জিলালৈ যাত্ৰাকালত বাছ আস্থানবিলাকত প্ৰস্ৰাৱাগাৰবোৰ একেবাৰে অনুন্নতমানৰ, অস্বাস্থ্যকৰ আৰু প্ৰয়োজনতকৈ কম।

আটাইতকৈ বেয়া অভ্যাস হিচাপে চকুত পৰে ৰাস্তাৰ দাঁতিত থকা ডাষ্টবিনৰ কদৰ্য ৰূপত। ডাষ্টবিন এটা ৰখা ঠাইৰ চাৰিওফালে মানুহে দলিওৱা জাবৰ পৰি সৃষ্টি হোৱা কদৰ্য পৰিৱেশ আৰু দুৰ্গন্ধই বদ অভ্যাসৰ চৰিত্ৰ উদঙাই দিয়ে। পৌৰসভাৰ চাফাই কৰ্মীবিলাকৰ এশ এটা সমস্যাৰে জৰ্জৰিত হোৱাৰ ফলত নিয়মীয়া নিযুক্তিৰ চাফাই কৰ্মী নথকাৰ ফলত ডাষ্টবিনবিলাক সদায় চাফা নকৰে। জনতাৰ অসচেতন মনোভাৱো ডাষ্টবিনৰ কদৰ্য ৰূপৰ বাবে দায়ী। নলা-নৰ্দমাবিলাকো প্ৰযুক্তি সম্পন্ন নোহোৱাৰ ফলত পানী দীৰ্ঘদিন ধৰি ৰৈ থাকে তাতে মানুহে জাবৰ-জোঁথৰ পেলাই অস্বাস্থ্যকৰ পৰিৱেশ সৃষ্টি কৰি আহিছে। জাকজমককৈ পতা ৰাজহুৱা অনুষ্ঠানবিলাকৰ পাছত সেই ঠাইসমূহত চকুত লগাকৈ এৰি যোৱা আৱৰ্জনাবিলাক পৰিষ্কাৰ নকৰা বদ অভ্যাস।

স্থানীয়ভাৱে চলাচল কৰা যাত্ৰীবাহী ৰেলৰ যাত্ৰা কালত বাদাম জাতীয় মুখৰোচকৰ বাকলিৰে গোহালি সদৃশ পৰিৱেশ সৃষ্টি কৰা, ৰেলৰ প্ৰস্ৰাৱাগাৰত পানীৰ অভাৱত পায়খানা কৰি তাতে এৰি আহি অন্য যাত্ৰীক অসুবিধাত পেলোৱা আদি এশ এবুৰি বদ অভ্যাসেৰে সমাজ জীৱন চলি আছে।

পৰিৱেশ প্ৰদূষণ কৰা, সুস্থ স্বাস্থ্য, সুস্থ মনেৰে জীয়াই থকাত বাধা আৰোপ কৰা এনে বদ অভ্যাসবোৰ নোহোৱা কৰিবলৈ চৰকাৰ প্ৰশাসনৰ সদ ইচ্ছা, মানুহৰ সচেতন মনৰ অতি প্ৰয়োজন। দেখাত সৰু যেন লগা বদ অভ্যাসবোৰৰ বাবেই প্ৰাকৃতিক পৰিৱেশ প্ৰদূষিত হৈছে আৰু মানুহৰ জীৱনলৈ ভয়ানক সমস্যা কঢ়িয়াই আনিছে।

পংকজা দাস

ফোন ঃ ৮৮৭৬৭৬২৩৮৫

## মাৰ্ক টুৱেইনৰ 'দ্যা এডভেন্সাৰচ অফ টম চয়াৰ'ত প্ৰতিফলিত সাংস্কৃতিক চিন্তা



**মানৱ** জীৱনত কৈশোৰ কালছোৱাৰ তাৎপৰ্য আৰু মনোহাৰিত্ব ভিন্ন। ভিন্ন এই অৰ্থত যে শাৰীৰিক, মানসিক, বৌদ্ধিক, কল্পনাৰ অপৰিসীম গতি-প্ৰগতি ইত্যাদি সকলো দিশতে এই কালছোৱাক মানৱ জীৱনৰ এক বিশেষ কালৰূপে পৰিগণিত কৰায়। সাহিত্যত বিভিন্ন সাহিত্যিকৰে এই কালছোৱাৰ চিত্ৰণ মনোগ্ৰাহী ৰূপত তুলি ধৰিছে। ইংৰাজী সাহিত্যত মাৰ্ক টুৱেইনৰ যুগজয়ী কৃতি 'The Adventures of Tom Sawyer'ৰ মাজেদি নিষ্পাপ অথচ চঞ্চলতা, চপলতাৰে পৰিপূৰ্ণ কিশোৰৰ বিশ্বজনীন ৰূপৰ যি প্ৰকাশ ঘটিছে সেয়া সঁচাকৈয়েই চিত্তাকৰ্ষক। অস্থিৰ, উৎপতীয়া অথচ নিষ্পাপ মনৰ টমাছ চয়াৰ, তাৰ লগৰীয়া হাকল্‌বাৰী ফিন আৰু জ' হাৰ্পাৰৰ চৰিত্ৰৰ চাৰিত্ৰিক বৈশিষ্ট্যসমূহ সিহঁতৰ বয়সৰ প্ৰায় সকলো কিশোৰৰ চৰিত্ৰত বিদ্যমান। এই চৰিত্ৰকেইটাই আমেৰিকা যুক্তৰাষ্ট্ৰৰ ভৌগোলিক পৰিসীমা অতিক্ৰম কৰি এক বিশ্বজনীন ৰূপ ধাৰণ কৰিছে। এই কথাৰ আঁত ধৰিয়েই আমি মূল আলোচনা ভাগলৈ আগবাঢ়ো।

এফালৰ পৰা চাবলৈ গ'লে কৈশোৰ কালছোৱা মানৱ জীৱনৰ সেই ছোৱা উল্লেখযোগ্য কাল যিছোৱা কালত কিশোৰ-কিশোৰীসকলে নিজে যত্নেৰে সাজি উলিওৱা 'জগত'খনত ডাঙৰৰ 'অনধিকাৰ প্ৰৱেশ' অথবা 'হস্তক্ষেপ' কামনা নকৰে। বাস্তৱ জীৱনৰ কঠোৰ নিয়ম-শৃংখলা, বাধা-নিষেধ, ভাল-বেয়াৰ বিচাৰ তেওঁলোকৰ সেই জগতখনত নাই। ডাঙৰৰ জটিল মানসিকতা তেওঁলোকৰ বাবে একোটা নুবুজা সাঁথৰ স্বৰূপ। তেওঁলোকৰ দৃষ্টিত গোটেই পৃথিৱীখন ধুনীয়া আৰু পৃথিৱীৰ সেই সৌন্দৰ্য সুৰক্ষিত কৰি ৰখাটো তেওঁলোকৰ কৰ্তব্য বুলি ভাবে। তাৰ বাবে তেওঁলোকে শৃংখলিত জীৱনৰ কামনা নকৰে। তেওঁলোকে মুক্ত হৈ থাকি নিজে ভালপোৱাটো কৰিবলৈ হাবিয়াস কৰে। তেওঁলোকৰ মনোজগতৰ চিন্তাৰ সোঁতো ভিন্ন হয়। এই সময়ছোৱাত কল্পনাই এক শক্তিশালী ভূমিকা গ্ৰহণ কৰে। সেই কল্পনাৰ লগত কিছুমান প্ৰচলিত অন্ধবিশ্বাস আৰু জনবিশ্বাসে জোটোৰ-পোটোৰ খাই এক বিশেষ গঢ় লয়। কল্পনাপ্ৰৱণ দুঃসাহসী কিশোৰ মনৰ চিন্তাই কোনো সময়ত ডাঙৰৰ বাবে অসম্ভৱ যেন লগা কামো সৰল আৰু সম্ভৱ কৰি তোলে। টম চয়াৰ আৰু বন্ধু হাকল্‌বাৰী ফিনৰ দুঃসাহসী কাৰ্যকলাপে তেনে কেইটামান অসাধ্য সাধন কৰিছিল।

'The Adventures of Tom Sawyer'লেখক মাৰ্ক টুৱেইনৰ শিশু সাহিত্য কৃতি যদিও তেওঁৰ এইখন উপন্যাস প্ৰাপ্তবয়স্ক সকলেও পৰম আগ্ৰহেৰে পঢ়ে। লেখকে নিজেই উপন্যাসৰ পাতনিৰ এছোৱাত কৈ গৈছে যে তেওঁৰ এই ৰচনা জ্যেষ্ঠসকলেও পৰম আহ্লাদেৰে পঢ়ক যাতে তেওঁলোকৰ মনলৈ তেওঁলোকৰ কৈশোৰ কালৰ স্মৃতি উভতি আহে আৰু তেওঁলোকৰ মনত অনিৰ্বচনীয় সুখ প্ৰদান কৰে। আমাৰ দেহৰ কোনো অংশত দেখা দিয়া মাহ বা তিল (কাঠ আজিনাই)ৰ প্ৰতি আমি তেনেকৈ বিশেষ দৃষ্টি নিদিওঁ। পিছে এই উপন্যাসত সেই কাঠ আজিনাইৰ লগত এটা মনোৰম জন কথা (বিশ্বাস) জড়িত হৈ পৰিছে য'ত এইটো কোৱা হৈছে যে মাজ নিশা এটা মৰা মেকুৰী মৰিশালিত বিশেষ নিয়ম কৰি পুতি থ'লে শৰীৰৰ অংগত হোৱা কাঠ আজিনাই সম্পূৰ্ণৰূপে নিৰ্মূল হয়। সেইদৰে কিবা নিয়ম কৰি মৰা গছৰ দ অংশত মাৰ্বল এটা সুমুৱাই থ'লে কিছুদিনৰ পাছত মাৰ্বল গুটি খেলোতাগৰাকীয়ে হেৰুওৱা আটাইকেইটা মাৰ্বল গুটি সেই বিশেষ মৰা গছডালতে উদ্ধাৰ কৰিব পাৰে। উপন্যাসখনত এই দুয়োটা কিশোৰ মনৰ অন্ধবিশ্বাস আৰু তাৰ ব্যৱহাৰিক প্ৰয়োগৰ মনোৰম চিত্ৰ আছে। পিছে মাৰ্বল গুটিৰ প্ৰসঙ্গটোলৈ লক্ষ্য কৰিলে এইটো বোধগম্য হ'ব যে সেই বিষয়ৰ লগত জড়িত বিশ্বাস কাৰ্যক্ষেত্ৰত ফলৱতী নহ'ল। মাৰ্বল গুটিটো নিয়ম কৰি গছৰ মাজত সুমুৱাই থোৱাৰ পাছতো কিন্তু কিশোৰ নায়কে সেই মাৰ্বল গুটি 'উৎপন্ন' হোৱা দেখা নাপালে। ফলত কিশোৰ নায়ক টমৰ মনলৈ সেই অন্ধবিশ্বাসৰ লগত জড়িত বিশ্বাসে বিশেষ প্ৰভাৱ পেলাব নোৱাৰিলে। উপন্যাসখনৰ আস্বাদ লাভ কৰা পাঠক-পাঠিকাসকলে এইখনৰ পঠনৰ মাজেদি নিজৰ নিজৰ মনোজগতত বিচৰণ কৰি থকা কিশোৰজন বা কিশোৰীগৰাকীৰ চিন্তাৰ লগত পুনঃ পৰিচিত হ'ব এক নতুন দৃষ্টিভংগীৰে।

### সাহিত্যৰ ৰূপৰেখা

### ড° নিভাৰাণী ফুকন



পিছে এই উপন্যাসখনৰ এই ৰসাল দিশটোৰ লগত আমি অন্য এটা বিদ্যায়তনিক দিশো সাঙুৰিব পাৰো। সেয়া হৈছে এই উপন্যাসখনৰ মাজত উদ্ভাসিত হোৱা সমাজ বাস্তৱতা, এটা বিশেষ যুগ, এটা বিশেষ সময়ৰ সমাজ আৰু তাৰ সাংস্কৃতিক চিন্তা। সেই সাংস্কৃতিক চিন্তা য'ত লিপিট খাই আছে এক বিশিষ্ট সাংস্কৃতিক পৰিমণ্ডলৰ আচাৰ-বিচাৰ, বিশ্বাস-পৰম্পৰা, অন্ধবিশ্বাস, কুসংস্কাৰ-সংস্কাৰ ইত্যাদি। আমেৰিকাৰ সেই বিশেষ সমাজখনত খ্ৰীষ্টিয়ান ধৰ্মাৱলম্বী ইউৰোপীয় বংশোদ্ভৱ লোকো আছে যি আমেৰিকাৰ ভূমিপুত্ৰ ৰেড ইণ্ডিয়ানসকলৰ প্ৰতিনিধিত্বমূলক চৰিত্ৰ।

টম চয়াৰ আৰু হাকল্‌বাৰী ফিনক ইউৰোপীয় মূলৰ বুলি ধৰিলে এই দুটি কিশোৰৰ স্বাধীনচিতীয়া বিচাৰ ধাৰা আৰু একে সময়তে দুয়োটিৰ মনত ক্ৰিয়াশীল ল'ৰামতীয়া, বিশ্বাস, অন্ধবিশ্বাস আৰু দুঃসাহসিকতাপূৰ্ণ কাৰ্যকলাপত অনা ইউৰোপীয় মূলৰ সমাজ আৰু সাংস্কৃতিক চিন্তাৰ প্ৰভাৱ পৰা পৰিলক্ষিত হয়। উপন্যাসখনত আমেৰিকাৰ কৃষ্ণাংগ সমাজ আৰু ৰেড ইণ্ডিয়ানসকলৰ সমাজ আৰু সাংস্কৃতিক জীৱনৰ কিছুমান টুকুৰা চিত্ৰও প্ৰধান কিশোৰ চৰিত্ৰ কেইটিৰ বাৰ্তালাপ আৰু কাৰ্যকলাপৰ মাজেদি প্ৰদৰ্শন কৰা হৈছে। সেই চিত্ৰৰ মাজেদি কৃষ্ণাংগ সমাজ আৰু ৰেড ইণ্ডিয়ানসকলৰ প্ৰতি ইউৰোপীয় মূলৰ তথাকথিত ভদ্ৰ সমাজৰ যি তুচ্ছ তাচ্ছিল্য আৰু দ্বেষপূৰ্ণ আচৰণ তাৰো টুকুৰা ছবি কিছুমান দৃষ্টিগোচৰ হয়। সেইফালৰ পৰা বিচাৰ কৰিলে মাৰ্ক টুৱেইনৰ এই বিশিষ্ট উপন্যাস কৃতিৰ বিদ্যায়তনিক আলোচনা আৰু বিচাৰ-বিশ্লেষণৰো অনেক পৰিসৰ আছে।

*(আগলৈ) ইমেইল- neevarani11@gmail.com*

## ৰাজবংশীসকলৰ বৃত্তি আৰু উপাধি

**নৰমোহন ৰায় সৰকাৰ**

**কোচসকল** অতীত কালৰে পৰা অসমত বসবাস কৰা এটা জনগোষ্ঠী। এই কোচসকলৰ এটা বৃহৎ অংশই প্ৰায় চাৰিশ বছৰ পূৰ্বে হিন্দু ধৰ্ম গ্ৰহণ কৰে। হিন্দু ধৰ্মত দীক্ষিত হৈ কোচ সম্প্ৰদায়ে কালক্ৰমত ৰাজবংশী নামে পৰিচিতি লাভ কৰে। অসমৰ কোচসকল কছাৰী, লালুং, কাৰ্বি, গাৰো জনজাতিসকলৰ সংমিশ্ৰিত হিন্দুকৃত জাতি হিচাপে জনা যায়। উত্তৰবংগ আৰু গোৱালপাৰা (অবিভক্ত) অৰ্থাৎ গোৱালপাৰা-ধুবুৰী-বঙাইগাঁও আৰু কোকৰাঝাৰ— এই চাৰিখন জিলাত কোচসকলক 'ৰাজবংশী' হিচাপে জনা যায় আৰু তেওঁলোক হিন্দু জাতিতকৈ স্থানীয় জনগোষ্ঠী হিচাপে অধিক পৰিচিত।

আজিৰ পৰা পাঁচশ বছৰ পূৰ্বে চৈতন্যপন্থী বৈষ্ণৱ ধৰ্ম পশ্চিমবংগত আৰু অসমৰ শংকৰী বৈষ্ণৱ ধৰ্মই প্ৰায় দুশ বছৰ ধৰি ৰাজবংশী সমাজখনক প্ৰভাৱিত কৰিছিল। পণ্ডিতসকলৰ মতে কামৰূপৰ ৰজা কুমাৰ ভাস্কৰ বৰ্মনৰ পৰা সংস্কৃতায়ন প্ৰক্ৰিয়া আৰম্ভ হ'লেও বৈষ্ণৱ আৰু পৰৱৰ্তী ক্ষত্ৰিয় আন্দোলনে সমাজখনত বহুতো পৰিৱৰ্তন সাধন কৰে। যাৰ বাবে ইয়াৰ পূৰ্বৰ আঁতিগুৰি সম্বন্ধে ক'বলৈ যাওঁতে বহুতো অসুবিধাৰ সন্মুখীন হ'বলগীয়া হয়। সময়ৰ সোঁতত সদৌ ৰাজবংশী সমাজখন মিশ্ৰিত হৈ পৰে বিভিন্ন মংগোলীয় আৰু আন জনগোষ্ঠীৰ লোকৰ লগত। সম্প্ৰতি কালৰ সমগ্ৰ ৰাজবংশী জনগোষ্ঠী আৰু জাতিসত্তাটো বা ৰাজবংশী সমাজখনত আৰ্য সংস্কৃতিৰ দৰে বৰ্ণ বিভাজন নাছিল; কিন্তু আৰ্যীকৰণৰ ফলত গোত্ৰ হেৰুৱাই (কোনোমতে কাশ্যপ গোত্ৰ) সৰু সৰু উপ-বিভাগবোৰে আজি মূল হেৰুৱাই পেলাইছে।

কোচ ৰাজবংশীসকলৰ বৃত্তিমূলক শ্ৰেণী বা পদবী বা উপাধিসমূহৰ বিষয়ে আলোচনা কৰাটো আজিৰ প্ৰেক্ষাপটত টান। অন্যান্য জনগোষ্ঠীৰ দৰে এই জনগোষ্ঠীৰ লোকসকলেও নিজৰ জীৱিকাৰ তাড়নাত কালক্ৰমত বিভিন্ন বৃত্তি গ্ৰহণ কৰি আহিছে। তথাপি বিভিন্ন সংস্কৃতায়ন পৰিক্ৰমাত তেওঁলোকৰ বৃত্তিসমূহৰ বিষয়ে কিছু কথাৰ উমান পোৱা যায়। বিশেষকৈ ৰজাসকলে দিয়া পদবী, উপাধি আদিৰ জৰিয়তে তেওঁলোকৰ বৃত্তিৰ কিছু আভাস পাব পাৰি। ৰাজ কৰ্মচাৰী হিচাপে কোনো ৰাজবংশী লোকে নিজৰ বৃত্তিৰ ক্ষেত্ৰত ৰাজপদবী, উপাধি লাভ কৰিলেও তেওঁলোকৰ বংশ পৰম্পৰাই সেই উপাধিকে গ্ৰহণ কৰি চলি আহিছিল। ৰাজ উপাধি বা পদবীৰ দ্বাৰা তেওঁলোকৰ সেই সময়ত বৃত্তি সেইটো থাকিলেও পৰৱৰ্তী কালত তেওঁলোকৰ বৃত্তিবোৰ সলনি হৈছিল। গতিকে উপাধিৰ দ্বাৰা আমি কোনোপধ্যেই তেওঁলোকক বৃত্তিগত শ্ৰেণীত পেলাব নোৱাৰো।

এই জনগোষ্ঠীটোৰ বৃত্তি তথা পদবীৰ এটি আভাস দিবলৈ তলত প্ৰয়াস কৰা হ'ল—

**ৰায়** ঃ অবিভক্ত গোৱালপাৰা জিলাৰ সৰহ সংখ্যক ৰাজবংশী লোকেই ৰায় উপাধিটো ব্যৱহাৰ কৰে। ৰায় উপাধি সম্বন্ধে দুটা অভিমত পোৱা যায়। উত্তৰ বংগৰ বিশিষ্ট গৱেষক ড° দীপক কুমাৰ ৰায়ৰ মতে— ৰাজবংশী লোকসকলে আগতে 'দাস' উপাধি লিখিছিল, যাৰ অৰ্থ হ'ল ভগৱানৰ দাস বা দাসনুদাস। মহাপুৰুষ শংকৰ-মাধৱে দাসনুদাস বা দাস বিশেষণটো তেৱাসৰৰ সাহিত্যত প্ৰয়োগ কৰাৰ দৰে শংকৰ, মাধৱদেৱৰ অনুগামীসকলে নিজকে দাস হিচাপে কৈছিল। কিন্তু ৰায় চাহাব পঞ্চানন বাৰ্মাৰ নেতৃত্বত ৰাজবংশী লোকসকলে ক্ষত্ৰিয় আন্দোলন আৰম্ভ কৰাৰ পাছত দাসৰ ঠাইত সকলোৱে ৰায় লিখিবলৈ আৰম্ভ কৰে। ৰায় শব্দটো ৰাজা শব্দটোৰ পৰা আহিছে। যেনে— সংস্কৃত-ৰাজা, প্ৰাকৃত-ৰাআ, অসমীয়া, বাঙালী-ৰায়।

যিসকল ৰাজবংশী লোকে ক্ষত্ৰিয় আন্দোলনৰ সংস্পৰ্শলৈ অহা নাছিল তেওঁলোকে এতিয়াও দাস বুলি লিখে। আনটো অভিমতত— উত্তৰ-পূব পাৰ্বত্য বিশ্ববিদ্যালয়ৰ ইংৰাজী বিভাগৰ অধ্যাপক তথা গৱেষক ড° জ্যোতিৰ্ময় প্ৰধানীৰ মতে ৰায় উপাধিটো আহিছে ৰায়ত বা ৰায়তী শব্দৰ পৰা। ৰায়ত মানে মাটি। যাৰ মাটি আছে বা ৰায়ত আছে, তেৱেঁই ৰায় উপাধি গ্ৰহণ কৰিছিল।




**ৰাজবংশীসকলৰ আন কিছুমান উপাধি ঃ** চৌধুৰী, কোচ, কোঁৱৰ, খাটনিয়াৰ, গিৰি, তহবিলদাৰ, তৰফদাৰ, তালুকদাৰ, তামুলী, ডিহীদাৰ, দলৈ, মালী, লস্কৰ, সেনাপতি, হাজৰিকা, ফৌজাদাৰ, দস্তিদাৰ।

**আহোমসকলে দিয়া অসমৰ ৰাজবংশী পদবী ঃ** লহকৰ, মুন্সী, বৰুৱা, শইকীয়া, চমুৱা, চলিহা, বৰা, বৰবৰুৱা, মজুমদাৰ।

**ভূটান ৰজাৰ প্ৰদত্ত উপাধি/পদবী ঃ** প্ৰাচীন কামৰূপ কমতাৰ উত্তৰ অঞ্চলত ভূটান দেশখন অৱস্থিত আছিল। বিভিন্ন সময়ত বিভিন্ন কাৰণত কামৰূপ কমতাৰ উত্তৰ অংশ ভূটান ৰজাৰ দখলত আছিল। কোচবিহাৰৰ ৰজাৰ লগত ভূটান ৰজাৰ চুক্তি হৈছিল যদিও ৰাজ্যৰ সীমা লৈ দুয়োৰে মাজত ১৮শ শতিকাৰ শেষলৈ কাজিয়া চলি আছিল। শেষত ইংৰাজসকলৰ মধ্যস্থতাত ভূটান ৰজাই চুক্তি কৰিবলৈ বাধ্য হয়। ভূটানৰ অধীনত থকা অঞ্চলবোৰত ৰাজবংশী তথা বড়ো প্ৰজাসকলক বিভিন্ন কাম-কাজৰ ভিত্তিত কিছুমান উপাধি প্ৰদান কৰিছিল। ভূটান ৰজাই দিয়া পদবীসমূহ ৰাজবংশী লোকসকলে এতিয়াও ব্যৱহাৰ কৰি থকা দেখা যায়। পদবীসমূহ হ'ল এনে ধৰণৰ—

**মণ্ডল ঃ** এখন গাঁৱৰ মুখিয়াল ব্যক্তি।

**বৰুৱা ঃ** ৰজাৰ জোঁৱাই।

**কাৰ্জী ঃ** ৰজাৰ লগত যিগৰাকী ব্যক্তিৰ জীয়েকৰ বিবাহসম্পন্ন হৈছে।

**মল্লিক ঃ** এজন তহচিলদাৰ যিয়ে জৰিমনা বিহা, কাৰাদণ্ড দিয়া আৰু সকলো ধৰণৰ গোচৰৰ বিচাৰ কৰিব পাৰে।

**জমাদাৰ ঃ** এজন পিয়নৰ ওপৰত থকা ব্যক্তিৰ পদবী।

**দেউৰী ঃ** মন্দিৰৰ পূজাৰী।

**ভকত ঃ** পশ্চিম অসমৰ বিশেষকৈ জিনকাটা, শিমলাবাৰী তথা কুৰ্শাকাটি অঞ্চলৰ কিছুমান লোকক ভকত বুলি জনা যায়।

**অন্যান্য পদবী ঃ** অধিকাৰী (ব্ৰাহ্মণবিহীন উত্তৰবংগ, নামনি অসম), কীৰ্তনীয়া, প্ৰধান/প্ৰধানী, বৰ্মন, প্ৰামাণিক (বিবাহ আদিত যিসকল লোকে সাক্ষী থাকে) দলৈ, মহন্ত, মাজি, লস্কৰ (সৈন্যত থকা লোকৰ পদবী) সৰকাৰ (লিখা-পঢ়া জনা লোকৰ পদবী/কোষাধ্যক্ষ) ৰায় সৰকাৰ, সিং/সিংহ/সিন্‌হা (বীৰত্ব ব্যঞ্জক উপাধি), নাৰায়ণ (কোচবিহাৰ ৰজাৰ বংশধৰ) ডাকুৱা (চিঠিপত্ৰ কঢ়িওৱা পদবী, জলাশয় ডাকি লোৱা পদবী, কোচবিহাৰ ৰাজ্যৰ জোঁৱাইৰ বংশধৰৰ পদবী) পাটোৱাৰী (খাজনা আদায় আৰু হিচাপ ৰখা যাৰ কাম) মেধি (সত্ৰত নিযুক্ত)।

এইবোৰৰ উপৰি অসমত থকা ৰাজবংশীসকলে আৰু বহুতো উপাধি লিখে যিবোৰৰ বিষয়ে আলোচনা হোৱাটো অতি আৱশ্যক।

ফোন ঃ ৬৯০০৭৮৯৫৯৩

সহায়ক পঞ্জী ঃ ১) শুকল্পধ্বজ/সম্পাদনা ভাস্কৰজ্যোতি মহন্ত।
২) প্ৰবন্ধ— ড° প্ৰতিমা নিয়োগী।

### বিপণীত নতুন গ্ৰন্থ

#### পিয়াহত থকা মাছবোৰ




কবি মুনীন্দ্ৰ মহন্তৰ পিয়াহত থকা মাছবোৰ এখন কবিতা পুথি। এই কবিতাসমূহ অসমৰ বিভিন্ন কাকত-আলোচনীত পূৰ্বে প্ৰকাশ হোৱা। গ্ৰন্থখনত কবিয়ে ৬৫টা কবিতা সন্নিবিষ্ট কৰিছে। বেটুপাত সুন্দৰ আৰু পকাবন্ধা। মূল্য ১৩০ টকা। প্ৰথম প্ৰকাশ ২০১৮ৰ পহিলা জানুৱাৰী।

প্ৰকাশক এন এল পাব্লিকেছন, পাণবজাৰ গুৱাহাটী।

#### জাতীয়তাবাদ গণমাধ্যম আৰু অন্যান্য




'জাতীয়তাবাদ, গণমাধ্যম আৰু অন্যান্য' এখন সাম্প্ৰতিক সময়ৰ গুৰুত্বপূৰ্ণ গ্ৰন্থ। গ্ৰন্থখনৰ ৰচয়িতা মিতালী ভট্টাচাৰ্য আৰু প্ৰকাশক- এন এল পাব্লিকেছনছ। পাণবজাৰ গুৱাহাটী। গ্ৰন্থখনত ২৮টা মূল্যবান প্ৰবন্ধ সন্নিবিষ্ট কৰা হৈছে। পকাবন্ধা গ্ৰন্থখনৰ মূল্য দুশ টকা।

#### বিবাহ বিচ্ছেদ সমাজ আৰু পৰিয়াল



গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা ড° শ্যাম সুন্দৰ হৰলালকাই আমাৰ সমাজৰ পাৰিবাৰিক সমস্যাসমূহ সমাধানকল্পে 'বিবাহ বিচ্ছেদ ঃ সমাজ আৰু পৰিয়াল' নামৰ গ্ৰন্থ এখন প্ৰস্তুত কৰিছে আৰু গ্ৰন্থখন প্ৰকাশ কৰিছে গুৱাহাটীস্থিত। 'পিপুলছ পাব্লিকেছন হাউছ'-এ। ১৩২ পৃষ্ঠাৰ গ্ৰন্থখনৰ বেটুপাত আকৰ্ষণীয় আৰু পকাবন্ধা। মূল্য-এশ টকা।

## যোগলতা গোহাঁই গগৈৰ কাব্য সংকলন

## শম্বুকৰ স্বপ্ন

**গন্ধেশ্বৰ শইকীয়া**

**প্ৰাথমিক** বিদ্যালয়ত পঢ়ি থকা অৱস্থাৰ পৰায়েই গদ্যতকৈ পদ্য পঢ়ি বেছি আমোদ পোৱা বুলি স্বীকাৰোক্তি দি কবিগৰাকীয়ে তেওঁৰ শিৰোনামাত উল্লেখ কৰা কাব্য সংকলনটিৰ 'আমাৰ একাষাৰ'ত কৈছে এনেদৰে, 'প্ৰাথমিক পৰ্যায়ৰ স্কুলীয়া পাঠ্যপুথিত আমি একেখন পুথিতে গদ্য আৰু পদ্য দুয়োটাকে পঢ়িবলৈ পাইছিলো। গদ্য আৰু পদ্যৰ বাবে কোনো সুকীয়া পুথি আমাক দিয়া নাছিল। সেয়েহে বাল্যকালৰ পৰাই সেই পাঠ্যপুথিসমূহত থকা গদ্যবোৰতকৈ পদ্যবোৰ পঢ়ি মই বেছি আনন্দ পাইছিলো আৰু স্কুলত ছাত্ৰে শিকাই দিয়া ধৰণেৰে ঘৰতো সুৰ ধৰি চিঞৰি চিঞৰি পঢ়িছিলো। আজিকালি কণ কণ ছাত্ৰ-ছাত্ৰীয়ে পঢ়া 'ৰাইমছ'ৰ দৰে'। এতেকে, যোগলতা গোহাঁই গগৈৰ যে আশৈশৱ কাব্য প্ৰীতিৰ ভাব এটা আছিল আৰু সেই সোণাময় দিন অৱধি সেই শোভন ভাব সযত্নে পোহপাল দি আহিছে এই কথা সহজেই অনুমান কৰিব পাৰি। পৰৱৰ্তী কালত আনুষ্ঠানিক কৰ্মজীৱনৰ লগতে ব্যক্তিগত সাংসাৰিক জীৱনৰো প্ৰাত্যহিক ব্যস্ততাৰ মাজতে তেওঁৰ সেই কাব্যিক প্ৰতিভায়ো প্ৰাণ পাই উঠে।

উল্লিখিত তাড়নাতেই তেওঁ কাব্য চৰ্চাত বিশেষভাৱে মনোনিৱেশ কৰে আৰু আজি জীৱন পৰিক্ৰমাৰ অপৰাহ্ন বেলাতো ইয়াত পৰালি পৰিবলৈ দিয়া নাই। তেওঁৰ কাপৰ নিজৰা বৈ আছে নিৰৱধি— নিজস্ব গতিৰে। ৰাজ্যখনৰ জনপ্ৰিয় কাকত-আলোচনী আৰু সাময়িক পত্ৰিকাতো তেওঁৰ দ্বাৰা ৰচিত কবিতা সঘনে প্ৰকাশ পাই আহিছে। কাব্যানুৰাগীয়ে সেইবোৰ আন্তৰিকতাৰে আদৰি লোৱাত কবিগৰাকী নথৈ উৎসাহিত হৈছে আৰু এই আপাহতে কাব্য সাধনাৰ ধাৰা অব্যাহত ৰাখিবলৈও প্ৰয়াস কৰি আহিছে।

ইতিমধ্যে কবি যোগলতা গোহাঁই গগৈয়ে তেওঁৰ দুখন কাব্য সংকলন প্ৰকাশ কৰি পাঠকৰ হাতত তুলি দিছে। সম্প্ৰতি শিৰোনামত উল্লেখ কৰা কাব্য সংকলনটো প্ৰকাশ কৰি উলিয়াইছে। প্ৰতীক ধৰ্মী নামৰ সংকলনটো পঢ়ি পাঠক হিচাপে আমাৰ ভাব-অনুভাৱ হ'ল যে 'শম্বুক' অৰ্থাৎ শামুকে খোলাৰ আৱৰ্তত থকাৰ দৰেই কবিগৰাকীয়েও সীমিত পৰিসৰত বিচৰণ কৰিয়েই মানৱ কল্যাণৰ সপোন ৰচিছে আৰু সেই সপোন হিল্লোলিত ভাব-অনুভূতিবোৰ মন-গহনৰ নিভৃত কোণৰ পৰা কাব্যিক সুষমাৰে নিৰ্গত কৰাৰ এক সাধু প্ৰয়াস কৰি আহিছে।

কবিতাবোৰ পঢ়োতে আমাৰ ভাব হৈছে, কোনো এটা কবিতাকে তেওঁ জোৰ কৰি কাব্যৰূপ দিবলৈ প্ৰয়াস কৰা নাই। অৰ্থাৎ কবিতাবোৰ নিৰ্মাণ কৰা হোৱা নাই; সেইবোৰ নিজে নিজেই নিৰ্মাণ হৈছে। প্ৰসংগক্ৰমে কওঁ— কাব্য-ৰসিক, সাহিত্যৰ পুৰোধা ব্যক্তিসকলেও মন্তব্য কৰে যে কবিতা নিৰ্মাণ কৰা নহয়, নিৰ্মাণ হ'বহে লাগে। এই গভীৰ তাৎপৰ্যপূৰ্ণ কথাষাৰ গোহাঁই গগৈৰ কবিতাতো নিঃসন্দেহে প্ৰযোজ্য হৈছে বুলি ক'ব পাৰি। আকৌ 'গালেই গীত নহয়, লিখিলেই কবিতা নহয়' বুলি ড° নিৰ্মল প্ৰভা বৰদলৈয়ে ব্যক্ত কৰা অভিমতৰ বিষয়ে কবিগৰাকী বিশেষভাৱে সজাগ আৰু সচেতন হৈ কাব্য কাননত বিচৰণ কৰিছে বুলি আমাৰ ভাব হৈছে আৰু সেয়েহে তেওঁৰ কবিতাবোৰ স্বাভাৱিক গতিৰে সুখপাঠ্যৰ শাৰীত উঠিবলৈও সক্ষম হৈছে।

কবিগৰাকীয়ে কবিতাৰ বিষয়বস্তু বিচাৰি হাবাথুৰি খাবলগীয়া হোৱা নাই। তেওঁৰ পৰিসৰৰ সমাজখনত ঘটি থকা ঘটনা-পৰিঘটনা আৰু বাস্তৱ চিত্ৰপটৰ পৰিদৃশ্যমান বস্তুসমূহকেই কবিতাবোৰৰ কাঠামো হিচাপে নিৰ্বাচন কৰি লৈছে। গোটাদিয়েক কবিতাত বিষয়বস্তু অনুযায়ী ব্যৱহাৰ কৰা চিত্ৰকল্প আৰু প্ৰতীক প্ৰয়োগ অৰ্থবহ হোৱাত কবিতাকেইটাই লাভ কৰিছে সুকীয়া মাত্ৰা। তদুপৰি মানুহ মাত্ৰেই প্ৰত্যেককে ক্ষেত্ৰত দুখন জগত বিদ্যমান— এখন বহিঃজগত আৰু আনখন অন্তঃজগত। কবি মাত্ৰেই এই দুয়োখনতে পিট্‌পিটাই ফুৰাৰ প্ৰয়াস কৰে সাৰ্থক কবিতা ৰচনা কৰিবৰ মনেৰে। কবি গোহাঁই গগৈও ইয়াৰ ব্যতিক্ৰম হোৱা নাই। সংকলনটোত স্থান দিয়া কবিতাবোৰৰ বিষয়বস্তুৰে বিচৰা ধৰণৰ শব্দ বাছনি কৰি কাব্যিক ক্ৰিয়া-কৌশলেৰে




সেইবোৰ চয়ন কৰাত কবিগৰাকীয়ে বিশেষভাৱে মনোযোগ দিয়াত কোনো ঠাইতে ভাববস্তুৰ লগত ৰূপবস্তুৰ সংঘাত সৃষ্টি হোৱা নাই বুলি অনুভৱ কৰিছো। তদুপৰি, আধুনিক কাব্যশৈলীৰ প্ৰতিও কবিগৰাকী সদা সচেতন হোৱাৰ হেতুকে লয় আৰু ভাবৰ মাজত থাকিবলগীয়া সংহতি আৰু সংগতিতো ব্যাঘাত জন্মা নাই বুলি ক'ব পাৰি। মূলতঃ এনে হোৱাৰ বাবেই কবিতাবোৰৰ গঠন শৈলী প্ৰাঞ্জল আৰু সাৱলীল হৈ পৰিছে।

গ্ৰন্থখনত স্থান দিয়া কবিতাবোৰ হ'ল—যথাক্ৰমে ঃ 'সূৰ্যোদয়', 'কা' বিৰোধী আন্দোলন', 'সৃষ্টিৰ ৰহস্য', 'বন্ধুত্ব', 'পথিক', 'প্ৰভাত', 'প্ৰতিশ্ৰুতি', 'স্ৰোতস্বিনী', 'মাতৃভূমি', 'দুৰ্নীতি', 'ঘূৰ্ণায়মান— জীৱনৰ ষ্টেছন', 'জীৱনৰ অন্য নাম সংগ্ৰাম', 'অটলবি শ্বাস', 'নাৰী সৱলীকৰণ', 'জ্যেষ্ঠ নাগৰিক', 'সুখ-দুখ', 'অনন্ত প্ৰতীক— সোণমতী আৰু বাউলী', 'বীৰাংগনা মূলাগাভৰু', 'কৰ'না ভাইৰাছ', 'কলিকাল', 'প্ৰতিবাদ', 'সময়', 'হিংসা', 'আবেলিৰ ৰং', 'সপোন', 'প্ৰতিবছৰে আহে ব'হাগ', 'মানৱী জনম', 'ধন বিনে গতি নাই যতিৰ বাহিৰে', 'মানৱতা ভূলুণ্ঠিত', 'নৈপৰীয়া সভ্যতা', 'নিয়তি তুমি বৰ নিষ্ঠুৰ', 'জীৱন বৃত্ত', 'শূন্য', 'বৰষুণ', 'সুখ-দুখ (২)', 'জীৱন আৰু মৃত্যু', 'অৰণ্য', 'কালৰাত্ৰি', 'অতীত, বৰ্তমান, ভৱিষ্যৎ', 'পাৰিজাত অপহাৰী', 'ধৈৰ্যৰ সীমাৰেখা বিচাৰি', 'বনানীকৰণ', 'হাহাকাৰ' আৰু শেষৰ কবিতাটো হ'ল 'হৃদয়ৰ শৰাইত তুমি চিৰযুগমীয়া'।

পাঠকৰ মন গহনত মচিব নোৱাৰা দাগ কাটিব পৰা স্তৱকৰ সমাহাৰ ঘটিছে সংকলটোৰ প্ৰায়কেইটা কবিতাতে ঃ

নিদৰ্শন—'আশাই মানুহক জীয়াই থকাৰ  
হাবিয়াস জগাই তোলে  
জীৱনটো সজাই-পৰাই মনৰ  
মতেৰে জীয়াই থাকে আশা'  
সেইদৰে—'প্ৰেম' জীৱনৰ সেউজ বসন্ত  
আনে যৌৱনৰ প্ৰাচুৰ্য' (কবিতা- 'জীৱনবৃত্ত')  
'হে বিশ্বৰ মানৱ জাতি—হোৱা এক  
আলোচনা, গৱেষণা, চিকিৎসাৰ দ্বাৰাই  
কৰ'নাক দিবলৈ বিদায়' (কবিতা— 'কলিকাল')

'সন্তানৰ মোহতকৈ বিমোহিত  
বিচাৰি পাই সৃষ্টিৰ ৰহস্য  
আৰু জীয়াই থকাৰ সাৰ্থকতা  
হৃদয়ৰ দুৱাৰ খুলি লয়  
এয়াই মিলনৰ সাৰ্থকতা'  
(কবিতা—'সৃষ্টিৰ ৰহস্য')

কবি যোগলতা গোহাঁই গগৈৰ কলম থমকি ৰোৱা নাই, নৰয়। এয়াই আমাৰো আশা আৰু প্ৰত্যাশা। তেওঁলৈ থাকিল আন্তৰিক অভিনন্দন আৰু অফুৰন্ত শুভকামনা!

পকা বন্ধোৱা ৬৮ পৃষ্ঠাৰ গ্ৰন্থখন প্ৰকাশ কৰিছে দীপালী সন্দিকৈ গগৈয়ে, পৰিকল্পনা কৰিছে প্ৰাঞ্জল পাত্ৰয়ে, প্ৰচ্ছদ লক্ষ্মীনন্দন সন্দিকৈৰ। লেখিকাই নিজ হাতত ৰখা 'গ্ৰন্থস্বত্ব'ৰ গ্ৰন্থখন মুদ্ৰণ কৰোৱা হৈছে—'পি.চি, প্ৰিণ্টছফট' লক্ষ্মীনগৰ, মানকটা ৰোড, মিলন নগৰ, ডিব্ৰুগড়-৩ত আৰু ইয়াৰ অৰিহণা হৈছে এশ টকা মাত্ৰ।

*ফোন ঃ ৯৪৩৫৪৭৩৬০২*

### বিষয় মূলতঃ প্ৰেম

**কমলজিৎ কলিতা**

মই কেতিয়া প্ৰথম প্ৰেমত  
পৰিছিলো মনত নাই।  
আইৰ কোলাতে  
প্ৰথম স্পৰ্শ কৰিছিলো  
নাৰীৰ দুহাত;  
এহাত দুহাত কৰি  
জীৱনৰ বুলিলো বহু বাট,  
মই কেতিয়া প্ৰথম  
প্ৰেমত পৰিছিলো মনত নাই।  
এভৰি দুভৰি কৰি  
ডেও দি দি যেতিয়া ভূমিত  
প্ৰথম পেলাইছিলো ভৰি  
তেতিয়া অনুভৱ কৰিছিলো  
মাটিৰ মৰম মানে কি,  
বিভিন্নজনৰ আঙুলিত ধৰি  
যেতিয়া ঘূৰিছিলো বিভিন্ন পদূলি  
তেতিয়া বুজিছিলো  
মানুহৰ মৰম মানে কি;  
যেতিয়া বৰ্ণমালাৰ স'তে  
প্ৰথম পৰিচয় হৈছিল  
তেতিয়া বুজিছিলো  
মাতৃভাষাৰ আকৰ্ষণ কি;  
শৈশৱ পাৰ হৈ  
কৈশোৰ পাওঁতে বুজিছিলো  
শৈশৱৰ আমেজ কি;  
কৈশোৰৰ পাৰ হৈ  
যৌৱন পাওঁতে বুজিছিলো  
কৈশোৰৰ মধুৰতা কি;  
যৌৱনৰ আবেলি বুজিছিলো  
যৌৱনৰ মাদকতা কি;  
কেতিয়া মই প্ৰথম প্ৰেমত পৰিছিলো  
আৰু কাৰ প্ৰেমত পৰিছিলো  
মনত নাই;  
প্ৰেম মোৰ প্ৰাত্যহিক জীৱনৰ  
এপাহ খৰিকাজাঁই।

### মৃতক বাঁহী

**ছৈয়দা আঞ্জুম আৰা হুছেইন**

বাঁহীৰ সুৰ এটি কঁপি কঁপি লীন যোৱাৰ বেলা  
ছাই ৰঙী ওঁঠযুৰিত গজি উঠিছিল  
এখনি শেলুৱৈৰ অৰণ্য  
য'ত আলিটোৱে মোৰ সলাইছিল

ভাটাৰে নিজকে সাগৰৰ অটল তলিত  
হেৰুৱাব বিচৰা শামুকটোক  
জোৱাৰে কাষলৈ চপাই অনাত  
বৰকৈ খং উঠিছিল ঈশ্বৰৰ ওপৰত  
সূৰ্য নেদেখিলেই যেনিবা, ঈশ্বৰৰনো কি আহে যায়?

দীঘ-বাণি হেৰুৱা তাঁতশালত নাথাকে জীৱনৰ পাটিকথা  
পানী শুকোৱা নাদৰ কথকতাত ওপঙে কাগজৰ নাও,  
পাৰি নথকা উকা চাদৰখনেই বগা  
মৃতকৰ আড়ম্বৰ—  
সেপ গিলিবলৈও প্ৰয়োজন কিছু আৰ্দ্ৰতা

নৰাই কলহ ঢাকিলে  
আলি কেঁকুৰিত শগুন পৰে,

জীয়া বাঁহীত মৃতক সুৰ এটি  
উৰুলীপুঙা হৈ উৰে।





### আশীৰ্বাদ

**ড° উৎপল বৰুৱা**

আহিলো যিদিনা এই জগতত  
তোমাৰ আশীৰ্বাদ শিৰত লৈ  
পাইছো সকলো এই ধৰাৰ ঐশ্বৰ্য,  
বায়ু, পোহৰ, শীত, তাপ  
পৰ্বত, নৈ, বিল আৰু  
দিন ৰাতিৰ সান্নিধ্য।

যেতিয়া নৈৰ বুকুত  
ডিঙা মেলি দিও  
তুমি পঠাই দিয়া পছোৱা বতাহ জাক,  
নিয়ে মোক সহজতে গন্তব্য স্থানলৈ  
এয়াতো তোমাৰেই আশীৰ্বাদ  
কৰে মোৰ মন পৰম আহ্লাদ।

অকণিহঁতক দি আছিলা তুমি  
মনত ফূৰ্তি, খেলা-ধূলাত ব্যস্ত ৰাখি  
হৈ আছিল সিহঁত সুখী  
লাভ কৰিছিল তোমাৰেই পুষ্প আশীৰ্বাদ।

আৰু নকৰিবা ! শেষ কৰা ইমানতে  
কৰ'না সংক্ৰমণ,  
যাওক আকৌ পঢ়াশালিলৈ  
আঁতৰক মনৰ ক'লা ডাৱৰ  
নতুবা ভাবিম নেকি  
ব্ৰহ্মাণ্ডৰ সৃষ্টি, স্থিতি, সত্য, জ্ঞান  
নাথাকিব ইয়াৰ সচেতনতা,  
বিয়পিব নেকি বিশ্বত  
ক্ৰমাগতভাৱে মনুষ্যৰ  
অনিবাৰ্য কৰুণ নিনাদ,  
হ'ব নেকি সকলোৰে ভাগ্যনাশ  
তেন্তে দিয়া  
বিশ্ববাসীক কচমিক আশীৰ্বাদ।



### খন্তি

**পীযূষ পাঠক**

আগচোতালৰ খপুৱা কোঠাৰ বেৰত  
খুচি থোৱা খন্তি।  
ভাগৰে জুৰুলা চোকা-টেকেলা ককাৰ  
হাতৰ মুঠিৰ খন্তি।  
সনমতি বাও আৰু কাৰৈ জাপৰি আহুৰ তলে তলে—  
চোতাল চৌপাশ সাঙুৰি,  
ককা আৰু খন্তি।  
যিদৰে বঠাই লৈ যায় সঠিক ঘাটলৈ  
বোঁৱতী নদীৰ নাও;  
খন্তিৰ ভৰসাতে ককাই উজাইছিল,  
ভোকৰ বাৰিষাত আকালৰ বান।  
হাড়ত মাটি; তেজত পানী দিনেৰে  
জুটুলী-পুটুলী ককা মাটি হ'ল।  
সময়ৰ সোঁতত লীন গ'ল  
বেৰত খুচি থোৱা খন্তি।  
'এডেও-দুডেও লোটা নিবৰ ছেও—  
চোতাল পথাৰ চানিলে বিনৈ।  
মোৰ আপোন মাটিৰ মানুহ।  
অহৌবাং কথাৰে ভাতে-ভৰালে  
ক'ত দিন খাবি?  
কটা কাণ চুলিৰে কিমান ঢাকিবি?

### সহযাত্ৰী

**কাব্যশ্ৰী বৰপাত্ৰ**

নৈৰ দৰে কোনোবা নিঃশব্দে বৈ যায়  
কোনোবা উৰি যায় ধুমুহাৰ দৰে  
কোনোবা আকৌ বলি থাকে  
নীৰৱে নিতালে জুৰ পৰা বতাহৰ দৰে  
ভিন ভিন বেশেৰে ভিন্ন মনেৰে  
আমি সহযাত্ৰী জীৱন পথৰ  
এঁকাবেঁকা দুখৰীয়া পথৰ  
সময়ৰ বলুকাত লৈ যাম  
তিতা মিঠা স্মৃতিৰ সমুখৰ ক্ষণ  
স্মৃতিৰ বৰপীৰাত বহি  
এদিন ৰোমন্থন কৰিম  
এৰি অহা দিনৰ সোণালী স্মৃতি

## আফগান সীমান্তত সেনা নিয়োগ প্ৰক্ৰিয়া আৰম্ভ পাকিস্তানৰ ঃ শংকিত কাবুল



**নিউজ ব্যুৰ', ইছলামাবাদ, ২৫ জুলাই ঃ** সীমান্ত ৰক্ষাৰ দায়িত্বপ্ৰাপ্ত অৰ্ধ-সামৰিক বাহিনীক আফগান সীমান্তৰ পৰা আঁতৰাই আনি সেনা নিয়োগ কৰিলে পাকিস্তানৰ ইমৰান খানৰ চৰকাৰে। পাকিস্তানৰ আভ্যন্তৰীণ মন্ত্ৰী শ্বেখ ৰছিদ আহমেদে এই কথা প্ৰকাশ কৰি স্থানীয় সংবাদ মাধ্যমৰ আগত কয়, 'আফগানিস্তানত চৰকাৰ আৰু তালিবানৰ সংঘৰ্ষৰ পৰিপ্ৰেক্ষিতত সীমান্তত উত্তেজনা বৃদ্ধি পাইছে। এনে পৰিস্থিতিত অৰ্ধ-সামৰিক বাহিনীক আঁতৰাই সীমান্তৰ দায়িত্ব আমি সেনাক অৰ্পণ কৰিলো। সেনা নিয়োগৰ প্ৰক্ৰিয়া আৰম্ভ কৰা হৈছে।' আফগানিস্তানত নতুনকৈ গৃহযুদ্ধ আৰম্ভ হোৱাত সীমান্ত পাৰ হৈ বহু শৰণাৰ্থীয়ে পাকিস্তানত আশ্ৰয় গ্ৰহণ কৰা বুলিও ৰছিদে জানিবলৈ দিয়ে। আমেৰিকাই সেনা প্ৰত্যাহাৰ আৰম্ভ কৰাৰ লগে লগে আফগানিস্তানত তালিবান সন্ত্ৰাসবাদীৰ সক্ৰিয়তা ক্ৰমে বৃদ্ধি পাইছে।

## 'কেৰালাৰ ঈশ্বৰ' মুখ্যমন্ত্ৰী বিজয়ন, মন্দিৰৰ বাহিৰত বেনাৰ আঁৰাক লৈ বিতৰ্ক



**নিউজ ব্যুৰ', মাল্লাপুৰম, ২৫ জুলাই ঃ** 'কেৰালাৰ ঈশ্বৰ' মুখ্যমন্ত্ৰী পিনাৰাই বিজয়ন। মাল্লাপুৰমৰ ওচৰত এটা বিষ্ণু মন্দিৰৰ বাহিৰত আঁৰি থোৱা এখন ফ্লেক্সত এইদৰে লিখা আছে। এই ফ্লেক্সৰ ছবি ইতিমধ্যে সামাজিক মাধ্যমৰ জৰিয়তে ভাইৰেল হোৱাত ৰাজ্যজুৰি বিতৰ্কৰ সৃষ্টি হৈছে। প্ৰকাশিত বাতৰি অনুসৰি, দ্বিতীয়বাৰলৈ বিজয়ন কেৰালাৰ মুখ্যমন্ত্ৰী হোৱাৰ পাছতে উক্ত ফ্লেক্সখন মন্দিৰৰ বাহিৰত আঁৰা হৈছিল। কিন্তু কিছুদিন পাছতে মন্দিৰ কমিটীৰ আপত্তিত ফ্লেক্সখন আঁতৰাই নিয়া হৈছিল। ইয়াৰ পাছতো অৱশ্যে বিতৰ্কৰ অৱসান ঘটা নাই। বিতৰ্কিত ফ্লেক্সখনত মুখ্যমন্ত্ৰী বিজয়নক 'ভগৱান' আখ্যা দি এইদৰে স্তুতিগান লিখা আছিল, 'আপোনালোকে জানিব বিচাৰিছিল ভগৱান কোন? মানুহে উত্তৰ দিলে, যি আমাক ৰুটী আৰু মাখন যোগান ধৰে।' স্বাভাৱিকতে বামপন্থী চৰকাৰৰ মুখ্যমন্ত্ৰীৰ স'তে 'ভগৱান' শব্দটো সংযোগ কৰাত কেৰালাৰ ৰাজনীতিত এই ফ্লেক্সে ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। চি পি এমে অৱশ্যে এনে ফ্লেক্স প্ৰস্তুত কৰাৰ কথা অস্বীকাৰ কৰিছে।

## ২৪ ঘণ্টাত ২৬২ তালিবান সন্ত্ৰাসবাদী নিহত, আফগানিস্তানত সান্ধ্য আইন



**নিউজ ব্যুৰ', কাবুল, ২৫ জুলাই ঃ** যোৱা ২৪ ঘণ্টাত আফগান সেনাই ধৰাশায়ী কৰিলে ২৬২ জন সন্ত্ৰাসবাদীক। আনহাতে, সেনাৰ অভিযানত ১৭৬ তালিবান সন্ত্ৰাসবাদী গুৰুতৰভাৱে আহত হয়। সন্ত্ৰাসবাদীৰ পৰা জব্দ কৰা ২১ টা আই ই ডি আজি আফগান সেনাই নিষ্ক্ৰিয় কৰে। আজি আফগানিস্তানত তালিবানৰ দপদপনি নিয়ন্ত্ৰণ কৰিবলৈ প্ৰশাসনে সান্ধ্য আইন জাৰি কৰে। স্থানীয় সংবাদ মাধ্যমৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি, ৰাজধানী কাবুল আৰু দুখনমান প্ৰদেশৰ বাহিৰে আন সকলো অঞ্চলত নিশা ১০ বজাৰ পৰা পুৱা চাৰি বজালৈকে সমগ্ৰ আফগানিস্তানত সান্ধ্য আইন বাহাল থাকিব।

## অযোধ্যাৰ পৰা বিধানসভাৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব মুখ্যমন্ত্ৰী আদিত্যনাথে



**নিউজ ব্যুৰ', লক্ষ্ণৌ, ২৫ জুলাই ঃ** ২০২২ত অনুষ্ঠিত হ'ব লগা বিধানসভাৰ নিৰ্বাচনৰ বাবে উত্তৰ প্ৰদেশৰ প্ৰতিটো ৰাজনৈতিক দল প্ৰস্তুত হৈছে। ৰাজ্যখনৰ শাসনাধিষ্ঠিত বিজেপিয়েও ইতিমধ্যে নিৰ্বাচনী ৰণডংকা বজাইছে। বিজেপিয়ে এইবাৰৰ নিৰ্বাচনত ৰাজ্যখনৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথৰ বিধানসভাৰ সমষ্টিক লৈ বিশেষ চিন্তা-চৰ্চা কৰিছে আৰু প্ৰকাশিত বাতৰি অনুসৰি, মুখ্যমন্ত্ৰীজনে ২০২২ৰ নিৰ্বাচনত অযোধ্যা সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰিব। ৰাম জনম মন্দিৰৰ নামত বিজেপিয়ে অযোধ্যাত ভেটি অধিক সবল কৰি তুলিছে আৰু মুখ্যমন্ত্ৰী আদিত্যনাথে এই সমষ্টিত প্ৰাৰ্থী হিচাপে থিয় দিলে বিপুলসংখ্যক ভোটত জয় হোৱাটো নিশ্চিত বুলি বিজেপিয়ে বিবেচনা কৰিছে।

## কাশ্মীৰত ২৪ ঘণ্টাত ধৰাশায়ী হ'ল চাৰি সন্ত্ৰাসবাদী



**নিউজ ব্যুৰ' শ্ৰীনগৰ, ২৫ জুলাই ঃ** কাশ্মীৰত সন্ত্ৰাসবাদী কাৰ্যকলাপ প্ৰতিৰোধৰ বাবে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিলে নিৰাপত্তা বাহিনীয়ে। বিগত ২৪ ঘণ্টা ধৰি ৰাজ্যখনৰ বিভিন্ন অঞ্চলত নিৰাপত্তা বাহিনীয়ে চলোৱা অভিযানত চাৰিজন সন্ত্ৰাসবাদী ধৰাশায়ী হ'ল। মৃত সন্ত্ৰাসবাদীকেইজনৰ পৰিচয় এতিয়াও জানিব পৰা হোৱা নাই। কাশ্মীৰৰ বান্দিপুৰাত সন্ত্ৰাসবাদীয়ে বাহৰ পতাৰ বাতৰি গোপনে লাভ কৰাৰ পাছতে কালি ভাৰতীয় সেনা আৰু জম্মু-কাশ্মীৰ আৰক্ষীয়ে যৌথ অভিযান আৰম্ভ কৰিছিল। উক্ত অঞ্চলত দুজন সন্ত্ৰাসবাদীৰ মৃত্যু হয়। পাছত আন এজন সন্ত্ৰাসবাদীৰ মৃতদেহ অঞ্চলটোত উদ্ধাৰ কৰা হৈছিল। ইফালে, কুলগামতো নিৰাপত্তা বাহিনীৰ স'তে হোৱা আন এক সংঘৰ্ষত এজন সন্ত্ৰাসবাদী নিহত হ'ল।

### বাণিজ্যিক মহাকাশ যানৰে মহাকাশ ভ্ৰমণ কৰিলেও দুই অৰ্বুদপতি মহাকাশচাৰীৰ স্বীকৃতিৰ পৰা বঞ্চিত

## আমেৰিকাৰ দৃষ্টিত মহাকাশচাৰী নহয় বেজ'ছ-ব্ৰেনছন, কিন্তু কিয়?

**নিউজ ব্যুৰ' ৱাশ্বিংটন, ২৫ জুলাই ঃ** মহাকাশ ভ্ৰমণ কৰি এই বিশ্বত নিজকে মহাকাশচাৰী হিচাপে পৰিচিত কৰিব বিচৰা এমেজনৰ প্ৰতিষ্ঠাপক জেফ বেজ'ছ আৰু ব্যৱসায়ী ৰিচাৰ্ড ব্ৰেনছনক প্ৰকৃতাৰ্থত মহাকাশচাৰীৰ স্বীকৃতি দিব বিচৰা নাই আমেৰিকাই। মাৰ্কিন চৰকাৰে প্ৰকাশ কৰা অনুসৰি, এই দুজন অৰ্বুদপতিয়ে সফলতাৰে মহাকাশ ভ্ৰমণ সম্পন্ন কৰিলে যদিও তেওঁলোকক প্ৰচলিত নিয়ম অনুসৰি 'মহাকাশচাৰী' বুলি অভিহিত কৰিব পৰা নাযাব। দৰাচলতে আমেৰিকাই মহাকাশচাৰীৰ সংজ্ঞা পূৰ্বতকৈ যথেষ্ট কঠোৰ কৰিলে। এনে সংজ্ঞাৰ ফলত বেজ'ছ আৰু ব্ৰেনছনে মহাকাশ ভ্ৰমণ কৰিলেও তেওঁলোক মহাকাশচাৰী হিচাপে স্বীকৃত হোৱাৰ পৰা বঞ্চিত হ'ল। বিবিচিৰ বাতৰি অনুসৰি, নিউ ফেডাৰেল এভিয়েচন এডমিনিষ্ট্ৰেচন (এফ এ এ)ৰ নিয়ম অনুসৰি, মহাকাশচাৰী হিচাপে স্বীকৃতি লাভ কৰিবলৈ হ'লে উক্ত



ব্যক্তিজন 'ফ্লাইট ক্ৰু'ৰ অন্তৰ্ভুক্ত হ'ব লাগিব আৰু মহাকাশযানৰ উৰণ সুৰক্ষাত তেওঁ সক্ৰিয়ভাৱে অংশ ল'ব লাগিব। এই সংজ্ঞাৰ ফলত মাৰ্কিন চৰকাৰৰ দৃষ্টিত বেজ'ছ আৰু ব্ৰেনছন মহাকাশচাৰী হিচাপে স্বীকৃত নহ'ব। ২০০৪ত এফ এ এ নীতি নিৰ্ধাৰণৰ পাছত প্ৰথমবাৰৰ বাবে মহাকাশচাৰীৰ সংজ্ঞা নিৰ্ধাৰণৰ নিয়ম সলনি কৰা হ'ল। বাণিজ্যিক মহাকাশচাৰীৰ সন্দৰ্ভত যোৱা মঙলবাৰে এফ এ এয়ে নতুন নীতি ঘোষণা কৰিছিল। উল্লেখ্য যে উক্ত দিনাই জেফ বেজ'ছে নিজৰ মহাকাশযান ব্লু অৰিজিনৰ জৰিয়তে মহাকাশলৈ সফলতাৰে ৰাওনা হৈছিল। বেজ'ছৰ পূৰ্বে ১১ জুলাইত ৰিচাৰ্ড ব্ৰেনছনে নিজৰ মহাকাশ যানৰে সফলতাৰে মহাকাশ ভ্ৰমণ সম্পন্ন কৰিছিল। কিন্তু এই দুই অৰ্বুদপতিয়ে এইদৰে বাণিজ্যিক মহাকাশ যানৰ জৰিয়তে মহাকাশ ভ্ৰমণ কৰিলেও তেওঁলোকক মহাকাশচাৰীৰ স্বীকৃতিৰ পৰা বঞ্চিত কৰিলে আমেৰিকাই।

## ২৭ জুলাইত ভাৰতলৈ আহিব মাৰ্কিন বৈদেশিক মন্ত্ৰী ব্লিংকন



**নিউজ ব্যুৰ' নতুন দিল্লী, ২৫ জুলাই ঃ** আমেৰিকাৰ বৈদেশিক মন্ত্ৰী এণ্টনী ব্লিংকন অহা ২৭ জুলাইত দুদিনীয়া ভ্ৰমণসূচীৰে ভাৰতলৈ আহিব। ব্লিংকনে ভাৰত ভ্ৰমণৰ সময়ত চলিত বৰ্ষৰ অন্তিমভাগত অনুষ্ঠিত হ'ব লগা কোৱাড গোষ্ঠীৰ ৱাশ্বিংটন বৈঠকৰ সন্দৰ্ভত ভাৰতীয় নেতৃত্বৰ স'তে আলোচনাত অংশ ল'ব। কোৱাডত ভাৰত, জাপান, অষ্ট্ৰেলিয়া আৰু আমেৰিকা সদস্য হিচাপে আছে। ব্লিংকনে ২৭ আৰু ২৮ জুলাইত ভাৰতত থাকিব আৰু মাৰ্কিন বৈদেশিক মন্ত্ৰীজনে তেওঁৰ ভ্ৰমণ কালত ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, বৈদেশিক মন্ত্ৰী এছ জয়শংকৰ আৰু ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা অজিত ডোভালক সাক্ষাৎ কৰিব।

## পেগাছাছ চোৰাংচোৰাগিৰি বিতৰ্ক ঃ এছ আই টি তদন্তৰ দাবীৰে উচ্চতম ন্যায়ালয়ত সাংসদ

**নিউজ ব্যুৰ', নতুন দিল্লী, ২৫ জুলাই ঃ** পেগাছাছ চোৰাংচোৰাগিৰি কাণ্ডক লৈ দেশজুৰি ৰাজনৈতিক মহলত ব্যাপক প্ৰতিক্ৰিয়া অব্যাহত আছে। ইজৰাইলৰ এই স্পাইৱেৰ ব্যৱহাৰৰ জৰিয়তে ভাৰতৰ একাধিক ৰাজনৈতিক নেতা, সাংবাদিক, সাংবিধানিক পদবীধাৰীৰ ম'বাইল ফোন নজৰত ৰখাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছে। সংসদৰ বৰ্ষাকালীন অধিবেশনত এই বিষয়টোক লৈ যথেষ্ট বিতৰ্ক অব্যাহত আছে। এইবাৰ পেগাছাছ চোৰাংচোৰাগিৰিৰ প্ৰসংগত এছ আই টি তদন্তৰ দাবীৰে উচ্চতম ন্যায়ালয়ত দ্বাৰস্থ হ'ল ৰাজ্যসভাৰ সাংসদ জন ব্ৰিটাছ। উল্লেখ্য যে ইয়াৰ পূৰ্বে উচ্চতম ন্যায়ালয়ৰ অধিবক্তা মোহনলাল শৰ্মায়ো



পেগাছাছ চোৰাংচোৰাগিৰি প্ৰসংগত এছ আই টিৰ তদন্ত দাবী কৰিছিল। মাৰ্ক্সবাদী কমিউনিষ্ট পাৰ্টিৰ নেতা তথা ৰাজ্যসভাৰ সাংসদ ব্ৰিটাছে আদালতত আবেদন দাখিল কৰি কয় যে ইজৰাইলী স্পাইৱেৰ পেগাছাছৰ জৰিয়তে ৰাজনৈতিক নেতা, সাংবাদিক আৰু অন্যান্য ব্যক্তিৰ ম'বাইল ফোন নজৰত ৰখাৰ অভিযোগ যথেষ্ট গুৰুত্বপূৰ্ণ আৰু সেয়েহে চৰকাৰে বিষয়টোৰ সন্দৰ্ভত এছ আই টিৰ তদন্তৰ ব্যৱস্থা লোৱা উচিত। এই ক্ষেত্ৰত ন্যায়ালয়ক হস্তক্ষেপ কৰিবলৈকো বামপন্থী সাংসদজনে আবেদনত আহ্বান জনায়। উল্লেখ্য যে অলপতে সংবাদ মাধ্যমত প্ৰকাশ পোৱা এক বাতৰিত দাবী কৰা অনুসৰি, ইজৰাইলৰ পেগাছাছ স্পাইৱেৰ ব্যৱহাৰৰ জৰিয়তে কমেও তিনিশ ভাৰতীয় লোকৰ ম'বাইল ফোন নিৰীক্ষণত ৰখা হৈছিল।

## এদিনত বিশ্বত ৪.৮৯ লাখ হ'ল কৰ'নাত আক্ৰান্ত, ৮,১৭৩ জনৰ মৃত্যু



**নিউজ ব্যুৰ', ৱাশ্বিংটন, ২৫ জুলাই ঃ** বিশ্বত পুনৰ কৰ'নাৰ সংক্ৰমণ ঊৰ্দ্ধমুখী হৈছে। শনিবাৰে বিশ্বৰ বিভিন্ন দেশত নতুনকৈ কৰ'নাত আক্ৰান্ত হ'ল চাৰি লাখ ৮৯ হেজাৰ ৯৯৬ জন লোক। ইফালে, বিগত ২৪ ঘণ্টাত পুনৰ ক'ভিড ভাইৰাছে বিশ্বত প্ৰাণ কাঢ়িলে ৮,১৭৩ জন লোকৰ। অৱশ্যে যোৱা এদিনত বিশ্বৰ বিভিন্ন দেশত কৰ'নাত আক্ৰান্ত তিনি লাখ ২৯ হেজাৰ ৫৮৩ জন লোক সুস্থ হৈ উঠিল। বিশ্বত বৰ্তমানলৈকে ১৯.৪৩ কোটিৰো অধিক লোক ক'ভিডত আক্ৰান্ত হ'ল আৰু এই মাৰাত্মক ভাইৰাছত বিভিন্ন দেশত ৪১.৬৭ লাখ লোকৰ মৃত্যু হ'ল। বৰ্তমানে বিশ্বত ১.৩৬ কোটি ক'ভিড ৰোগী আছে।

### ১৯৯১ৰ মুক্ত অৰ্থনীতি প্ৰৱৰ্তনৰ দৰে আৰ্থিক দিশত চমক দিব নেকি প্ৰধানমন্ত্ৰী মোদীয়ে?

## দেশত আৰ্থিক উদাৰীকৰণৰ তিনি দশক সম্পূৰ্ণ হ'ল

**নিউজ ব্যুৰ' নতুন দিল্লী, ২৫ জুলাই ঃ** ভাৰতত আৰ্থিক উদাৰীকৰণ নীতি প্ৰৱৰ্তনৰ ৩০ বছৰ সম্পূৰ্ণ হ'ল। ১৯৯১ৰ ২৪ জুলাইত দেশৰ তদানীন্তন বিত্তমন্ত্ৰী ড° মনমোহন সিঙে ভাৰতত মুক্ত অৰ্থনীতি প্ৰৱৰ্তনৰ সিদ্ধান্তৰ কথা ঘোষণা কৰিছিল। উক্ত দিনা ড° সিঙে সাধাৰণ বাজেট দাখিল কৰাৰ সময়ত দেশত আৰ্থিক উদাৰীকৰণ নীতি গ্ৰহণ কৰাৰ কথা ঘোষণা কৰিছিল। ইয়াৰ পাছৰে পৰা বিশ্বৰ দৃষ্টিত ভাৰত এখন বৃহৎ বজাৰ হিচাপে পৰিচিত হৈছিল। মুক্ত বজাৰ অৰ্থনীতি দেশে গ্ৰহণ কৰাৰ পাছৰে পৰা ভাৰতীয় অৰ্থনীতিয়ে নতুন দিশত অগ্ৰসৰ হৈছিল। আৰ্থিক উদাৰীকৰণৰ সুদীৰ্ঘ তিনি দশকৰ



পাছত বৰ্তমানৰ দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৰ'না পৰিস্থিতিত বাধাগ্ৰস্ত অৰ্থনীতিক সবল কৰি তোলাৰ বাবে কোনো সাহসী পদক্ষেপ গ্ৰহণ কৰিব নেকি বুলি প্ৰশ্ন উত্থাপিত হৈছে। ১৯৯১ৰ কংগ্ৰেছ চৰকাৰৰ ঐতিহাসিক সিদ্ধান্তৰ দৰে দেশৰ অৰ্থনৈতিক খণ্ডত মোদী চৰকাৰে কিবা চমকদায়ক সিদ্ধান্ত ল'ব নেকি বুলিও চৰ্চা চলিছে। উল্লেখ্য যে বিগত ডেৰ বছৰ ধৰি অব্যাহত থকা কৰ'নাৰ ব্যাপক সংক্ৰমণ আৰু তলাবন্ধৰ ফলত দেশৰ অৰ্থনীতি যথেষ্ট বাধাগ্ৰস্ত হৈছে। বৃহৎ উদ্যোগ খণ্ডৰ পৰা আৰম্ভ কৰি ক্ষুদ্ৰ আৰু মধ্যমীয়া সকলো উদ্যোগ-ব্যৱসায় বিগত ডেৰ বছৰত যথেষ্ট ক্ষতিগ্ৰস্ত হৈছে। এনে পৰিস্থিতিত ভাৰতে অৰ্থনীতিক নতুনভাৱে গতি দিবলৈ হ'লে ১৯৯১ৰ দৰে সাহসী সিদ্ধান্ত চৰকাৰে গ্ৰহণ কৰাটো জৰুৰী হৈছে বুলি একাংশ অৰ্থনীতিবিদে মত পোষণ কৰিছে। মোদী চৰকাৰে বিগত সময়ছোৱাত বিমুদ্ৰাকৰণৰ দৰে সাহসী সিদ্ধান্ত গ্ৰহণ কৰিছিল যদিও এই সিদ্ধান্তই দেশৰ অৰ্থনীতিক উপকৃত কৰিবলৈ সফল নহ'ল। সেয়েহে মুক্ত অৰ্থনীতি দেশত প্ৰৱৰ্তনৰ ৩০ বৰ্ষপূৰ্তিত মোদী চৰকাৰৰ অৰ্থনৈতিক নীতিক লৈ প্ৰশ্ন উত্থাপিত হৈছে।



## ফিলিপাইন্সত প্ৰৱল বৃষ্টিপাতত জটিল বান পৰিস্থিতি, ১৪ হেজাৰ লোকক স্থানান্তৰিত

**নিউজ ব্যুৰ', মানিলা, ২৫ জুলাই ঃ** ধাৰাষাৰ বৃষ্টিপাতৰ ফলত ফিলিপাইন্সত বান পৰিস্থিতিয়ে জটিল ৰূপ ধাৰণ কৰিছে। দেশখনৰ কোনো কোনো অঞ্চলত বাসগৃহৰ মুধচলৈকে পানীৰে উপচি পৰিছে। দেশখনৰ ৰাজধানী মানিলাত বানত আবদ্ধ হোৱা হেজাৰ হেজাৰ বাসিন্দাক নিৰাপদ স্থানলৈ নিয়া হৈছে। স্থানীয় প্ৰশাসনৰ সূত্ৰই সংবাদ মাধ্যমৰ আগত জনোৱা অনুসৰি, বৰ্তমানলৈকে মানিলা আৰু ইয়াৰ আশে-পাশে থকা বন্যাকবলিত অঞ্চলৰ পৰা প্ৰায় ১৪ হেজাৰ লোকক স্থানান্তৰিত কৰা হৈছে। কালি স্থানীয় মাৰিকিনা নদীৰ জলস্তৰ ১৬ মিটাৰলৈ বৃদ্ধি পাইছিল।

## বাংলাদেশত কৰ'নাৰ সংক্ৰমণ প্ৰতিৰোধৰ বাবে কঠোৰ তলাবন্ধ



**নিউজ ব্যুৰ', ঢাকা, ২৫ জুলাই ঃ** কৰ'নাৰ বৰ্ধিত সংক্ৰমণ ৰোধ কৰিবলৈ কঠোৰ হ'বলৈ বাধ্য হ'ল বাংলাদেশ চৰকাৰ। দেশখনত ঈদ উপলক্ষে এসপ্তাহৰ বাবে কৰ'না বিধি শিথিল কৰা হৈছিল। কিন্তু ক'ভিডৰ সংক্ৰমণ পুনৰ বৃদ্ধি পোৱাৰ প্ৰতি লক্ষ্য ৰাখি শ্বেখ হাছিনা চৰকাৰে দেশজুৰি সৰ্বাত্মক তলাবন্ধ ঘোষণা কৰিলে। অহা পাঁচ আগষ্টলৈকে বাংলাদেশত কঠোৰ তলাবন্ধ বাহাল থাকিব। তলাবন্ধ সঠিকভাৱে পালন নিশ্চিত কৰিবলৈ হাছিনা চৰকাৰে সেনাবাহিনীক নিয়োগ কৰিছে। ৰাজধানী ঢাকাত এজন আৰক্ষী বিষয়াই সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰা অনুসৰি অত্যন্ত জৰুৰী নহ'লে ৰাজধানীবাসীক ঘৰৰ বাহিৰলৈ ওলোৱাৰ অনুমতি তলাবন্ধত দিয়া নহ'ব।

## ইন্দোনেছিয়াত বিশ্বৰ সৰ্বাধিক সংক্ৰমণ, বিফল প্ৰতিষেধক



**নিউজ ব্যুৰ', জাকাৰ্টা, ২৫ জুলাই ঃ** বিগত ২৪ ঘণ্টাত বিশ্বৰ ভিতৰতে সৰ্বাধিক সংখ্যক লোক ক'ভিড-১৯ত আক্ৰান্ত হ'ল ইন্দোনেছিয়া। যোৱা শনিবাৰে দেশখনত নতুনকৈ ৪৫,৪১৬ জন কৰ'না আক্ৰান্ত ৰোগীক চিনাক্ত কৰা হৈছিল। বিগত এদিনত সৰ্বাধিকসংখ্যক লোক আক্ৰান্ত হোৱাৰ লগতে বিশ্বৰ ভিতৰতে সৰ্বাধিক ১৪১৫ জন লোকৰ ইন্দোনেছিয়াত কৰ'নাত মৃত্যু হ'ল। বৰ্তমানলৈকে দেশখনৰ ৩১.২৭ লাখ লোক কৰ'নাত আক্ৰান্ত হৈছে আৰু ৮২,০১৩ জন লোকৰ এই ভাইৰাছত মৃত্যু হ'ল। বিশেষজ্ঞসকলে প্ৰকাশ কৰা অনুসৰি, ইন্দোনেছিয়াত মুঠ জনসংখ্যাৰ ১৪ শতাংশই এপালি আৰু ৬.৪ শতাংশই দুপালি ক'ভিড প্ৰতিষেধক লাভ কৰিছে। কিন্তু সৰহসংখ্যক লোকক ক'ভিডৰ পৰা এই প্ৰতিষেধকে সুৰক্ষা প্ৰদান কৰিবলৈ ব্যৰ্থ হৈছে। ইন্দোনেছিয়াত টিকাকৰণৰ সৰ্বাধিক সংখ্যক চীনত তৈয়াৰী চিন'ভেক প্ৰতিষেধক ব্যৱহাৰ কৰা হৈছে আৰু এই প্ৰতিষেধকে 'ডেল্টা' প্ৰজাতিৰ সংক্ৰমণ প্ৰতিৰোধত মুঠেও সফল হ'ব পৰা নাই। ফলত দেশখনত দৈনিক কৰ'না আক্ৰান্তৰ সংখ্যা বৰ্তমানে ঊৰ্দ্ধমুখী হ'বলৈ ধৰিছে।

## অভিযুক্ত কুন্দ্ৰাৰ বিৰুদ্ধে সাক্ষী দিব তেওঁৰে চাৰি কৰ্মীয়ে ঃ দাবী আৰক্ষীৰ



**নিউজ ব্যুৰ', মুম্বাই, ২৫ জুলাই ঃ** বলিউডত অশ্লীল ছবি নিৰ্মাণৰ কাণ্ডই নতুন মোৰ ল'লে। 'হটশ্বটছ'ৰ স্বত্বাধিকাৰী ৰাজ কুন্দ্ৰাৰ বিৰুদ্ধে অশ্লীল ছবি নিৰ্মাণ-প্ৰচাৰৰ গোচৰত সাক্ষ্য দান কৰিব তেওঁৰে চাৰিজন কৰ্মচাৰীয়ে। মুম্বাই আৰক্ষীয়ে আজি সংবাদ মাধ্যমৰ আগত এইদৰে প্ৰকাশ কৰে। আৰক্ষীয়ে লগতে জনোৱা অনুসৰি, জেৰাৰ সময়ত অভিযুক্ত কুন্দ্ৰাই সহযোগিতা কৰা নাই। ফলত এই গোচৰৰ তদন্ত কোন দিশে অগ্ৰসৰ হ'ব সেয়া নিৰ্ভৰ কৰিছে কুন্দ্ৰাৰ চাৰিজন কৰ্মচাৰীৰ ভাষ্যত। পৰ্ণ ছবিৰ নিৰ্মাণ আৰু ইয়াৰ ব্যৱসায়ত কুন্দ্ৰাই কেনেকৈ ধন বিনিয়োগ কৰিছিল সেই বিষয়ত তদন্ত অব্যাহত ৰাখিছে মুম্বাই আৰক্ষীৰ অপৰাধ নিয়ন্ত্ৰণ শাখাই। কুন্দ্ৰাৰ বাণিজ্যিক আৰু আৰ্থিক বিষয়ত তেওঁৰ চাৰিজন কৰ্মচাৰীক তদন্তকাৰী আৰক্ষীয়ে অচিৰে জেৰা কৰিব আৰু দণ্ডাধীশৰ সন্মুখত তেওঁলোকৰ ভাষ্য লিপিবদ্ধ কৰা হ'ব। কুন্দ্ৰাৰ বিৰুদ্ধে আৰক্ষীয়ে আৰ্থিক দুৰ্নীতিৰ তদন্তও কৰাৰ সম্ভাৱনা আছে।

## আৰক্ষীৰ জেৰাত অংশ ল'বলৈ অস্বীকাৰ গহনাৰ



**নিউজ ব্যুৰ', মুম্বাই, ২৫ জুলাই ঃ** বলিউডৰ পৰ্ণ'গ্ৰাফীৰ ওচৰত সোধাপোছা কৰাৰ বাবে মুম্বাই আৰক্ষীয়ে মডেল-অভিনেত্ৰী গহনা বশিষ্ঠক চমন দিছিল। কিন্তু গহনাই আৰক্ষীৰ জেৰাত অংশ ল'বলৈ অস্বীকাৰ কৰি কয় যে এই মুহূৰ্তত তেওঁ মুম্বাইৰ বাহিৰত আছে আৰু সেয়েহে আৰক্ষীৰ সন্মুখত হাজিৰ হ'ব নোৱাৰিব। অৱশ্যে মডেল-অভিনেত্ৰীগৰাকীয়ে আশ্বাস দি কয় যে উত্থাপিত অভিযোগৰ সন্দৰ্ভত তদন্তত তেওঁ আৰক্ষীক সম্পূৰ্ণ সমৰ্থন আগবঢ়াব। অলপতে মুম্বাই আৰক্ষীৰ অপৰাধ নিয়ন্ত্ৰণ বিভাগে অভিনেত্ৰী গহনাসহ তিনিজন লোকলৈ চমন জাৰি কৰিছিল। ব্যৱসায়ী ৰাজ কুন্দ্ৰাৰ বিৰুদ্ধে উত্থাপিত অশ্লীল ছবি নিৰ্মাণ আৰু প্ৰচাৰৰ গোচৰৰ তদন্তত ভাষ্য গ্ৰহণৰ বাবে গহনালৈ আৰক্ষীয়ে চমন জাৰি কৰিছিল। গহনাই সামাজিক মাধ্যমৰ জৰিয়তে এই গোচৰত অভিযুক্ত কুন্দ্ৰাৰ বক্ষণাবেক্ষণৰ চেষ্টা চলাই আহিছে।

## মডেলৰ অভিযোগ, নগ্ন দৃশ্যত অভিনয়ৰ বাবদ ২৫ হেজাৰ টকাৰ প্ৰস্তাৱ দিছিল উমেশ কামতে

**নিউজ ব্যুৰ'. মুম্বাই, ২৫ জুলাই ঃ** অশ্লীল ছবি নিৰ্মাণ আৰু প্ৰচাৰৰ গোচৰত মুম্বাই আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা অভিনেত্ৰী শিল্পা শেট্টীৰ স্বামী ৰাজ কুন্দ্ৰাৰ বিৰুদ্ধে নতুন অভিযোগ উত্থাপন কৰিলে এগৰাকী নৱাগতা মডেল-অভিনেত্ৰীয়ে। নিকিতা ফ্ল'ৰা সিং নামৰ মডেল-অভিনেত্ৰীগৰাকীয়ে দাবী কৰা অনুসৰি, তেওঁকো কুন্দ্ৰাৰ 'হটশ্বটছ' প্ৰতিষ্ঠানে অশালীন প্ৰস্তাৱ আগবঢ়াইছিল। নিকিতাই জনোৱা অনুসৰি, কুন্দ্ৰাৰ কোম্পানীত সেই সময়ত কাম কৰা উমেশ কামতে তেওঁক নগ্ন ভিডিঅ'ত ধনৰ বিনিময়ত অভিনয়ৰ প্ৰস্তাৱ দিছিল। সামাজিক মাধ্যমৰ জৰিয়তে এই অভিযোগ উত্থাপন কৰি নিকিতাই কয়, '২০২০ৰ নৱেম্বৰত উমেশ কামতে মোক ৰাজ কুন্দ্ৰাৰ এপ 'হটশ্বটছ'ৰ বাবে নগ্ন ভিডিঅ'ত অভিনয়ৰ প্ৰস্তাৱ দিছিল আৰু কামতে মোক দৈনিক ২৫ হেজাৰ টকা আদায়ৰ প্ৰতিশ্ৰুতি দিছিল। কিন্তু মই এই প্ৰস্তাৱ নাকচ কৰিছিলো। ভগৱানক ধন্যবাদ যে মই তেওঁৰ জালত আবদ্ধ নহ'লো।' উল্লেখ্য যে কুন্দ্ৰাৰ বিৰুদ্ধে সাগৰিকা সোণা সুমন, শ্বাৰ্লিন চোপ্ৰা, পুনম পাণ্ডেৰ পাছত মুখ খুলিলে এইগৰাকী নৱাগত মডেল-অভিনেত্ৰীয়ে।

# মৰিগাঁও চিকিৎসালয়ক তিনি ছহিদৰ নামেৰে নামকৰণ কৰিবলৈ অনুমোদন ৰাজ্যৰ স্বাস্থ্য বিভাগৰ

অগ্ৰদূত বাৰ্তা

**মৰিগাঁও, ২৫ জুলাই ঃ** মৰিগাঁও জিলাৰ তিনি ছহিদ তিলক ডেকা, গুণাভিৰাম বৰদলৈ আৰু হেমৰাম পাতৰৰ নামেৰে মৰিগাঁও জিলাৰ একমাত্ৰ উন্নত চিকিৎসালয় মৰিগাঁও অসামৰিক চিকিৎসালয়ক নামকৰণ কৰিবলৈ ৰাজ্য স্বাস্থ্য বিভাগে অনুমোদন জনোৱা খবৰে মৰিগাঁৱৰ সচেতন মহলক আনন্দিত কৰিছে। উল্লেখ্য যে মৰিগাঁৱৰ এই তিনিজন ছহিদৰ স্মৃতি সজীৱ কৰি ৰাখিবলৈ মৰিগাঁৱৰ স্বেচ্ছাসেৱী অনুষ্ঠান সহায়-এ এবছৰৰ পূৰ্বে গণ স্বাক্ষৰ অভিযান চলাই তদানীন্তন স্বাস্থ্যমন্ত্ৰী এতিয়াৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা স্বাক্ষৰ পত্ৰ প্ৰদান কৰিছিল। উক্ত পত্ৰৰ আধাৰত তদানীন্তন স্বাস্থ্যমন্ত্ৰী আৰু এতিয়াৰ মুখ্যমন্ত্ৰীয়ে ৩০ আগষ্ট ২০২০ৰ এইছ এল এ ৮৫/২০১৯/২২ এ নম্বৰ এক নিৰ্দেশনাযোগে ৰাজহুৱা আবেদনৰ ভিত্তিত মৰিগাঁও অসামৰিক চিকিৎসালয়ৰ নাম ছহিদ তিলক ডেকা, গুণাভিৰাম বৰদলৈ আৰু হেমৰাম পাতৰৰ নামেৰে নামকৰণ কৰিবলৈ অনুমোদন জনায়। ৰাজ্য স্বাস্থ্য বিভাগে মৰিগাঁও অসামৰিক চিকিৎসালয়ৰ নামকৰণ ছহিদকেইজনৰ নামত নামকৰণ কৰিবলৈ অনুমোদন জনোৱাৰ পাছতো মৰিগাঁও অসামৰিক চিকিৎসালয়ত ছহিদকেইজনৰ নামত নাম ফলক নলগা ঘটনাই বিশেষ তাৎপৰ্য বহন কৰিছে।

# জামুগুৰিহাটৰ কন্যকা কৃষি পামত চিকিৎসক, স্বাস্থ্যকৰ্মীক সম্বৰ্ধনা বিধায়কৰ

অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ২৫ জুলাই ঃ** 'কৰ'না মহামাৰীৰ পৰা আমি নিজক সুৰক্ষিত কৰি ৰাখিবলৈ হ'লে সকলো চৰকাৰী বিধি আমি মানি চলিব লাগিব। আমি প্ৰতিটো মুহূৰ্ততে সজাগ-সচেতন হৈ থাকি কৰ'না মহামাৰীক জয় কৰিব লাগিব।' এই মন্তব্য চতিয়া সমষ্টিৰ বিধায়ক পদ্ম হাজৰিকাৰ। পৰহি জীয়া ভৰলী কন্যকা কৃষি পামত উত্তৰ জামুগুৰি প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ স্বাস্থ্য বিষয়া ডাঃ ৰূপক বৰুৱা প্ৰমুখ্যে কে'বাগৰাকী চিকিৎসাকৰ্মী, নাৰ্ছক একোখনকৈ বিহুৱানেৰে আদৰণি জনাই বিধায়কজনে কয়, 'এইসকল চিকিৎসক, চিকিৎসাকৰ্মীৰ বাবেই আমি নিজক সুৰক্ষিত কৰি ৰাখিব পাৰিছো। নিজৰ মানুহ, পৰিয়ালক ঘৰত থৈ এইসকল চিকিৎসক-চিকিৎসাকৰ্মীয়ে দিনে-নিশাই ৰাইজৰ যি সেৱা কৰি অআহিছে সেয়া কৃতজ্ঞতাৰ পাত্ৰ।' এই মহান যোদ্ধাসকলক ভগৱানে অধিক শক্তি প্ৰদান কৰক বুলিও মন্তব্য কৰে বিধায়ক হাজৰিকাই। উল্লেখ্য যে আজি পুৱা জীয়া ভৰলী কন্যকা কৃষিপামত সদা ব্যস্ত হৈ থকা কৃষিপামৰ বিষয়া-কৰ্মচাৰী, শ্ৰমিক সকলোকে ক'ভিডৰ প্ৰতিষেধক প্ৰদান কৰে উত্তৰ জামুগুৰি প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ বিষয়া-কৰ্মচাৰীসকলে।

# চাবুৱাৰ যাত্ৰীবাহী বাহনৰ চালক-মালিকৰ ক্ষোভ ঃ ৰাজ্য চৰকাৰৰ এছ অ' পি উলংঘা

অগ্ৰদূত বাৰ্তা,

**চাবুৱা, 25 জুলাই ঃ** কে'বামাহ ধৰি ৰাজ্যত কভিড সৃষ্ট পৰিস্থিতিৰ বাবে ৰাজ্য চৰকাৰে বলবৎ কৰা নীতিৰ বাবে বহুজন ক্ষতিগ্ৰস্ত হোৱাৰ সময়ে জনসাধাৰণেও ইয়াৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি আহিছে। তেনে সময়তে আৰ্থিক ভাৱে বাৰুকৈ বিধস্ত হোৱা বাহন ব্যৱসায়ী সকলে অধিক সতৰ্কতাৰে নিজৰ উপাৰ্জনত মনোনিবেশ কৰিব লগাত পৰিছে। ৰাজ্যৰ কেইবাখনো জিলাৰ মাজত যাত্ৰীবাহী বাহন চলাচলৰ ক্ষেত্ৰ কিছু নিয়ম বলবৎ হৈ থকাৰ সময়তে তিনিচুকীয়া আৰু ডিব্ৰুগড় জিলা সীমান্তৰ পানীতোলাৰ টি চি পি ত অবাধে যাত্ৰীবাহী ট্ৰেভেলাৰ আৰু উইংগাৰ সমূহ পাৰ হৈ যোৱাৰ অভিযোগ উত্থাপিত হৈছে। ডিব্ৰুগড় জিলাৰ অন্তৰ্গত যাত্ৰীবাহী বাহনৰ চালক আৰু মালিকসকলে যোৱা ২৪ জুলাইত সংবাদ মাধ্যমৰ আগত এই অভিযোগ উত্থাপন কৰি জানিবলৈ দিয়ে যে- আন্তঃজিলা যাতায়তৰ ক্ষেত্ৰত এখন জিলাৰ যাত্ৰীবাহী বাহনে যাত্ৰীক সীমান্ত নমাই আনখন জিলাৰ প্ৰান্তৰত এৰি দিব লাগে যদিও তাকে নকৰি নিৰ্বিঘ্নে তালাচী চকী অতিক্ৰম কৰিছে। ডিব্ৰুগড় জিলাৰ বাহন সমূহত জড়িত চালক কৰ্মচাৰী ইয়াৰ ফলত ক্ষতিগ্ৰস্ত হ'ব লগাত পৰিছে বুলি জানিবলৈ দিছে। তদুপৰি তিনিচুকীয়া আৰু ডিব্ৰুগড় জিলা সীমান্ত অতিক্ৰম কৰা তিনিচুকীয়া জিলাৰ এজন চালকৰ সৈতে সাংবাদিকৰ কথাবাৰ্তাৰ সময়ত চালাচী চকীত ধন বিনিময়ৰ জৰিয়তে অতিক্ৰম কৰাৰ কথা স্বীকাৰ কৰে চালকে। এই ক্ষেত্ৰত স্পষ্টকৈ প্ৰকাশ নকৰিলেও কৰ্তব্যৰত আৰক্ষীলৈ সন্দেহৰ আঙুলি উঠিছে ধন বিনিময় প্ৰসংগত। অভিযোগকাৰী চালকসকলৰ মতে তেওঁলোকৰ পৰিয়ালসমূহ আৰ্থিক ভাৱে বিপৰ্যয় ঘটিছে কিয়নো এখন চাৰিচকীয়া বাহন থকা লোকে চৰকাৰী ৰেচন কাৰ্ড, চৰকাৰী আঁচনিৰ পৰা বঞ্চিত হৈছে। কিন্তু তেওঁলোক যে বৰ্তমান কভিড সৃষ্ট পৰিবেশত বাহনৰ ঋণৰ কিস্তি দিব নোৱাৰা অৱস্থা হৈ পৰিছে। এজন চালকে সাংবাদিকৰ আগত চকুৰপানী টুকি এই কথা ব্যক্ত কয় যে আমাৰ দুখৰ কথাবোৰ কাৰোবাৰ আগত ক'বলৈ লাজ লাগে। পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি বাতৰি সংগ্ৰহৰ বাবে যোৱা প্ৰতিবেদকে পানীতোলা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়াৰ সৈতে আলোচনাৰ মাজেৰে চালক সকলৰ সমস্যা সমাধানৰ আহ্বান জনোৱাত বিষয়া গৰাকীয়ে চালক সকলক মাতি পঠায়।

# বাঁহৰ সাঁকোৰে বিপদসংকুল যাতায়াত পূব গোৱালপাৰা বগঢো গাঁৱৰ ৰাইজে

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ২৫ জুলাই ঃ** যাতায়াতৰ ক্ষেত্ৰত ব্যাপক উন্নয়ন কৰা বুলি চৰকাৰে ঢাক-ঢোল বজাই আহিছে যদিও বাস্তৱ ক্ষেত্ৰত গোৱালপাৰা জিলাৰ ঠাই বিশেষে ইয়াৰ বিপৰীত ছবিহে ফুটি উঠিছে। গোৱালপাৰা পূব সমষ্টিৰ অন্তৰ্গত বগঢো গাঁৱৰ ৰাইজে যুগ যুগ ধৰি বাঁহৰ সাঁকোৰে বিপদসংকুল অৱস্থাত যাতায়াত কৰিবলগীয়া হৈছে। গোৱালপাৰা চহৰৰ পৰা মাত্ৰ ১৩ কিলোমিটাৰ দূৰত্বত থকা গাৰো জনগোষ্ঠীয় বগঢো গাঁৱৰ লোকসকলে আজিলৈকে উন্নয়নৰ পোহৰৰ পৰা বঞ্চিত হোৱা বুলি অভিযোগ কৰিছে। গাঁওখনৰ মাজেৰে বৈ যোৱা জিঞ্জিৰাম নৈৰ ওপৰত থকা বাঁহৰ সাঁকোৰে যুগ যুগ ধৰি বিপদসংকুল অৱস্থাত ইপাৰ-সিপাৰ হৈছে গাঁওবাসী ৰাইজে। অতি বিপজ্জনকভাৱে এইখন সাঁকোৰেই কণ কণ ছাত্ৰ-ছাত্ৰী আহ-যাহ কৰিবলগীয়া হয়। গাঁওখনৰ লোকসকলে তেওঁলোকৰ নিত্য



প্ৰয়োজনীয় সামগ্ৰী এইখন সাঁকোৰে পাৰাপাৰ কৰিব লাগে। উল্লেখ্য যে জিঞ্জিৰাম নৈৰ ওপৰত থকা সাঁকোখন প্ৰতি বছৰে ধল পানীয়ে উটুৱাই লৈ যায়। সেয়ে বাঁহৰ সাঁকোখন প্ৰতি বছৰে ৰাইজে গাঁঠিৰ ধন ভাঙি নিৰ্মাণ কৰিবলগীয়া হয়। ৰাইজৰ অভিযোগ মতে, স্থানীয় বিধায়ক এ কে ৰছিদ আলম দ্বিতীয়বাৰৰ বাবে বিধায়ক হ'লেও গাঁওখনত উন্নয়নমূলক কাম কৰাৰ নজিৰ নাই। অৱশ্যে নিৰ্বাচনৰ সময়ত এইখন গাঁৱলৈ মনত পৰে বিধায়কজনৰ। সেয়ে এই ক্ষেত্ৰত মুখ্যমন্ত্ৰীৰ হস্তক্ষেপ বিচাৰিছে স্থানীয় ৰাইজে।

## বিজেপিত যোগদান বিপিএফ ছয় নেতাৰ

অগ্ৰদূত বাৰ্তা

**মুছলপুৰ, ২৫ জুলাই ঃ** বিজেপি দল আৰু ৰাজ্যৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ কৰ্মৰ প্ৰতি আনুগত্য প্ৰকাশ কৰি বাগ্‌সা জিলাৰ সদৰ মুছলপুৰত ছগৰাকী বিপিএফ নেতাই যোৱা ২৪ জুলাইত যোগদান কৰে। দলটোৰ বাগ্‌সা জিলা সমিতিৰ মুখ্য কাৰ্যালয়ত আজি অনুষ্ঠিত দিহিৰা মণ্ডলৰ কাৰ্যনিৰ্বাহক এখন সভাত বিপিএফৰ প্ৰতিষ্ঠাপক নেতা ক্ৰমে মৃদুল সিং ব্ৰহ্ম, জিতু বড়ো, বুবুল সিং ব্ৰহ্ম, বুদ্ধ ব্ৰহ্ম, নলীন্দ্ৰ পোখ্ৰেল আৰু দীপক বড়োৱে বিজেপিত যোগদান কৰে। এই নেতাসকলে বিপিএফৰ প্ৰতি মোহভংগ হোৱা বুলি মন্তব্য কৰাৰ লগতে শেহতীয়াভাৱে বিজেপিয়ে ৰাইজৰ হকে ভাল কাম কৰা বাবেই দলটোৰ প্ৰতি আস্থা প্ৰকাশ কৰি বিজেপিত যোগদান কৰা বুলি মত প্ৰকাশ কৰে। উল্লেখ্য যে বিজেপিৰ দিহিৰা মণ্ডলৰ সভাপতি টেকনাথ পৰাজুলিৰ সভাপতিত্বত অনুষ্ঠিত কাৰ্যনিৰ্বাহক সভাতে মণ্ডলৰ অন্তৰ্গত ১২খন ভিচিডিচি গঠনৰ ক্ষেত্ৰত থকা আঁসোৱাহসমূহ দূৰ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। আনহাতে, তামুলপুৰ বিধানসভা সমষ্টিৰ বাবে হ'বলগীয়া উপ-নিৰ্বাচনৰ বাবে বিজেপিয়ে কঁকালত টঙালি বন্ধা বুলি মন্তব্য কৰে জিলা বিজেপিৰ সভাপতি ৰাম দাহালে। তেওঁ কয় যে ইতিমধ্যে মিত্ৰ দল ইউপিপিএলৰ পৰাও প্ৰাৰ্থিত্ব দাবী কৰিছে যদিও বিজেপিয়েও সমষ্টিটোত প্ৰতিদ্বন্দ্বিতা কৰাৰ বাবে আগ্ৰহ প্ৰকাশ কৰিছে। দলৰ তৃণমূল পৰ্যায়ৰ কৰ্মীয়ে ইতিমধ্যে সমষ্টিটোত প্ৰতিদ্বন্দ্বিতা কৰিব লাগে।

# কলিয়াবৰত কেন্দ্ৰীয় চৰকাৰৰ 'জুট আই কেয়াৰ-২০২১' আঁচনিৰ আৰম্ভ

অগ্ৰদূত বাৰ্তা

**কলিয়াবৰ, ২৫, জুলাই ঃ** অসম সমবায় মৰাপাট কলৰ লগতে মৰাপাট কৃষককৈ আশাৰ বতৰা কঢ়িয়াই কলিয়াবৰত কালি আৰম্ভ হৈছে 'জুট আই কেয়াৰ-২০২১' আঁচনিখন। কেন্দ্ৰীয় চৰকাৰৰ বস্ত্ৰ মন্ত্ৰণালয়ৰ অধীনস্থ তিনিটাকৈ সংস্থা ক্ৰমে নেচনেল জুট ব'ৰ্ড, ভাৰতীয় মৰাপাট নিগম আৰু কেন্দ্ৰীয় মৰাপাট আৰু সহজাত আঁহ গৱেষণা কেন্দ্ৰৰ সহযোগত ৰূপায়ণ হৈ থকা জুট আই কেয়াৰ নামৰ আঁচনিখনে ইতিমধ্যে ব্যাপক সমাদৰ লাভ কৰিছে কলিয়াবৰ মহকুমাৰ মৰাপাট কৃষকসকলৰ মাজত। পশ্চিম কলিয়াবৰ উন্নয়ন খণ্ডৰ অন্তৰ্গত লক্ষনাবন্ধা গাঁও পঞ্চায়ত অঞ্চলৰ কৃষক চন্দ্ৰ মণ্ডলক এম জি এনৰেগা আঁচনিৰ জৰিয়তে লাভান্বিত কৰা এটা পুখুৰীত 'জুট আই কেয়াৰ প্ৰকল্প ২০২১' আঁচনিৰ জৰিয়তে জীৱাণু মিশ্ৰণ পাউদাৰ ব্যৱহাৰ কৰি উন্নত পদ্ধতিত মৰাপাট গোৰোৱা কাৰ্যসূচী সম্পূৰ্ণ ক'ভিড নিয়ম মানি আৰম্ভ কৰা হয়। আধুনিক প্ৰযুক্তি তথা উন্নত কৌশল অৱলম্বন কৰি মৰাপাট আঁহৰ গুণগত মান উন্নত কৰাৰ লগতে কৃষকসকলে যাতে অতিৰিক্ত আয় বৃদ্ধি কৰিবলৈ সক্ষম হয় সেই উদ্দেশ্যে পুখুৰীত জীৱাণু মিশ্ৰণ 'ক্ৰাইজেক সোণা পাউদাৰ' নামৰ এক বিশেষ পাউডাৰ ব্যৱহাৰ কৰি মৰাপাট গোৰোৱা বা জাক দিয়া পদ্ধতিৰ যোৱা ২৩ জুলাইত প্ৰশিক্ষণ দিয়ে মৰাপাট কৃষকসকলক। ক'ভিড নিয়মৰ মাজেদি আজিৰ এই মৰাপাট গোৰোৱা প্ৰশিক্ষণত ব্লক ছুপাৰভাইজৰ হিৰণ্য কুমাৰ কটকী আৰু প্ৰভাত চন্দ্ৰ দেউৰী, কলিয়াবৰ মৰাপাট ক্ৰয় কেন্দ্ৰৰ পৰিচালক যোগেন ডেকা, পঞ্চায়ত সভাপতি ৰামেশ্বৰ বৰাকে ধৰি স্থানীয় ভালেকেইগৰাকী মৰাপাট খেতিয়ক উপস্থিত থাকে। উল্লেখ্য যে কলিয়াবৰত মৰাপাট খেতিৰ সক্ৰিয়তাই শিলঘাটস্থিত অসম সমবায় মৰাপাট কলটোলৈ আশাৰ বতৰা কঢ়িয়াই অনাৰ আশা কৰিছে সকলোৱে।

# অৱহেলিত ছহিদ হৰধন ৰায় পৰিয়ালৰ খবৰ ল'বলৈ সময় নাই চৰকাৰৰ

**দোতমা/ফকিৰাগ্ৰাম, ২৫ জুলাই ঃ** কোকৰাঝাৰ আৰু ধুবুৰী জিলাৰ সীমান্তৱৰ্তী অঞ্চল ফুটকিবাৰীৰ মেধিপাৰাস্থিত ছহিদ হৰধন ৰায় ছহিদ হোৱাৰ কে'বামাহ উকলি যোৱাৰ পাছতো খবৰ ল'বলৈ আহৰি নহ'ল ভাৰতীয় সেনা বিভাগৰ। প্ৰাপ্ত হৰধন জম্মু-কাশ্মীৰৰ উৰিত পাকিস্তানী সেনাৰ লগত এখ মুখামুখি সংঘৰ্ষত ছহিদ হৈছিল ২০২০ৰ ১৩ নৱেম্বৰত ছহিদ হোৱাৰ পাছত হৰধন ৰায়ৰ নশ্বৰ দেহ স্বগৃহলৈ লৈ অনাৰ পাছত তদানীন্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ সমাজ কল্যাণ বিভাগৰ মন্ত্ৰী প্ৰমিলা ৰাণী ব্ৰহ্মৰ লগতে সেনাবাহিনীৰ উচ্চস্তৰীয় বিষয়ববীয়াসকলো উপস্থিত থাকি এটা ছহিদ বেদীৰ লগতে এটা ছহিদ তোৰণ নিৰ্মাণৰ প্ৰতিশ্ৰুতি দিছিল যদিও আজিলৈকে সেই প্ৰতিশ্ৰুতি পূৰণ নহ'ল। ছহিদ ৰায়ৰ পত্নী বকুল ৰায়ে কয় যে মোৰ স্বামী মাতৃভূমিৰ ৰক্ষাৰ বাবে ছহিদ হৈ দেশলৈ গৌৰৱ কঢ়িয়াই আনিলে। তেওঁ প্ৰধানমন্ত্ৰী আৰু প্ৰতিৰক্ষা মন্ত্ৰীক অনুৰোধ জনাই কয় যে ছহিদ পৰিয়ালক উচিত সন্মান আৰু সুবিধা প্ৰদান কৰাৰ লগতে হৰধন ছাৰ্ভিচ বক্সৰ লগতে বিভাগীয় মৃত্যুৰ প্ৰমাণপত্ৰ, ছহিদ মেডেল দিব লাগে। সমাজ কল্যাণ বিভাগৰ তদানীন্তন মন্ত্ৰী ব্ৰহ্মই উক্ত বিভাগত হৰধন পৰিয়ালক চাকৰি প্ৰদানৰ প্ৰতিশ্ৰুতি দিছিল যদিও আজিলৈকে বিভাগৰ কোনো মন্ত্ৰী বিষয়াই চাকৰিতো দূৰৰে কথা খবৰেই লোৱা নাই। তেওঁ পৰিয়ালটোৰ প্ৰতি সুদৃষ্টি ৰাখি সন্মান প্ৰদান কৰিবলৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক আদৰণি জনায়। উল্লেখ্য যে হৰধনৰ পিতৃ, মাতৃ, খুৰা, খুৰী সকলোৱে প্ৰতিবন্ধী।




# অসম-অৰুণাচল সীমান্তৱৰ্তী ঐতিহ্যমণ্ডিত মাটি পাহাৰ সংৰক্ষণৰ দাবী

## ৰজা আৰিমত্তৰ স্বাক্ষৰ বহন কৰিছে মাটি পাহাৰে

অগ্ৰদূত বাৰ্তা

**নদুৱাৰ, ২৫ জুলাই ঃ** চৰকাৰে মনোযোগ আকৰ্ষণ কৰিলে পৰ্যটনৰ আকৰ্ষণৰ কেন্দ্ৰ বিন্দু হৈ পৰিব অসম-অৰুণাচল সীমান্তৱৰ্তী অঞ্চলস্থিত মাটি পাহাৰ। নদুৱাৰৰ অন্তৰ্গত উত্তৰ নাগশংকৰ পঞ্চায়তৰ মনাই-জয়সিদ্ধিৰ নিকটৱৰ্তী এই মাটিৰ পাহাৰৰ ওপৰত গৱেষণা কৰিলে বহু ঐতিহ্যৰ সমল উদ্ধাৰ হ'ব বুলি ঠাৱৰ কৰিব পাৰি। জনশ্ৰুতি অনুযায়ী ৰজা আৰিমত্তই সৈন্য বাহিনীক ৰাখিবৰ বাবে এই পাহাৰ নিৰ্মাণ কৰিছিল। এই পাহাৰৰ নাম কেনেকৈ কিয় মাটি পাহাৰ হ'ল সেই কথা জনা নাযায় যদিও মাটিৰে পাহাৰ তৈয়াৰ কৰা বাবেই মাটিৰ পাহাৰ হোৱা বুলি জনশ্ৰুতি চলি আহিছে। ইয়াৰ উপৰি পাহাৰখনৰ চাৰিও দিশে অস্ত্ৰ-শস্ত্ৰ গোটাই ৰাখিবলৈ নিৰ্মাণ কৰিছিল চাৰিটাকৈ পুখুৰী। যি আজিও বিৰাজমান। এই পাহাৰৰ কাষতে সুদুৰ অৰুণাচলৰ পৰা বিশ্বনাথলৈকে এটা গড়ো ৰজাই



নিৰ্মাণ কৰা বিষয়ে তথ্য পোৱা গৈছে। যিটো গড়ৰ নাম ৰাজগড় বুলি পৰিচিত। সম্প্ৰতি গড়টো লুপ্ত যদিও ঠায়ে ঠায়ে বিৰাজমান। সম্প্ৰতি ইতিহাস জড়িত এই পাহাৰটো জহি-খহি যোৱাৰ উপক্ৰম ঘটিছে। স্থানীয় ৰাইজে পাহাৰটো সম্পূৰ্ণৰূপে সজাই পৰাই পৰ্যটনৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু কৰি তোলাৰ দাবী জনাইছে। তেজপুৰৰ অগ্নিগড়, ঔগুৰি পাহাৰৰ লেখীয়াকৈ পুৰাতত্ত্ব বিভাগে পাহাৰটো সংৰক্ষণ কৰি পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু কৰি তুলিলে চৰকাৰে যথেষ্ট ৰাজহ লাভৰ সম্ভৱনা আছে বুলিও মন্তব্য কৰে স্থানীয় সচেতন মহলে। ব্ৰিটিছৰ দিনত পাহাৰটো বিশ্বনাথ টি কোম্পানীৰ হাতত আছিল যদিও পৰৱৰ্তী সময়ত পাহাৰটো অসম চৰকাৰৰ সামাজিক বনানীকৰণ বিভাগৰ হাতলৈ যায়। পাহাৰটোত স্থানীয় ৰাইজে মন্দিৰ স্থাপন কৰি সেৱা সৎকাৰ কৰি অহাৰ বিষয়েও জানিব পৰা গৈছে। ইতিহাস খোদিত পাহাৰটো অতি পিছপৰা দুৰ্গম অঞ্চলত থকা বাবেই আজিও অনাদৃত হৈ থকা বুলিও মন্তব্য কৰে স্থানীয় সচেতন ৰাইজে।

## কৰ পৰিশোধৰ আহ্বান পৰিবহণ বিষয়াৰ

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ২৫ জুলাই ঃ** নলবাৰী জিলাৰ যানবাহনৰ মালিক আৰু চালকসকলক যিবিলাক যানবাহনৰ কাগজ-পত্ৰ নিয়মীয়া হৈ থকা নাই অথবা কৰ পৰিশোধ কৰা নাই সেইসকল মালিকক অহা ৩০ ছেপ্টেম্বৰৰ আগতে কৰ পৰিশোধ কৰিবলৈ আহ্বান জনাইছে জিলা পৰিবহণ বিষয়াই। অহা ৩০ ছেপ্টেম্বৰৰ পূৰ্বে যানবাহনৰ মালিক তথা চালকে নলবাৰী জিলা পৰিবহণ বিষয়াৰ কাৰ্যালত অথবা অনলাইনযোগে কৰ পৰিশোধ কৰাৰ উপৰি যাৱতীয় কাগজ পত্ৰ নৱীকৰণ কৰিবলৈ আহ্বান জনাইছে পৰিবহণ বিষয়া সীমান্ত বৰাই। অন্যথা জৰিমনা ভৰিব লাগিব বুলি সকীয়াই দিয়ে। কিয়নো ক'ভিড মহামাৰীৰ পৰিপ্ৰেক্ষিতত চৰকাৰে বান্ধি দিয়া সময় অহা ৩০ ছেপ্টেম্বৰত উকলি যাব। ইতিমধ্যে পৰিবহণ বিষয়াই জিলাখনৰ প্ৰান্তে প্ৰান্তে মাইকত ঘোষণা দিয়াৰ উপৰি গোহাৰি পত্ৰ বিতৰণ কৰিছে।

# আৰক্ষীৰ জালত পৰিল দুই দুৰ্ধৰ্ষ ডকাইত

**আলোপতি, ২৫ জুলাই ঃ** দীৰ্ঘদিন ধৰি কামৰূপ আৰক্ষীৰ মূৰৰ কামোৰণি হৈ থকা দুৰ্ধৰ্ষ ডকাইত আবুল কালামক অৱশেষত আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। যোৱা ২৩ জুলাইৰ নিশা প্ৰায় ১২ বজাত কামৰূপ জিলাৰ নগৰবেৰা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া বিষ্ণু বসুমতাৰী আৰু বৰপেটা জিলাৰ আলোপতি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া বিদ্যুৎ কুমাৰ ঠাকুৰীয়াৰ নেতৃত্বত আৰক্ষীৰ বৃহৎ দল এটাই অতি সংগোপনে অভিযান চলাই গ্ৰেপ্তাৰ কৰে কালামক। গাড়ী চুৰি, হানী ট্ৰেপিং আৰু একাধিক ডকাইতি কাণ্ডৰ লগত জড়িত কালামক গ্ৰেপ্তাৰ কৰিবলৈ কামৰূপ আৰক্ষীয়ে একাধিকবাৰ জাল পেলায়ো ব্যৰ্থ হৈছিল। ঈদৰ সময়ত কালামে নিজ গৃহলৈ অহাৰ সম্ভেদ লাভ কৰি যোৱা ২৩ জুলাইৰ নিশা নগৰবেৰা আৰক্ষী আৰু আলোপতি আৰক্ষীয়ে যৌথ অভিযান চলাই কালাইৰদিয়া গাঁৱৰ এটা পৰিত্যক্ত গৃহত আত্মগোপন কৰি থকা অৱস্থাত গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। তদুপৰি আৰক্ষীয়ে মাজৰচৰ গাঁৱৰ আন এজন ডকাইত কলম আলীকো গ্ৰেপ্তাৰ কৰে। দুয়োজনকে সম্প্ৰতি নগৰবেৰা আৰক্ষীয়ে জেৰা অব্যাহত ৰাখিছে। দীৰ্ঘদিন ধৰি চুৰি, ডকাইতি আৰু হানী ট্ৰেপিঙৰ দৰে অপৰাধত জড়িত দুৰ্ধৰ্ষ অপৰাধী কালামে নিজকে অপৰাধমুক্ত কৰাৰ চেষ্টাৰে কিছুদিন পূৰ্বে 'ঞ্জেকুলাৰ নিউজ-২৪' নামৰ এটা প'ৰ্টেল খুলি সেই প'ৰ্টেলৰ চিইঅ' বুলি জাহিৰ কৰি ফুৰিছিল আৰু প'ৰ্টেলৰ সংবাদকৰ্মী বুলি পৰিচয় দিয়া অঞ্চলটোৰ কে'বাজনো এনে সংবাদকৰ্মীৰে গঢ়ি তুলিছিল মধুৰ সম্পৰ্ক। আনহাতে, কালাম দক্ষিণ বৰপেটা প্ৰেছ ক্লাবৰো কাৰ্যকৰী সভাপতি বুলি পৰিচয় দি ফুৰিছিল। পূৰ্বে বহু অপৰাধত জড়িত কালামে নিজকে সাংবাদিক বুলি জাহিৰ কৰি অঞ্চলটোত একপ্ৰকাৰ সন্ত্ৰাসৰ সৃষ্টি কৰিছিল।

# অগ্নিকাণ্ডৰ পৰা কথমপি ৰক্ষা পৰিল শোণিতপুৰৰ উপায়ুক্ত কাৰ্যালয়

অগ্ৰদূত বাৰ্তা

**তেজপুৰ, ২৫ জুলাই ঃ** তেজপুৰস্থিত শোণিতপুৰৰ উপায়ুক্ত কাৰ্যালয়ত যোৱা ২৪ জুলাইত দিনত বৈদ্যুতিক শ্বৰ্ট চাৰ্কিটৰ বাবে দুবাৰকৈ অগ্নিকাণ্ডৰ ঘটনা সংঘটিত হয়। উপায়ুক্ত ভূপেশ চন্দ্ৰ দাসৰ তৎপৰতাত প্ৰথমবাৰ কাৰ্যালয়টোৰ দ্বিতীয় মহলাত সংঘটিত অগ্নিকাণ্ড তাৎক্ষণিকভাৱে নিৰ্বাপণ কৰা হয় যদিও ইয়াৰ ১০ মিনিটমান পাছতেই কাৰ্যালয়টোৰ ভূমিস্থিত মহলাত পুনৰ এটা কোঠা জ্বলি উঠে। এই সময়ত ইয়াত অগ্নিনিৰ্বাপক বাহিনী তথা ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা বাহিনীৰ লোকো উপস্থিত হৈ অগ্নি নিৰ্বাপণ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে উপায়ুক্ত কাৰ্যালয়ত জলজীৱন অভিযানৰ এখন সভা অনুষ্ঠিত হোৱাৰ সময়তে এই দুৰ্ঘটনা সংঘটিত হয়। তেজপুৰৰ সাংসদ পল্লৱলোচন দাসৰ লগতে উপায়ুক্ত, প্ৰশাসনীয় বিষয়া বৰ্গ, জনস্বাস্থ্য কাৰিকৰী বিভাগৰ বিষয়া তথা এপিডিচিএলৰ অভিযন্তাসহ এই সভাৰ বাবে কাৰ্যালয়টোত উপস্থিত আছিল। প্ৰথম অৱস্থাত সভাখন উপায়ুক্ত কাৰ্যালয়ৰ দ্বিতীয় মহলাত নতুনকৈ নিৰ্মাণ কৰা সভাকক্ষত অনুষ্ঠিত হোৱাৰ কথা আছিল। এই সময়তে কাষৰে এটা অব্যৱহৃত সামগ্ৰী মজুত থকা কক্ষত অগ্নিকাণ্ডৰ সূত্ৰপাত ঘটে। উপায়ুক্ত দাস ততাতৈয়াকৈ ইয়াত উপস্থিত হৈ কৰ্মচাৰীৰ সহযোগত তেওঁ নিজেও কাৰ্যালয়টোত মজুত থকা অগ্নিনিৰ্বাপক সঁজুলিৰে সেই অগ্নি নিৰ্বাপণ কৰিবলৈ সক্ষম হয়। ইয়াৰ পাছতে সভাৰ স্থান প্ৰথম মহলাৰ সভাকক্ষলৈ স্থানান্তৰ কৰা হয়। সভা আৰম্ভ হোৱাৰ মাত্ৰ ১০ মিনিট পাছতে এইবাৰ কাৰ্যালয়টোৰ ভূমি মজিয়াৰ আন এটা বন্ধ কোঠাত জুই লাগে। কাৰ্যালয়টোৰ বাৰাণ্ডা পৰ্যন্ত ধোঁৱাই আগুৰি ধৰে আৰু উপায়ুক্ত তথা কৰ্মচাৰীসকলে এই অগ্নিও নিৰ্বাপণৰ চেষ্টা চলায়। সেই সময়ত অগ্নিনিৰ্বাপক বাহিনীৰ গাড়ী ঘটনাস্থলীত উপস্থিত হৈ অগ্নি নিৰ্বাপণ কৰে।

# বৰপেটাৰ কায়াকল্প শিতানত প্ৰথম-দ্বিতীয় স্থানসহ ১৫টা চিকিৎসা কেন্দ্ৰৰ স্থান লাভ

বিশেষ সংবাদদাতা

**বৰপেটা, ২৫ জুলাই ঃ** ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ কায়াকল্প শিতানত বৰপেটা জিলা স্বাস্থ্য বিভাগে বিশেষ সফলতা লাভ কৰিবলৈ সক্ষম হৈছে। বৰপেটা জিলা স্বাস্থ্য বিভাগৰ অধীনস্থ বিভিন্ন চিকিৎসালয়, স্বাস্থ্য কেন্দ্ৰসমূহৰ ভিতৰত দুটা কেন্দ্ৰই ৰাজ্যখনৰ ভিতৰতে লাভ কৰিছে প্ৰথম আৰু দ্বিতীয় স্থান। জিলাখনৰ মুঠ ১৫টা স্বাস্থ্য কেন্দ্ৰই স্থান লাভ কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে ৰাজ্য চৰকাৰৰ স্বাস্থ্য বিভাগৰ অধীনস্থ চৰকাৰী খণ্ডৰ স্বাস্থ্য কেন্দ্ৰসমূহত মূলতঃ স্বাস্থ্য বিভাগৰ নীতি অনুসৰি পৰিষ্কাৰ-পৰিচ্ছন্নতা, বিষয়া-কৰ্মচাৰীৰ জ্ঞানৰ পৰিপক্কতা, কেন্দ্ৰসমূহৰ নিৰ্দেশনা চিহ্ন তথা তথ্যৰ সংৰক্ষণ আদিকে ধৰি কে'বাটাও বিষয়ত সূক্ষ্ম নিৰীক্ষণেৰে বিশেষজ্ঞ মহলৰ দ্বাৰাই মূল্যায়ন কৰোৱা ব্যৱস্থাটোকে ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানে 'কায়াকল্প' শিতান হিচাপে নামাংকিত কৰিছে। এই কায়াকল্প শিতানত বৰপেটা জিলা স্বাস্থ্য বিভাগ এইবাৰ ৰাজ্যিক পৰ্যায়ত বিশেষ স্থান লাভ কৰিবলৈ সক্ষম হৈছে। ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানে এইবেলি ৰাজ্যিক পৰ্যায়ত চাৰিটা শাখাত কায়াকল্প ৰূপায়ণ কৰে। এই শাখাসমূহ হ'ল ক্ৰমে জিলা অসামৰিক চিকিৎসালয়, সামূহিক স্বাস্থ্য কেন্দ্ৰ, প্ৰাথমিক স্বাস্থ্য খণ্ড আৰু স্বাস্থ্য কল্যাণ কেন্দ্ৰ। ৰাজ্যিক পৰ্যায়ত প্ৰথমবাৰৰ বাবে ৰূপায়ণ কৰা স্বাস্থ্য আৰু কল্যাণ কেন্দ্ৰ শাখাত বৰপেটা জিলা স্বাস্থ্য বিভাগৰ অধীনস্থ হাজীপাৰা স্বাস্থ্য আৰু কল্যাণ কেন্দ্ৰই প্ৰথম স্থান লাভ কৰে। ৮৬.৩ শতাংশ নম্বৰ লাভ কৰি প্ৰথম স্থান দখল কৰাৰ বাবে হাজীপাৰা স্বাস্থ্য আৰু কল্যাণ কেন্দ্ৰই পুৰস্কাৰ হিচাপে ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ পৰা এক লাখ টকা লাভ কৰিব। একেদৰে জিলা অসামৰিক চিকিৎসালয় শাখাত বৰপেটা কলগাছিয়া অসামৰিক চিকিৎসালয়ে ৰাজ্যিক পৰ্যায়ত ৮৪.৭ শতাংশ নম্বৰ লাভ কৰি দ্বিতীয় স্থান লাভ কৰিবলৈ সক্ষম হৈছে। চিকিৎসালয়খনক ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানে আগবঢ়াব ২০ লাখ টকা। সমূহীয়া স্বাস্থ্য কেন্দ্ৰ শাখাত ৰাজ্যিক পৰ্যায়ত বাছনিকৃত হোৱা ৬২খনৰ ভিতৰত বৰপেটা জিলা স্বাস্থ্য বিভাগৰ অধীনত বৰপেটা জিলাৰ পাঁচটা কেন্দ্ৰই স্থান লাভ কৰিছে। স্থানপ্ৰাপ্ত স্বাস্থ্য কেন্দ্ৰসমূহ হৈছে ক্ৰমে হাউলী সমূহীয়া স্বাস্থ্য কেন্দ্ৰ, ভৱানীপুৰ সমূহীয়া স্বাস্থ্য কেন্দ্ৰ, বৰপেটাৰোড এফ আৰ ইউ, পাঠশালা মহকুমা অসামৰিক চিকিৎসালয় আৰু ভক্তৰডবা আদৰ্শ চিকিৎসালয়। এই কেন্দ্ৰ আৰু চিকিৎসালয়ে এক লাখকৈ লাভ কৰিব ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ পুৰস্কাৰ। আনহাতে, প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ শাখাত বৰপেটা জিলাৰ গোমুৰা ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ, গহিয়া ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ, গৰৈমাৰী প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ, জনীয়া ৰাজ্যিক চিকিৎসালয়, নক্ষত্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ, ব্যাসকুছি ৰাজ্যিক চিকিৎসালয়, নিত্যানন্দ ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ আৰু পাটাছাৰকুছি ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰকে ধৰি মুঠ আঠটা কেন্দ্ৰই স্থান লাভ কৰিছে। ইয়াৰ ভিতৰত গোমুৰা ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰই জিলাখনৰ ভিতৰত প্ৰথম স্থান লাভ কৰাৰ বাবে ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ পৰা এক লাখ টকা পুৰস্কাৰ হিচাপে লাভ কৰিব। বাকী কেন্দ্ৰসমূহে ৫০ হেজাৰকৈ টকা লাভ কৰিব। যোৱা ২৩ জুলাইত এই কথা জানিবলৈ দিয়ে ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ বৰপেটা জিলা মিডিয়া বিশেষজ্ঞ ময়েজ উদ্দিন আহমেদে। কৰ'না সৃষ্ট পৰিৱেশৰ মাজতে বৰপেটা জিলা স্বাস্থ্য বিভাগৰ অধীনস্থ এই সফলতাৰ বাবে বৰপেটা জিলাৰ যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ তীৰ্থ নাথ শৰ্মা, জিলা আঁচনি প্ৰৱন্ধক ৰাজীৱ মেধিয়ে স্বাস্থ্য কেন্দ্ৰসমূহৰ বিষয়ববীয়া কৰ্মচাৰী তথা পৰিচালনা সমিতিলৈ অভিনন্দন জনায়।

# কৰ'নাৰ ভয়াৱহ পৰিস্থিতিত পেটৰ তাড়নাত মঞ্চ এৰি মৎস্য ব্যৱসায়ত ব্যস্ত বাঁহীবাদক গুণজিৎ দাস

অগ্ৰদূত বাৰ্তা

**টিহু, ২৫ জুলাই ঃ** কালৰূপী কৰ'নাৰ ভয়াৱহ পৰিস্থিতিৰ বাবে ভ্ৰাম্যমাণ থিয়েটাৰৰ বিশিষ্ট বাঁহীবাদক গুণজিৎ দাসে সম্প্ৰতি পেটৰ তাড়নাত মৎস্য ব্যৱসায় কৰিবলৈ বাধ্য হৈছে। এসময়ত ভ্ৰাম্যমাণ থিয়েটাৰত বাঁহী আৰু ভায়োলিন বজাই জীৱিকা নিৰ্বাহ কৰা গুণজিৎ দাসে কৰ'না সৃষ্ট পৰিৱেশত ভ্ৰাম্যমাণ থিয়েটাৰসমূহ বন্ধ হৈ থকাত উপায়ান্তৰ হৈ জীৱিকা সলনি কৰি মৎস্য ব্যৱসায়েৰে নিজৰ লগতে পৰিয়ালৰ ভৰণ-পোষণ কৰিবলগীয়া হৈছে। টিহুৰ জলখানাত জন্মগ্ৰহণ কৰা গুণজিৎ দাসে ১৯৭৮ত নটৰাজ থিয়েটাৰত এগৰাকী বাঁহীবাদকৰূপে কৰ্মজীৱন পাতলি মেলে। পৰৱৰ্তী সময়ত দাসে ভাগ্যদেৱী, মুকুন্দ, ৰংঘৰ, ৰাজশ্ৰী, বীণাপানি, বৰদৈচিলা, ইতিহাস আদি থিয়েটাৰত সুদীৰ্ঘ ৪৩ বছৰ কাল একেৰাহে বাঁহীবাদক, ভায়োলীন আৰু কী বোৰ্ডৰ শিল্পীৰূপে সেৱা আগবঢ়াই নিজৰ পৰিয়ালক পোহপাল দি আহিছিল। তদুপৰি ১৯৮০ত আকাশবাণী যুৱবাণীৰ শিল্পীৰূপে আত্মনিয়োগ কৰি ১৯৮৪ত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বি



গ্ৰেডৰ শিল্পীৰূপে স্বীকৃতি লাভ কৰে। উক্ত সময়ছোৱাত তেওঁ বিশিষ্ট কণ্ঠশিল্পী ক্ৰমে প্ৰতিমা পাণ্ডে বৰুৱা, লক্ষ্যহীৰা দাস, বিউতি শৰ্মা বৰুৱা, অনিমা চৌধুৰী, ৰিদীপ দত্ত, খনে মহন্ত, অৰ্চনা মহন্ত, কুইন দাস আদি স্বনামধন্য শিল্পীৰ স'তে বিভিন্ন অনুষ্ঠানত বাঁহী বজাই অনুষ্ঠান পৰিৱেশন কৰে। তেওঁ কে'বাখনো অ'ডিও কেছেটত সংগীত পৰিচালকৰূপে কাৰ্য সম্পাদন কৰিছিল। শেহতীয়াভাৱে ইতিহাস থিয়েটাৰত সুদীৰ্ঘ ১২ বছৰ কাল অতিবাহিত কৰাৰ সময়তে কাল কৰ'নাৰ বাবে বিগত বছৰৰ পৰা ভ্ৰাম্যমাণ থিয়েটাৰ বন্ধ হৈ পৰাত স্বাভাৱিকতে বহুগৰাকী শিল্পীৰ লগতে জীৱিকাৰ পথ বন্ধ হৈ পৰে বাঁহী বাদকজনৰ। এনে পৰিস্থিতিত উপায়ান্তৰ হৈ জীয়াই থকাৰ তাড়নাত গুণজিতে আৰম্ভ কৰে মাছৰ ব্যৱসায়। নিতৌ পুৱাই এখন চাইকেলেৰে বিভিন্ন ঠাইত মাছ বিক্ৰী কৰি বিয়লি নিজ গৃহত উপস্থিত হোৱা গুণজিতে লগতে এতিয়াও কঢ়িয়াই লৈ ফুৰে মৰমৰ বাঁহী। কোনোবাই বাঁহী বজোৱাৰ কথা ক'লেই ব্যৱসায়ৰ মাজতে কোনোবা গীতৰ সুৰ বজাই সুখ অনুভৱ কৰে দাসে। প্ৰতিভাৱান শিল্পীৰ এনে কঠোৰ জীৱন সংগ্ৰাম দেখি উদ্বিগ্ন হৈ পৰিছে সাংস্কৃতিক মহল তথা সমাজ সচেতন মহল। সেয়ে জীৱিকা হেৰুৱাই দিশহাৰা হৈ পৰা শিল্পীসকললৈ চৰকাৰীভাৱে সহায়ৰ হাত আগবঢ়াবলৈ অনুৰোধ জনাইছে।

# বিশিষ্ট ব্যৱসায়ী গিৰিশ শৰ্মাৰ মৃত্যুত শোক

অগ্ৰদূত বাৰ্তা

**টিহু, ২৫ জুলাই ঃ** টিহু মহকুমাৰ অন্তৰ্গত আখৰা চ'ক নিবাসী বিশিষ্ট ব্যৱসায়ী, আখৰা চ'ক ব্যৱসায়ী সন্থাৰ প্ৰাক্তন সভাপতি গিৰিশ শৰ্মা (৭১)ৰ যোৱা নিশা শাৰীৰিক অসুস্থতাৰ বাবে নিজ বাসভৱনত মৃত্যু হোৱাত সমগ্ৰ অঞ্চলটোতে গভীৰ শোকৰ ছাঁ পৰে। উল্লেখ্য যে বিগত কে'বাবছৰ ধৰি শৰ্মাই উচ্চ ৰক্তচাপ আৰু মধুমেহ ৰোগত ভুগি আছিল। তেওঁৰ মৃত্যুত আখৰা চ'ক ব্যৱসায়ী সন্থা, পূব নামবৰভাগ সভা মহোৎসৱ সমিতি, স্থানীয় দুৰ্গা পূজা সমিতি আৰু লক্ষ্মী পূজা সমিতি আদিয়ে গভীৰ শোক প্ৰকাশ কৰে। মৃত্যুৰ সময়ত তেওঁ পত্নীসহ একমাত্ৰ পুত্ৰ আৰু দুগৰাকী জীক এৰি যায়। শৰ্মাৰ বিদেহ আত্মাৰ প্ৰতি গভীৰ শ্ৰদ্ধা নিবেদন কৰি আজি আখৰা চ'কৰ সকলো দোকান-পোহাৰ, ব্যৱসায় প্ৰতিষ্ঠানে বন্ধ পালন কৰে।






## প্ৰাক্তন ছাত্ৰনেতা বসন্ত বৰুৱাৰ কলকাতাত মৃত্যু

অগ্ৰদূত বাৰ্তা

**চতিয়া ২৫ জুলাই ঃ** চতিয়া মুদৈগাঁৱৰ সন্তান বসন্ত বৰুৱা (৬৫)ৰ কালি বিয়লি কলকাতাত মৃত্যু হয়। চতিয়া হাইস্কুলৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ দৰং মহাবিদ্যালয়ত অৰ্থনীতি বিষয়ত অধ্যয়ন কৰা বৰুৱাই পৰৱৰ্তী সময়ত গুৱাহাটী বিশ্ববিদ্যালয়ত অধ্যয়ন কৰি থকা অৱস্থাতে ঐতিহাসিক অসম আন্দোলন আৰম্ভ হয়। ফলত উক্ত আন্দোলনত জঁপিয়াই পৰে বৰুৱাই। চতিয়াত থকা কালৰ পৰাই তেওঁ ছাত্ৰ সন্থাৰ লগত প্ৰত্যক্ষভাৱে জড়িত আছিল। তদুপৰি এজন সুবক্তা হিচাপে প্ৰসিদ্ধি লাভ কৰিছিল। ছাত্ৰাৱস্থাত তেওঁ অভিনয়তো দক্ষতা দেখুৱাইছিল। 'মণিৰাম দেৱান' নাটকত 'হৰনাথ দাৰোগা' চৰিত্ৰত কৰা সাৱলীল অভিনয় এতিয়াও বহু লোকে স্মৰণ কৰে। স্নাতকোত্তৰ ডিগ্ৰী লোৱাৰ পাছত তেওঁ কিছুদিনৰ বাবে গোৰেশ্বৰ কলেজত অধ্যাপনা কৰে যদিও অগপ চৰকাৰ গঠন হোৱাৰ পাছত তেওঁ চাকৰিৰ পৰা অব্যাহতি লৈ ব্যৱসায়ত মনোনিৱেশ কৰে। পাছলৈ তেওঁ এজন প্ৰথম শ্ৰেণীৰ নিৰ্মাতা হিচাপে প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হয়। আজীৱন জাতীয়তাবাদক বুকুত সাবটি ৰখা বৰুৱা কিছুদিন আগতে বৃক্কৰ ৰোগত আক্ৰান্ত হয়। কলকাতাত অস্ত্ৰোপচাৰ কৰি অহা বৰুৱাই কিছু পৰিমাণে আৰোগ্য লাভ কৰিছিল।

## ডিব্ৰুগড়-ৰঙিয়াত দুৰ্ঘটনাত নিহত চাৰি-আহত পাঁচ

### ৰঙিয়াত দুৰ্ঘটনাগ্ৰস্ত যুৱকক মহটিয়ালে ট্ৰাকে

বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা

**ডিব্ৰুগড়/ৰঙিয়া, ২৫ জুলাই ঃ** ডিব্ৰুগড়ত আজি সংঘটিত দুটা পৃথক পথ দুৰ্ঘটনাত তিনিজন লোকৰ মৃত্যু হোৱাৰ বিপৰীতে গুৰুতৰভাৱে আহত হয় আন পাঁচজন লোক। ডিব্ৰুগড়ৰ ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত বাণীপুৰ ৰেলৱে ক্ৰ'ছিঙৰ সমীপত আজি পুৱতি নিশা প্ৰায় ৩-৩০ বজাত সংঘটিত এক পথ দুৰ্ঘটনাত দুজন লোকৰ ঘটনাস্থলীতে মৃত্যু হয়। তিনিচুকীয়াৰ ডিৱাক পাৱৰৰ পৰা নেমুটেঙা কঢ়িয়াই অনা এ এছ-২৩ বি চি-৮৯৩২ নম্বৰৰ বলেৰ' পিকআপ বাহনখনে এ এছ-০৪ এ চি-৪৬৫৬ নম্বৰৰ ট্ৰাকখনৰ পিছফালে তীব্ৰ জোৰে খুন্দা মাৰে। ফলত বলেৰ' পিকআপখনৰ চালক আৰু সহযোগী ক্ৰমে প্ৰশান্ত হাজৰিকা আৰু দুদু সন্দিকৈৰ ঘটনাস্থলীতে মৃত্যু হয়। দুৰ্ঘটনাৰ পাছতে ঘাইপথটোত যাতায়াত কিছু সময়ৰ বাবে বন্ধ হৈ পৰে যদিও যানবাহন আৰক্ষীয়ে তৎপৰতাৰে মুকলি কৰে। ইপিনে, ডিব্ৰুগড় বাইপাছৰ বকপৰা অঞ্চলত আজি সংঘটিত আন এক পথ দুৰ্ঘটনাত এজন লোক নিহত হোৱাৰ লগতে পাঁচজন লোক গুৰুতৰভাৱে আহত হয়। এ এছ-০৭ পি-২২১৯ নম্বৰৰ বলেৰ' আৰু এ এছ-০৬ ভি-০৫৯৬ নম্বৰৰ মাৰুতি ভানখনৰ মাজত মুখামুখি সংঘৰ্ষ হয়। ফলত মাৰুতি ভানত থকা ডিব্ৰুগড়ৰ ধিৰমল মুণ্ডা (৩৮), যোগেন্দ্ৰ উৰাং (৩৩), ঘনশ্যাম মুণ্ডা (২৭) আৰু পংকজ তেলী (২২)ৰ লগতে বলেৰ'খনৰ গৰাকী তথা উত্তৰ লখিমপুৰৰ অচ্যুত পাৰে (৪৯) আৰু শোভম বৰা (৩৭) গুৰুতৰভাৱে আহত হয়। ইয়াৰে ঘনশ্যাম মুণ্ডাৰ চিকিৎসালয়লৈ নিয়াৰ পথত মৃত্যু হয়।

ইপিনে, কামৰূপ জিলাৰ ৰঙিয়াৰ ৩১ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত আজি দুপৰীয়া সংঘটিত পথ দুৰ্ঘটনাত এজন যুৱকৰ থিতাতে মৃত্যু হয়। ৰঙিয়াৰ ৩১ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ ছ'চাইটি চ'কত গুৱাহাটী দিশৰ পৰা অহা দুখন মটৰ চাইকেলৰ মাজত সংঘৰ্ষ হয়। এই সংঘৰ্ষত এ এছ-০১ ই জে-৭৯০৯ নম্বৰৰ মটৰ চাইকেল আৰোহীজনে ছিটিকি পৰে। সেই সময়তে পিছফালৰ পৰা অহা এখন ট্ৰাকে তেওঁক মহটিয়াই নিয়াত মটৰ চাইকেল আৰোহীজনৰ থিতাতে মৃত্যু হয়। নিহত যুৱকজন ৰঙিয়া পীতাম্বৰহাট বজালীৰ দ্বীপজ্যোতি কুমাৰ (২৮) বুলি চিনাক্ত কৰা হৈছে। দুৰ্ঘটনাটো সংঘটিত হোৱাত ৰাষ্ট্ৰীয় ঘাইপথ বন্ধ হৈ পৰে। পাছত ৰঙিয়া আৰক্ষীয়ে ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰে। উল্লেখ্য যে ৰাষ্ট্ৰীয় ঘাইপথৰ এই অংশটোত প্ৰায়ে দুৰ্ঘটনা সংঘটিত হৈ আহিছে। স্থানীয় ৰাইজে ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰত বিজ্ঞান সন্মতভাৱে ডিভাইডাৰ স্থাপন নকৰাৰ ফলতে প্ৰায়ে এনে ধৰণৰ দুৰ্ঘটনা সংঘটিত হৈ অহাৰ অভিযোগ উত্থাপন হৈছে।

### তিতাবৰত ৰাসায়নিক সাৰৰ ক'লা বজাৰ

# ইউৰিয়াৰ অত্যধিক মূল্যৰে কৃষকক লুণ্ঠন অসাধু ব্যৱসায়ীৰ



বিশেষ সংবাদদাতা

**নগাবাট, ২৫ জুলাই ঃ** তিতাবৰ মহকুমাৰ অন্তৰ্গত বিভিন্ন গ্ৰামাঞ্চলত ৰাসায়নিক সাৰ ইউৰিয়াৰ ৰমৰমীয়া ক'লা বেহা অব্যাহত থকাৰ ঘটনা পোহৰলৈ আহিছে। যাৰ পৰিপ্ৰেক্ষিতত এতিয়া তিতাবৰৰ কৃষক ৰাইজে দৈনিক অত্যধিক মূল্যত ইউৰিয়া ক্ৰয় কৰিবলগীয়া হোৱাৰ গুৰুতৰ অভিযোগ উঠিছে। সমগ্ৰ তিতাবৰ মহকুমাটোত অব্যাহত থকা এনে বিয়াগোম দুৰ্নীতিয়ে বৰ্তমান ধান উৎপাদনত চহকী তিতাবৰীয়া কৃষক ৰাইজক দুৰ্ভাগ্যজনকভাৱে মাধমাৰ শোধাইছে। বৰ্তমান উচিত মূল্যত ইউৰিয়া বিচাৰি মহকুমাটোৰ কৃষকসকলে হাহাকাৰ কৰিবলগীয়া এক পৰিস্থিতিৰ উদ্ভৱ হৈছে। প্ৰণিধানযোগ্য যে ইউৰিয়া নাটনি হোৱা দেখুৱাই একাংশ অসাধু চক্ৰ তথা ব্যৱসায়ীয়ে অত্যধিক মূল্যত গ্ৰামাঞ্চলত প্ৰতিদিনেই বিক্ৰী কৰি আহিছে কুইন্টলে কুইন্টলে ইউৰিয়া। মহকুমাটোৰ কৃষিপ্ৰধান অঞ্চল বৰহোলাৰ কে'বাজনো কৃষকে সংবাদ মাধ্যমৰ আগত স্পষ্টকৈ অভিযোগ কৰা অনুসৰি ২৬৬.৫০ টকাৰ এমআৰপি থকা প্ৰতি বেগ ইউৰিয়া এতিয়া তিতাবৰ মহকুমাৰ গ্ৰামাঞ্চলৰ সৰ্বসাধাৰণ কৃষকক পাঁচশৰ পৰা ছশ টকা মূল্যত বিক্ৰী কৰি আহিছে চতুৰ ব্যৱসায়ীসকলে। ইফালে, একাংশ অসাধু সাৰৰ বেপাৰীয়ে নিজৰ মুনাফাৰ বাবে অত্যধিক মূল্যত বস্তাৰ সলনি খুচুৰাকৈ ইউৰিয়া বিক্ৰী আৰম্ভ কৰিছে। এনেদৰে খুচুৰা ইউৰিয়া প্ৰতি কিলোগ্ৰামত বিক্ৰী হৈছে ১২ৰ পৰা ১৫ টকাত। যাৰ খুচুৰা মূল্য প্ৰতি কিলোগ্ৰামত হ'ব লাগে প্ৰায় পাঁচৰ পৰা সাত টকাৰ ভিতৰত। এইসমূহ ব্যৱসায়ীয়ে দীৰ্ঘদিন অব্যাহত ৰখা এনেবোৰ ছিণ্ডিকেটৰাজৰ কথা মহকুমা প্ৰশাসন, জিলা প্ৰশাসনৰ সম্পূৰ্ণৰূপে জ্ঞাত যদিও ৰহস্যজনক কাৰণত দীৰ্ঘদিনে মৌনতা অৱলম্বন কৰি অহাহে পৰিলক্ষিত হৈছে। ইফালে, ৰাজ্যৰ কৃষিখণ্ডৰ উন্নয়ন আৰু যুৱচামক কৃষিকৰ্মৰ প্ৰতি আগ্ৰহী কৰাৰ উদ্দেশ্যে বিভিন্ন আঁচনি গ্ৰহণ কৰাৰ কথা সুযোগ-সুবিধা পালেই ফুলজাৰি মৰা ৰাজ্যৰ কৃষি বিভাগ তথা কৃষিমন্ত্ৰীয়ে এইসকলৰ কৃষকৰ বেদনা দেখিও নেদেখাৰ ভাও জুৰি অহাৰ কাৰণ কি বুলি আজি ভুক্তভোগী কৃষকসকলে প্ৰশ্ন উত্থাপন কৰিছে। অসাধু সাৰ ব্যৱসায়ীয়ে গ্ৰামাঞ্চলৰ সৰ্বসাধাৰণ কৃষকসকলক লৈ অব্যাহত ৰখা এনেবোৰ দুৰ্নীতি, অনিয়ম শীঘ্ৰে উচিত তদন্ত কৰি বিহিত ব্যৱস্থা গ্ৰহণ কৰিবলৈ বিভাগীয় ঊৰ্ধ্বতন কৰ্তৃপক্ষক আহ্বান জনাইছে তিতাবৰ মহকুমাৰ ভুক্তভোগী কৃষকে।

## প্ৰাক্তন পঞ্চায়ত সভাপতিৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**বহলপুৰ, ২৫ জুলাই ঃ** ধুবুৰী জিলাৰ চাপৰ ৰাজহ চক্ৰ অন্তৰ্গত বৃহত্তৰ বহলপুৰ অঞ্চলৰ খুঁটাপাৰা গাঁৱৰ বিশিষ্ট সমাজকৰ্মী তথা ৰঙামাটি নয়নজ্যোতি জাতীয় বিদ্যালয়ৰ অধ্যক্ষ চন্দন কুমাৰ ৰায় (৫৫)ৰ যোৱা নিশা গুৱাহাটীৰ সৰু সজাইস্থিত ক'ভিড কেয়াৰ চেণ্টাৰত মৃত্যু হয়। অতি অমায়িক আৰু সৰবৰহী ব্যক্তি ৰায়ে যোৱা কিছুদিন ধৰি মধুমেহ আৰু হৃদৰোগত আক্ৰান্ত হৈ থকাত স্থানীয় চিকিৎসালয়ত ভৰ্তি কৰোৱাত চিকিৎসকে তেওঁৰ স্বাস্থ্য পৰীক্ষা কৰোৱাত ক'ভিড প'জিটিভ বুলি চিনাক্ত কৰা হয়। পাছত তেওঁক উন্নত ক'ভিড চিকিৎসাৰ বাবে গুৱাহাটীৰ সৰুসজাইৰ ক'ভিড কেয়াৰ চেণ্টাৰলৈ স্থানান্তৰ কৰা হয়। এসপ্তাহজুৰি সৰুসজাইতে চিকিৎসা কৰাৰ পাছতো দুৰ্ভাগ্যজনকভাৱে তেওঁৰ মৃত্যু হোৱা চিকিৎসকে ঘোষণা কৰে। আজি পৰিয়ালৰ লোক বহলপুৰৰ পৰা গুৱাহাটীত উপস্থিত হৈ ক'ভিড প্ৰট'কল আৰু চৰকাৰী নীতি-নিৰ্দেশনা মানি ভূতনাথ শ্মশানত দুপৰীয়া অন্ত্যেষ্টিক্ৰিয়া সম্পন্ন কৰে।

## বটদ্ৰৱা আৰক্ষীৰ জালত ড্ৰাগছ সৰবৰাহকাৰী

অগ্ৰদূত বাৰ্তা

**বটদ্ৰৱা, ২৫ জুলাই ঃ** সমগ্ৰ ৰাজ্যৰ লগতে নগাঁও জিলাৰ বটদ্ৰৱাতো আৰক্ষীয়ে ড্ৰাগছৰ বিৰুদ্ধে অব্যাহত ৰাখিছে তীব্ৰ অভিযান। আজি বটদ্ৰৱা আৰক্ষীয়ে এক বিশেষ সূত্ৰৰ পম খেদি চলোৱা অভিযানত নগাঁও ধিং সংযোগী গড়াকাপ্টানী পথৰ হাইডুবিত কণ্টেইনাৰসহ এজন ড্ৰাগছ সৰবৰাহকাৰীক আটক কৰে। আটকাধীন ড্ৰাগছ ব্যৱসায়ীজন নগাঁও ভৰভেটিৰ তাফাজ্জুল হুছেইন (২৫)। ড্ৰাগছ ব্যৱসায়ীজনৰ পৰা পাঁচটা ড্ৰাগছ ভৰ্তি কণ্টেইনাৰ আৰু এটা ম'বাইল হেণ্ডছেটৰ লগতে নগদ ২৫০ টকা জব্দ কৰে আৰক্ষীয়ে। লগতে ড্ৰাগছ ব্যৱসায়ত ব্যৱহাৰ কৰা এ এছ-০২ ই আৰ-২৫৭১ নম্বৰৰ এখন টমটম বাহন জব্দ কৰে।

### বিজেপিৰ আমবাগান জিলা পৰিষদৰ সদস্যাই উপায়ুক্তক দিলে অভিযোগ

## নগাঁৱৰ লাইলুৰি গাঁও পঞ্চায়তত আঁচনি ৰূপায়ণত ব্যাপক অনিয়ম



বিশেষ সংবাদদাতা

**নগাঁও, ২৫ জুলাই ঃ** নগাঁও জিলাৰ লাওখোৱা উন্নয়ন খণ্ডৰ অন্তৰ্গত লাইলুৰি গাঁও পঞ্চায়তত ২০১৯-২০ত চতুৰ্দশ বিত্তীয় আয়োগৰ আঁচনি ৰূপায়ণৰ নামত ব্যাপক অনিয়ম সংঘটিত হোৱাত অভিযোগ উত্থাপিত হৈছে। এই অভিযোগ উত্থাপন কৰিছে নগাঁও জিলা পৰিষদৰ এজন সদস্যাই। জিলাখনৰ আমবাগান জিলা পৰিষদৰ বিজেপিৰ সদস্য প্ৰেমানন্দ দাসে জিলা উপায়ুক্তক দাখিল কৰা অভিযোগপত্ৰখনত উল্লেখ কৰা মতে, লাইলুৰি গাঁও পঞ্চায়তৰ সভাপতি, সচিব আৰু অন্যান্য বিষয়া-কৰ্মচাৰীয়ে চতুৰ্দশ বিত্তীয় আয়োগৰ আঁচনিৰ লগতে এম জি এনৰেগা আঁচনি ৰূপায়ণৰ নামত লুণ্ঠন চলাই আহিছে। শাসকীয় দলটোৰ জিলা পৰিষদৰ সদস্যাই এই অভিযোগ উত্থাপন কৰাত বিশেষ তাৎপৰ্য বহন কৰিছে। জিলা পৰিষদৰ সদস্যজনে পঞ্চায়তখনত সংগঠিত দুৰ্নীতি, অনিয়ম আৰু লুণ্ঠনৰাজৰ বিষয়ে তদন্ত কৰি ব্যৱস্থা গ্ৰহণ কৰিবৰ বাবে ১৯ জুলাইত নগাঁও জিলা উপায়ুক্তক এখন অভিযোগপত্ৰ প্ৰদান কৰে। অভিযোগপত্ৰত সদস্যজনে উল্লেখ কৰা মতে, লাইলুৰি ৰাধাগুবিন্দ আশ্ৰমৰ ওচৰত মাৰ্কেট চেডৰ নামত আৱণ্টিত ৩,৭৪,৮৭০ টকা, পূব লাইলুৰিৰ ৰবিন্দ্ৰ মাষ্টৰৰ ঘৰৰ ওচৰৰ কালি মন্দিৰৰ সভাগৃহৰ চাৰি লাখ টকা, মধ্য লাইলুৰি এম ই স্কুলৰ টয়লেট আৰু ৰানিং ৱাটাৰ আঁচনিৰ বাবদ তিনি লাখ ৫০ হেজাৰ টকা আবণ্টন দিয়া হৈছিল যদিও আঁচনি ৰূপায়ণৰ নামত চৰম প্ৰহসনৰে সেই ধনত লুণ্ঠন চলোৱা হয়। তদুপৰি ৰতি দাসৰ ঘৰৰ পৰা অংগনৱাড়ী কেন্দ্ৰলৈ চি চি পেভাৰ ব্লক পথৰ সাত লাখ ৪৭ হেজাৰ টকা কোনো কাম নকৰাকৈ উঠাই লোৱাৰ উপৰি উক্ত পথটোকে দাসৰ পিতৃ ৰাধাকান্ত দাসৰ ঘৰৰ পৰা দেৱনাথ চাৰিআলিলৈকে আঁচনি পুনৰ ধৰি অলপ কাম কৰি আঠ লাখ টকা উঠাই লৈছে বুলি সদস্যজনে অভিযোগপত্ৰযোগে উপায়ুক্তক অৱগত কৰিছে। আনহাতে, এম জি এনৰেগা আঁচনিৰ অধীনত সুচেন দাসৰ ঘৰৰ ওচৰৰ পথ আৰু বৃক্ষৰোপণৰ নামত ১৬ লাখ টকাৰ হৰলুকি হোৱা বুলি অভিযোগ উত্থাপিত হৈছে। অভিযোগপত্ৰখনত লাইলুৰি গাঁও পঞ্চায়তত সংঘটিত সকলো দুৰ্নীতি আৰু অনিয়মৰ তদন্ত কৰি দোষী পঞ্চায়তৰ প্ৰতিনিধি, সচিব, বিষয়া-কৰ্মচাৰী আদিৰ বিৰুদ্ধে ব্যৱস্থা ল'বলৈ উপায়ুক্তক সদস্যজনে অনুৰোধ জনাইছে। ইপিনে, লাওখোৱা উন্নয়ন খণ্ডৰ অন্তৰ্গত একাংশ লোকে উন্নয়ন খণ্ডটোৰ অধীনস্থ আমবাগান, টুবুকী জাৰনী, লাইলুৰি, লাওখোৱা, ভুৰবন্ধা, ভাতিয়াখালি, কাঠপাৰা, মাগুৰমাৰী, শিঙিমাৰী, শালপাৰা আৰু কাৰৈমাৰী গাঁও পঞ্চায়তত আঁচনি ৰূপায়ণৰ নামত ব্যাপক দুৰ্নীতি আৰু অনিয়ম সংঘটিত হোৱাৰ অভিযোগ উত্থাপন কৰিছে। উন্নয়ন খণ্ডটোৰ অঞ্চলাধীন সচেতন ৰাইজে উন্নয়ন খণ্ডটোৰ অধীনস্থ পঞ্চায়তসমূহত সংঘটিত দুৰ্নীতি আৰু অনিয়মৰ তদন্ত কৰি ব্যৱস্থা ল'বলৈ মুখ্যমন্ত্ৰী আৰু গ্ৰামোন্নয়ন মন্ত্ৰীক দাবী জনাইছে।

## বিটিআৰৰ কে'বাখনো চিকিৎসালয়ত এম্বুলেন্স যোগান

অগ্ৰদূত বাৰ্তা

**দোতমা/ফকিৰাগ্ৰাম, ২৫ জুলাই ঃ** বিটিআৰৰ আঠখন চিকিৎসালয়ত এম্বুলেন্স সেৱাৰ সংযোজন কৰিছে ই এম অৰূপ কুমাৰ দেই। উল্লেখ্য যে কোকৰাঝাৰ জিলাৰ ফকিৰাগ্ৰাম প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰটোত বিগত ১৭ বছৰে অৱহেলিত হৈ আছিল যদিও শেহতীয়াভাৱে এম্বুলেন্স সেৱা আৰম্ভ কৰাত ৰাইজে স্বস্তিৰ নিশ্বাস পেলাইছে।

## পাঁচ কিলোগ্ৰাম গাঞ্জাসহ এজনক আটক

অগ্ৰদূত বাৰ্তা

**সৰুপেটা, ২৫ জুলাই ঃ** সৰুপেটা আৰক্ষীয়ে যোৱা ২৩ জুলাইৰ নিশা সৰুপেটা ৰেল ষ্টেছনৰ পৰা পাঁচ কিলোগ্ৰাম গাঞ্জাসহ এজন যুৱকক গ্ৰেপ্তাৰ কৰে। মানস ৰাইনো ৰেলখনত এজন যুৱকে ৰঙিয়াৰ পৰা পাঁচ কিলোগ্ৰাম গাঞ্জাসহ সৰুপেটালৈ অহাৰ বিষয়ে জানিব পাৰি খাপ পিটি থকা আৰক্ষীয়ে যুৱকজনক গ্ৰেপ্তাৰ কৰে। ধৃত যুৱকজন সৰুপেটাৰ সেউজী পথ নিবাসী সিমন বায়নৰ পুত্ৰ চম্পক বায়ন (২২)।



*শিৱসাগৰত ক'ভিড প্ৰতিষেধক কেন্দ্ৰত সামাজিক দূৰত্ব ধোঁৱা চাঙত, দেওবাৰে।*

## মহিলাক হাত-ভৰি বান্ধি মাৰধৰ, ধন লুটৰ অভিযোগ

**আলোপতি, ২৫ জুলাই ঃ** বৰপেটা জিলাৰ আলোপতি আৰক্ষী থানাৰ অন্তৰ্গত ভাতনাপাইতি চৰ গাঁৱত আজি পুৱতি নিশা এক ডকাইতি কাণ্ড সংঘটিত হয়। গাঁওখনৰ একাব্বৰ আলীৰ ঘৰত পুৱতি নিশা প্ৰায় দুই বজাত সাতজনীয়া এটা দলে প্ৰৱেশ কৰি লুটপাট চলোৱাৰ অভিযোগ উত্থাপন কৰি আলোপতি আৰক্ষী থানাত এখন এজাহাৰো দাখিল কৰিছে। ডকাইতৰ দলটোৱে ঘৰত প্ৰৱেশ কৰি আমেলা খাতুন (৪২) নামৰ মহিলাগৰাকীক হাত-ভৰি বান্ধি মাৰধৰ কৰাৰ উপৰি ট্ৰাংকৰ পৰা এক লাখ টকা, আ-অলংকাৰ আৰু নথিপত্ৰ লুটি নিয়া বুলি এজাহাৰত উল্লেখ কৰিছে। ভুক্তভোগী পৰিয়ালৰ লোকে আলোপতি আৰক্ষী থানাত সাতজনৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰিলেও ইয়াৰে দুজন মদন আলী আৰু ইছমাইল হুছেইন বুলি চিনাক্ত কৰিছে। আলোপতি আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে আৰু আৰক্ষীৰ তদন্ততহে প্ৰকৃত ৰহস্য ফাদিল হ'ব বুলি একাংশ লোকে ধাৰণা কৰিছে।

## ১০ বছৰ ধৰি নগাঁৱতে কাৰ্যনিৰ্বাহ শিক্ষা বিষয়াৰ

বিশেষ সংবাদদাতা

**নগাঁও, ২৫ জুলাই ঃ** নগাঁৱৰ এজন শিক্ষা বিষয়াৰ কাহিনীয়ে এতিয়া জিলাখনত ব্যাপক চৰ্চা লাভ কৰিছে। অদৃশ্য শক্তিৰ কৃপাত গৃহ জিলা নগাঁৱতে প্ৰায় এটা দশক ধৰি কাৰ্যনিৰ্বাহ কৰি অহা এজন বিষয়াৰ শেহতীয়া কৰ্মকাণ্ডক কেন্দ্ৰ কৰি আনকি বিভাগটোৰ ভিতৰ মহলতে চৰ্চাৰ কাৰক হৈ পৰিছে। উল্লেখ্য যে নগাঁও জিলাৰ কপিলী প্ৰাথমিক শিক্ষা খণ্ডত খণ্ড শিক্ষা বিষয়াৰূপে ২০১৩ত যোগদান কৰা বুদ্ধ কটকীয়ে এই পৰ্যন্ত নগাঁৱতে কাৰ্যনিৰ্বাহ কৰি আছে। অতি আশ্চৰ্যকৰ কথা যে এইজন শিক্ষা বিষয়াই খণ্ড প্ৰাথমিক শিক্ষা বিষয়াৰ পৰা বিদ্যালয়সমূহৰ উপ-পৰিদৰ্শক পদলৈ পদোন্নতি লাভ কৰিলে যদিও এতিয়াও তিনিটাকৈ গুৰুত্বপূৰ্ণ পদত কাৰ্যনিৰ্বাহ কৰি থকাৰ সৌভাগ্য অৰ্জন কৰিছে। বহু বিতৰ্কিত শিক্ষা বিষয়া কটকীয়ে সম্প্ৰতি নগাঁও বিদ্যালয়সমূহৰ উপ-পৰিদৰ্শক পদত অতিৰিক্তভাৱে কাৰ্যনিৰ্বাহ কৰি আহিছে। ইপিনে, এইজন শিক্ষা বিষয়াৰ নাম বিগত দিনবোৰত ইটোৰ পাছত সিটোকৈ দুৰ্নীতিৰ অভিযোগত সাঙোৰ খাই পৰা পৰিলক্ষিত হৈছে। সংবাদ মাধ্যমত ইতিপূৰ্বে কটকীৰ কুকীৰ্তিৰ কথা সবিস্তাৰে প্ৰকাশ পাইছে যদিও বিভাগীয় শীৰ্ষ মহলৰ স'তে থকা ঘনিষ্ঠ সম্পৰ্কৰ বাবেই এইজন শিক্ষা বিষয়া এতিয়া নগাঁৱৰ প্ৰাথমিক শিক্ষা বিভাগত মহা প্ৰতাপী বুলি অভিযোগ উঠিছে। সুদীৰ্ঘ বছৰ ধৰি নগাঁও জিলাতে কাৰ্যনিৰ্বাহ কৰি থকাৰ পাছতো কোনেও চকী লৰাব পৰা নাই শিক্ষা বিষয়াজনৰ। ইফালে, এই বিষয়াজনৰ বাবেই নগাঁও বিদ্যালয়সমূহৰ উপ-পৰিদৰ্শক কাৰ্যালয়টো দুৰ্নীতিৰ ভূস্বৰ্গলৈ পৰ্যবসিত হৈ পৰা বুলিও অভিযোগ উঠিছে। অভিযোগ অনুসৰি, কাৰ্যালয়টোৰ একাংশ কৰ্মচাৰীক বিভিন্ন কামৰ বাবে উৎকোচ নিদিলে একো কাম নিসিজে। আনকি, অৱসৰপ্ৰাপ্ত শিক্ষক-শিক্ষয়িত্ৰীৰ পেঞ্চনৰ কামত কাৰ্যালয়টোৰ কৰ্মচাৰীয়ে মুকলি বজাৰ মেলাৰ লগতে বিভিন্ন শিক্ষক-শিক্ষয়িত্ৰীসকলক হাৰাশাস্তি কৰি আহিছে। শিক্ষা বিষয়া কটকীৰ দায়িত্বত থকা নগাঁও বিদ্যালয়সমূহৰ উপ-পৰিদৰ্শক কাৰ্যালয়ত চলা এই পৰম্পৰা এতিয়া কলিয়াবৰ আৰু হোজাই বিদ্যালয়সমূহৰ উপ-পৰিদৰ্শক কাৰ্যালয়তো আৰম্ভ হৈছে বুলি বিভিন্নজনে অভিযোগ তুলিছে। শেহতীয়াকৈ টে'টৰ স্থায়ী শিক্ষকৰ দৰমহা মুকলি আৰু এম পি এছৰ নামত এই কাৰ্যালয় তিনিটাত বৃহৎ উৎকোচৰ বেহা চলাৰ অভিযোগ উঠিছে। অৱশ্যে শিক্ষা বিষয়াজনৰ বিৰুদ্ধে উত্থাপিত অভিযোগ তেওঁ অস্বীকাৰ কৰিছে।

## হাৰ্ট কেয়াৰ ছ'চাইটিৰ ক'ভিড সাহায্য বিতৰণ



**টংলা, ২৫ জুলাই ঃ** হাৰ্ট কেয়াৰ ছ'চাইটি, অসমৰ উদ্যোগত আৰু স্থানীয় অনুষ্ঠান আশাৰ সহযোগত কটৰা অঞ্চলৰ এক নম্বৰ গংগাপুখুৰী প্ৰাথমিক বিদ্যালয়ত ১৫৫ ঘৰ দুখীয়া পৰিয়ালৰ মাজত ক'ভিড সাহায্য বিতৰণ কৰা হয়। হাৰ্ট কেয়াৰ ছ'চাইটিৰ গুৱাহাটী শাখাৰ সম্পাদক ডাঃ বিকাশ ৰায় দাসৰ নেতৃত্বত হাৰ্ট কেয়াৰ ছ'চাইটিৰ কোষাধ্যক্ষ বেলা ডাউকা, সহকাৰী সম্পাদকদ্বয় প্ৰাঞ্জল কুমাৰ শৰ্মা, মনশ্ৰী প্ৰকাশ আৰু অনুষ্ঠান সমন্বয়ক পৰিতোষ দে উক্ত অনুষ্ঠানত উপস্থিত থাকে। খাদ্য সামগ্ৰীকে ধৰি স্বাস্থ্য সমন্ধীয় বস্তু, মুখা বন্ধনী, ছেনিটাইজাৰ, কাপোৰ আদি বিতৰণ কৰা হয়। এই কাৰ্যত স্থানীয় যুৱক উদয় ভাস্কৰ হাজৰিকা, ৰাজীৱ কলিতা, মানৱ, অভিজিৎ, মহিবুল আদিয়ে সহায়-সহযোগিতা আগবঢ়ায়। উক্ত অনুষ্ঠানত আয়ুৰসুন্দ্ৰা হাস্পতালে এন-৯৫ মাস্ক বিতৰণ কৰে।

## মূল্যবৃদ্ধিৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ সদৌ মৰিগাঁও জিলা ছাত্ৰ সন্থাৰ

অগ্ৰদূত বাৰ্তা

**মৰিগাঁও, ২৫ জুলাই ঃ** ৰাজ্যখনত পেট্ৰ'ল, ডিজেল, মিঠাতেলকে ধৰি অত্যাৱশ্যকীয় খাদ্য সামগ্ৰী ব্যাপক মূল্যবৃদ্ধিয়ে জনসাধাৰণক একপ্ৰকাৰ কোঙা কৰিছে। মূল্যবৃদ্ধি ৰোধ কৰাত ব্যৰ্থ হোৱা বিজেপি মিত্ৰজোঁটৰ চৰকাৰখনৰ বিৰুদ্ধে যোৱা ২৪ জুলাইত মৰিগাঁও জিলা ছাত্ৰ সন্থাই এক চাইকেল ৰেলী উলিয়ায়। সদৌ মৰিগাঁও জিলা ছাত্ৰ সন্থাৰ সভাপতি দিপুল কুমাৰ নাথ আৰু সাধাৰণ সম্পাদক ৰূপজ্যোতি মেধিৰ উদ্যোগত ৰূপায়ণ কৰা কাৰ্যসূচীত প্ৰতিবাদকাৰীসকলে ইন্ধনজাত সামগ্ৰী আৰু অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধি হ্ৰাস কৰিবলৈ অসম চৰকাৰক দাবী জনাই বিভিন্ন শ্ল'গান দিয়ে।

### ঐতিহ্যমণ্ডিত মাজুলী ঃ সম্পদ, সুৰক্ষা, বিৱৰ্তন ইত্যাদি' শীৰ্ষক ৱেবিনাৰ

# মাজুলীৰ ঐতিহ্য কলা-সম্পদ অক্ষত ৰাখিবলৈ নদীদ্বীপ সুৰক্ষিত হ'ব লাগিব

অগ্ৰদূত বাৰ্তা

**কমলাবাৰী, ২৫ জুলাই ঃ** মাজুলী মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ উদ্যোগত 'ঐতিহ্যমণ্ডিত মাজুলী ঃ সম্পদ, সুৰক্ষা, বিৱৰ্তন ইত্যাদি' শীৰ্ষক এলানি বক্তৃতামালা অনুষ্ঠিত কৰি মাজুলীৰ বিভিন্ন দৃষ্টিকোণ সামৰি এক প্ৰণালীবদ্ধ আলোচনা কৰাৰ পৰিকল্পনা কৰা হৈছে। অনলাইন যোগে অনুষ্ঠিতব্য এই বক্তৃতামালাৰ অংশ হিচাপে আজি দিনৰ ১০.৩০ বজাৰ পৰা 'মাজুলী ঃ ঐতিহ্য আৰু আধুনিকতা' শীৰ্ষক প্ৰথমলানি বক্তৃতা অনুষ্ঠিত হয়। দুখন বৈঠকেৰে সম্পন্ন হোৱা ৱেব-সন্মিলন উদ্বোধন কৰি মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই কয়, 'ভৌগোলিক অৱস্থিতি, সাংস্কৃতিক ৰূপ-বৈচিত্ৰ্য, জৈৱ-বিচিত্ৰতা আদি ভালেমান দিশৰ পৰা সুকীয়া বৈশিষ্ট্য আৰু পৰিচয় থকা মাজুলীক মানুহে এক ঐতিহাসিক ক্ষেত্ৰ স্বৰূপে চাব খোজে আৰু ইয়াৰ ঐতিহ্য, মহিমামণ্ডিত কলা-সম্পদসমূহ অক্ষত ৰূপত বৰ্তাই ৰাখিবলৈ মাজুলী সুৰক্ষিত হৈ থকাটো বিচাৰে।' অধ্যাপক তুলসী ৰাজখোৱাই আঁত ধৰা অনুষ্ঠানটোলৈ সকলোকে আদৰ-সম্ভাষণ জনায় মহাবিদ্যালয়ৰ অভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সহকাৰী সমন্বয়ক ড° দেৱজ্যোতি ভট্টাচাৰ্যই। ৱেব-সন্মিলনৰ প্ৰথম বৈঠকত আলোচক হিচাপে ভাগ লৈ ক্ৰমে নগালেণ্ডৰ গ্ল'বেল মুক্ত বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° হেমেন্দ্ৰ নাথ দত্তই 'মাজুলী ঃ ঐতিহ্য আৰু আধুনিকতা' শীৰ্ষক বীজ-বক্তৃতা প্ৰদান কৰে। ড° দত্তই বিশ্ব দৰবাৰত মাজুলীক প্ৰতিষ্ঠা কৰিবলৈ যোৱাৰ সমান্তৰালভাৱে বিশ্ববাসীক আকৃষ্ট কৰিব পৰাকৈ যাতে মাজুলীক সকলো প্ৰকাৰেৰে সমৃদ্ধৰূপত গঢ়ি তুলিব পৰা যায়, তাৰ ওপৰত গুৰুত্ব দিবলৈ সংশ্লিষ্ট সকলোকে আহ্বান জনায়। প্ৰথম বৈঠকৰ দ্বিতীয়জন আলোচক জেংৰাইমুখ মহাবিদ্যালয়ৰ অৱসৰী অধ্যক্ষ ড° কমলাকান্ত দত্তই 'মাজুলীত খ্ৰীষ্টান ধৰ্মৰ প্ৰচাৰ ঃ এক আৰ্থ-সামাজিক আলোচনা' শীৰ্ষক বক্তৃতা প্ৰদান কৰি মাজুলীত খ্ৰীষ্টান ধৰ্মৰ প্ৰচাৰৰ কাৰণ আৰু একশৰণ বৈষ্ণৱ ধৰ্ম-সংস্কৃতিৰ প্ৰসাৰ সাধনত আমাৰ কৰণীয়খিনিৰ বিষয়ে বিশ্লেষণ কৰে। দিনৰ দুই বজাৰ পৰা ৱেব-সন্মিলনৰ দ্বিতীয়খন বৈঠক অনুষ্ঠিত হয়। বৈঠকত প্ৰথমজন আলোচক হিচাপে শ্ৰীশ্ৰীআউনীআটী সত্ৰৰ স্বনামধন্য সত্ৰাধিকাৰ ড° পীতাম্বৰ দেৱ গোস্বামীয়ে 'মাজুলীৰ অতীত আৰু বৰ্তমান' শীৰ্ষক বিষয়ত বক্তব্য আগবঢ়ায় আৰু বিগত সময়ছোৱাত নদীদ্বীপ মাজুলীয়ে সামাজিক, আৰ্থিক, প্ৰশাসনিক, ৰাজনৈতিক আদি দিশসমূহত মাজুলীত হোৱা বিৱৰ্তনৰ এক সম্যক বিশ্লেষণ দাঙি ধৰে। ড° গোস্বামীয়ে কয়, 'ৰাজহংসই পানী মাজৰ পৰা দুগ্ধভাগ নিষ্কাষণ কৰি গ্ৰহণ কৰাৰ দৰেই মাজুলীৰ ঐতিহ্যক প্ৰতিবিম্বিত কৰিব পৰাই আধুনিকতাক গ্ৰহণ কৰাটো সমীচীন হ'ব।' উজনি মাজুলী খেৰকটীয়া মহাবিদ্যালয়ৰ অৱসৰী অধ্যাপক, প্ৰত্নতত্ত্ববিদ দিলীপ কুমাৰ ফুকনে 'মাজুলীৰ প্ৰত্নতাত্ত্বিক কলা-সম্পদ আৰু স্থানসমূহ' শীৰ্ষক আলোচনাত মাজুলীত থকা ৰজাদিনীয়া গড়, স্থানসমূহৰ লগতে প্ৰত্নতাত্ত্বিক সম্পদবোৰৰ উপযুক্ত সংৰক্ষণৰ ওপৰত চৰকাৰী পক্ষই উচিত ব্যৱস্থা গ্ৰহণ কৰিব লাগে বুলি উল্লেখ কৰে। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ চাৰিশতাধিক লোকে অংশগ্ৰহণ কৰা ৱেব-সন্মিলনত নিতাইপুখুৰীৰ অধ্যাপক ফণীধৰ শইকীয়া, জোনাইৰ অধ্যাপক ৰাজু ৰেগন, গুৱাহাটীৰ অৱসৰপ্ৰাপ্ত অভিযন্তা ভৰত শইকীয়া, বৰপেটাৰ অধ্যাপক ড° গোবিন্দ প্ৰসাদ ভূঞা, ধেমাজিৰ ড° বিজয় কৃষ্ণ নাথ, গুৱাহাটীৰ অতুল ভূঞা আৰু মৃদুময়ী গোস্বামী, যোৰহাটৰ পৰশ গোস্বামী, অধ্যাপক বিষ্ণু নাথ, দেৰগাঁৱৰ দুগ্ধ গোস্বামী, মাজুলীৰ অধ্যাপক অপূৰ্বজ্যোতি হাজৰিকা, মাণিক পায়ুন, প্ৰৱক্তা ৰমেশ চন্দ্ৰ শইকীয়া, প্ৰধান শিক্ষক নীলকান্ত পেগু, জাহ্নৱী বৰুৱা আদিয়ে বিষয়বস্তুৰ ওপৰত হোৱা আলোচনাত ভাগ লয়। ৱেব-সন্মিলনৰ শেষত শলাগৰ শৰাই আগবঢ়ায় মাজুলী মহাবিদ্যালয় আই কিউ এ চিৰ সমন্বয়ক ড° দেৱভূষণ বৰাই।

## ধিঙৰ কান্ধুলীমাৰীত ৰাইজে কৰায়ত্ত কৰিলে ছয় জুৱাৰী

অগ্ৰদূত বাৰ্তা

**ধিং, ২৫ জুলাই ঃ** ধিং কান্ধুলীমাৰীত আজি স্থানীয় ৰাইজে ছয়জন জুৱাৰীক কৰায়ত্ত কৰাৰ লগতে পাঁচখন মটৰ চাইকেল জব্দ কৰি আৰক্ষীক গতাই দিয়ে। উল্লেখ্য যে বিগত বহুদিন ধৰি আৰক্ষীৰ চকুত ধুলি দি নৈপৰীয়া ধিং কান্ধুলীমাৰীত এটা চক্ৰই নিতৌ লাখ লাখ টকাৰ জুৱা অনুষ্ঠিত কৰি আহিছিল। ফলত অঞ্চলটোৰ পৰিৱেশ বিনষ্ট হোৱাৰ লগতে বহুজনে জুৱা খেলি সৰ্বস্বান্ত হৈ পৰিছিল। বহু পৰিয়াললৈ অন্ধকাৰ নামি আহিছিল। অৱশেষত আজি আৰক্ষী লৈ বাট নাচাই স্থানীয় শ শ ৰাইজ নিজেই নামি পৰিল জুৱাৰীৰ বিৰুদ্ধে। ৰাইজৰ উগ্ৰ ৰূপ দেখি জুৱাৰীয়ে ব্ৰহ্মপুত্ৰত জাপ দিয়ে। সাঁতুৰী পলায়নৰ চেষ্টা চলায় জুৱাৰীয়ে। ধিঙৰ কান্ধুলিমাৰীত স্থানীয় ৰাইজ আৰু আমছু কৰ্মীয়ে জুৱাৰীৰ লগতে জব্দ কৰিলে পাঁচখনকৈ মটৰ চাইকেলসহ জুৱা খেলত ব্যৱহৃত বহু সামগ্ৰী।

## ৰহাত অচিনাক্ত মৃতদেহ উদ্ধাৰ

অগ্ৰদূত বাৰ্তা

**ৰহা, ২৫ জুলাই ঃ** ৰহা থানাৰ অন্তৰ্গত ৩৭ নম্বৰ ৰাষ্ট্ৰীয় পথৰ দেৱাগুৰিত পথৰ কাষত আজি এটা অচিনাক্ত মৃতদেহ উদ্ধাৰ হয়। লংপেণ্ট-চাৰ্ট পৰিধান কৰা প্ৰায় ৫৫ বছৰীয়া পুৰুষৰ মৃতদেহটো পথৰ কাষত পৰি থকা স্থানীয় লোকে প্ৰত্যক্ষ কৰি ৰহা আৰক্ষীক খবৰ দিয়ে। পাছত আৰক্ষীয়ে মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁৱৰ ভোগেশ্বৰী ফুকননী অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। বাতৰি লিখাৰ পৰলৈকে মৃতদেহটো চিনাক্তকৰণ হোৱা নাই।



## পদক তালিকাৰ শীৰ্ষ ১০

| দেশ | সোণ | ৰূপ | ব্ৰঞ্জ | মুঠ |
|---|---|---|---|---|
| চীন | ৬ | ১ | ৪ | ১১ |
| জাপান | ৫ | ১ | ০ | ৬ |
| আমেৰিকা | ৪ | ২ | ৪ | ১০ |
| কোৰিয়া | ২ | ০ | ৩ | ৫ |
| আৰ অ' চি | ১ | ৪ | ২ | ৭ |
| ইটালী | ১ | ১ | ৩ | ৫ |
| অষ্ট্ৰেলিয়া | ১ | ১ | ১ | ৩ |
| ফ্ৰান্স | ১ | ১ | ১ | ৩ |
| হাংগেৰী | ১ | ১ | ০ | ২ |
| টুনিছিয়া | ১ | ১ | ০ | ২ |
| ভাৰত | ০ | ১ | ০ | ১ |

# ভাৰতীয়ৰ প্ৰত্যাশা অনুসৰি মেৰী-সিন্ধুৰ আৰম্ভণি

## প্ৰি-কোৱাৰ্টাৰত লণ্ডনৰ ব্ৰঞ্জ জয়ী মহিলা বক্সাৰ



**টকিঅ', ২৫ জুলাই ঃ** দেশবাসীয়ে আশা কৰাৰ দৰেই চলিত টকিঅ' অলিম্পিকত চমকপ্ৰদ অভিযান আৰম্ভ কৰিছে ভাৰতৰ দুই পূৰ্ব অলিম্পিক পদক বিজয়ী মহিলা ক্ৰীড়াবিদ বক্সাৰ এম চি মেৰীকম আৰু শ্বাটলাৰ পি ভি সিন্ধুই। উল্লেখ্য যে আজি নিজৰ প্ৰথম ৰাউণ্ডৰ মেচত ড'মিকান গণৰাজ্যৰ গাৰ্ছিয়াৰ বিৰুদ্ধে খেলি টকিঅ' অলিম্পিকত অভিযান আৰম্ভ কৰে মেৰীকমে। প্ৰত্যাসিতভাৱে মেচখনত 4-1 ৰ ব্যৱধানত জয়ী হৈ প্ৰি-কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে 51 কিলোগ্ৰাম শাখাত খেলা মেৰীকমে। ৰিঙত প্ৰৱেশ কৰাৰ পাছত 36 বছৰীয়া মেৰীয়ে যি ফিটনেছৰ প্ৰদৰ্শন দেখুৱালে সেয়া ভাৰতৰ সকলো ক্ৰীড়াবিদৰ বাবে আদৰ্শ আৰু অনুকৰণীয়। এইবাৰ টকিঅ' অলিম্পিকত সোণৰ লক্ষ্য মেৰী কমৰ। উল্লেখ্য যে এয়া হ'ব মেৰী কমৰ কেৰিয়াৰৰ দ্বিতীয়খন তথা অন্তিম অলিম্পিক। টকিঅ' অলিম্পিকৰ পাছতে কেৰিয়াৰ সামৰাৰ কথা ইতিমধ্যে ব্যক্ত কৰিছে মেৰী কমে। লণ্ডন অলিম্পিকত ব্ৰঞ্জৰ পদক লাভ কৰি উত্তৰ-পূৰ্বৰ প্ৰথম ক্ৰীড়াবিদ হৈ এই অঞ্চলক বিশ্বৰ ক্ৰীড়া মানচিত্ৰত গৌৰৱেৰে উজলাই তুলিছিল ভাৰত গৌৰৱ মেৰী কমে। কেৰিয়াৰৰ প্ৰথমখন অলিম্পিকতে পদক লাভ কৰি ভাৰতীয় মহিলাৰ তথা উত্তৰ-পূৰ্বৰ ক্ৰীড়াবিদৰ দক্ষতাক বিশ্বৰ শ্ৰেষ্ঠতম ক্ৰীড়াস্থলীত প্ৰতিষ্ঠিত কৰে মেৰীকমে। উল্লেখ্য যে অলিম্পিকত ভাৰতৰ বক্সিংৰ গৌৰৱময় অধ্যায়ৰ সুচনা হৈছিল 2008 ৰ বেইজিং অলিম্পিকৰ পৰা। ভাৰতৰ বীজেন্দৰ সিঙে ব্ৰঞ্জৰ পদক লাভ কৰি ইতিহাস গঢ়িছিল। পৰৱৰ্তী 2012 ৰ লণ্ডন অলিম্পিকত মহিলা বক্সাৰ এম চি মেৰীকমে ব্ৰঞ্জৰ পদক লাভ কৰি আন এক ইতিহাস গঢ়ে। অলিম্পিকত পদক লাভ প্ৰথম ভাৰতীয় মহিলা বক্সাৰৰূপে পৰিগনিত হয় মেৰীকম। বিগত 2016 ৰ ৰিঅ' অলিম্পিকত পদক লাভৰ ক্ষেত্ৰত বিমুখ হয় ভাৰতীয় বক্সাৰ। এইবাৰ টকিঅ' অলিম্পিকত বক্সিংৰ পৰা ভাৰতে যি পদক আশা কৰিছে সেয়া মুখ্যৰূপত দেশৰ মহিলা তাৰকা বক্সাৰ এম চি মেৰী কমৰ ওপৰতে নিৰ্ভৰ।

## পি ভিৰ মুখত ৰিঅ'ৰ আত্মবিশ্বাস, আজি ক'ৰ্টত ছাটৱিকছাইৰাজ-চিৰাগ



**টকিঅ', ২৫ জুলাই ঃ** বিগত ৰিঅ' অলিম্পিকত ৰূপ জয় কৰি ভাৰতৰ সন্মান ৰক্ষা কৰা মহিলা শ্বাটলাৰ পি ভি সিন্ধুই চলিত টকিঅ' অলিম্পিকত জয়েৰে অভিযান আৰম্ভ কৰিছে। আজি অনুষ্ঠিত হোৱা গ্ৰুপৰ প্ৰথম মেচত সিন্ধুই 21-7, 21-10 ৰ ব্যৱধানত ইছ্ৰাইলৰ প'লিক'ৰ্পভাক হৰুৱায়। সিন্ধুই পৰৱৰ্তী মেচ খেলিব হংকঙৰ চেওং নগান য়িৰ বিৰুদ্ধে। উল্লেখ্য যে বিগত 2016 ৰ ৰিঅ' অলিম্পিকত সিন্ধুই ৰূপৰ পদক লাভ কৰি নতুন ইতিহাস গঢ়িছিল। জীৱনৰ প্ৰথম অলিম্পিকতে চাপৰ মাজতো দৃঢ়তাৰে চমক দিছিল সিন্ধুৱে। এইবাৰ টকিঅ' অলিম্পিকতো সিন্ধুৰ জড়িয়তে পদক জয়ৰ আশা কৰিছে দেশবাসীয়ে। কেৰিয়াৰৰ দ্বিতীয় অলিম্পিক খেলা সিন্ধু এইবাৰ স্বাভাৱিকতে অভিজ্ঞও। উল্লেখ্য যে ভাৰতীয় শ্বাটলাৰে চলিত টকিঅ' অলিম্পিকত আশাৰ আৰম্ভণি কৰিছে। প্ৰথমদিনা পুৰুষৰ ডাবলচ শাখাত চমকপ্ৰদ খেল প্ৰদৰ্শন কৰি ভাৰতৰ ছাটৱিকছাইৰাজ ৰেংকিৰেড্ডী আৰু চিৰাগ ছেট্টীয়ে জয়লাভ অৰ্জন কৰে। উল্লেখ্য যে পুৰুষৰ ডাবলচ শাখাত ভাৰতীয় যুটীটো মুখামুখি হয় বিশ্ব ৰেংকিঙৰ তৃতীয় স্থান প্ৰাপ্ত চাইনিছ টাইপেৰ এল য়াং আৰু ডব্লিউ চিৰ। কেৰিয়াৰৰ প্ৰথম অলিম্পিক খেলা ভাৰতৰ দুই নৱাগত শ্বাটলাৰ ছাটৱিকছাইৰাজ ৰেংকিৰেড্ডী আৰু চিৰাগ ছেট্টীয়ে তিনিটা ছেটৰ অন্তত 21-16, 16-21, 27-25 ৰ ব্যৱধানত পৰাস্ত কৰে চাইনিছ টাইপেৰ এল য়াং আৰু ডব্লিউ চিক। ইয়াৰপূৰ্বে পুৰুষৰ একক শাখাৰ গ্ৰুপৰ প্ৰথম মেচত ছাই প্ৰনিথ পৰাস্ত হয় ইজৰাইলৰ জিলমাৰ্মানৰ বিৰুদ্ধে। ব্যৱধান 21-17, 21-15¼ প্ৰনীথে পৰৱৰ্তী মেচ খেলিব নেদাৰলেণ্ডছৰ শ্বাটলাৰৰ বিৰুদ্ধে।



## অ'ছাকাৰ অগ্ৰগতি বাৰ্টি-মাৰেৰ বিদায়

**টকিঅ', ২৫ জুলাই ঃ** চলিত টকিঅ' অলিম্পিকৰ টেনিছত মহিলাৰ একক শাখাত জাপানৰ নাওমি অ'ছাকাই প্ৰথম ৰাউণ্ডৰ মেচত 6-1, 6-4 ৰ ব্যৱধানত জয়ী হৈ ঘৰুৱা সমৰ্থকক আনন্দ দিছে। কিন্তু অষ্ট্ৰেলিয়াৰ বাৰ্টি প্ৰথম ৰাউণ্ডতে পৰাস্ত হয়। স্পেইনৰ ছাৰাই 6-4, 6-3 ৰ ব্যৱধানত পৰাস্ত কৰে বাৰ্টিক। ইফালে, আঘাতৰ বাবে নাম প্ৰত্যাহাৰ কৰিলে পুৰুষ টেনিছ খেলুৱৈ ব্ৰিটেইনৰ এণ্ডি মাৰে। 2012 আৰু 2016 ৰ অলিম্পিকত সোণ লাভ কৰিছিল মাৰে।



## ৰয়িঙৰ ছেমিত ভাৰতৰ অৰবিন্দ সিং-অৰ্জুন লাল

**টকিঅ', ২৫ জুলাই ঃ** টকিঅ' অলিম্পিকৰ ৰয়িঙত ভাৰতৰ অৰবিন্দ সিং আৰু অৰ্জুন লালে দ্বিতীয় চেষ্টাত ছেমিফাইনেলত প্ৰৱেশ কৰিবলৈ সক্ষম হৈছে। উল্লেখ্য যে কালি ভাৰতে প্ৰথম সুযোগত পোনে পোনে ছেমিফাইনেলত প্ৰৱেশ কৰাত ব্যৰ্থ হৈছিল যদিও দ্বিতীয় সুযোগ লাভ কৰে। প্ৰথমদিনা চেক গণৰাজ্য আৰু আয়াৰলেণ্ডে ছেমিফাইনেলত প্ৰৱেশ কৰাৰ বিপৰীতে ভাৰতৰ লগতে পোলেণ্ড, ইউক্ৰেইন আৰু উৰুগুৱে ছেমিফাইনেলত প্ৰৱেশৰ দ্বিতীয় সুযোগ লাভ কৰে। আজি ভাৰতৰ অৰবিন্দ সিং আৰু অৰ্জুন লালে দ্বিতীয় চেষ্টাত তৃতীয় হৈ ছেমিফাইনেলত প্ৰৱেশ কৰিবলৈ সক্ষম হয়। ভাৰতে সময় লয় ছয় মিনিট 51.36 মিনিট। ভাৰতে অহা 27 জুলাইত ছেমিফাইনেল খেলিব।



## পুৰুষ বক্সাৰৰ ব্যৰ্থতা অব্যাহত

## বিকাশৰ পাছত প্ৰথম ৰাউণ্ডতে বিদায় মনীষৰো



**টকিঅ', ২৫ জুলাই ঃ** চলিত টকিঅ' অলিম্পিকৰ বক্সিঙত আজি মেৰীকমে ভাৰতক সুন্দৰ আৰম্ভণি দিয়ে যদিও পৰুষ বক্সাৰৰ ব্যৰ্থতা আজিও অব্যাহত থাকে। 63 কিলোগ্ৰাম শাখাত খেলা ভাৰতৰ মনীষ কৌশিক প্ৰথম ৰাউণ্ডতে পৰাস্ত হৈ বিদায় লয়। গ্ৰেট ব্ৰিটেইনৰ লকা মেককৰ্মাকে 4-1 ৰ ব্যৱধানত পাৰস্ত কৰে মনীষক। ইয়াৰপূৰ্বে ভাৰতৰ অভিজ্ঞ বক্সাৰ বিকাশ কিষানো চলিত টকিঅ' অলিম্পিকৰ প্ৰথম ৰাউণ্ডতে পৰাস্ত হৈ বাহিৰ হৈছিল। পৰুষৰ 69 কিলোগ্ৰাম শাখাত জাপানৰ প্ৰতিদ্বন্দ্বী আকাজাৱাৰ মুখামুখি হোৱা বিকাশক 5-0 ত বিধ্বস্ত কৰিছিল ঘৰুৱা বক্সাৰজনে। টকিঅ' অলিম্পিকত কাইলৈ বক্সিঙত ভাৰতৰ হৈ খেলিব 75 কিলোগ্ৰাম শাখাত আশীষ কুমাৰে।

## পৰুষৰ একক শাখাত বিদায় ল'লে সাথীনে ঃ আজি শৰথৰ খেল

## টেবুল টেনিছত মনিকা বাট্ৰাৰ জয়যাত্ৰা



**টকিঅ', ২৫ জুলাই ঃ** চলিত টকিঅ' অলিম্পিকৰ টেবুল টেনিছত ভাৰতৰ মনিকা বাট্ৰাই জয়যাত্ৰা অব্যাহত ৰাখি মহিলাৰ একক শাখাৰ তৃতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছে। আজি অনুষ্ঠিত দ্বিতীয় ৰাউণ্ডৰ মেচত মনিকাই 4-11, 4-11, 11-7, 12-10, 8-11, 11-5, 11-7 ৰ ব্যৱধানত জয়ী হয়। উল্লেখ্য যে ইয়াৰপূৰ্বে মনিকাই প্ৰথম ৰাউণ্ডৰ মেচত সুন্দৰ প্ৰদৰ্শন কৰি প্ৰথম মেচত গ্ৰেট ব্ৰিটেইনৰ টিন টিন হোক 11-7, 11-6, 12-10, 11-9 ৰ ব্যৱধানত হৰুৱাই দ্বিতীয় ৰাউণ্ডত প্ৰৱেশ কৰিছিল। মনিকাই কাইলৈ খেলিব তৃতীয় ৰাউণ্ডৰ মেচ। কিন্তু মনিকাৰ সফলতাৰ বিপৰীতে আজি পুৰুষৰ একক শাখাৰ দ্বিতীয় ৰাউণ্ডৰ মেচত ভাৰতৰ সাথীন গননছেকাৰন পৰাস্ত হৈ অলিম্পিকৰ পৰা বিদায় লয়। প্ৰথম চাৰিটা ছেটৰ তিনিটাত জয়ী হৈ 3-1 ত আগবাঢ়ি থকাৰ পাছতো অন্তিম তিনিটা ছেটত পৰাস্ত হোৱাৰ বাবে বিদায় ল'ব লগা হয় সাথীনে। মেচৰ ব্যৱধান হ'ল 7-11, 11-7, 11-4, 11-3, 9-11, 10-12, 6-11¼ উল্লেখ্য যে ইয়াৰপূৰ্বে মিক্সড ডাবলছ শাখাত ভাৰতৰ দুই তাৰকা শৰথ কমল আৰু মনিকা বাট্ৰাই প্ৰথম মেচতে পৰাস্ত হৈ বিদায় লৈছিল। মিক্সড ডাবলচ শাখাৰ প্ৰি-কোৱাৰ্টাৰত চাইনিছ টাইপেৰ খেলুৱৈয়ে ভাৰতীয় যুটীটোক 11-8, 11-6, 11-5, 11-4 ৰ ব্যৱধানত পৰাস্ত কৰে। ইফালে, মনিকাৰ লগতে মহিলাৰ একক শাখাৰ প্ৰথম ৰাউণ্ডৰ মেচত জয় অৰ্জন কৰিছে সুতিৰ্থা মুখাৰ্জীয়েও। ছুইডেনৰ লিণ্ডাক সাতটা ছেটৰ অন্তত 5-11, 11-9, 11-13, 9-11, 11-3, 11-9, 11-5 ৰ ব্যৱধানত পৰাস্ত কৰি পৰৱৰ্তী ৰাউণ্ডলৈ অগ্ৰসৰ হোৱা সুতিৰ্থাই কাইলৈ খেলিব দ্বিতীয় ৰাউণ্ডৰ মেচ। কাইলৈ পুৰুষৰ একক শাখাত খেলিব শৰথ কমলেও।

## আজি আৰ্চাৰী, ফেন্সিং, সাঁতোৰত ভাৰতৰ খেল

## প্ৰাৰম্ভিক ৰাউণ্ডতে বিদায় মনা-প্ৰণতিৰ



**টকিঅ', ২৫ জুলাই ঃ** চলিত টকিঅ' অলিম্পিকত ভাৰতৰ সাঁতোৰবিদ মনা পেটেল আৰু শ্ৰীহৰি নটৰাজে পাৰম্ভিক ৰাউণ্ডতে বিদায় লৈছে। 100 মিটাৰ বেকষ্ট'কত মনাই এক মিনিট 5.20 ছেকেণ্ড সময় লৈ পূৰ্ণ কৰে যদিও ছেমিফাইনেলত প্ৰৱেশত ব্যৰ্থ হয়। ইফালে, জিমনাষ্টিকত ভাৰতৰ প্ৰনতী নায়কেও ফাইনেলত প্ৰৱেশত ব্যৰ্থ হয়। সাঁতোৰত কাইলৈ ভাৰতৰ হৈ খেলিব ছাজন প্ৰকাশে। ইফালে, কাইলৈ ফেন্সিঙত খেলিব ভৱানী দেৱীয়ে। আৰ্চাৰীত কাইলৈ ভাৰতৰ পুৰুষ দলে নকআউট ৰাউণ্ডৰ মেচ খেলিব। উল্লেখ্য যে ভাৰতৰ দীপিকা কুমাৰী আৰু প্ৰবীন যাদৱে চলিত টকিঅ' অলিম্পিকৰ মিক্সড ডাবলছৰ কোৱাৰ্টাৰ ফাইনেলত পৰাস্ত হৈ অভিযান সামৰিছে। কোৰিয়াৰ ছান আৰু কিমে 6-2 ৰ ব্যৱধানত পৰাস্ত কৰে ভাৰতীয় যুটীক। ইয়াৰপূৰ্বে প্ৰথম ৰাউণ্ডৰ মেচত দীপিকা কুমাৰী আৰু প্ৰবীন যাদৱে 5-3 ৰ ব্যৱধানত পৰাস্ত কৰিছিল চাইনিছ টাইপেৰ প্ৰতিদ্বন্দ্বীক। উল্লেখ্য যে মিক্সড ডাবলছত ব্যৰ্থ হোৱাৰ পাছত এতিয়া ভাৰতে দলীয় আৰু একক শাখাত পদকৰ বাবে খেলিব। ভাৰতৰ হৈ পুৰুষৰ দলীয়ত অতনু দাস, তৰুনদ্বীপ ৰায় আৰু প্ৰবীন যাদৱে খেলাৰ বিপৰীতে মহিলাৰ একক শাখাত দীপিকাই অংশ ল'ব। কোৱালিফায়িং ৰাউণ্ডত দীপিকাই নৱম স্থানত থকাৰ বিপৰীতে পুৰুষৰ প্ৰবীন যাদৱ 31, অতনু দাস 35 আৰু তৰুনদ্বীপ ৰায় 37 নম্বৰ স্থানত থাকে।

## আজি ডানিলৰ বিৰুদ্ধে সুমীত

## প্ৰথম ৰাউণ্ডতে পৰাস্ত, টকিঅ'ৰ পৰা ছায়'নাৰা ছানিয়া-অংকিতাৰ

**টকিঅ', ২৫ জুলাই ঃ** চলিত টকিঅ' অলিম্পিকত ভাৰতৰ মহিলা ডাবলচৰ টেনিছ যুটি ছানিয়া মিৰ্জা আৰু অংকিতা ৰাইনাই প্ৰথম ৰাউণ্ডতে পৰাস্ত হৈ বিদায় লৈছে। ইউক্ৰেইনৰ নাদিয়া-লিডমিলা যুটিয়ে তিনিটা ছেটৰ অন্তত 6-0, 6-7, 10-8 ৰ ব্যৱধানত পৰাস্ত কৰে ছানিয়া মিৰ্জা আৰু অংকিতা ৰাইনাক। ইফালে, ভাৰতৰ পুৰুষ টেনিছ খেলুৱৈ সুমীতে কাইলৈ দ্বিতীয় ৰাউণ্ডৰ মেচত মুখামুখি হ'ব বিশ্ব ৰেংকিঙৰ দ্বিতীয় স্থানৰ খেলুৱৈ ডানিলৰ বিৰুদ্ধে। উল্লেখ্য যে সুমীতে প্ৰথম ৰাউণ্ডৰ মেচত জয় হৈ নতুন অভিলেখ গঢ়িছিল। 1996 ৰ পাছত অলিম্পিকৰ টেনিছৰ একক শাখাৰ মেচত জয় অৰ্জন কৰা প্ৰথম ভাৰতীয় হয় সুমীত। 1996 ত ভাৰতৰ লিয়েণ্ডাৰ পেজে টেনিছত ব্ৰঞ্জৰ পদক লাভ কৰাৰ পাছত কোনো ভাৰতীয়ই অলিম্পিকৰ টেনিছৰ একক শাখাৰ মেচত সফলতা লাভ কৰা নাছিল। কিন্তু সুমীতে প্ৰথম ৰাউণ্ডত 6-4, 6-7, 6-4 ৰ ব্যৱধানত ডেনিছ ইষ্টোমিনক হৰুৱাই নতুন অভিলেখ গঢ়ে।



## হকীত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে ৭-১ ত পৰাস্ত ভাৰত

**টকিঅ', ২৫ জুলাই ঃ** ভাৰতৰ পুৰুষ হকী দলে টকিঅ' অলিম্পিকত জয়েৰে নিজৰ অভিযান আৰম্ভ কৰাৰ পাছত আজি দ্বিতীয় মেচত অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে নিৰ্লজ্জ 7-1 গ'লৰ ব্যৱধানত পৰাস্ত হয়। অৱশ্যে ভাৰত এতিয়াও নকআউট ৰাউণ্ডত প্ৰৱেশৰ দৌৰত আছে। উল্লেখ্য যে চলিত টকিঅ' অলিম্পিকত ভাৰতৰ লগত গ্ৰুপত আছে আৰ্জেণ্টিনা, অষ্ট্ৰেলিয়া, জাপান, নিউজিলেণ্ড আৰু স্পেইন। ভাৰত পৰৱৰ্তী মেচত মুখামুখি হ'ব স্পেইনৰ। ইয়াৰপূৰ্বে প্ৰথম মেচত ভাৰতীয় পুৰুষ হকী দল মুখামুখি হৈছিল নিউজিলেণ্ডৰ। মেচখনত ভাৰতে 3-2 গ'লৰ ব্যৱধানত পৰাস্ত কৰিছিল নিউজিলেণ্ডক।

## আজি জাৰ্মানীৰ বিৰুদ্ধে মহিলা দল



ইফালে, ভাৰতীয় মহিলা হকী দলে প্ৰথম মেচৰ ব্যৰ্থতাৰ পাছত কাইলৈ খেলিব জাৰ্মানীৰ বিৰুদ্ধে। উল্লেখ্য যে প্ৰথম মেচত ভাৰতীয় মহিলা হকী দল 1-5 গ'লত পৰাস্ত হৈছিল শীৰ্ষ বাচনিৰ নেদাৰলেণ্ডৰ বিৰুদ্ধে। সুদীৰ্ঘ 36 বছৰ পাছত বিগত ৰিঅ' অলিম্পিকত খেলিছিল ভাৰতৰ মহিলা দলে। যোৱাবাৰ আশাপ্ৰদ প্ৰদৰ্শন কৰা নাছিল যদিও এইবাৰ ৰাণী ৰামপালে নেতৃত্ব দিয়া দলে দৃঢ়তাৰে খেলিব বুলি আশা কৰা হৈছিল। কিন্তু প্ৰথম মেচত দলে প্ৰত্যাসিত প্ৰদৰ্শন কৰিব নোৱাৰিলে। ভাৰতীয় মহিলা দলৰ পৰৱৰ্তী গ্ৰুপ মেচ হ'ল গ্ৰেট ব্ৰিটেইন (28 জুলাই), আয়াৰলেণ্ড (30 জুলাই) আৰু দক্ষিণ আফ্ৰিকা (31 জুলাই)।

## শ্বুটিঙত ভাৰতৰ ব্যৰ্থতা ঃ প্ৰাৰম্ভিক পৰ্যায়তে পৰাজয় মহিলা শ্বুটাৰৰ



**টকিঅ', ২৫ জুলাই ঃ** চলিত টকিঅ' অলিম্পিকত শ্বুটিঙত ভাৰতৰ পদক জয়ৰ আশাত আজিও চেচাপানী পৰে। উল্লেখ্য যে আজি মহিলাৰ 10 মিটাৰ এয়াৰ পিষ্টল শাখাত মানু ভাকেৰ আৰু যশস্বিনী সিঙে খেলে। কিন্তু উভয়ে ফাইনেলত প্ৰৱেশ কৰিব নোৱাৰিলে। প্ৰথমবাৰৰ বাবে অলিম্পিক খেলা মানু ভাকেৰ আৰু যশস্বিনী সিঙে কোৱালিফায়িং ৰাউণ্ডত ক্ৰমে 575 আৰু 574 পইণ্ট লাভ কৰি 12 আৰু 13 নম্বৰ স্থানত থাকে। উল্লেখ্য যে মানু ভাকেৰ ভাৰতৰ অন্যতম পদক প্ৰত্যাসী আছিল। কিন্তু আজি খেলি থকাৰ সময়তে পিষ্টলৰ কাৰিকৰী বিজুতিয়ে বিপদত পেলায় মানুক। 2018 ৰ কেৰিয়াৰৰ প্ৰথমখন কমনৱেলথ গেমছতে সোণ লাভ কৰি ইতিহাস গঢ়া মানুই সৰ্বকনিষ্ঠৰূপে আই এছ এছ এফ বিশ্বকাপত সোণ দখল কৰিছিল। মানুই এতিয়ালৈকে বিশ্বকাপত মুঠ নটা সোণ আৰু দুটা ৰূপ লাভ কৰিছে। আনহাতে, যুৱ অলিম্পিকতো এটা সোণ আৰু এটা ৰূপ দখল কৰিবলৈ সক্ষম হয়। এছিয়ান শ্বুটিঙত চাৰিটা সোণ লাভ কৰা মানুই আই এছ এছ এফ জুনিয়ৰ বিশ্বকাপত তিনিটা সোণ আৰু এটা ৰূপৰ পদক লাভ কৰিছিল। ইফালে, যশস্বিনী সিঙে আই এছ এছ এফ বিশ্বকাপত তিনিটা সোণ, এটা ৰূপ আৰু দুটা ব্ৰঞ্জ লাভ কৰাৰ লগকে জুনিয়ৰ বিশ্বকাপত দুটা সোণ লাভ কৰাৰ লগতে সমসংখ্যক ৰূপৰ পদক অৰ্জন কৰে। ইফালে, পুৰুষৰ 10 মিটাৰ এয়াৰ ৰাইফল শাখাত খেলা ভাৰতৰ দিব্যানশ সিং পানৱাৰ আৰু দীপক কুমাৰেও ফাইনেলত প্ৰৱেশত ব্যৰ্থ হয়। এতিয়া মিক্সড দলীয় 10 মিটাৰ এয়াৰ পিষ্টল শাখাত সৌৰভ চৌধুৰী আৰু মানু ভাকেৰ যুটিয়ে খেলাৰ লগতে অভিষেক বাৰ্মা আৰু যশস্বিনী সিঙেও দেশৰ হৈ প্ৰতিদ্বন্দ্বীতা আগবঢ়াব। উল্লেখ্য যে মানুৰ দৰেই সৌৰভো একক শাখাত পদক জয়ৰ দৌৰত আছিল যদিও প্ৰথমদিনা পুৰুষৰ 10 মিটাৰ এয়াৰ পিষ্টল শাখাত ভাৰতৰ সৌৰভ চৌধুৰীয়ে ফাইনেলত প্ৰৱেশ কৰিয়ো সপ্তম স্থানত থাকি পদক বঞ্চিত হয়। ইয়াৰপূৰ্বে সৌৰভে কোৱালিফাইয়িং ৰাউণ্ডত 586 পইণ্ট লাভ কৰি ফাইনেলত প্ৰৱেশ কৰিছিল। ইফালে, পুৰুষৰ 10 মিটাৰ এয়াৰ পিষ্টল শাখাত খেলা ভাৰতৰ আনগৰাকী শ্বুটাৰ অভিষেক বাৰ্মাই 575 পইণ্ট লাভ কৰি ফাইনেলত প্ৰৱেশত ব্যৰ্থ হয়। 17 নম্বৰ স্থানত থাকে অভিষেক। ইফালে, ফাইনেলত প্ৰৱেশত ব্যৰ্থ হয় মহিলাৰ 10 মিটাৰ এয়াৰ ৰাইফল শাখাত খেলা অপূৰ্বি চান্দিলা আৰু ইলাভেনিল ভালাৰিভানো। কোৱালিফাইয়িং ৰাউণ্ডত অপূৰ্বিয়ে 621.9 পইণ্ট লাভ কৰি 36 নম্বৰ স্থানত থকাৰ বিপৰীতে ইলাই 626.5 পইণ্ট লাভ কৰি 16 নম্বৰ স্থানত থাকে।

দৈনিক অগ্ৰদূত

Regn No. RNP/GH-085/2021-2023

গুৱাহাটী, ২৬ জুলাই, ২০২১ সোমবাৰ পৃষ্ঠা ১২

## বিলাসনন্দন চ'ৰা




# খেলা হবে

**মাজত** আৰু মাত্ৰ দুটা বছৰ আছে। এই দুটা বছৰতে যদি কিবা এটা চমক দেখুৱাব পৰা নাযায়, তেন্তে গোল খোৱাটো খাটাং। দিল্লীৰ বাদশ্বাহে বহু চিন্তা কৰিলে— কি কৰিব পৰা যায়? কি চমক দিব পৰা যায়? চিন্তা কৰাত, বিশেষকৈ চিন্তা কৰি নতুন নতুন চমক দিবলৈ বাদশ্বাহক বৰ বেছি সময় নালাগে। এতিয়ালৈকেতো বাদশ্বাহে দিল্লীৰ দৰবাৰত এণ্ট্ৰি মৰাৰ পাছৰে পৰা চমক দিয়াৰ বাহিৰে বাদশ্বাহে বেলেগ একোৱে কৰা নাই। কিন্তু চমক দিলেও সৰ বস্তুৰেতো এটা শেষ আছে। হ'ল বুলিনো সদায় সদায় আৰু কিমান চমক দিব? ষ্টক খালী হৈ গৈছে।

ধৰি লওক টেমাত বিস্কুটৰ ষ্টক নাই। সৰ শেষ। তথাপি টেমাটো জোঁকাৰি দিলে বিস্কুটৰ কিছু গুড়িতো ওলাব! বাদশ্বাহেও চমকৰ ষ্টক থকা টেমাটো জোঁকাৰি দিলে। পাই গ'ল গুড়ি। বাদশ্বাহে ইমান বছৰে দি অহা চমকৰ ভিতৰত এটা চমক আছিল আকাশ চুব খোজা এটা মূৰ্তি। সেই বিশাল মূৰ্তিটোৱে সৰৰে পৰা বাঃ বাঃ পাইছিল আৰু অহংকাৰত বাদশ্বাহৰ 'পচপন ইঞ্চ কা চীনা' ওফন্দি উঠিছিল। বাদশ্বাহে ভাবিলে— আৰু এটা মূৰ্তি বনোৱা যাওক। আগৰটোৱে আকাশ চুইছিল আৰু এই মূৰ্তিটোৱে মহাকাশ চুব। মহাকাশলৈ মানুহ পঠিয়াব নোৱাৰিলেই যেতিয়া মূৰ্তিকে পঠিয়াব। পিছে এইবাৰ মূৰ্তিটো বেলেগৰ নহ'ব, বাদশ্বাহৰ নিজৰ হ'ব। বাদশ্বাহে নিজেই নিজৰ মূৰ্তি বনাই লৈ উন্মোচন কৰি দেশজুৰি হাহাকাৰ লগাই দিব বুলি ভাবিলে। মহাভাৰতত হতাশ হৈ পৰা অৰ্জুনে যেনেকৈ কৃষ্ণৰ বিশাল অৱতাৰ দেখি যুদ্ধ কৰিবলৈ উৎসাহিত হৈছিল, ঠিক তেনেকৈ বাদশ্বাহৰো এই বিশাল মূৰ্তি দেখি পাৰ্টিৰ বাকী মানুহে উৎসাহিত হ'ব, যুঁজ কৰিবলৈ এনকাৰেজড্ হ'ব।



ভবা মতে কাম। বাদশ্বাহে ডাঙৰ ডাঙৰ বিকাউ আৰ্টিষ্টক দৰবাৰলৈ মাতি আনিলে। সৰ ফৰেইনৰ আৰ্টিষ্ট। দুজনমান চাইনাৰো আছে। আটাইকে অৰ্ডাৰ দিয়া হ'ল— যিমান পাৰি সিমান ওখকৈ বাদশ্বাহৰ এটা মূৰ্তি বনাব লাগিব। ইমান ওখকৈ বনাব লাগিব যাতে বাকী মহানসকলৰ মূৰ্তিবোৰৰ গায়ে-মূৰে চৰাই-চিৰিকটিয়ে নিত্যকৰ্ম কৰি যোৱাৰ লেখীয়াকৈ এই মূৰ্তিটোত কৰিব নোৱাৰে। লগতে মূৰ্তিটো ধুনীয়া হ'ব লাগিব। চিকচিকাই থাকিব লাগিব। এহাতে থাকিব পদুম ফুল আৰু আনখন হাতত চাহৰ কেটলি। অতীত আৰু বৰ্তমান দুই হাতে জিলিকি থাকিব লাগিব।

ফৰেইনৰ আৰ্টিষ্টসকলে বাদশ্বাহক ক'লে— 'ফাইনেল মূৰ্তিটো বনোৱাৰ আগেয়ে আমি আপোনাক চেম্পল এটা বনাই দেখুৱাও। সৰুকৈ মূৰ্তি এটা বনাই দেখুৱাও, আপোনাৰ পছন্দ হ'লে মূৰ্তিটো আমি ডাঙৰ কৰি দিম।' বাদশ্বাহে ৰাজি হ'ল— 'হ'ব! কেৱল চেম্পলটোও অলপ ডাঙৰকৈ বনাবা। মই নিজকে সৰু কৰি চাবলৈ বেয়া পাওঁ।'

আৰ্টিষ্টবোৰে দুৱাৰ বন্ধ কৰি ল'লে। এমূৰৰ পৰা মূৰ্তিটো বনাব ধৰিলে। অলপ সৰুকৈ বনালে, মানে বাদশ্বাহৰ অৰিজিনেল চাইজত বনালে। দিন-ৰাতি একাকাৰ কৰি কাম চলি থাকিল। বাদশ্বাহেও দৈনিক খবৰ লৈ থাকিল। সোধা-পোছা কৰি থাকিল কটকীক— 'কি খবৰ? হৈছেনে মূৰ্তিটো!' কটকীয়ে সদায় কয়— 'হৈ আছে বোলে! হৈ আছে, হৈ আছে, হৈ আছে!' দিন যিমানে বাগৰি গ'ল, উত্তৰ একেটাই— 'হৈ আছে!' বাদশ্বাহৰ টেনছন হ'ল। চেম্পলহে বনাইছে, আচল মূৰ্তিটোতো বনোৱা নাই! তাতেই ইমান সময় লাগিছেনে? আৰ্টিষ্টবোৰে খিৰিকীৰে পলাই যোৱা নাইতো! বহু টকা এডভান্স দিয়া গৈছে। কাম আধাতে সামৰি কাটি খোৱা নাইতো! মূৰ্তি বনোৱাৰ নামত যদি টুপী পিন্ধিব লগা হয়, তাকো ফৰেইনৰ আৰ্টিষ্টৰ হাতত, বৰ লাজৰ কথা হ'ব! এইবোৰ কথা ভাবি ভাবি বাদশ্বাহৰ ধৈৰ্যচ্যুতি ঘটিল। প্ৰচণ্ড বেগেৰে গৈ 'পচপন ইঞ্চ চীনা'ৰে ঢকিয়াই দুৱাৰ ভাঙি বাদশ্বাহে আৰ্টিষ্টে মূৰ্তি বনোৱা ৰুমটোত এণ্ট্ৰি মাৰিলে। এণ্ট্ৰি মাৰি দেখে— বেদীটো আছে, কিন্তু বেদীৰ ওপৰত নিৰ্মাণ কৰা বাদশ্বাহৰ মূৰ্তিটো নাই। আচৰিত হৈ বাদশ্বাহে সুধিলে— 'কি হ'ল? মোৰ মূৰ্তিটো ক'লৈ গ'ল? নে তোমালোকে বনোৱাই নাই!'

আৰ্টিষ্টৰ দলটোৱে ক'লে— 'বনাইছিলো জাহাপনা! আপোনাৰ মূৰ্তিটো বনোৱা শেষ হৈ গৈছিল।'

ঃ তেন্তে মোৰ মূৰ্তিটো ক'লৈ গ'ল?

ঃ ওচৰতে কোনাবাই ম'বাইলত গান এটা বজাই দিলে। গানটো শুনিয়ে আপোনাৰ মূৰ্তিটোৱে দৌৰি গৈ খিৰিকীৰে জঁপিয়াই নাইকিয়া হৈ গ'ল।

ঃ কি গান বাজিছিল?

আৰ্টিষ্টৰ দলটোৱে ক'লে— 'খেলা হবে!'

*(বিলাসনন্দন চ'ৰাৰ উদ্দেশ্য ব্যংগ ৰস সৃষ্টিহে, কোনো ব্যক্তি বিশেষৰ মনত আঘাত দিয়াটো নহয়।)*

## কোনোবাটো পৰিত্যক্ত, আকৌ কোনোবাটো পৰিণত হৈছে পৰ্যটনস্থলীত



# বিপুল অৰ্থৰ ব্যয়সাপেক্ষে নিৰ্মিত অলিম্পিক ক্ৰীড়াগ্ৰামৰ পৰিণতি

■ **নিউজ ব্যুৰ'**

**টকিঅ', ২৫ জুলাই ঃ** প্ৰাচীন গ্ৰীচত আৰম্ভ হৈছিল অলিম্পিক। যীশুক মান্যতা দিয়াৰ বাবে ধৰ্মীয় উৎসৱৰূপে অলিম্পিয়া নামেৰে গ্ৰীচৰ অলিম্পিয়া চহৰত এই অলিম্পিক আৰম্ভ হৈছিল বুলি ধাৰণা কৰা হয়। এতিয়া সেই অলিম্পিকেই হৈ পৰিছে সমগ্ৰ বিশ্বৰ ক্ৰীড়াবিদসকলৰ এক ক্ৰীড়া উৎসৱ। প্ৰতি চাৰি বছৰৰ ব্যৱধানত অনুষ্ঠিত হোৱা এই অলিম্পিকলৈ প্ৰত্যেক ক্ৰীড়াবিদৰ লগতে ক্ৰীড়াপ্ৰেমীয়েও অধীৰ আগ্ৰহেৰে অপেক্ষা কৰি থাকে। ১৮৯৬ত প্ৰথম আধুনিক অলিম্পিক অনুষ্ঠিত হৈছিল। ১৮৯৪ত সেই আধুনিক অলিম্পিকৰ ধাৰণাটো মানুহৰ মনলৈ আনিছিল ফ্ৰান্সৰ বেৰণ পিয়েৰে দ্য কুবাৰটিনে। কোন চহৰত অলিম্পিক অনুষ্ঠিত হ'ব সেয়া বহু বছৰৰ আগতেই স্থিৰ হয়। সেই ঘোষণা অনুসৰিয়ে সেই চহৰ বা দেশখনে বহু আগৰে পৰাই প্ৰস্তুতি আৰম্ভ কৰে। বিশ্বৰ বিভিন্ন প্ৰান্তৰ পৰা হেজাৰ হেজাৰ প্ৰতিযোগীয়ে সেই চহৰত উপস্থিত হয় অলিম্পিকৰ পদক জয়ৰ লক্ষ্যৰে। তেওঁলোকৰ লগত থাকে প্ৰশিক্ষক, চিকিৎসক, অন্যান্য সহকাৰী তথা পৰিয়ালৰ লোকো।

এনে বিশাল সংখ্যক মানুহৰ থকা-খোৱা তথা বিভিন্ন প্ৰতিযোগিতা আয়োজনৰ বাবে অতি বৃহৎ অঞ্চলৰ প্ৰয়োজন হয়। লগতে প্ৰয়োজন হয় বৃহৎ আকাৰৰ আন্তঃগাঁথনিৰ। এখন গাঁও যিমান ডাঙৰ হ'ব পাৰে, অলিম্পিকৰ বাবে সেই আকাৰৰ বা তাতকৈ ডাঙৰ অঞ্চলৰ প্ৰয়োজন হয়। সেই বাবেই য'ত অলিম্পিক অনুষ্ঠিত হয়, তাৰ সংলগ্ন খেলুৱৈক ৰখা বিশাল অঞ্চলটোক অলিম্পিক গেমছ ভিলেজ বা ক্ৰীড়াগ্ৰাম বুলি কোৱা হয়। জাপানৰ মাটিত এই সৰ্ববৃহৎ ক্ৰীড়া প্ৰতিযোগিতা দ্বিতীয়বাৰৰ বাবে অনুষ্ঠিত হৈছে। ইয়াৰ পূৰ্বে ১৯৬৪ত টকিঅ'তেই অলিম্পিক অনুষ্ঠিত হৈছিল। ২০১১ত ফুকুশ্বিমাত ভূমিকম্প আৰু ছুনামিৰ পাছত ২০১৩ৰ সাত ছেপ্টেম্বৰত চৰকাৰীভাৱে আন্তৰ্জাতিক অলিম্পিক কমিটীয়ে ঘোষণা কৰিছিল যে ২০২০ৰ অলিম্পিক টকিঅ'ত অনুষ্ঠিত হ'ব। তেতিয়াৰ পৰাই টকিঅ'ই অলপ অলপকৈ ইয়াৰ প্ৰস্তুতি আৰম্ভ কৰিছিল। সমগ্ৰ দেশৰ ক্ৰীড়াবিদসকলৰ সমাবেশত যিমান বিপুল পৰিমাণৰ লাভৰ বিষয়টো নিহিত থাকে, সেইদৰে অলিম্পিক আয়োজনৰ বিশাল ব্যয়ৰ ভাৰো সংশ্লিষ্ট চহৰখনেই বহন কৰিবলগীয়া হয়। বিশাল অংকৰ ধন ব্যয় কৰি এইবাৰ ১১ হেজাৰ ৩২৪জন ক্ৰীড়াবিদ তথা বহু সংখ্যক প্ৰশিক্ষক, চিকিৎসক, সহকাৰী আদিৰ থকা-খোৱাৰ ব্যৱস্থা আৰু ৩৩৯টা ইভেণ্টৰ প্ৰতিযোগিতাৰ আয়োজন কৰিছে টকিঅ' চহৰে। ইয়াৰ বাবে নিৰ্মাণ কৰা হৈছে সুবিশাল তথা অত্যাধুনিক অলিম্পিক ক্ৰীড়াগ্ৰাম। এই ক্ষেত্ৰত জাপানৰ আনুমানিক ব্যয় হৈছে প্ৰায় ১৫ হেজাৰ চাৰিশ কোটি ডলাৰ। অথচ অলিম্পিক সমাপ্ত হোৱাৰ পাছত বিপুল অৰ্থ ব্যয় কৰি নিৰ্মাণ কৰা এই ক্ৰীড়াগ্ৰাম সমূহৰ অৱস্থা কি হয়, তাৰ খবৰ কোনেও নাৰাখে। পুনৰ পৰৱৰ্তী অলিম্পিকত ব্যৱহাৰ কৰা হ'ব বুলি সংৰক্ষণো কৰি ৰাখিব নোৱাৰি। কিয়নো উক্ত চহৰখনে পুনৰ কেতিয়ালৈ অলিম্পিক আয়োজনৰ দায়িত্ব পাব, সেয়া কোনেও ক'ব নোৱাৰে। পালেও তাৰ সময়ৰ ব্যৱধান ইমানেই বেছি হ'ব যে সেই ক্ৰীড়াগ্ৰাম ব্যৱহাৰৰ যোগ্য হৈ থাকিব নে নাই, তাৰো কোনো নিশ্চয়তা নাথাকে। টকিঅ'ত নিৰ্মাণ কৰা ক্ৰীড়াগ্ৰামৰ ভৱিষ্যৎ কি হ'ব, সেয়া এতিয়াও নিৰ্ধাৰণ কৰা নাই। অৱশ্যে এতিয়ালৈকে যিমান অলিম্পিক অনুষ্ঠিত হৈছে তথা যিমানবোৰ অলিম্পিক ক্ৰীড়াগ্ৰাম নিৰ্মাণ হৈছে, সেই সকলোবোৰৰে ভৱিষ্যৎ পৰিণতি পৰস্পৰৰ পৰা পৃথক হোৱা দেখা গৈছে। কোনোবাটো যদি পুনৰ ব্যৱহাৰ কৰা হৈছে, আন কোনো ক্ৰীড়াগ্ৰাম সম্পূৰ্ণৰূপে পৰিত্যক্ত অৱস্থাত পৰি আছে।

১৯৯৬ৰ আটলাণ্টা অলিম্পিক অনুষ্ঠিত হৈছিল চেণ্টেনিয়েল অলিম্পিক পাৰ্কত। পাছত এই পাৰ্কত সাধাৰণ মানুহৰ ব্যৱহাৰৰ বাব নতুনকৈ সজাই তোলা হৈছিল। পাৰ্কত অনুষ্ঠিত অলিম্পিকৰ স্মৃতিৰূপে এক স্মাৰকো নিৰ্মাণ কৰা হৈছে। সাধাৰণ লোকৰ বাবে এই পাৰ্ক এক দৰ্শনীয় স্থান। ক্ৰীড়াবিদসকলে থকাৰ বাবে কাষতে থকা ক্লাৰ্ক আটলাণ্টা বিশ্ববিদ্যালয়ৰ চৌহদত অসংখ্য সৰু সৰু ঘৰ নিৰ্মাণ কৰা হৈছিল। সেইবোৰ পৰৱৰ্তী সময়ত বিশ্ববিদ্যালয়খনৰ ছাত্ৰাবাসত পৰিণত হয়। ১৯৯২ৰ অলিম্পিকৰ পূৰ্বে স্পেইনৰ বাৰ্চিলোনাত কোনো উন্নত সাগৰৰ উপকূল নাছিল। অলিম্পিকৰ সময়ত মিছৰৰ পৰা বালি আনি সাগৰৰ তীৰত থকা ঘৰ-দুৱাৰ ভাঙি চহৰখনে এক বিশাল উপকূল তৈয়াৰ কৰে। অলিম্পিক ক্ৰীড়াগ্ৰামৰে অন্তৰ্গত আছিল এই বীচ্চ। অলিম্পিকে বাৰ্চিলোনাক নতুন ৰূপ প্ৰদান কৰিছিল। সম্প্ৰতি এই বীচ্চ বিশ্বৰ অন্যতম পৰ্যটনস্থলীত পৰিণত হৈছে। প্ৰতিযোগীসকলক ৰখা ঘৰত এতিয়া পৰ্যটকসকলে নিশা কটায়।

অষ্ট্ৰেলিয়াৰ ছিডনী অলিম্পিক পাৰ্কত অনুষ্ঠিত হৈছিল ২০০০ৰ অলিম্পিক। সম্প্ৰতি উক্ত পাৰ্কত বিভিন্ন সামাজিক অনুষ্ঠান, খেলা, ব্যৱসায়িক সন্মিলন তথা অন্যান্য অনুষ্ঠানৰ আয়োজন কৰা হয়। ক্ৰীড়াগ্ৰামৰ খেলুৱৈ থকা ঠাইবোৰ এতিয়া আবাসস্থলীত পৰিণত হৈছে। ১৯৯১ত গ্ৰীচৰ এথেন্সত মেডিটেৰানিয়ান গেমছ অনুষ্ঠিত হৈছিল। ২০০৪ৰ অলিম্পিকতো এথেন্সৰ মেডিটেৰিনিয়ান গেমছৰ ক্ৰীড়াগ্ৰামক পুনৰ ব্যৱহাৰ কৰা হয়। তাৰ পাছৰ পৰা ইয়াক আবাসস্থলীত পৰিণত কৰা হৈছে। সম্প্ৰতি উক্ত ক্ৰীড়াগ্ৰামত প্ৰায় ১০ হেজাৰ লোকে বাস কৰে।

প্ৰতিযোগিতা শেষ হোৱাৰ পাছত ক্ৰীড়াগ্ৰামসমূহ কিদৰে কামত লগাব পাৰি তাৰেই উদাহৰণ হৈছে আটলাণ্টা, বাৰ্চিলোনা, ছিডনী বা এথেন্স। আকৌ এনে উদাহৰণো অনেক আছে, য'ত ক্ৰীড়াগ্ৰামসমূহক সঠিক ৰূপত ব্যৱহাৰ কৰা হোৱা নাই। বিশাল অংকৰ সম্পত্তিক যেন নষ্ট হোৱাৰ বাবেই পেলাই ৰখা হৈছে। তাৰেই এক উদাহৰণ ইউৰোপৰ ব'ছনিয়া এণ্ড হাৰ্জেগ'ভিনাৰ ছাৰাজেভো শীতকালীন অলিম্পিক ক্ৰীড়াগ্ৰাম। ১৯৮৪ত এই বিশাল ক্ৰীড়া প্ৰতিযোগিতা আয়োজন কৰি ইতিহাস ৰচনা কৰিছিল ছাৰাজেভোৱে। প্ৰথমবাৰলৈ কোনো কমিউনিষ্ট দেশত শীতকালীন অলিম্পিকৰ আয়োজন কৰা হৈছে। অৱশ্যে ১৯৮০ত প্ৰথম কমিউনিষ্ট দেশৰূপে ৰাছিয়াৰ মস্কোত অনুষ্ঠিত হৈছিল গ্ৰীষ্মকালীন অলিম্পিক। ছাৰাজেভো শীতকালীন অলিম্পিকৰ পাছত সেই ক্ৰীড়াগ্ৰাম আজি পৰ্যন্ত পৰিত্যক্ত হৈ আছে। ২০১৬ৰ ৰিঅ' অলিম্পিকৰ পাছত আয়োজকসকলে সিদ্ধান্ত লৈছিল যে ক্ৰীড়াগ্ৰামৰ বিভিন্ন অঞ্চল পুনৰ ব্যৱহাৰ কৰা হ'ব। ইয়াৰ ভিতৰত অন্যতম আছিল সাঁতোৰৰ বিভিন্ন প্ৰতিযোগিতাৰ বাবে নিৰ্মাণ কৰা একুৱাটিক চেণ্টাৰ। অথচ অলিম্পিক শেষ হোৱাৰ পাছত সেই একুৱাটিক চেণ্টাৰ আজি পৰ্যন্ত বন্ধ হৈ আছে। ২০২০ৰ বাবেই টকিঅ'ত বিপুল অংকৰ ধন ব্যয় কৰি ক্ৰীড়াগ্ৰাম নিৰ্মাণ কৰা হৈছে। অতিমাৰীৰ কথা মনত ৰাখি অতিৰিক্ত সতৰ্কতা অৱলম্বন কৰাৰ বাবে মাত্ৰাধিক খৰচো বহন কৰিবলগীয়া হৈছে। অলিম্পিক শেষ হোৱাৰ পাছত এই ক্ৰীড়াগ্ৰামৰ কি পৰিণতি হয়, সেয়া সময়তহে দেখা যাব।

## ডমিন'জে আজীৱন বিনামূল্যে পিজ্জা খুৱাব ৰূপ বিজয়িনীক



# মীৰাবাঈলৈ এক কোটি টকাৰ পুৰস্কাৰ মণিপুৰ চৰকাৰৰ



■ **নিউজ ব্যুৰ'**

**ইম্ফল, ২৫ জুলাই ঃ** অহা সোমবাৰেই স্বদেশত উপস্থিত হ'বহি টকিঅ' অলিম্পিকৰ ৰূপ বিজয়ী মীৰাবাঈ চানু। ভাৰোত্তোলনত দেশৰ হকে চলিত অলিম্পিকত প্ৰথমটো পদক জয় কৰা চানুৱে সোমবাৰে বিয়লি ৪-৪৫ বজাত নতুন দিল্লীৰ ইন্দিৰা গান্ধী বিমানকোঠত উপস্থিত হ'বহি। ইয়াৰ পাছতে তেওঁ নতুন দিল্লীৰ পৰা ইম্ফল অভিমুখী বিমানত উঠাৰ কথা। উল্লেখ্য যে কালি ৰূপৰ পদক অৰ্জন কৰাৰ পাছতে সবাতোকৈ আগতে নিজৰ ঘৰত উপস্থিত হ'ব বিচাৰে বুলি চানুৱে মন্তব্য কৰিছিল। সেইবাবেই ইতিমধ্যে তেওঁক আদৰাৰ বাবে মণিপুৰৰ ইম্ফলৰ পৰা প্ৰায় ৩৫ কিলোমিটাৰ নিলগৰ নংবক কাকচিং গাঁৱত ব্যাপক প্ৰস্তুতি আৰম্ভ হৈছে। ঘৰৰ ছোৱালীজনীক সম্ভাষণ জনাবলৈ পৰিয়ালৰ লগতে গাঁওবাসীও সাজু হৈছে। চানুক প্ৰত্যক্ষ কৰাৰ বাবে সকলোৱেই উদ্বাউল হৈ পৰিছে।

ইপিনে, দেশৰ লগতে মণিপুৰকো গৌৰৱান্বিত কৰাৰ বাবে চানুলৈ আৰ্থিক পুৰস্কাৰ ঘোষণা কৰিছে ৰাজ্যখনৰ মুখ্যমন্ত্ৰী এন বীৰেন সিঙে। মুখ্যমন্ত্ৰীজনে জনাইছে যে অলিম্পিকত ৰূপ জয় কৰাৰ বাবে চানুক এক কোটি টকাৰ আৰ্থিক পুৰস্কাৰ প্ৰদান কৰা হ'ব।লগতে চাকৰিতো পদোন্নতি হ'ব। ইমানদিনে চানুৱে উত্তৰ-পূৰ ৰেলত টিকট পৰীক্ষকৰূপে কৰ্মৰত হৈ আছিল। এইবাৰ তেওঁৰ বাবে অপেক্ষা কৰিছে কোনো ডাঙৰ পদে। কালি ৰূপ জয় কৰাৰ পাছতে চানুৰ স'তে ভিডিঅ' কল যোগে কথা পাতি অভিনন্দন জনাইছিল মণিপুৰৰ মুখ্যমন্ত্ৰীজনে। সেই কথা-বতৰাৰ বাণীবদ্ধৰূপ আজি মুখ্যমন্ত্ৰীজনে টুইটাৰত প'ষ্ট কৰে। সেই কথা-বাৰ্তাতে মুখ্যমন্ত্ৰীজনে চানুক কয়, 'আজি অনুষ্ঠিত উত্তৰ-পূৰৰ মুখ্যমন্ত্ৰীসকলৰ বৈঠকত সকলোৱে থিয় হৈ তোমাক অভিনন্দন জনাইছে। তুমি আৰু এতিয়াৰ পৰা ৰেলত উঠি টিকট পৰীক্ষা কৰিব নালাগে। কেন্দ্ৰীয় গৃহমন্ত্ৰীৰ স'তে সন্ধিয়া আমাৰ বৈঠক আছে। তাতেই তোমাৰ পদোন্নতিৰ বিষয়ত আলোচনা কৰা হ'ব। অৱশ্যে এতিয়াই সেই কথা তোমাক নকওঁ।'

অলিম্পিকত ৰূপৰ পদক পোৱাৰ বাবে নিশ্চিতভাৱে চানুলৈ বৰ্ষণ হ'ব নানা পুৰস্কাৰৰ। ইতিমধ্যেই ৰূপ বিজয়িনীৰ পছন্দৰ পুৰস্কাৰৰ কথা ঘোষণা কৰিলে ডমিন'জ ইণ্ডিয়াই। ৰূপ জয় কৰাৰ লগে লগে সমগ্ৰ দেশৰ শুভেচ্ছা-অভিনন্দনৰ বন্যাত বাহি গৈছিল চানু। অথচ মণিপুৰী ভাৰোত্তোলকগৰাকীৰ মন পৰি আছে নিজৰ ইম্ফলৰ নিকটৱৰ্তী ভিতৰুৱা অঞ্চলৰ গাঁওখনত। দীৰ্ঘ দিনৰ পাছত নিজৰ ঘৰখনত উপস্থিত হৈ তেওঁ মন ভৰাই পেটপূজা কৰাৰ ইচ্ছাৰ কথাও কালি সংবাদ মাধ্যমৰ আগত সদৰী কৰে। ২৬ বছৰীয়া তৰুণীয়ে কয় যে ইপ্সিত সাফল্য অৰ্জনৰ পাছত এইবাৰ তেওঁ পছন্দৰ পিজ্জা খাব বিচাৰে। কিয়নো অলিম্পিকৰ প্ৰস্তুতিৰ বাবে সাময়িকভাৱে এই লোভনীয় খাদ্যবিধ তেওঁ পৰিহাৰ কৰি চলিবলগীয়া হৈছিল। মানি চলিছিল কঠোৰ ডায়েট। পদক জয়ৰ পাছত সাংবাদিকে চানুক এতিয়া কৰি কৰিব খোজে বুলি প্ৰশ্ন কৰিছিল। সেই প্ৰশ্নৰ উত্তৰতে চানুৱে কয়, 'সকলোৱে আগতে পিজ্জা খাব বিচাৰো। বহুদিন খোৱা নাই। দীৰ্ঘদিন ধৰি মই এই দিনটোৰ অপেক্ষাত আছিলো।' চানুৰ এই উত্তৰৰ পাছতেই তেওঁক পিজ্জা খুৱাব বুলি সামাজিক মাধ্যমত বহুতেই মন্তব্য কৰে। ইয়াৰ মাজতেই ডমিন'জ ইণ্ডিয়াৰ কৰা টুইট কৰি চানুক আজীৱন বিনামূল্যে পিজ্জা খুৱাব বুলি ঘোষণা কৰে। ডমিন'জৰ তৰফৰ পৰা টুইটত লিখিছে, 'আপুনি ক'লে আৰু আমিও শুনিলো। আমি কেতিয়াও নিবিচাৰিম যে মীৰাবাঈ চানুৱে পিজ্জা খোৱাৰ বাবে অপেক্ষা কৰক। সেয়ে আমি তেওঁক আজীৱন বিনামূল্যে পিজ্জা খুৱাম।' আনকি ইতিমধ্যে পিজ্জা ভাৰোত্তোলকগৰাকীৰ মণিপুৰৰ গাঁৱত থকা বাসগৃহত উপস্থিত হৈছে। ডমিন'ৰ তৰফৰ পৰা আজি কে'বাটাও পিজ্জা চানুৰ বাসগৃহত উপহাৰৰূপে দিয়েগৈ একাংশ কৰ্মচাৰীয়ে।



# কাশীত মন্দিৰ-মছজিদৰ ভূমি সালসলনি আলোচনাৰ মাধ্যমেৰে সকলো সম্ভৱ

## সম্প্ৰীতিৰ অপূৰ্ব নিদৰ্শন

**বহুদিন ধৰি কাশীৰ বিশ্বনাথ মন্দিৰ নিৰ্মাণৰ বাবে মছজিদ সংলগ্ন ১৭০০ বৰ্গফুটৰ এটুকুৰা ভূমিক লৈ দুইপক্ষৰ মাজত আলাপ-আলোচনা অব্যাহত আছিল। সম্প্ৰতি এই ভূমি মন্দিৰ কৰ্তৃপক্ষৰ হাতত তুলি দিছে মছজিদ কৰ্তৃপক্ষই। তাৰ পৰিৱৰ্তে মছজিদ কৰ্তৃপক্ষৰ হাতত অন্যস্থানত এহেজাৰ বৰ্গফুটৰ ভূমি হস্তান্তৰ কৰিছে শ্ৰী কাশী বিশ্বনাথ মন্দিৰ ন্যাসে।**

■ **নিউজ ব্যুৰ'**

**নতুন দিল্লী, ২৫ জুলাই ঃ** আদালতত বিবদমান অৱস্থাত আছে ভূমি বিতৰ্ক। তাৰ মাজতে সম্প্ৰীতিৰ নিদৰ্শন দাঙি ধৰি কাশীত মন্দিৰ আৰু মছজিদে কৰিলে ভূমি হস্তান্তৰ। কোনো ধৰণৰ আইনী জটিলতালৈ নগৈ সুবিধা অনুযায়ী কাশীৰ বিশ্বনাথ মন্দিৰ আৰু জ্ঞানব্যাপী মছজিদ কৰ্তৃপক্ষই ভূমি সালসলনি কৰি দেশতে সম্প্ৰীতিৰ নিদৰ্শন দাঙি ধৰিছে। বহুদিন ধৰি কাশীৰ বিশ্বনাথ মন্দিৰ নিৰ্মাণৰ বাবে মছজিদ সংলগ্ন ১৭০০ বৰ্গফুটৰ এটুকুৰা ভূমিক লৈ দুইপক্ষৰ মাজত আলাপ-আলোচনা অব্যাহত আছিল। সম্প্ৰতি এই ভূমি মন্দিৰ কৰ্তৃপক্ষৰ হাতত তুলি দিছে মছজিদ কৰ্তৃপক্ষই। তাৰ পৰিৱৰ্তে মছজিদ কৰ্তৃপক্ষৰ হাতত অন্যস্থানত এহেজাৰ বৰ্গফুটৰ ভূমি হস্তান্তৰ কৰিছে শ্ৰী কাশী বিশ্বনাথ মন্দিৰ ন্যাসে। আয়তনত হেৰফেৰ থাকিলেও ভূমিৰ বজাৰ মূল্য একেই বুলি জনাইছে মন্দিৰ কৰ্তৃপক্ষই।

লীজৰ মাধ্যমেৰে এই ভূসম্পত্তি সালসলনি কৰা হৈছে। যোৱা ন জুলাইত দুই পক্ষৰ মাজত এই মৰ্মে চুক্তি স্বাক্ষৰিত হয়। উত্তৰ প্ৰদেশ চৰকাৰৰ তৰফৰ পৰা শ্ৰী কাশী বিশ্বনাথ মন্দিৰ ন্যাসৰ মুৰব্বী সুনীল কুমাৰ বাৰ্মা আৰু আনজুমান ইন্তেজামিয়া মছজিদৰ আব্দুল বতিন নোমানিয়ে এই হস্তান্তৰ চুক্তিত স্বাক্ষৰ কৰিছে। বাৰানসীত এই ভূসম্পত্তি সালসলনিৰ আনুষ্ঠানিক ঘোষণা কৰা হয়। বাৰানসীৰ ডিভিজনেল কমিছনাৰ দীপক আগৰৱালাই সদৰী কৰা অনুসৰি, মছজিদ কৰ্তৃপক্ষৰ ভূমি ৱাকফ ব'ৰ্ডৰ মালিকানাধীন আছিল। কাশীধামৰ উন্নয়নত সেয়া মন্দিৰ কৰ্তৃপক্ষৰ হাতত তুলি দিয়া হৈছে। মূলপথৰ সমীপতে মছজিদক মাটি দিছে মন্দিৰ কৰ্তৃপক্ষই। দুবছৰ ধৰি আলাপ-আলোচনাৰ পাছত এই ভূমি সালসলনি সম্ভৱ হোৱা বুলি কয় ইন্তেজামিয়া মছজিদৰ এছ এম ইয়াছিনে। অৱশ্যে কাশীধাম উন্নয়নৰ দিশলৈ লক্ষ্য ৰাখি ভূমি সালসলনি কৰিলেও জ্ঞানব্যাপী মছজিদ চৌহদ গোচৰ এতিয়াও আদালতত ওলমি আছে। অভিযোগ অনুসৰি, মছজিদৰ ভূমি হিন্দুলোকৰ। এই ভূমি ওভতাই বিচাৰি আদালতৰ হস্তক্ষেপ দাবী কৰা হৈছে। গোচৰীয় পক্ষৰ অধিবক্তাৰ মতে, ১৬৬৪ত মোগল সম্ৰাট ঔৰংগজেৱে দুহেজাৰ বছৰ পুৰণি কাশী বিশ্বনাথ মন্দিৰ একাংশ ধ্বংস কৰি সেই স্থানত মছজিদ নিৰ্মাণ কৰে। প্ৰত্যাহ্বান জনাই মছজিদ কৰ্তৃপক্ষ আদালতৰ শৰণাপন্ন হয়। এই মৰ্মে বাৰানসীৰ স্থানীয় আদালতে ভাৰতীয় প্ৰত্নতাত্ত্বিক জৰীপক কাশী বিশ্বনাথ মন্দিৰ আৰু জ্ঞানব্যাপী মছজিদ চৌহদত প্ৰত্নতাত্ত্বিক সমীক্ষাৰ অনুমতি দিয়ে। সংখ্যালঘু সম্প্ৰদায়ৰ দুজনক লৈ পাঁচ সদস্যৰ এখন কমিটী গঠন কৰিবলৈ কয়।



# হাতৰ বন্দুকটোৱেই প্ৰতাৰণা কৰিলে মনু ভাকেৰক

## ক্ৰন্দনত ভাঙি পৰিল দেশৰ তাৰকা শ্যুটাৰ

■ **নিউজ ব্যুৰ'**

**টকিঅ', ২৫ জুলাই ঃ** টকিঅ' অলিম্পিকৰ শ্যুটিঙৰ মহিলাৰ ১০ মিটাৰ এয়াৰ পিষ্টল ইভেণ্টত আজি চূড়ান্তভাৱে ব্যৰ্থ হ'ল ভাৰতীয় শ্যুটাৰ মনু ভাকেৰ। অথচ উক্ত ইভেণ্টত মনুক পদকৰ অন্যতম দাবীদাৰৰূপে গণ্য কৰা হৈছিল। অৱশ্যে তাৰকা শ্যুটাৰগৰাকীয়ে প্ৰাৰম্ভিক পৰ্বৰ পৰাই বিদায় ল'বলগীয়া হ'ল। হাতৰ বন্দুকটোৱেই আজি পদকৰ অন্যতম দাবীদাৰগৰাকীক প্ৰতাৰণা কৰিলে। বন্দুকৰ সমস্যাৰ কাৰণে তেওঁ বহুখিনি মূল্যবান সময় হেৰুৱায়। পুনৰ ৰেঞ্জলৈ উভতি আহি তেওঁ ছন্দ হেৰুৱাই পেলায়। তৎসত্ত্বেও মনুৱে প্ৰচণ্ড সংগ্ৰাম কৰিছিল যদিও মাত্ৰ দুই পইণ্টৰ বাবে ফাইনেললৈ যোগ্যতা অৰ্জন কৰিব নোৱাৰিলে। প্ৰিয় বন্দুকটোৱেই প্ৰতাৰণা কৰাত খেলৰ শেষত ক্ৰন্দনত ভাঙি পৰে শ্যুটাৰগৰাকী।

পিতৃ ৰামকিষাণ ভাকেৰ আৰু ৰাষ্ট্ৰীয় ৰাইফল সংস্থাৰ এজন কৰ্মকৰ্তাই জনোৱা মতে, দ্বিতীয় ছিৰিজৰ মাজভাগত হঠাৎ মনুৰ বন্দুকৰ ইলেক্ট্ৰ'নিক ট্ৰিগাৰত সমস্যাই দেখা দিয়ে। লিভাৰডাল খোল খোৱাও নাছিল, আকৌ বন্ধও হোৱা নাছিল। উপায়ান্তৰ হৈ মনুৱে এজন বিচাৰক আৰু প্ৰশিক্ষকৰ স'তে দলৰ শিবিৰলৈ গৈ বন্দুক সলনি কৰে। সেইটো বন্দুক পৰীক্ষা কৰাৰ পাছত শ্যুটিং ৰেঞ্জলৈ তেওঁ উভতি আহে যদিও তেতিয়ালৈ বহু পলম হৈছিল। তাতকৈও ডাঙৰ কথা হ'ল যে তেওঁৰ মনঃসংযোগত ব্যাঘাত জন্মিছিল, যিটো শ্যুটিঙৰ দৰে ইভেণ্টত অতিশয় গুৰুত্বপূৰ্ণ। দেশৰ আন এগৰাকী শীৰ্ষস্থানীয় শ্যুটাৰ হীনা ছিদ্ধুৱে অৱশ্যে মনুৰ কাষত থিয় দিছে। টুইটত হীনাই লিখিছে, 'যিসকলে কৈছে যে তেওঁ চাপত পৰি বেয়া খেলিছে, তেওঁলোকক কওঁ যে তেওঁ চাপত পৰি অধিক ভালহে খেলিছিল। বন্দুকৰ সমস্যাৰ বাবে তেওঁৰ বহুখিনি সময় নষ্ট হৈছিল। ৩৪ মিনিটত ৫৭৫ স্ক'ৰ সংগ্ৰহ কৰাটো সাধাৰণ কথা নহয়। শেষ শ্বট পৰ্যন্ত তেওঁ সংগ্ৰাম কৰিছিল।'

**অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড**, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। **সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।**
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
**E-MAIL :** agradoot@gmail.com, editor.agradoot@gmail.com